# প্ৰান্তিক

৭ম বছৰ ১ম সংখ্যা [illegible] ডিচেম্বৰ '৮৭

চাৰ্লক হ'মছৰ
শতবাৰ্ষিকী



## অসমত চাহ খেতিৰ আৰম্ভণিৰ কথা

# প্ৰান্তিক

৭ম বছৰৰ ১ম সংখ্যা ১—১৫ ডিছেম্বৰ '৮৭ | মূল্য চাৰি টকা

ডাকঘৰ ঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩

## অহা সংখ্যাত

এই পৃথিৱীৰ বাহিৰে বিশ্বব্ৰহ্মাণ্ডৰ ক'ৰবাত জীৱ আছে নে নাই—তাৰ অনুসন্ধান আৰম্ভ কৰা এতিয়া পঁচিছ বছৰ হ'ল। এই অনুসন্ধান আৰু ইয়াৰ ফলাফলৰ ভেঁটিত ৰচিত প্ৰবন্ধ

**মহাজাগতিক সভ্যতা আৰু আমি ঃ মানৱজ্যোতি বৰদলৈ**

**ইছলামীয় বেংক ব্যৱস্থা** কেনে ধৰণৰ ? সুদবিহীন ঋণৰ প্ৰবৰ্তন কৰা এই বেংক-ব্যৱস্থা সম্পৰ্কে লিখিছে **ডঃ প্ৰণৱ কুমাৰ মহন্তই।**

**অসমৰ স্থায়ী ৰাজধানী সম্পৰ্কে বিভিন্ন জনৰ মতামত**

অসম গণ পৰিষদ চৰকাৰলৈ কেইটামান **কৰিবলগীয়া কামৰ পৰামৰ্শ** আগবঢ়াইছে **শংকৰ শইকীয়াই।**

১৯৮৬ চনৰ জ্ঞানপীঠ বঁটা বিজেতা **সচ্চিদানন্দ ৰাউতৰায়ৰ** বিষয়ে লিখিছে **সুনীল কুমাৰ দত্তই**

খেলা-ধূলা কৰা লোকসকলৰ শৰীৰৰ ভিতৰৰ ক্ৰিয়া-কলাপৰ লগত তেওঁলোকৰ কৃতিত্বৰ সম্পৰ্ক আছে। খেলুৱৈসকলৰ শৰীৰ-চৰ্চাৰ বিজ্ঞানসন্মত পদ্ধতিসমূহ কেনেকুৱা ?

**ডঃ উৎপল শৰ্মাৰ প্ৰবন্ধ ঃ ক্ৰীড়া আৰু ক্ৰীড়া-বিজ্ঞান**

## এই সংখ্যাত

পাকিস্তানৰ লগতে আগেয়ে ছোভিয়েট দেশৰ বহতীয়া বুলি ভাবি থকা ভাৰতৰ সৈতেও বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তুলিব পাৰি বুলি আমেৰিকাই এতিয়া ভাবিবলৈ লৈছে। ভাৰতক কিছুমান শেহতীয়া প্ৰযুক্তি কৌশল শিকাই দি আৰু প্ৰতিৰক্ষা সঁজুলি বিক্ৰি কৰি আৰু পাকিস্তানলৈ এফ-১৬ ৰ দৰে অত্যাধুনিক সামৰিক বিমানৰ যোগান ধৰি এই দিশত আগবাঢ়িব পাৰি বুলি তেওঁলোকে ভাবে।

**কুলদীপ নায়াৰৰ** প্ৰবন্ধ: **ভাৰত-মাৰ্কিন-পাক ত্ৰিভুজটো** ।১১।

১৮২৩ চনত ব্যৱসায় সংক্ৰান্তত অসমলৈ আহোঁতে ৰবাৰ্ট ব্ৰুছে প্ৰথম অসমৰ হাবিত আপোনা-আপুনি হোৱা চাহৰ সন্ধান পায়। তাৰ পাছত বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ অন্তত পৰীক্ষামূলক ভিত্তিত শদিয়াৰ কুণ্ডিলখণ্ডত ১৮৩৫-৩৬ চনত আৰু পাছত ডিব্ৰুগড়ৰ চাবুৱাত ১৮৩৭ চনত চাহখেতি কৰিবলৈ লোৱা হয়।

অসমত চাহখেতিৰ আৰম্ভণিৰ বিষয়ে **হৰেশ্বৰ গোস্বামীৰ** প্ৰবন্ধ ঃ
**অসমত চাহখেতিৰ আৰম্ভণিৰ কথা** ।২৫।

১৯৮৭ চনটো সমগ্ৰ বিশ্বতে চাৰ্লক হ'মছৰ শতবাৰ্ষিকীৰূপে পালন কৰা হৈছে। আনকি যোৱা ৬ জানুৱাৰীৰ দিনা বৃটিছ কমনছ সভাৰ সদস্যসকলেও ইংলণ্ডৰ পাৰ্লিয়ামেণ্ট ভৱনত এখন ভোজমেলত মিলিত হৈ এই শতবাৰ্ষিকী পালন কৰে। অথচ এই কাল্পনিক চৰিত্ৰটোৰ শতবাৰ্ষিকী পালন কৰা অনেক হ'মছ-প্ৰেমী লোকেই ইয়াৰ স্ৰষ্টা কনান ডয়লৰ নামকে নাজানে।

**সুধীৰ চন্দ্ৰ বৰুৱাৰ** প্ৰবন্ধ ঃ
**চাৰ্লক হ'মছৰ শতবাৰ্ষিকীত কাক সুঁৱৰিম** ।৩৮।

পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৮। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।১১। অভাৰ ব্ৰিজৰ তলত ।১৩। চৰকাৰী আয়-ব্যয়ৰ পৰিকল্পনা ।১৬। অসমত চাহ খেতি ।২৫। মালয়েছিয়াৰ কাঠ ।৩০। বাটৰ বাৰমিহলি ।৩৩। চাৰ্লক হ'মছৰ শতবাৰ্ষিকী ।৩৮। অসমীয়া ভাষা লিখা-কোৱা ।৪১। গল্প ।৪৩। উপন্যাস ।৫২। দৈনন্দিন ।৫৭। কবিতা ।৫৯। কলা-সংস্কৃতি ।৬০। ক্ৰীড়াংগন ।৬২। শেষ পৃষ্ঠা ।৬৬।

বেটুপাতৰ আলোকচিত্ৰ ঃ দীপক বেজবৰুৱা

**মুখ্য সম্পাদক ঃ ডঃ ভবেন্দ্ৰনাথ শইকীয়া**

**নিবন্ধকাৰ ঃ** কুলদীপ নায়াৰ * বদন বৰুৱা * ডঃ নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ডঃ দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ডঃ কৃষ্ণগোপাল ভট্টাচাৰ্য * ডঃ সুনীল পৱন বৰুৱা * ডঃ কুলেন্দু পাঠক * গণেশ দাস * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

**সহকাৰী সম্পাদক ঃ** ইমৰান হুছেইন

**অংগ সজ্জা ঃ** দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ ঃ** দীপক বেজবৰুৱা

**মুদ্ৰাংকন ঃ** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ

**প্ৰদীপ বৰুৱাৰ** দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Vol VII No. 1. 1—15 December '87

*Prantik*
The Assamese Fortnightly

P.O. Silpukhuri, Guwahati—781003 Phone : 28754

OKDISCD

## অসমৰ কলীয়াপানী

মন্ত্ৰীৰ প্ৰাইভেট ছেক্ৰেটেৰিজনৰ হঠাৎ সামান্য অসুখ হ'ল। চিকিৎসক অনাই চিকিৎসা কৰোৱা হ'ল। প্ৰাইভেট ছেক্ৰেটেৰিজন চিকিৎসা পদ্ধতিত অসন্তুষ্ট হ'ল আৰু চিকিৎসকজনক লগে লগে ধমকি দিলে— শিলচৰলৈ বদলি কৰা হ'ব। আনটো ঘটনাত মন্ত্ৰী নিজেই জড়িত। চিকিৎসকজনৰ কাম কাজত 'গভীৰ অসন্তুষ্ট' (নে মন্ত্ৰীক চিনি নোপোৱাৰ শাস্তি ?) হৈ বিচাৰৰ ৰায় ঘোষণা কৰা হ'ল—"শিলচৰলৈ যাবৰ কাৰণে বেডিং বান্ধক।" এই ঘটনা দুটা ন্যস্তস্বাৰ্থ-জড়িত লোকে চৰকাৰৰ বা মন্ত্ৰীৰ ভাবমূৰ্তি নষ্ট কৰিবলৈ চলোৱা অপপ্ৰচাৰ নিশ্চয় নহয় ;— নহলে বাতৰি কাকতৰ (য'ত খবৰ দুটা প্ৰকাশ হৈছিল) বিৰুদ্ধে মানহানিৰ গোচৰ তৰিব পৰা গলহেঁতেন নাইবা স্পষ্টীকৰণ এটা দিব পৰা গলহেঁতেন। কিন্তু কথা হ'ল—চৰকাৰী চাকৰিয়ালৰ কামকাজত খুঁত ওলালেই তেওঁলোকক কেৱল শিলচৰলৈহে বদলি কৰা হয় কিয় ? শিলচৰখন অসমৰ নতুন কলীয়াপানী নেকি— য'লৈ দোষী (?) চাকৰিয়ালক শাস্তি হিচাপে পঠোৱা হয় ? এইটো অনস্বীকাৰ্য যে বহুত চাকৰিয়াল দোষত পৰি হওক বা ৰোষত পৰিয়েই হওক অসমৰ পাৰ্বত্য জিলা দুখন আৰু শিলচৰৰ ফালে যাব লগা হয় আৰু তালৈ যোৱাটো দুয়োপক্ষই (চৰকাৰ আৰু চাকৰিয়াল) 'শাস্তি' হিচাপে গণ্য কৰে। অসমৰে এনে ঠাইলৈ যাবলৈ এটা পক্ষই ভয় কৰা আৰু আনটো পক্ষই পঠাবলৈ ভালপোৱাটোৱে ঠাইকেইখনৰ প্ৰতি চৰম অৱহেলা কৰা তথা পিছুপেলাই ৰখাৰ প্ৰবৃত্তি প্ৰকাশ নকৰেনে ?

—**এজন চাকৰিয়াল,**
বল্লমগুৰি (কোকৰাঝাৰ জিলা)

## ভাল আদৰ্শ

মহাপুৰুষ মাধৱদেৱৰ তিৰোভাৱ তিথি উপলক্ষে এইবাৰ ডিব্ৰুগড়ৰ ল'ৰাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-ছাত্ৰই মিলি তিথি উদযাপন কৰাৰ লগতে ৰাতিলৈ "দ্ৰোণ পৰ্ব ঃ অভিমন্যু বধ" ভাওনা অনুষ্ঠিত কৰে। আমাৰ গুৰু কেইজনাৰ আবিৰ্ভাৱ বা তিৰোভাৱ তিথি আজি প্ৰায় ২০-২৫ বছৰ আগলৈকে শিক্ষানুষ্ঠানবোৰত যথানিয়মেৰে পাতি গুৰুসকলৰ শিক্ষা তথা সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত সমাজলৈ বৰঙণিৰ বিষয়ে আলোচনা-বিলোচনা কৰাটো এক প্ৰচলিত প্ৰথা আছিল। গুৰুকেইজনাৰ আদৰ্শ আৰু গুণৰাশিৰ বিষয়ে উঠি অহা চামে জানিবলৈ সুযোগ পোৱাৰ উপৰিও এনে কামে ছাত্ৰ-শিক্ষকৰ মাজত এনে অনুষ্ঠান আয়োজনৰ জৰিয়তে মধুৰ সম্পৰ্ক গঢ় লৈ উঠাত সহায় কৰিছিল।

গাঁও অঞ্চলৰ কেতবোৰ শিক্ষানুষ্ঠানত তিথি আদি উদযাপন ছেগাচোৰোকাকৈ চলি থাকিলেও আজি কিছুবছৰৰ পৰা শিক্ষানুষ্ঠানবোৰত গুৰুকেইজনাৰ তিথি পতাটো প্ৰায় উঠি যোৱাৰ দৰেই হ'লগৈ। তেৰাসকল বহু ছাত্ৰছাত্ৰীৰ বাবে কেৱল সাহিত্যৰ পাঠ্য পুথিৰ পাততে বন্দী হৈ ৰবলগীয়া হৈছেগৈ। তদুপৰি দিনকদিনে ছাত্ৰ-শিক্ষকৰ মাজৰ পূৰ্বৰ মধুৰ সম্পৰ্কৰ অৱনতি ঘটাৰ কথাও কাকতে-পত্ৰেই বা সভাই-সমিতিয়ে সঘন আলোচনাৰ বিষয় বস্তু হৈ পৰিছে। আনহাতে ভাওনা-সবাহ, নাম, কীৰ্তন, ঘোষা আদিৰ চৰ্চাও ছাত্ৰসমাজৰ মাজত নোহোৱাৰ দৰেই হৈছেগৈ।

তেনে এক পটভূমিত ডিব্ৰুগড় ল'ৰাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-শিক্ষকে মিলি সত্ৰীয়া পৰম্পৰাৰ তিথি উদযাপন কৰাটো, আৰু ৰাতিলৈ ভাওনা পতাটো নিঃসন্দেহে এক উল্লেখযোগ্য ব্যতিক্ৰম বুলিব পাৰি। এনে ভাল আদৰ্শ অন্যান্য শিক্ষানুষ্ঠানবোৰেও পৰাপক্ষত অনুসৰণ কৰিব পাৰিলে নিশ্চয় আমাৰ কৃষ্টি-সংস্কৃতিৰো চৰ্চা হ'ব আৰু ছাত্ৰ-শিক্ষকৰ মাজৰ সম্পৰ্কও কিছু পৰিমাণে উন্নত হ'ব।

ডিব্ৰুগড় ল'ৰাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক মণ্ডলী আৰু ছাত্ৰসকললৈ আমাৰ আন্তৰিক অভিনন্দন আগবঢ়ালো।

—**সত্যেন গগৈ,**
চৌকিডিঙি, ডিব্ৰুগড়

## এখন প্ৰাথমিক বিদ্যালয়ৰ কথা

আমাৰ গাঁৱত এখন প্ৰাথমিক বিদ্যালয় আছে ; কিন্তু তাৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাগত অৰ্হতা সঁচাকৈয়ে দুখ লগা বিধৰ। এই বিদ্যালয়ৰপৰা চতুৰ্থ শ্ৰেণী পাছ কৰি যোৱা ছাত্ৰ-ছাত্ৰীয়ে যোগ-বিয়োগ অংক এটাকে শুদ্ধকৈ কৰিব নাজানে। নিজৰ নামটোও শুদ্ধকৈ লিখিব নাজানে। বিদ্যালয়খনত সুবিধা মতে ছাত্ৰ-ছাত্ৰী বহিব লাগিলে ষাঠি জনৰ বেছি নধৰে ; কিন্তু তাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ডেৰশৰো অধিক। ইমানবোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে দুজন শিক্ষক আছে। আমাৰ কণ-কণ ছাত্ৰ-ছাত্ৰীৰ প্ৰাথমিক স্তৰতে এনেকুৱা অৱস্থা হ'লে মাধ্যমিক স্তৰত কি হ'ব ? এই বিদ্যালয়ৰপৰা কেৱল ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস কৰিবলৈহে বছৰি বছৰি এনে ধৰণৰ অপৈণত ছাত্ৰ-ছাত্ৰীক উলিয়াই দিয়া যেন লাগে। তদুপৰি বিদ্যালয়খনৰ অৱস্থা একেবাৰে বেয়া! এইটো এটা উদাহৰণহে ; এনেকুৱা অসংখ্য বিদ্যালয় অসমৰ চুকে-কোণে আছে।

—**ৰুদ্ৰ ছেত্ৰী,**
বৰঙাজুলি খুঁটি, ডিমাকুছি, দৰং

## ছাত্ৰসন্থাৰ এচাম নেতা আৰু কৰ্মী সম্পৰ্কে

অপ্ৰিয় হ'লেও সত্য যে, বৰ্তমান ছাত্ৰ-সন্থাৰ কাৰ্যনিৰ্বাহ কৰি থকা কিছুমান ছাত্ৰৰ কাৰ্যপদ্ধতিৰ অতি লজ্জাজনকভাৱে অধঃপতন ঘটিছে। আঞ্চলিক ছাত্ৰসন্থাৰপৰা আৰম্ভ কৰি কেন্দ্ৰীয় সমিতিলৈকে কিছুমান ছাত্ৰৰ কাৰ্যই ৰাইজ তথা আন কিছুমান ছাত্ৰৰ মনৰ শক্তিক আঘাত কৰিছে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে এটা নিকা মন লৈ ছাত্ৰসন্থা কৰিবলৈ আগবাঢ়ি আহিছে, বা কাৰ্যনিৰ্বাহ কৰি আছে, তেওঁলোকৰ কিছুমানৰ মন কিছু ছাত্ৰই ছাত্ৰসন্থাবিৰোধী কৰি তুলিছে। ইয়াৰ ফলত সংগঠনটোৰ ভাবমূৰ্তি কমদিনৰ ভিতৰতে দুৰ্বল হৈ যাব পাৰে। কিছুমান ছাত্ৰনেতাই মদ খাই উৎপাত কৰা, ছাত্ৰসন্থাৰ নামত ধন সংগ্ৰহ কৰি অপব্যৱহাৰ কৰা, তেল ডিপোৰপৰা জধেমধে শ-শ লিটাৰ তেল নিয়া (এনেবোৰ ক্ষেত্ৰত ছাত্ৰসন্থাৰ নিজস্ব নীতি উল্লেখযোগ্য) ইত্যাদি—কামবোৰ ছাত্ৰ-সন্থাৰ মহান ভাবমূৰ্তিক ম্লান কৰিবৰ বাবে নিশ্চয় যথেষ্ট। কিছুমান ছাত্ৰনেতাৰ নৈতিক চৰিত্ৰৰ অধঃপতন আদি কেতিয়াও সহ্য কৰিব নোৱৰা বিধৰ।

যি সময়ত— অসমত বিভিন্ন ধৰণৰ ছাত্ৰ সংগঠনৰ সৃষ্টি হৈছে আৰু নতুন-নতুন সমস্যাই মূৰ দাঙি উঠিছে, তেনে সময়ত প্ৰত্যেক ছাত্ৰনেতাই যি কোনো অপকৰ্মৰ পৰা বিৰত থাকি সক্ৰিয়ভাৱে সংগঠনৰ কামত মনোনিবেশ কৰিব লাগে। প্ৰতিখন আঞ্চলিক ছাত্ৰসন্থাৰপৰা কেন্দ্ৰীয় সমিতিলৈকে কোনো ছাত্ৰনেতা যদি দুৰ্নীতি বা অপকৰ্মত লিপ্ত হয়, তেন্তে শীঘ্ৰে সাংবিধানিকভাৱে তেওঁক ছাত্ৰসন্থাৰপৰা বহিষ্কাৰ কৰিব লাগে। এই ক্ষেত্ৰত সকলো ছাত্ৰ-ছাত্ৰীৰে আৰু ৰাইজৰ দায়িত্ব আছে। ছাত্ৰ-সন্থাৰ ওপৰত দৃষ্টি ৰাখিবলৈ ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ নিশ্চয় অধিকাৰ আছে। কোনো ছাত্ৰনেতা দুৰ্নীতি বা অপকৰ্মত লিপ্ত হ'লে শীঘ্ৰে তাৰ প্ৰতিবাদ কৰিব লাগে। তেনে কাম ছাত্ৰসন্থাটো সবল হোৱাত সহায়ক হ'ব আৰু ফলত ছাত্ৰনেতাসকলো দুৰ্নীতি আৰু অপকৰ্মৰপৰা বিৰত থাকিবলৈ বাধ্য হ'ব।

—**উজ্জ্বল কুমাৰ বৰা,**
পাৰ্বতীপুৰ, সোণাৰি



## এযাৰি আইৰ ঐ দেহি

দুৰ্গত জনৰ ওচৰলৈ গৈ বিপদৰ সময়ত এষাৰ মৰমৰ মাত দিয়া আৰু সহায়ৰ হাত আগবঢ়োৱাটো এক মানৱীয় দায়িত্ব হিচাপে গণ্য কৰি অসম সাহিত্য সভাৰ বিশ্বনাথ চাৰিআলি শাখা যোৱা ২৬।৮।৮৭ তাৰিখে সামান্য বস্ত্ৰ-পাতি লৈ গহপুৰ-কলাবাৰী বান-বিধ্বস্ত অঞ্চললৈ গৈছিল। এই সাহায্য দলটিৰ লগত ময়ো আছিলো। ইয়াৰ আগতেও অৱশ্যে এই অঞ্চললৈ গৈ যাতায়াতৰ সুচল নোহোৱা বিস্তীৰ্ণ অঞ্চলত খোজ কাঢ়ি-কাঢ়ি দুৰ্গতজনৰ কাষত থিয় দিয়াৰ প্ৰয়াস কৰিছিলো। কিন্তু এইবাৰ মই আৰু বিশ্বনাথ চাৰিআলি বান সাহায্য কেন্দ্ৰীয় কমিটিৰ (স্বেচ্ছাসেৱামূলক) উপসভাপতি দুৰ্গেশ্বৰ ওজা এটা পাওৱৰ-বৰ্জিত বান-বিধ্বস্ত অঞ্চলত উপস্থিত হৈছিলোগৈ। অঞ্চলটোৰে সামৰি লোৱা প্ৰায় কুৰি-পঁচিশখন গাঁৱৰ আনুমানিক দহ হাজাৰ লোকৰ এতিয়াও পানীত হাহ নচৰা অৱস্থা। বহিজগতৰ লগত এই অঞ্চলটোৰ যোগাযোগ এতিয়াও প্ৰায় বিচ্ছিন্ন হৈ আছে। অঞ্চলটোৱে সামৰি লোৱা গাঁওবোৰ হ'ল গনাইহাটী, চিৰাখোৱা, তিনিঘৰীয়া, তেলীয়াবাৰী, বৰ দোৱাৰ, ৰাওনামুখ, চৰাইবাৰী ইত্যাদি। এই গাঁওবোৰে সামান্য চৰকাৰী সাহায্য পাইছে। কিন্তু বিশ্বনাথ চাৰিআলি আদি ঠাইত যি স্বেচ্ছাসেৱামূলক সাহায্যৰ ঢৌ (ইয়াৰ আগবাৰ যাওঁতে ধন্দী, মাজিকুচি, কেন্দুগুৰি আদি ভিতৰুৱা অঞ্চলৰ ৰাইজে বিশ্বনাথ চাৰিআলিবাসী ৰাইজৰ মৰম-চেনেহ আৰু সহানুভূতিৰ কথা বৰ কৃতজ্ঞতাৰে সুঁৱৰিছিল) উঠিছে, সেই ঢৌৱে এই দুৰ্গম অঞ্চলবোৰ স্পৰ্শ কৰিবগৈ পৰা নাই। এই অঞ্চলত বাসকৰা প্ৰায় সকলোখিনিয়েই মিছিং জনজাতিৰ লোক। নিজকে সম্পূৰ্ণ অৱহেলিত বুলি গণ্য কৰা এখেতসকলৰ বহুতৰ কাৰণে এতিয়া ভেটফুলৰ সৰিয়হৰ নিচিনা গুটি আৰু শেলেকুৱেই প্ৰধান খাদ্য। অঞ্চলটো নিঃসন্দেহে দুৰ্গম। আমি দুজনে গলচেপা নামে ঠাইত দিনৰ বাৰ বজাত নাৱত উঠি অকোৱা-পকোৱা বাটেৰে গৈ আমাৰ গন্তব্যস্থল ৰাওনামুখ পাওঁতে সন্ধিয়া ছয় বাজিছিল। সেই কাৰণেই বিশ্বনাথ চাৰিআলিকে আদি কৰি দূৰ ঠাইৰ পৰা গৈ সেই অঞ্চলত সাহায্য বিতৰণ কৰি একেদিনাই ঘূৰি অহাটো কষ্টসাধ্য। কিন্তু কোনোবা গৈ ওলালেগৈ তেওঁলোকে কৃতজ্ঞতাৰ চকুপানীৰে গা ধুৱাই পঠাব খোজে। ৰাওনামুখৰ জয়কান্ত মিলি, চৰাইবাৰীৰ ৰবীন পাটগিৰিকে আদি কৰি ছয়-সাতজন লোকে আমাক অহা-যোৱা দুয়ো ক্ষেত্ৰতে অশেষ কষ্ট কৰি পথ দেখুৱাই নিছিল। এওঁলোকে বাৰে-বাৰে আমাক কৈছিল,— "এই অঞ্চলৰ দুখৰ কথা আপোনালোকে বাতৰি কাগজ আদিত লিখি প্ৰচাৰ কৰিব।" কিন্তু কাক কম কোনে পতিয়াব ? তেওঁলোকে আবেগ আৰু দুখেৰে কৈছিল যে, স্থানীয় বিধায়কজন এতিয়ালৈকে (২৬।৮।৮৭) এই গাঁওবোৰলৈ এবাৰো অহা নাই। এই বিপদৰ সময়ত তেওঁলোকৰ মৰমৰ নেতাজনৰ পৰা এষাৰি আইৰ ঐ দেহি শুনিবলৈ তেওঁলোকে এতিয়াও আগ্ৰহেৰে বাট চাই আছে।

—**যোগেশ্বৰ বৰা,**
বিশ্বনাথ চাৰিআলি

## সূৰ্য আৰু পৃথিৱীৰ দূৰত্ব

ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে "সকলোৰে বাবে ছিটা, সকলো ৰোগৰ বাবে ?" প্ৰবন্ধটোত "(পৃথিৱীৰ পৰা সূৰ্যৰ দূৰত্ব ১৫ লাখ কিল'মিটাৰ)" বুলি লিখিছে। এই ভুলটোৰ বাবে মই এজন পাঠক হিচাপে দুঃখিত হৈছো আৰু লাজ পাইছোঁ। কিয়নো আপোনালোকৰ এই 'প্ৰান্তিক'খনৰ চাহিদা ভাৰতৰ সৰু ডাঙৰ প্ৰায় চহৰ বা নগৰত আছে। মই নিজে ভেলোৰ, মাদ্ৰাজ আদি ঠাইলৈ গৈছো আৰু কিতাপৰ দোকানত প্ৰান্তিকখনো দেখা পাইছো। এই আলোচনীত এনে ধৰণৰ ডাঙৰ ভুলে পাঠকৰ মনত তথ্য-পাতিৰ শুদ্ধতা সম্পৰ্কে সন্দেহ জন্মাব পাৰে। প্ৰকৃততে, সূৰ্যৰ পৰা পৃথিৱীৰ দূৰত্ব গড়ে ১৪ কোটি ১৫ লাখ কিল'মিটাৰ। এতিয়া কথাটো হ'ল, ড° গোস্বামীয়ে উল্লেখ কৰা জিন ডি. এন. এৰ পাকবোৰ খুলি গৈ থাকিলে, আৰু এটাৰ পাছত এটাকৈ জোৰা লগাই থাকিলে ই পৃথিৱীৰ পৰা গৈ গৈ সূৰ্যটো চুকি পাব নে নিৰ্দিষ্ট ২৫ লাখ কিল'মিটাৰৰ শেষ বিন্দুটো চুকি পাব ?

—**পূৰ্ণানন্দ ভৰালী,** টংলা মহাবিদ্যালয়

### প্ৰবন্ধ-লেখকৰ উত্তৰ

উল্লিখিত বাক্যটো হ'ব লাগিছিল ঃ (পৃথিৱীৰপৰা সূৰ্যৰ দূৰত্ব ১৫ কোটি কিল'-মিটাৰ।) ভুলটোৰ বাবে মই দুখ পাইছোঁ আৰু আঙুলিয়াই দিয়া বাবে শ্ৰীভৰালীক ধন্যবাদ জনাইছোঁ।

পৃথিৱীৰপৰা সূৰ্যৰ গড় দূৰত্ব প্ৰায় ১৪ কোটি ৯৬ লাখ কিল'মিটাৰ। (১৪,৯৫,৯৭,৯০৬ কিল'মিটাৰ)। প্ৰবন্ধটোত মোটামুটি হিচাপ এটাহে দিয়া হৈছিল ; তাতো অনবধানতাবশতঃ কোটিৰ ঠাইত লাখ হ'ল।

প্ৰবন্ধটোত থকা আনটো মন্তব্য সত্য ঃ মানুহ এজনৰ শৰীৰত থকা জিনবোৰৰ ডি. এন. এৰ পাক খুলি খুলি জোৰা লগাই গৈ থাকিলে সি পৃথিৱীৰপৰা সূৰ্যটো চুকি পাব।

—**দীনেশ চন্দ্ৰ গোস্বামী**

## লেতেৰা জাতি

অসমৰ পৰা পশ্চিম বংগলৈ যাওঁতে হোৱা অভিজ্ঞতা এটাৰ কথা কওঁ। সিদিনা কোকৰাঝাৰ জিলাৰ গোসাইগাঁৱৰপৰা শ্ৰীৰামপুৰ হৈ আলিপুৰ দুৱাৰলৈ যাওঁতে দেখিলো, অসম-বংগৰ সীমান্তৰ ইপাৰে সকলো থিয় হৈ থকা বস্তু, যেনে লাইট প'ষ্ট, ঘৰৰ বেৰ, যিকোনো ধৰণৰ খুটা, দোকানৰ বেৰ আদিত চুণৰ দাগ। কিন্তু শ্ৰীৰামপুৰৰ সিপাৰে কোনো ঠাইতে এটা চুণৰ দাগো দেখিবলৈ পোৱা ন'গল। অসমৰ মানুহ ইমানেই লেতেৰা যে অটব্য গছৰো মাজৰ গছতো চুণৰ দাগ দেখা যায়। ভ্ৰমণকাৰী কিছুমান ব্যক্তিৰ মুখতো শুনিছো যে ভাৰতৰ আন্য ৰাজ্যৰপৰা অসমত সোমালেই য'তে-ত'তে এই চুণৰ দাগ দেখা যায়। এইটো অসমীয়াসকলৰ বাবে বৰ পৰিতাপৰ কথা নহয়নে ?

—**ৰেণুধৰ নাথ,**
১৩১ কি. ভ. সংযোজন উপকেন্দ্ৰ, জয়মা

## ব্যাকৰণৰ ভুল শিক্ষা

শ্ৰীনীতীশ চন্দ্ৰ শৰ্মাৰ 'ব্যাকৰণৰ ভুল শিক্ষা' শীৰ্ষক চিঠিখন (১৬।৭।৮৭) পঢ়িলোঁ। আৰু সহজ ব্যাকৰণ, ২য় ভাগৰ প্ৰণেতা হিচাপে দুআষাৰ লিখিব লগা হলোঁ। শ্ৰীশৰ্মাই লিখিছে যে গো + ইন্দ্ৰ = গৱেন্দ্ৰ, গো + অক্ষ = গৱাক্ষ, প্ৰ + ঊঢ় = প্ৰৌঢ়, অক্ষ + ঊহিনী = অক্ষৌহিণী আদি নিপাতনে সিদ্ধ হোৱা সন্ধি নহয়, একোটা নিয়মৰ মাজেৰেহে ইহঁতৰ সন্ধি হৈছে। শ্ৰীশৰ্মাই নিয়মকেইটা উল্লেখ কৰা নাই। তেখেতে ক্ষোভ প্ৰকাশ কৰি কোমল মনৰ ছাত্ৰ-ছাত্ৰীক প্ৰকৃত শিক্ষাৰ পৰা আঁতৰত ৰখা বুলি অভিযোগ কৰিছে আৰু ভুল-তথ্য-সম্বলিত কিতাপসমূহ পাঠ্যপুথি হিচাপে ব্যৱহাৰ কৰিবলৈ নিদি চৰকাৰীভাৱে বন্ধ কৰি দিব লাগে বুলি দাবী কৰিছে, নহ'লে 'বৈয়াকৰণীক'ৰ আশ্ৰয় লৈ সংশোধন কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়াইছে। আমি নিজে অসমীয়া সাহিত্যৰ ছাত্ৰ আৰু শিক্ষকো। ৩৫ বছৰ ধৰি শিক্ষকতা কৰি আছোঁ। বিভিন্ন লেখকৰ অসমীয়া ব্যাকৰণ পঢ়িছোঁ আৰু হাইস্কুল, হায়াৰ ছেকেণ্ডৰি স্কুল আৰু নৰ্মাল স্কুলৰ বিভিন্ন শ্ৰেণীত পঢ়ুৱাইছোঁ।

ছাত্ৰক ভুল শিক্ষা দিয়াটো আমাৰ ধৰ্ম নহয়। শ্ৰীশৰ্মাক সঁকীয়াই দিব খোজোঁ যে 'সহজ ব্যাকৰণ, ২য় ভাগ'খন ৬ষ্ঠ আৰু ৭ম মানৰ বাবে লিখা অসমীয়া ব্যাকৰণ, পাণিনিৰ সূত্ৰ-সম্বলিত সংস্কৃত ব্যাকৰণ নহয়। এইখন কোমল মনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পাঠ্যপুথি নিগমে নিৰ্দিষ্ট কৰি দিয়া পাঠ্যক্ৰম অনুসৰি লিখা আৰু বিজ্ঞ লোকৰ হতুৱাই পৰীক্ষা কৰাই অনুমোদন কৰা পাঠ্যপুথি।

আমি 'সহজ ব্যাকৰণ'ত কোনো ভুল তথ্য সম্বলিত কৰা নাই। অসমৰ শিক্ষাধিকাৰ মহোদয়ে বিভিন্ন সময়ত মঞ্জুৰ কৰা আৰু পাঠ্যপুথি নিগমে অনুমোদন কৰা কেইখনমান অসমীয়া ব্যাকৰণৰ নিপাতনে সিদ্ধ সন্ধিৰ তালিকাবোৰ পঢ়ি চাবলৈ আমি শ্ৰীশৰ্মাক অনুৰোধ জনালোঁ। তেখেতৰ অৱগতিৰ অৰ্থে অসমৰ বিদ্যালয়সমূহত দীৰ্ঘদিন পাঠ্যপুথি হিচাপে চলা কেইখনমান অসমীয়া ব্যাকৰণৰ নাম প্ৰণেতাসকলৰ নাম আৰু পৃষ্ঠা নম্বৰেৰে সৈতে তলত দিলোঁ।

(১) অমৃত ব্যাকৰণ, ৫ম আৰু ৬ষ্ঠ মানৰ বাবে (৬ষ্ঠ তাঙৰণ, ১৯৫৬), স্বৰ্গীয় হৰমোহন দাস, ১৪;

(২) অসমীয়া ব্যাকৰণ, ৩য় আৰু ৪ৰ্থ মানৰ বাবে (১৩শ তাঙৰণ, ১৯৬৭), শ্ৰীনগেন্দ্ৰ নাথ চৌধুৰী, ১৩;

(৩) অসমীয়া ভাষাৰ ব্যাকৰণ, ২য় ভাগ (৪ৰ্থ সংস্কৰণ, ১৯৬৮), শ্ৰীভূপেন্দ্ৰ নাথ চৌধুৰী, ১৪;

(৪) আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণ (৪ৰ্থ সংস্কৰণ, ১৯৬৮), স্বৰ্গীয় গিৰিধৰ শৰ্মা, ৩৮;

(৫) অসমীয়া গোলোক ব্যাকৰণ (১ম প্ৰকাশ, ১৯৭২), ড° গোলোক গোস্বামী, ১০৯;

(৬) আদৰ্শ ব্যাকৰণ ৰচনা আৰু অনুবাদ ৩য় সংস্কৰণ, ১৯৬৩), শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, ১৩; আৰু

(৭) মাধ্যমিক আদৰ্শ ব্যাকৰণ ৰচনা ২য় প্ৰকাশ, ১৯৭১, শ্ৰীশশী শৰ্মা, ১৪।

তালিকাখন বঢ়াই দিব পৰা যাব। এই ব্যাকৰণ কেইখনৰ নিপাতনে সিদ্ধ সন্ধিৰ তালিকাত সহজ ব্যাকৰণত দেখুউৱা চাৰিওটা সন্ধিয়েই আছে; কিন্তু বিদ্যালয়সমূহত বছৰৰ পাছত বছৰ ধৰি চলি থকা সত্বেও কোনেও ভুল বুলি কোৱা নাই। এইসকল লেখকৰ ব্যাকৰণ পঢ়ি আমাৰ ছাত্ৰ-ছাত্ৰীসকল প্ৰকৃত শিক্ষাৰপৰা বঞ্চিত হোৱা বুলি আমি মানি নলওঁ।

—**ধৰ্মদাস চৌধাৰী**, অধ্যক্ষ, চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, তেজপুৰ

### কটনিয়ান আৰু মাণিক চন্দ্ৰ বৰুৱা

অলপতে প্ৰকাশ পোৱা হীৰক জয়ন্তী সংখ্যাৰ "কটনিয়ান"খনৰ সম্পাদনা সমিতিৰ সমূহ সদস্যলৈ প্ৰথমে অভিনন্দন যাচিলোঁ। পিছে লগতে এটা কথা উল্লেখ কৰা উচিত বুলি ভাবিলোঁ। কটন মহাবিদ্যালয়ৰ মেৰুদণ্ডস্বৰূপ, প্ৰতিষ্ঠাপক মাণিক চন্দ্ৰ বৰুৱাৰ বিষয়ে হীৰক জয়ন্তী সংখ্যাৰ কটনিয়ানখনত উল্লেখ নথকাটো পৰিতাপৰ বিষয়। মাণিক চন্দ্ৰ বৰুৱাই সৰ্ব প্ৰথম অসমৰ শিক্ষা-দীক্ষাৰ প্ৰসাৰণৰ বাবে বিশেষ ভূমিকা গ্ৰহণ কৰি কটন মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত আগভাগ লৈছিল। তেনে এজন দূৰদৃষ্টিসম্পন্ন ব্যক্তিৰ কথা হীৰক জয়ন্তী সংখ্যাৰ "কটনিয়ান"ত থাকিব লাগিছিল।

—**মহেন্দ্ৰ গগৈ**, ডুবিয়া, শোণিতপুৰ

### "অতি-পৰিবাহিতা ... আৰু ভাৰত ..."

"অতি-পৰিবাহিতাৰ ব্যৱহাৰ আৰু ভাৰতৰ অগ্ৰগতি" নামৰ প্ৰবন্ধটোৰ (১৬।৯।৮৭) বাবে ড° কুলেন্দু পাঠকদেৱলৈ ধন্যবাদ জনাইছোঁ। কিন্তু অতি-পৰিবাহিতাৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতি সম্পৰ্কে তেখেতৰ মতামতৰ লগত একমত হ'ব নোৱাৰিলোঁ। তেখেতে উল্লেখ কৰা দৰে ভাৰত এই ক্ষেত্ৰত অন্যদেশৰ লগত সমানে আগুৱাই যোৱা নাই। টাটা ইনষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিছাৰ্চৰ বিজ্ঞানী ড° গ্ৰোভাৰৰ (Dr A. K. Grover) মতে আমাৰ দেশ এই ক্ষেত্ৰত বহুত পিছ পৰি আছে। জাপানত অনুষ্ঠিত হুখন সম্মিলনত যোগদান কৰি আহি তেখেতে দুখেৰে কয়: "We are already miles behind the world and unless we wake up, India could miss the super conductivity bus altogether."

আমাৰ দেশ এই ক্ষেত্ৰত পিছ পৰি থকাৰ মূল কাৰণ সম্পৰ্কে তেওঁ কয়: "...the basic problem was the technological backwardness of the country." পশ্চিমীয়া দেশসমূহত অতি-পৰিবাহী পদাৰ্থ তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা অত্যাধুনিক কৌশলৰ আমাৰ দেশত অভাৱ। অতি-পৰিবাহী তাঁৰ (মিহি) তৈয়াৰ কৰিবলৈ হট প্ৰেছৰ (hot press) প্ৰয়োজন। ড° গ্ৰোভাৰৰ এজন সহকৰ্মী ইয়াৰ উৎপাদন কাৰ্যৰ সৈতেই জড়িত। এনে ধৰণৰ যন্ত্ৰ আমাৰ দেশত কেৱল এটাই আছে,— দিল্লীৰ ইণ্ডিয়ান ফিজিকেল লেবৰেটৰিত। এনে ধৰণৰ আন এটা হট প্ৰেছ আমদানি কৰি অনা হয় মানে অন্যদেশ আমাৰ দেশতকৈ আৰু বহুদূৰ আগবাঢ়ি যাব।

তদুপৰি এই ক্ষেত্ৰত জড়িত সম্বাদবোৰৰ মাজত আৱশ্যকীয় সমন্বয়ৰো অভাৱ। ড° গ্ৰোভাৰে খেদ প্ৰকাশ কৰি কয় যে অতি-পৰিবাহিতাৰ অগ্ৰগতিৰ প্ৰসংগত খতিয়ান লবলৈ জাপানত যেতিয়া এমাহৰ ভিতৰতে তিনিখন সম্মিলন অনুষ্ঠিত হৈছে,— তেতিয়া আমাৰ দেশত এখনো অনুষ্ঠিত নোহোৱাকৈ থকাটো মুঠেই শুভলক্ষণ নহয়।

—**বিপিন চন্দ্ৰ বৰা**, পদাৰ্থ বিজ্ঞান বিভাগ, নগাঁও পলিটেকনিক, নগাঁও

### অসমীয়া বিষয়ৰ শিক্ষক

শ্ৰীবীৰেন চন্দ্ৰ বৰঠাকুৰে স্কুল পৰ্যায়ৰ অসমীয়া বিষয় পঢ়োৱা শিক্ষকসকলৰ বিষয়ে কৰা এটা কটু সমালোচনা দৃষ্টিগোচৰ হৈছে (১৩।৯।৮৭)। মই কব খোজোঁ যে অসমৰ প্ৰত্যেকখন চৰকাৰী বা অৰ্ধচৰকাৰী স্কুলৰ অসমীয়া বিষয়ৰ শিক্ষকৰ হাইস্কুল পৰ্যায়ৰ ছাত্ৰক কেনেধৰণে ভাষা শিক্ষা দিব লাগে, —তাৰ সম্যকজ্ঞান তথা অভিজ্ঞতা আছে। তেখেতসকলৰ শিক্ষাৰ দ্বাৰা ১০ নম্বৰৰ এটা প্ৰশ্নত এজন ছাত্ৰই ৮ নম্বৰ পোৱাৰো যে যোগ্যতা অৰ্জন কৰিব পাৰে, তাৰো উদাহৰণ দিব পৰা যায়। গতিকে, তেখেতে সমগ্ৰ অসমৰ হাইস্কুল শিক্ষকক সাঙুৰি এনে মন্তব্য কৰাটো উচিত হোৱা নাই। ছাত্ৰসকলে অসমীয়া বিষয়ৰ প্ৰতি কৰা অৱহেলাৰ ফলতে তেওঁলোকে ভাল নম্বৰ পাব পৰা নাই।

—**নয়ন আনন্দ শৰ্মা**, দেৰগাঁও

### এটি অনুৰোধ

অসমৰ সন্মানীয় ৰাজ্যপাল মহাশয়ে, বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান, উদ্যোগ আদিলৈ দিয়া শুভবাণীত এতিয়াও GUWAHATI ৰ পৰিবৰ্তে GAUHATI ব্যৱহাৰ কৰি আছে। যিহেতু এতিয়া GUWAHATI ৰাজ্যচৰকাৰৰ দ্বাৰা স্বীকৃত আৰু বহুলভাৱে প্ৰচাৰিত নাম হৈছে, গতিকে সন্মানীয় ৰাজ্যপাল মহাশয়লৈ আৰু তেখেতৰ কাৰ্যালয়লৈ বিনম্ৰ অনুৰোধ: তেখেতে যেন শুদ্ধ ৰূপ GUWAHATI ব্যৱহাৰ কৰে। ভাৰতীয়, ডাক বিভাগ, দূৰসঞ্চাৰ বিভাগ, ৰেল, আয়কৰ, দূৰদৰ্শন, আকাশবাণী ইত্যাদি সকলো বিভাগেই এতিয়া GUWAHATI ব্যৱহাৰ কৰে। ভাৰতৰ মুখ্য বাতৰি কাকত সমূহেও শুদ্ধ ৰূপটো ব্যৱহাৰ কৰাত আমি আনন্দিত।

—**শিশিৰ কুমাৰ দাস**, গুৱাহাটী





### ধৰ্ম মন্দিৰত লাউডস্পিকাৰৰ ব্যৱহাৰ

আজিকালি বহুত ঠাইত ধৰ্মানুষ্ঠানত লাউড স্পিকাৰ ব্যৱহাৰ কৰা দেখা যায়। উদাহৰণ স্বৰূপে শিৱসাগৰৰ শিৱদৌলত যোৱা শাওণ মাহটোত মাহেক জোৰা অখণ্ড নাম পাতি লাউড স্পিকাৰত দিনে-নিশাই অবিৰামভাৱে নাম এষাৰ (হৰে ৰাম, হৰে ৰাম, ৰাম ৰাম হৰে হৰে ...) গাই আছিল। ধৰ্মৰ নামত এনে উচ্চ স্বৰবিশিষ্ট কোলাহলপূৰ্ণ সংগীত বা নাম প্ৰচাৰ কৰাটো কিমান দূৰ শাস্ত্ৰসন্মত, তাক কঁহিয়াই চোৱাৰ উদ্দেশ্যে হুআষাৰ লিখিবলৈ প্ৰয়াস কৰিলোঁ।

হিন্দু ধৰ্মৰ দৰ্শনটোৱেই শান্তিৰ ওপৰত প্ৰতিষ্ঠিত। শাস্ত্ৰত শান্ত আৰু শান্তি এই শব্দ দুটাৰ ওপৰত বিশেষ প্ৰাধান্য দিয়া দেখা যায়। বেদৰ অবিচ্ছেদ্য অংগ উপনিষদসমূহৰ প্ৰস্তাৱনা আৰু সমাপ্তি শান্তি শব্দটো সদায় পোৱা যায়: "ওঁ শান্তিঃ, শান্তিঃ, শান্তিঃ।" ব্ৰহ্মক জানিবলৈ বা উপলব্ধি কৰিবলৈ পৰিবেশ সদায় শান্তিময় হ'ব লাগিব। ইয়াত অশান্তিৰ কোনো স্থান নাই। শান্ত-সৌম্য প্ৰকৃতিৰ মানুহকহে শাস্ত্ৰৰ গূঢ় তত্বৰ বিষয়ে ক'বলৈ বা জ্ঞান দিবলৈ কৈছে: "বেদান্তে পৰমং গুহ্যম্... ন্যাপ্ৰশান্তায় দাতব্যম্"। (শ্বেতাশ্বতৰোপনিষদ)।

শিৱস্তোত্ৰ এটিৰ প্ৰথম কেইটিমান কথা হ'ল: "শান্ত পদ্মাসনস্থং শশধৰ মুকুটং..." অৰ্থাৎ সুখত চন্দ্ৰমাক পৰিধান কৰি পদ্মাসনত উপবিষ্ট যোগীৰাজ ভগবান শিৱৰ প্ৰতিমূৰ্তি শান্ত আৰু শান্তিৰ প্ৰতীক। তেনে এক শান্ত প্ৰতিমূৰ্তি থকা মন্দিৰত অত্যধিক হাই-উৰুমি বা চিঞৰ-বাখৰ কৰাটো কেতিয়াও সমীচীন হ'ব নোৱাৰে। ৰাজসিক বা তামসিক ভাৱৰ পৰা আঁতৰি সাত্বিকভাৱে পূজা-পাৰ্বন কৰাটোহে উচিত। আশুতোষ আৰু বৈৰাগী ভগবান শিৱ এখিলা বেলপাতেতেই সন্তুষ্ট হয় বুলি শাস্ত্ৰই কোৱা কথামাৰৰো অৰ্থ সেয়ে। সাত্বিকতাহে ধৰ্মৰ ঘাই ভেটি।

আগৰ দিনত ঋষি-মুনিসকলে, বানপ্ৰস্থ গ্ৰহণ কৰা ৰজা-ৰাণীসকলে বা অন্যলোকে ভগবৎ চিন্তাৰ বাবে নিৰ্জন ঠাই বিচাৰি অৰণ্য বা হিমালয়লৈ গৈছিল। শ্বেতাশ্বতৰোপনিষদত আকৌ কৈছে: "...বিবৰ্জিতে শব্দ জলাশ্ৰয়াদিভিঃ।" অৰ্থাৎ ভগবৎ উপলব্ধিৰ বাবে কোলাহলপূৰ্ণ স্থান বা জন সমাগম হোৱা জলাশয়ৰ পাৰ বা ঘাট ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। গতিকে ক'ব পৰা যায় যে হাই-উৰুমি বা কোলাহল শব্দটোৱেই ধৰ্মৰ পৰিপন্থী।

শ্ৰীশ্ৰীশংকৰাচাৰ্যই পাপ আৰু পুণ্যৰ সংজ্ঞা দি কৈছিল: "পাপায় পৰপীড়নম পুণ্যায় পৰোপকাৰম।" অৰ্থাৎ পৰক পীড়ন কৰাটোৱেই পাপ, পৰক উপকাৰ কৰাটোৱেই পুণ্য। লাউড স্পিকাৰত উচ্চস্বৰে নাম গাই বা ৰেকৰ্ড যোগে সংগীত বজাই কাষত থকাজনক শান্তি ভংগ কৰি পীড়ন কৰিলে, ইয়াকো ধৰ্মৰ নামত কৰা অধৰ্ম বা পাপ বুলিয়েই ক'ব লাগিব।

গীতাত শ্ৰীকৃষ্ণই কৈছে যে মনে মনে জপ কৰাটোহে ভকতিৰ অন্য এটি উত্তম পন্থা: "যজ্ঞানাম জপযজ্ঞোস্মি"। জপ হৈছে মনৰ ভিতৰতে কৰা এক প্ৰকাৰ প্ৰাৰ্থনা। অত্যাচাৰ কৰাটো যেনেকৈ পাপ, অত্যাচাৰ সহ্য কৰাটোও তেনেকৈ পাপ বুলি কোৱা হৈছে। ইয়াতে শ্ৰীমৎ ভাগৱতত বৰ্ণিত এটি আখ্যানৰ কথা উনুকিয়াব পৰা যায়। দক্ষযজ্ঞত যেতিয়া দক্ষই সতীৰ আগত স্বামী শিৱক নিন্দা কৰি বহু অকথ্য কথা কৈ অপমান কৰিছিল, সেই সময়ত সেই যজ্ঞত উপস্থিত থকা ভৃগুমুনিকে আদি কৰি ব্ৰাহ্মণসকল নিৰৱ শ্ৰোতা হৈ থকাৰ বাবে শিৱৰ অনুচৰ নন্দীয়ে সেইসকলৰ ব্ৰাহ্মণত্ব নাশ হ'বলৈ অভিশাপ দিছিল। ইয়াৰপৰা এইটোকে বুজা যায় যে কোনোৱে কোনো অন্যায়-অনীতি কৰা দেখিলে নিৰৱ দৰ্শক হৈ নাথাকি প্ৰতিবাদ কৰাটোহে বিধেয়। অৱশ্যে অৱস্থাভেদে তাৰ প্ৰয়োগ-কৌশল বিভিন্ন হ'ব পাৰে।

শ্ৰীশ্ৰীশংকৰাচাৰ্যই আকৌ কৈছে: "জীৱো ব্ৰহ্মৈব কেৱলম্"। একেটা সুৰতে শ্ৰীমন্ত শংকৰদেৱেও কৈছে: "যত জীৱ তত শিৱ"। মহাভাৰততো কৈছে: "ন মানুষাত্ শ্ৰেষ্ঠতৰম্ হি কিঞ্চিত্"। গতিকে মন্দিৰ বা ধৰ্মস্থানৰ বাহিৰত বসবাস কৰা ব্ৰহ্ম বা শিৱৰ অংশ থকা মানুহৰূপী শ্ৰেষ্ঠ জীৱবোৰ লাউডস্পিকাৰৰ অত্যাচাৰত পীড়িত হ'লে মন্দিৰৰ ভিতৰত থকা ভগবান সন্তুষ্ট হ'ব বুলি ভবাটো বাতুলতা মাথোন।

আজিকালি অনেক তৰহৰ পূজা-পাতল পাতি তাত লাউডস্পিকাৰ বজোৱাৰ প্ৰকোপ ইমান বেছি হয় যে ওচৰ-চুবুৰীয়াসকলে শান্তিৰে খাব-শুব নোৱাৰা হয়। পূজা-পাঠ গৌণ হৈ লাউস্পিকাৰৰ কোঢ়ালহে মুখ্য হৈ পৰে। কোৱা বাহুল্য যে শিৱসাগৰৰ শিৱদৌলৰ ওচৰত বসবাস কৰা প্ৰায় সমূহ ৰাইজেই যোৱা শাওণ মাহটোত প্ৰায় প্ৰতি নিশাই লাউডস্পিকাৰৰ অত্যাচাৰত উজাগৰে কটাবলগীয়া হৈছিল।

কোনোৱে যদি প্ৰচাৰ কৰাৰ অভিপ্ৰায়েৰে মনে-মনে অহং ভাব এটিলৈ লাউডস্পিকাৰ বজাই অঞ্চলটো মুখৰিত কৰি ৰাখিবলৈ বিচাৰে, তেনেহ'লে ধৰ্মৰ ফালৰপৰা সিও এক অপৰাধ। কাৰণ শাস্ত্ৰত কৈছে:— "নাহংকাৰাত্ পৰো ৰিপু"। অহংকাৰেই প্ৰধান ৰিপু বা শত্ৰু। শ্ৰীমন্ত শংকৰদেৱেও লিখিছে: "যিটো মহা ম্লেচ্ছ খাই কুকুৰকো মাৰি, তাতোকৰি অপবিত্ৰ সি সি অহংকাৰী"। শ্ৰীশ্ৰীমাধৱদেৱেও ঘোষাত লিখিছে: "শুন হেৰ অহংকাৰ, নিচিন্ত আপোন মাৰ..."।

গতিকে শাস্ত্ৰৰ উক্তিসমূহৰ ফালৰপৰা বিষয়টো বিশ্লেষণ কৰি চালেও দেখা যায় যে কাষত থকাজনক আন্ধকাল দি উচ্চ স্বৰবিশিষ্ট যন্ত্ৰৰ সহায়ত ভগবানক পূজা-উপাসনা কৰিলে ধৰ্ম কৰাৰ লগতে অধৰ্মও কৰা হয়, বা লাভ একোৱেই নহয়গৈ। সেয়েহে শ্ৰীশ্ৰীমাধৱদেৱৰ সুৰতে সুৰ মিলাই কব পাৰি:

মিছাতে কেৱল শ্ৰম মাত্ৰ পাৱে
একোৰে ফল নধৰে॥

—**পংকজানন্দ ভৰালী**, হস্পিটেল পথ, শিৱসাগৰ


### দুৰ্গাপূজা আৰু ৰামায়ণ

বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰিছিল। বাল্মীকিৰ ৰামায়ণত ৰামে দুৰ্গাপূজা কৰা কথাৰ উল্লেখ নাই। কৃত্তিবাসৰ বাংলা ৰামায়ণৰ বাদে মূল সংস্কৃত ৰামায়ণৰ পৰা অনুবাদ কৰা কোনো ভাষাৰ ৰামায়ণত ৰামে দুৰ্গাপূজা কৰা কথাৰ উল্লেখ নাই। কৃত্তিবাসে বাংলা ৰামায়ণত উদ্দেশ্যপ্ৰণোদিতভাৱে ৰামে দুৰ্গাপূজা কৰা কাহিনী সুমুৱাই দিছে।

এতিয়া কথা হ'ল মূল সংস্কৃত ৰামায়ণ ভাৰতবৰ্ষ তথা পৃথিৱীৰ অন্য ভাষালৈ অনুদিত নোহওঁতেই মাধৱ কন্দলিয়ে অসমীয়ালৈ অনুবাদ কৰি সাহিত্য-সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰি থৈ গৈছে। এইটো অসমীয়া মানুহৰ বাবে কম গৌৰৱৰ কথা নহয়। কিন্তু দেখা যায় যে ৰামায়ণৰ আধাৰত ৰচিত বহুতো অসমীয়া ভাওনা, থিয়েটাৰৰ নাটক, আলেখ্য, নাম-কীৰ্তন আদিত ৰামে দুৰ্গাপূজা কৰা (মাধৱ কন্দলি ৰামায়ণত নোহোৱা) কাহিনী উপস্থাপন হয়। অৱশ্যে নিজৰ সাহিত্য-সংস্কৃতিৰ উন্নতিৰ বাবে যিটো ভাল, সেইটো লোকৰপৰা অনুকৰণ কৰাটো ভাল। কিন্তু নিজৰ গৌৰৱময় বস্তুক অৱহেলা কৰি, লোকক অনুকৰণ কৰি নিজৰ ক্ষতি কৰাটো অনুচিত কাম।

—**দ্ৰোণ দাস**, ফুটাভোগ, উত্তৰ লক্ষীমপুৰ

# গুৱাহাটীত বড়ো ছাত্ৰ-জন-সমাবেশ ঃ জনজাতীয় আন্দোলনৰ অন্য এটা দিশ



দীপক বেজবৰুৱা

নিখিল বড়ো ছাত্ৰ সন্থাৰ (সুৰেন বড়ো ফৈদ) আহ্বানত যোৱা ১৯ নৱেম্বৰত গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত বিপুল জন সমাবেশে অসমৰ জনজাতীয় সমস্যাটোৰ ক্ষেত্ৰত অন্য এক দিশৰ সূচনা কৰিলে বুলি ক'ব পাৰি। প্ৰায় ৩০ হাজাৰ লোকৰ এই সমাবেশত ভাষণ দি সভাপতি সুৰেন বড়ো, গংগাধৰ ৰামছিয়াৰী, ললিত বসুমতাৰী আদি সন্থাৰ বিষয়ববীয়াসকলে সমগ্ৰ ৰাজ্য জুৰি বড়ো ভাষাক সহযোগী চৰকাৰী ভাষাৰ ব্যৱহাৰিক মৰ্যাদা দিবলৈ দাবী জনায়। উল্লেখযোগ্য যে আন কেইটা জনজাতীয় সংগঠনৰ পৃথক গৃহভূমিৰ দাবীৰ বিপৰীতে এওঁলোকে অসমৰ ভিতৰতে থাকি জনজাতীয় সমস্যাটোৰ সমাধান বিচাৰে।

সমাবেশত উত্থাপন কৰা আন কেইটামান দাবী হ'ল,— সমগ্ৰ অসমৰে জনজাতীয় আবেষ্টনীসমূহক অবৈধ বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰিব লাগে আৰু এই আবেষ্টনীসমূহলৈ সম্পূৰ্ণ সুৰক্ষা প্ৰদান কৰাৰ লগতে এনেকুৱা নতুন আবেষ্টনী সৃষ্টি কৰিব লাগে।

তদুপৰি বড়ো জনগোষ্ঠীক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰা, অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বৃত্তিৰ পৰিমাণ বৃদ্ধি কৰা, আৰু চৰকাৰী শিক্ষানুষ্ঠানসমূহত জনজাতীয় লোকৰ বাবে থকা সংৰক্ষিত আসনৰ পৰিমাণ বৃদ্ধি কৰাৰ দাবী জনোৱা হয়।

নীৰেন চৈনাৰীৰ নেতৃত্বাধীন এই ছাত্ৰ সন্থাই নিজকে এক অৰাজনৈতিক ছাত্ৰ সংগঠন বুলিয়েই সদায় দাবী কৰি আহিছে আৰু জজ খেলপথাৰৰ সমাবেশতো বক্তাসকলে সন্থাৰ সেই চৰিত্ৰ অক্ষুণ্ণ ৰখাৰ সপক্ষে দৃঢ়মত পোষণ কৰে।

১৯ তাৰিখৰ এই সমাবেশত অসমৰ জনজাতি অধ্যুষিত আটাইকেইটা প্ৰধান অঞ্চল— কোকৰাঝাৰ, বিজনী, ছিদলি, বৰপেটা, নলবাৰী, কামৰূপ, দৰং, শোণিতপুৰ, লক্ষীমপুৰ; মৰিগাঁও আদিৰ ছাত্ৰ-ছাত্ৰী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

সমাবেশৰ সমগ্ৰ কাৰ্যসূচীয়েই বড়ো ভাষাত সম্পাদন কৰা হয়। অৱশ্যে মাজে মাজে অসমীয়া ভাষাৰো ব্যৱহাৰ কৰা হয়।

সন্থাৰ নেতাসকলে গণ পৰিষদ চৰকাৰে তেওঁলোকৰ দাবীসমূহ সহানুভূতিৰে বিবেচনা কৰিব বুলি আশা প্ৰকাশ কৰিছে।

## বাংলাদেশত জনজাগৰণ ঃ এৰছাদৰ অৱস্থা থৰক-বৰক

গণতন্ত্ৰ পুনৰ প্ৰতিষ্ঠা কৰিবলৈ আৰু ৰাষ্ট্ৰপতি জেনেৰেল হুছেইন মহম্মদ এৰছাদক আঁতৰাবলৈ বাংলাদেশৰ জনসাধাৰণে চলাই অহা আন্দোলনে যোৱা কেইদিনমানৰ ভিতৰত নতুন মোৰ লৈছে। ইয়াৰ ফলত পাঁচ বছৰৰ আগেয়ে ক্ষমতাত অধিষ্ঠিত হোৱাৰ পাছৰে পৰা সেই দেশৰ ৰাজনৈতিক ক্ষেত্ৰত প্ৰাধান্য বিস্তাৰ কৰি অহা এৰছাদৰ বাবে পুলিছ আৰু সামৰিক বাহিনীৰ সহায়ৰ অবিহনে টিকি থকাটোৱেই টান হৈ পৰিছে। আনহাতে আন্দোলনটোৱে দিনে-দিনে অধিক শক্তি লাভ কৰি গৈ থকা অৱস্থাত তেওঁৰ বাবে এই বাহিনী দুটা অধিক হাৰত ব্যৱহাৰ কৰাৰ ফলো বিৰূপ হোৱাৰ সম্ভাৱনা অধিক। ঠায়ে ঠায়ে, বিশেষকৈ ঢাকাত বিক্ষোভকাৰীসকলে জাতীয় পাৰ্টিৰ কাৰ্যালয় দখল কৰিবলৈ চেষ্টা কৰোঁতে পুলিছে শান্তিপূৰ্ণভাৱে বিক্ষোভ কৰা এই লোকসকলৰ ওপৰত গুলী চলাবলৈ অমান্তি হোৱা কথাটোৱেই ইয়াৰ প্ৰমাণ দিয়ে। তাৰ বাটে-পথেও আন্দোলনকাৰীৰ মুখত "পুলিছ-জনতা ভাই-ভাই, স্বৈৰাচাৰ পতন চাই" শ্ল'গানটো সঘনে শুনা গৈছে।

বৰ্তমানৰ আন্দোলনটোৰ সূচনা প্ৰকৃততে জুন-জুলাই মাহতে হয়। এৰছাদ চৰকাৰে জাতীয় সংসদত উত্থাপন কৰা বাজেটত ভালেমান নতুন কৰৰ প্ৰস্তাৱ কৰা আৰু জিলা পৰ্যায়ৰ স্থানীয় স্বায়ত্বশাসিত নিকায়সমূহত সামৰিক বাহিনীৰ অংশ গ্ৰহণৰ বাবে সংসদে প্ৰস্তাৱ গ্ৰহণ কৰাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ শ্বেখ হাছিনাৰ আৱামী লিগৰ নেতৃত্বৰ আঠদলীয় গোষ্ঠী, আৰু বেগম খালেদা জিয়াৰ বাংলাদেশ নেশ্যনেল পাৰ্টিৰ নেতৃত্বৰ সাতদলীয় গোষ্ঠীৰ পৰা আৰম্ভ কৰি চীনপন্থী বামপন্থী দলৰ পাঁচদলীয় মৰ্চালৈকে (আনকি সোঁপন্থী জামাত-ই-ইছলামীও) আটাইবোৰ বিৰোধী দলেই এৰছাদ প্ৰশাসনক অচল কৰি দিবলৈ দৃঢ়সংকল্পবদ্ধ হয়। এই দলসমূহে দিয়া বন্ধৰ আহ্বানসমূহৰ প্ৰতি জনসাধাৰণে ব্যাপক হাৰত সঁহাৰি জনোৱাৰ ফলত এৰছাদ চৰকাৰ আৰু জাতীয় পাৰ্টিৰ লোকসকলে ধৰ্মঘট-হৰতাল আদি ভাঙিবলৈ চলোৱা সকলো প্ৰচেষ্টাই ব্যৰ্থ হৈছে। বাংলাদেশৰ সৰ্বত্ৰ "এক দফা, এক দাবী, এৰছাদ তুই কবে যাবি" শ্ল'গানটো জনসাধাৰণৰ মাজত বিশেষ জনপ্ৰিয় হৈ পৰিছে।

এৰছাদ চৰকাৰে বিৰোধীপক্ষৰ যোৱা ১০ নৱেম্বৰৰ "ঢাকা দখল" কাৰ্যসূচীলৈ লোক আহিব নোৱৰাকৈ ঢাকালৈ চলা সকলো ৰেল আৰু বাছৰ চলাচল বাতিল কৰি দিছিল। তথাপি সিদিনাৰ কাৰ্যসূচীত হাজাৰ-হাজাৰ লোকে অংশ গ্ৰহণ কৰিছিল আৰু তাত পুলিছৰ গুলীত ১২ জন নিহত আৰু প্ৰায় ২০০ জন আহত হয়। প্ৰতি-ব্যৱস্থা হিচাপে জাতীয় পাৰ্টিৰ লোকসকলেও সিদিনা বেগম খালেদা জিয়াৰ গাড়ীলৈ সাত-আঠটামান বোমা নিক্ষেপ কৰে।

১০ নৱেম্বৰপৰাই এসপ্তাহৰ বাবে পালন কৰা হৰতাল আৰু পুনৰ ২১ নৱেম্বৰপৰা পালন কৰি অহা হৰতাল জনসমাবেশ আদিৰ ফলত দেশখনৰ সাধাৰণ জীৱনযাত্ৰা অচল হৈ পৰাৰ লগতে ভালেমান লোক হতাহত হৈছে। এই কালছোৱাত শাসকীয় জাতীয় পাৰ্টি আৰু বিৰোধী পক্ষৰ সমৰ্থকসকলৰ মাজত হোৱা সংঘৰ্ষত পাবনাত জাতীয় পাৰ্টিৰ এজন কৰ্মকৰ্তা নিহত হৈছে আৰু ভালেমান লোক আহত হৈছে।

ইতিমধ্যে দুই বিৰোধী নেত্ৰী শ্বেখ হাছিনা ৱাজেদ আৰু বেগম খালেদা জিয়াকে (এওঁলোকক ১১ নৱেম্বৰৰ পৰাই গৃহবন্দী কৰি ৰখা হৈছে।) ধৰি বিৰোধী পক্ষৰ দুহাজাৰৰো অধিক লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

আন্দোলনটোৰ এটা উল্লেখযোগ্য দিশ হ'ল— শ্বেখ হাছিনা ৱাজেদে প্ৰথমবাৰৰ বাবে বেগম খালেদা জিয়াক সাক্ষাৎ কৰি একেলগে মিলি আন্দোলন কৰিবলৈ সন্মতি প্ৰকাশ কৰে।

ইতিমধ্যে বিৰোধী দলসমূহে এৰছাদৰ মধ্যকালীন নিৰ্বাচনৰ প্ৰস্তাৱ আৰু পাছত আলোচনাৰ বাবে জনোৱা আমন্ত্ৰণ প্ৰত্যাখ্যান কৰিছে। তেওঁলোকৰ দাবী হ'ল এৰছাদে প্ৰথমে পদত্যাগ কৰিব লাগে। বাংলাদেশৰ ছজন সাংবিধানিক বিশেষজ্ঞয়ো এটা বিবৃতিযোগে এৰছাদক পদত্যাগ কৰিবলৈ আহ্বান জনাইছে।

ইফালে ৰাষ্ট্ৰপতি এৰছাদে কৈছে যে তেওঁ কোনো ধৰণৰ হেঁচাৰ ওচৰতে শিৰ নত নকৰে। তেওঁ অৱশ্যে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ সময় আগবঢ়াই দিবলৈ সন্মত আছে বুলি প্ৰকাশ কৰিছে। এৰছাদৰ কাৰ্যকাল ১৯৯১ চনত উকলিব।

শেহতীয়া বাতৰি অনুসৰি ৰাষ্ট্ৰপতি এৰছাদে সমগ্ৰ দেশখনতে জৰুৰী অৱস্থা ঘোষণা কৰি বিক্ষোভ, সমাবেশ আদি নিষিদ্ধ কৰি দিছে। ইয়াৰ উপৰিও কৰ্তৃপক্ষই ঢাকাৰ দুখন বিশ্ববিদ্যালয় বন্ধ কৰি দিছে আৰু ছাত্ৰসকলক ছাত্ৰাবাস এৰি যাবলৈ নিৰ্দেশ দিছে।

—ইমৰান হুছেইন

## এটা সাৱধানবাণী ঃ এক্সপ্ৰেছ কাকত প্ৰসংগত

দিল্লীৰ ইণ্ডিয়ান এক্সপ্ৰেছৰ ধৰ্মঘটটোৱে ভালেমান প্ৰশ্নৰ উদ্ৰেক কৰিছে। তাৰে কেতবোৰ মালিক পক্ষ আৰু এক্সপ্ৰেছ কৰ্মচাৰী ইউনিয়নৰ বিবাদ সম্পৰ্কীয়। মই সেইবোৰৰ বিষয়ে মন্তব্য দিয়াৰপৰা বিৰত আছোঁ। এইটো স্পষ্ট যে কৰ্মচাৰীসকলৰ গৰিষ্ঠসংখ্যকে কামত পুনৰ যোগ দিব খোজে আৰু তাকে প্ৰকাশ কৰিবলৈ তেওঁলোকে প্ৰতিদিনে উপস্থিতিৰ বহীত চহী কৰে। কিন্তু তথাপি ভাৰততে হওক বা বিদেশতে হওক বাতৰিকাকতসমূহৰ বেছিভাগ ধৰ্মঘটতেই সংখ্যালঘু অংশ এটাই নেতৃত্ব কৰে আৰু প্ৰাধান্য বিস্তাৰ কৰে। লণ্ডনৰ দি টাইমছ আৰু অবজাৰভাৰৰো এনে অভিজ্ঞতা হৈছে; ভাৰততো অনেক আগশাৰীৰ কাকততো এনে হৈছে।

এক্সপ্ৰেছৰ মালিক পক্ষ আৰু কৰ্মীসকলৰ মাজৰ বিবাদৰ ভুল-শুদ্ধৰ বিষয়ে মন্তব্য দিয়াটো মোৰ কাম নহয়। চৰকাৰে যে এক্সপ্ৰেছক প্ৰতিপক্ষ বুলি বিবেচনা কৰে সেই কথা জানিয়েই চৰকাৰী সংস্থাসমূহে গ্ৰহণ কৰা মনোভাবৰ বিষয়ে মই দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ। চৰকাৰী ৰাজহ ভঁৰালৰপৰা বেতন পোৱা পুলিছ, আয়কৰ বিভাগ, বিত্তীয় প্ৰতিষ্ঠানসমূহ আৰু অন্যান্যসকলে যিধৰণেৰে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিলে তাৰপৰা তেওঁলোকৰ পক্ষপাতিত্বৰহে পৰিচয় পোৱা গ'ল।

জৰুৰী অৱস্থাৰ সময়তো মই এনে হোৱা দেখা পাইছিলো। সেই সময়ত চৰকাৰী নীতি অনুসৰণ নকৰা বাতৰি কাকতসমূহক যাতে হেঁচা দিয়া হয় আৰু শাস্তি প্ৰদান কৰা হয় তাৰ বাবে প্ৰতিখন আইনেই চোকা দৃষ্টি ৰাখিছিল। ছেঞ্চৰৰ নিৰ্দেশসমূহ সময়মতে দিব নোৱাৰিলে চৰকাৰে দিল্লীৰ বাতৰিকাকতসমূহৰ বিজুলী সৰবৰাহ বন্ধ কৰি দিছিল আৰু আন ঠাইৰ ভালেমান বাতৰিকাকতো প্ৰকাশ হ'বলৈ দিয়া নাছিল। সেই সময়ত ইণ্ডিয়ান এক্সপ্ৰেছ চৰকাৰৰ মূল লক্ষ্য আছিল আৰু মই দেখা পাইছোঁ যে সেইসময়ত ব্যৱহাৰ কৰা কৌশলসমূহ কোনো বিচাৰ-বিবেচনা নকৰাকৈয়েই বৰ্তমানে আকৌ প্ৰয়োগ কৰা হৈছে।

উদাহৰণ স্বৰূপে ১৯৮৭ চনৰ ২০ জানুৱাৰীৰ দিনা উপ-ন্যায়াধীশ এছ. কে. ছাৰভাৰিয়াই ইণ্ডিয়ান এক্সপ্ৰেছৰ ধৰ্মঘটৰত কৰ্মচাৰীসকলক এক্সপ্ৰেছ ভৱনৰ মূল প্ৰৱেশ পথৰ ৫০ গজ



OKDISCD

এলেকাৰ ভিতৰত কোনো ধৰ্মঘট নকৰিবলৈ নিৰ্দেশ দিয়ে। দেখা-দেখিকৈয়েই এই নিৰ্দেশটো পালন কৰা নহ'ল, কাৰণ উপ-ন্যায়াধীশ পৰন কুমাৰে ১৯৮৭ চনৰ ২৯ অক্টোবৰৰ দিনা উপন্যায়াধীশ এছ. কে. ছাৰভাৰিয়াৰ পূৰ্বৰ নিৰ্দেশটো ৰূপায়ণ নকৰা বাবে পুলিছক গৰিহণা দিয়ে।

পুলিছ আয়ুক্ত বেদ মাৰৱাইলৈ অন্ততঃ ছখন আৰু তেওঁৰ কনিষ্ঠসকলৈ আন কেইবাখনো চিঠি লিখা হ'ল। আটাইবোৰ যোগাযোগতে বাহিৰৰ হস্তক্ষেপ আৰু উচটনিৰ কথা কোৱা হৈছিল। ব্যৱস্থা লোৱাৰ কথা বাদেই, চিঠিকেইখনৰ কোনো উত্তৰেই দিয়া নহ'ল। এইটো স্পষ্ট হৈ পৰিল যে এক্সপ্ৰেছক হাৰাশাস্তি কৰাৰ প্ৰতিহে চৰকাৰ আগ্ৰহী। প্ৰশ্ন হয়— প্ৰশাসনীয় কাম-কাজৰ বাবে এটা নিৰ্দিষ্ট সময়ৰ বাবে শাসকীয় দলটোৰ অধীনত থকা পুলিছ বাহিনীটোৱে প্ৰশাসনৰ অবৈধ নিৰ্দেশ পালন কৰাৰ নিচিনা আচৰণ কৰিব লাগেনে?

মোৰ মানত কৰ্তৃপক্ষক দিয়া আটাইতকৈ ডাঙৰ গৰিহণাটো হ'ল— ইণ্ডিয়ান এক্সপ্ৰেছ, ফাইনেন্সিয়েল এক্সপ্ৰেছ আৰু জনসত্তাৰ সম্পাদকসকলে (কাকত তিনিখনৰ জ্যেষ্ঠ সাংবাদিকসকলেও সমৰ্থন কৰা) দিল্লীৰ লেফটেনেণ্ট গৱৰ্ণৰ এইছ. এল. কাপুৰলৈ লিখা চিঠিখন। চিঠিখনত কোৱা হৈছেঃ "...হিংসাত্মক কাৰ্যকলাপ, সঘনে দি থকা ভাবুকি আৰু আদালতে দিয়া বিশেষ নিৰ্দেশটোৰ পৰিপ্ৰেক্ষিতত পৰ্যাপ্ত পৰিমাণে পুলিছৰ উপস্থিতিৰ ব্যৱস্থা কৰিবলৈ আমি আপোনাক অনুৰোধ জনাওঁ। আমি বিচাৰোঁ,— কোনেও যাতে হিংসাত্মক কাৰ্যত লিপ্ত হ'ব নোৱাৰে, আমাক কামৰ ঠাইলৈ যোৱাত কোনেও বাধা দিব নোৱাৰে আৰু সন্মানিত আদালতৰ নিৰ্দেশটো যাতে সম্পূৰ্ণভাৱে কাৰ্যকৰী কৰা হয়।"

কিছুমান লোক হয়তো যুক্তি দিব পাৰে যে নিজৰ কাম-কাজত ত্ৰুটিবিচ্যুতি থকা এক্সপ্ৰেছ গ্ৰুপৰ মালিক ৰামনাথ গোৱেংকাই হ'ল কৰ্তৃপক্ষৰ দ্বাৰা ইণ্ডিয়ান কাৰ্যালয়ত চলোৱা খানাতালাচী আৰু আন ব্যৱস্থাসমূহৰ একমাত্ৰ লক্ষ্য। কিন্তু চৰকাৰে যে সা-সৰঞ্জাম আমদানি আৰু আন আন বিষয়ত গোৱেংকাৰ "ত্ৰুটিবোৰ"ৰ কথা তেওঁ চৰকাৰৰ অপ্ৰিয় হোৱাৰ পাছতহে কয়, সেইটোও কেৱল দৈবক্ৰমে মিলি-যোৱা ঘটনা হয়। যেতিয়ালৈকে গোৱেংকাই ৰাজীৱ গান্ধী আৰু চৰকাৰৰ প্ৰশংসা গীত জুৰি আছিল (এই কাম তেওঁ আৰু সম্পাদক অৰুণ শৌৰিকে ধৰি তেওঁৰ বাতৰি-কাকতসমূহে কিছুদিন ধৰি কৰিছিল।) তেতিয়ালৈকে তেওঁৰ বিৰুদ্ধে কোনো আয়কৰ অথবা শুল্ক সম্পৰ্কীয় তালাচী চলোৱা হোৱা নাছিল। বৰ্তমান কোৱা কথাসমূহৰ বিষয়ে সেই সময়ত গোৱেংকাৰ প্ৰতিপক্ষসমূহে চিঞৰ-বাখৰ কৰা সত্ত্বেও সেইবোৰৰ বিষয়ে তেতিয়া উল্লেখেই কৰা হোৱা নাছিল।

যদিহে কোনো প্ৰতিষ্ঠানৰ দোষ পোৱা যায় তেন্তে সাংবাদিকসকলে নিজেহে আচল সমস্যাটো জটিল কৰি পেলায়। উদাহৰণ স্বৰূপে এক্সপ্ৰেছৰ বিবাদটোত তেওঁলোকে ৰাজনৈতিক দলৰ কৰ্মী নিযুক্ত কৰা কথাটোৱে মুক্ত প্ৰচাৰ মাধ্যমৰ ব্যৱস্থাক প্ৰহসনত পৰিণত কৰিব পৰা এক গুৰুতৰ পৰম্পৰাৰ সৃষ্টি কৰিছে। এই ব্যৱস্থাসমূহ মানি ললে (প্ৰতিখনকে এটা বিশেষ ধৰণৰ দলে সমৰ্থন আৰু সুৰক্ষা দিবলৈ হ'লে) বাতৰি কাকতসমূহ ৰাজনৈতিক দলৰ সমৰ ক্ষেত্ৰ হৈ পৰিব। একোখন বাতৰিকাকতে সংশ্লিষ্ট দলটোৰ চিন্তাধাৰাক প্ৰতিফলিত কৰিব। অৱশ্যে ধৰ্মঘট ভাঙিবলৈ ৰাজনৈতিক দলৰ সহায় লোৱা এক্সপ্ৰেছেই প্ৰথম কাকত নহয়। দিল্লীৰ কেইখনমান বাতৰিকাকতেও ইকাৰ বিলাকৰ ধৰ্মঘট ভাঙিবলৈ এনে কাম কৰিছিল।

অনেক আবেদন সত্ত্বেও বাতৰিকাকতখনৰ সুৰক্ষাৰ অৰ্থে পুলিছ নহা আৰু এচাম সংখ্যালঘু কৰ্মীয়ে কাকতখনৰ কাম-কাজ চলিবলৈ নিদিবলৈ দৃঢ়প্ৰতিজ্ঞ হোৱা অৱস্থাত মই কি কৰিলোহেঁতেন বুলি মোক এটা প্ৰশ্ন সোধা হৈছিল। মই ব্যক্তিগতভাৱে কাকতখনৰ প্ৰকাশ স্থগিত ৰখাৰ লগতে কোনো অৱস্থাতে ৰাজনীতিক ভূমিকা পালন কৰিবলৈ অনুমতি নিদিবলৈহে পৰামৰ্শ দিলোহেঁতেন।

মই ধৰ্মঘট ভঙাৰ পক্ষপাতী নহওঁ আৰু বাতৰিকাকতৰ বিষয়ত ৰাজনৈতিক দল আমদানি কৰাটো নিন্দনীয় কাম বুলি বিবেচনা কৰোঁ। কিন্তু সাংবাদিক আৰু কিছুমান ইণ্ডিয়ান এক্সপ্ৰেছৰ কৰ্মীক কৰ্মস্থলীত প্ৰৱেশত সহায় কৰি দিয়া ভাৰতীয় জনতা পাৰ্টিৰ বিষয়ে বাতৰি প্ৰকাশ নকৰিবলৈ এচাম সম্পাদক আৰু সাংবাদিকে লোৱা সিদ্ধান্তটো সমানেই নিন্দনীয়। মোৰ পুৰণিকলীয়া চিন্তাৰে ভাবোঁ সেইমতে কৰবলৈ গলে বাতৰিকাকতসমূহ পাঠকসকলৰ বাবেহে আৰু বাতৰিসমূহো পবিত্ৰ বস্তু। কোনোবা এটা দলক তাৰ ভাল-বেয়া কামবোৰৰ বাবে আমাৰ সম্পাদকীয় আৰু বাতৰি স্তম্ভসমূহত আমি সমালোচনা কৰিব পাৰোঁ। কিন্তু কোনো এটা বাতৰি ব্লাইকক নিদিয়াৰ কৰ্তৃত্ব আমি অন্যায়ভাৱে দাবী কৰিব নোৱাৰোঁ।

এতিয়া বিষয়টো বাতৰি কাকতৰ চৰকাৰক সমালোচনা কৰাৰ অধিকাৰ, আৰু চৰকাৰী সংস্থাসমূহৰ পৰা বাতৰি কাকতে যেনে সহায় পোৱাৰ অধিকাৰ আছে তেনে সহায় নোপোৱা,— এই দুটা কথাত সীমিত হৈ পৰিছে। এইটো এটা সাধাৰণ বিষয় নহয়; ইয়াৰ ফল গুৰুতৰ হ'ব পাৰে। এক্সপ্ৰেছত হোৱা সমস্যাৰ বাবে পৰম আনন্দ পোৱা কেতবোৰ বাতৰিকাকতে এইকথা উপলব্ধি কৰা নাই যে ইয়াৰ পাছতে হয়তো তেওঁলোকৰো পাল পৰিব পাৰে।

—কুলদীপ নায়াৰ



## -কুলদীপ নায়াৰ

## ভাৰত-মাৰ্কিন-পাক ত্ৰিভুজটো

প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ অধীনত নতুন দিল্লীৰ কূটনৈতিক ক্ষেত্ৰত সূক্ষ্ম বিচাৰবোধৰ পৰিচয় দিয়াৰ সুখ্যাতি নাই। কিন্তু, লেনিন শান্তি পুৰস্কাৰৰ নিচিনাকৈ এই বছৰৰপৰা আৰম্ভ কৰা ইন্দিৰা শান্তি পুৰস্কাৰ ছোভিয়েট নেতা মিখাইল গৰবাচভলৈ আগবঢ়োৱাৰ দৰে ইমান মূৰ্খতাপূৰ্ণ কাম কৰা হ'ব বুলি খুব কম লোকেহে আশা কৰিছিল। দেখদেখকৈ এইটো আছিল ভাৰতে আমেৰিকাৰ কাষ চাপিবলৈ চেষ্টা কৰাৰ বাবে মস্কো অসন্তুষ্ট হ'ব পাৰে বুলি তেওঁলোকক শান্ত কৰাৰ এটা প্ৰচেষ্টা। ৰাজীৱ গান্ধীয়ে ৰাষ্ট্ৰপতি ৰেগানক সাক্ষাৎ কৰাৰ আগেয়েই কথাটো গৰবাচভৰ কাণত পেলোৱা হৈছিল যদিও, প্ৰচেষ্টাটোৰ উদ্দেশ্য সেই বুলিয়েই ধৰা হৈছে। গৰবাচভে যে পুৰস্কাৰটো গ্ৰহণ কৰাৰ কোনো কাৰণ বিচাৰি নাপালে, তাত আচৰিত হ'বলগীয়া একো নাই।

পাকিস্তানৰ সৈতে আমেৰিকাৰ সম্পৰ্কৰ ক্ষেত্ৰত বৰ্তমান উদ্ভৱ হোৱা অসুবিধাসমূহৰ ভাৰতে সুযোগ ল'ব পাৰে বুলি ভবা কথাটোও কম অমাৰ্জিত নহয়। ৰেগানৰ সৈতে ৰাজীৱ গান্ধীৰ সাক্ষাতো নতুন দিল্লীৰ অনুৰোধতে অনুষ্ঠিত হৈছিল। ৱাশ্বিংটনে ওচৰৰে ভেনকুভাৰৰ কমনৱেলথ সন্মিলনত প্ৰধান মন্ত্ৰীৰ যোগদানৰ কথা জানিছিল যদিও তেওঁক আমন্ত্ৰণ জনোৱাৰ ক্ষেত্ৰত তেওঁলোকে আগভাগ লোৱা নাছিল। ভাৰতে আগভাগ লোৱাৰ কাৰণবোৰ স্পষ্ট আছিল। এজন আমেৰিকান বিষয়াই ৱাশ্বিংটনত স্বীকাৰ কৰিছেই যে ইছলামাবাদৰ সৈতে ৱাশ্বিংটনৰ সম্পৰ্ক কেৱল টান খোৱাই নহয়, বিবাদৰ মুখলৈও আগবাঢ়িছে; আৰু এনে সময়তে ভাৰত-মাৰ্কিন সম্পৰ্ক উন্নত কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে।

কিন্তু নতুন দিল্লীয়ে আমেৰিকাৰ নীতিৰ মূলগত পৰিবৰ্তন হৈছে বুলি আৰু তেওঁলোকক (নতুন দিল্লীক) অনুগ্ৰহ দেখুৱাব বুলি বিশ্বাস কৰিলে ভুল কৰা হ'ব। আমেৰিকাই দুয়োখন দেশৰ লগতে ভাল সম্পৰ্ক ৰাখিব খোজে। তেওঁলোকে ভাৰতে দক্ষিণ এছিয়াত আৰু পাকিস্তানে মধ্য-পূবত নিজ-নিজ ভূমিকা পালন কৰাটো বিচাৰে। স্বৰাষ্ট্ৰ সচিব শ্বুলজে নতুন দিল্লী আৰু ইছলামাবাদ উভয়কে অঞ্চলটোৰ গুৰুত্বপূৰ্ণ শক্তি বুলি বৰ্ণনা কৰিছে। ৱাশ্বিংটনে কোনো পক্ষকে বিৰক্ত কৰিব খোজা নাই। তেওঁলোকৰ বাবে ইৰানত শ্বাহৰ পতনৰ পাছত পাকিস্তান হ'ব এখন আগশাৰীৰ দেশ, আৰু আনহাতে কমিউনিজিমৰ বিৰুদ্ধে ভাৰত হৈছে এক শক্তিশালী প্ৰাচীৰ।

ৱাশ্বিংটনে এতিয়া বুজিছে যে ভাৰত আৰু পাকিস্তান দুয়োখন দেশৰ লগতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তুলিব পাৰি। ভাৰতক কিছুমান শেহতীয়া প্ৰযুক্তি কৌশল শিকাই দি আৰু প্ৰতিৰক্ষা সঁজুলি বিক্ৰি কৰি, আৰু ইছলামাবাদক এফ-১৬ৰ দৰে অত্যাধুনিক সামৰিক অস্ত্ৰ-শস্ত্ৰকে ধৰি সাহায্য দি এই কামটো কৰিব পাৰি। কেইমাহমানৰ আগেয়ে নতুন দিল্লীলৈ আহোঁতে ষ্টিফেন ক'হেনে (তেতিয়া পৰৰাষ্ট্ৰ বিভাগৰপৰা শিক্ষা বিভাগলৈ উভতি অহা) এই কথা স্পষ্ট কৰি দিছিল যে আমেৰিকাই উপলব্ধি কৰিছে যে তেওঁলোকে যিহেতু বজাৰত অস্ত্ৰ-শস্ত্ৰ বিক্ৰি কৰেই, গতিকে ভাৰতক বিক্ৰি নকৰাৰ কোনো অৰ্থ নাই। পাকিস্তান সম্পৰ্কত তেওঁ কৈছিল যে সেইটো এটা বেলেগ পৰ্যায়ৰ কথা আৰু ভাৰতে "আমি তেওঁলোকলৈ অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ যোগান ধৰা" কথাটো মানি ল'ব লাগিব।

এইটো নিঃসন্দেহ যে ৰেগান প্ৰশাসনে যি নীতি লৈ ইয়াৰ কাৰ্যকাল আৰম্ভ কৰিছিল তাৰ কিছু পৰিবৰ্তন ঘটিছে। তেওঁলোক ক্ষমতালৈ অহাৰ আগতে চলোৱা ৰেণ্ড-অধ্যয়নক (Rand Study) তেওঁলোকৰ প্ৰথম নীতি-নিৰ্দেশনা ৰূপে গ্ৰহণ কৰা হৈছিল। অধ্যয়নটোৰ অনুমোদনাৱলী দেখদেখকৈ পাকিস্তানৰ ফলীয়া আছিল। কাৰণ সামৰিক ৰাষ্ট্ৰ হিচাপে সেইখন দেশক সহজে পৰিচালনা কৰিব পৰা যাব বুলি, আৰু সেইখন দেশ আমেৰিকাৰ নীতিৰ অধিক ওচৰা-উচৰি বুলি বিবেচনা কৰা হৈছিল। ভাৰতক বিশৃংখল আৰু ছোভিয়েট দেশৰ বহতীয়া বুলি ভবা হৈছিল। কিন্তু এতিয়া তেওঁলোকে ভাবে,— ভাৰত মস্কোৰ বহতীয়া নহয়, অধিক নমনীয়, আনকি সহজে বলাব পৰা বিধৰ। এতিয়া মাৰ্কিন যুক্তৰাষ্ট্ৰই ভাবে যে পাকিস্তানক বৰ্জন নকৰাকৈয়েই ভাৰতক কাষ চপাব পাৰি। বাস্তৱিকতে ভাৰতলৈ প্ৰযুক্তি কৌশলৰ হস্তান্তৰক অধিক সম্পৰ্ক গঢ়ি তুলিব পৰা এক সুদৃঢ় ক্ষেত্ৰ হিচাপে বিবেচনা কৰা হৈছেই।

ৱাশ্বিংটনে নতুন দিল্লী আৰু ইছলামাবাদ উভয়ৰে লগত একে সময়তে ভাল সম্পৰ্ক ৰক্ষা কৰিব পাৰি বুলি বিশ্বাস কৰাৰ কথাটো পাকিস্তানৰ বিমান বাহিনীলৈ অবিৰতভাৱে এয়াৰ-টু-এয়াৰ ছাইডউইণ্ডাৰ ক্ষেপণাস্ত্ৰ আৰু নৌ-বাহিনীলৈ ছাবমেৰিনৰপৰা নিক্ষেপ কৰিবপৰা হাৰপুন ক্ষেপণাস্ত্ৰ যোগান ধৰাৰপৰাই বুজিব পাৰি। ইয়াৰ অৰ্থ এইটো নহয় যে আমেৰিকাই ৰাজীৱ গান্ধীৰ ৱাশ্বিংটন ভ্ৰমণৰ সময়ত ভাৰতক দিবলৈ প্ৰতিশ্ৰুতি দিয়া প্ৰতিৰক্ষা সঁজুলিৰ যোগান পুনৰ বন্ধ ৰাখিব। আচলতে ইতিমধ্যে কৰা চুক্তিমতে ভাৰতীয় 'লাইট কমবেট" বিমানৰ বাবে মাৰ্কিন জেট ফাইটাৰ ইঞ্জিনৰ যোগান খৰতকীয়াহে কৰি তোলা হ'ব।

বিশ্বাসযোগ্য হওকেই বা নহওক, প্ৰধান মন্ত্ৰীৰ অনুগামীসকলে কিন্তু কৈছে যে ৰাজীৱ গান্ধীৰ ভ্ৰমণে পাকিস্তানলৈ এৱেকৰ (AWAC)



OKDISCD

যোগান বন্ধ কৰিলে। পিছে ভাৰতৰ হেঁচাতকৈ আফগানিস্তানত যুদ্ধ চলাই থকা ছোভিয়েট সেনাবাহিনীৰ বিৰুদ্ধে পাকিস্তানক নিজৰ প্ৰতিৰক্ষাৰ বাবে এনেকুৱা কোনো প্ৰয়োজন নাই বুলি আমেৰিকাই কৰা উপলব্ধিৰহে গুৰুত্ব বেছি। ইছলামাবাদে উত্তৰ ভাৰতৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈহে এনেকুৱা বিমান বিচাৰে বুলি ৱাশ্বিংটনে সন্দেহ কৰা যেন লাগে।

বিমানৰ নিৰ্মাণ আৰু নক্সা তৈয়াৰ কৰাৰ অৰ্থে ইতিমধ্যে তেওঁলোকে অনুমোদন জনোৱা ছুপাৰ কম্পিউটাৰৰ মান উন্নত কৰিবলৈও আমেৰিকা সাজু আছে যেন লাগিছে। ৱাশ্বিংটনৰ নিজৰ স্বাৰ্থতে এই চিন্তা কৰা হৈছে, কাৰণ তেওঁলোকে উচ্চমানৰ ছুপাৰ কম্পিউটাৰৰ যোগান ধৰিবলৈ অস্বীকাৰ কৰাৰ পাছত ভাৰতীয় বিজ্ঞানীসকলে যিটো প্ৰত্যাহ্বান গ্ৰহণ কৰিছিল, তাক এই কামৰ দ্বাৰা নষ্ট কৰিব পৰা যাব। প্ৰধান মন্ত্ৰীৰ উপদেষ্টা ছেম পিট্ৰডাই কম্পিউটাৰৰ প্ৰস্তাৱটো গ্ৰহণ নকৰিবলৈ আৰু ভাৰতীয়সকলকে এনে কম্পিউটাৰ সাজিবলৈ দিবলৈ শ্ৰীগান্ধীক পতিয়ন নিয়াবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল, কিন্তু পশ্চিমীয়া প্ৰযুক্তি-কৌশলৰ দ্বাৰা প্ৰভাৱান্বিত ৰাজীৱ গান্ধীয়ে তেওঁৰ যুক্তিলৈ কাণসাৰেই নকৰিলে। দৰাচলতে যোৱা কিছুদিনৰ ভিতৰত নতুন দিল্লীয়ে আমেৰিকাৰ পৰা অকল কৃষিৰ ক্ষেত্ৰতে প্ৰায় ৬১ খন নতুন আঁচনি কিনিছে। আৰু ইয়াৰ লগতে ভাৰতীয়সকলক গিনিপিগত পৰিণত কৰা বিতৰ্কিত ভাৰত-মাৰ্কিন ছিটা দিয়া কৰ্ম আঁচনিখনো আছে।

আমেৰিকাই হেনো পি.এল. ৪৮০ৰ অধীনত খোৱাতেল আৰু খাদ্যশস্য যোগান ধৰিবলৈ প্ৰতিশ্ৰুতি দিছে। কিন্তু মৰ্যাদা আৰু আত্মনিৰ্ভৰশীলতাৰ বিষয়ে যথেষ্ট চিঞৰ-বাখৰ কৰি ভাৰতে পি.এল. ৪৮০ আঁচনিৰ পৰা ওলাই আহিবলৈ সিদ্ধান্ত লোৱাৰ পাছত এই প্ৰস্তাৱটো গ্ৰহণ কৰিবলৈ আনকি ৰাজীৱ গান্ধীয়েও অস্বস্তি অনুভৱ কৰিছে। আমেৰিকাই হয়তো ভাবিছে যে সুকীয়াকৈ ভাৰা কৰা ৭৪৮ জাম্বো বিমানত ভ্ৰমণ কৰা, আৰু বোম্বাইত বিকল্প হিচাপে আন এখন অনুৰূপ বিমান সাজু ৰখা এজন প্ৰধান মন্ত্ৰীৰ বাবে পি.এল ৪৮০ মুঠেই অস্বস্তিকৰ হোৱা উচিত নহয়। অনেক আমেৰিকাবাসীয়ে, বিশেষকৈ যোৱা এশ বছৰৰ ভিতৰত আটাইতকৈ ভয়ংকৰ খৰাং পৰিস্থিতিৰ সন্মুখীন হোৱাৰ সময়ত, ভাৰতৰ প্ৰধান মন্ত্ৰীজনৰ ধনাঢ্যতা আৰু অপব্যয়ৰ কথাটো নিশ্চয় লক্ষ্য কৰিছে। এয়াৰ ইণ্ডিয়াৰ সূত্ৰই মোক জনোৱা মতে বাণিজ্যিক উৰণৰপৰা জাম্বো বিমান দুখন এপষেকৰ বাবে আঁতৰাই ৰখাৰ ফলত হোৱা ক্ষতিৰ পৰিমাণ কেইবা কোটিও টকা হ'ব আৰু বিমান দুখন নতুনকৈ সজাই-পৰাই তোলাৰ খৰচ, আৰু তাৰ পাছত পুনৰ আগৰ নিচিনা কৰাৰ খৰচো কেইবা লাখো টকা হ'ব। (কিবা কাৰণত ৰাজীৱ গান্ধীক বিমানতে শ্বাৱাৰত গা-ধোৱাৰ সুবিধা লাগে।)

এজন সাংবাদিকে ৰাজীৱ গান্ধীক তেওঁৰ বিদেশ ভ্ৰমণৰ বাবে দেশখনে এদিনতে কোটি-কোটি টকাৰ ব্যয় বহন কৰিব লগীয়া হয় বুলি এটা হিচাপৰ বিষয়ে সোধোঁতে তেওঁৰ উত্তৰ আছিল, —খৰচৰ তুলনাত লাভ এশগুণ। চমুকৈ কবলৈ গলে সেইটো এটা বাগাড়ম্বৰ। এইটো স্পষ্ট যে মিতব্যয়িতা তেওঁৰ বাবে ডাঙৰ কথা নহয়; সমানে স্পষ্ট কথা,—অৰ্থনীতিও নহয়। ইয়াৰ উদাহৰণ হিচাপে বিদেশী সহযোগিতাত উপভোগ্য সামগ্ৰী (আনকি পুৰাৰ জলপানো) তৈয়াৰ কৰাৰ অৰ্থে বিভিন্ন ধৰণৰ প্ৰকল্পসমূহৰ প্ৰতি যিধৰণে অনুমোদন জনোৱা হৈছে তাৰ কথাই উল্লেখ কৰিব পাৰি।

অৰ্থনৈতিক ক্ষেত্ৰতো ৱাশ্বিংটন নতুন দিল্লীক প্ৰভাৱান্বিত কৰিবলৈ সক্ষম হৈছে। আমেৰিকাৰ সম অংশ গ্ৰহণৰ ওপৰত জোৰ দিয়া হৈছে আৰু আমেৰিকান উদ্যোগসমূহে ভাৰতত যোৱা দহ বছৰত যিমান ধন বিনিয়োগ কৰিছিল তাৰ তুলনাত যোৱা দুবছৰত বেছি ধন বিনিয়োগ কৰিছে। ভাৰত আৰু আমেৰিকাৰ মাজত বেহা-বেপাৰৰ পৰিমাণে (এসময়ত এক নম্বৰত থকা ছোভিয়েট দেশক পিছপেলাই) ইতিমধ্যে ৪,০০০ নিযুত ডলাৰ অতিক্ৰম কৰিছে। যেতিয়ালৈকে আমেৰিকাৰ সৈতে বাণিজ্যিক ভাৰসাম্য ভাৰতৰ বিৰুদ্ধে নাযায়, তেতিয়ালৈকে এই ঘটনা অশুভ নহয়। কিন্তু ছোভিয়েট দেশৰ সৈতে বাণিজ্যৰ এটা সুবিধা হ'ল সকলো ধনেই টকাৰে পৰিশোধ কৰিব লাগে; আমেৰিকাৰ ক্ষেত্ৰত দিয়াৰ দৰে মহামূল্যবান বৈদেশিক মুদ্ৰা দিব নালাগে।

ইমানেই নহয়;— সৌ সিদিনালৈকে চৰকাৰখনৰ বিৰুদ্ধে উত্থাপিত ঘোচ, কমিশ্যন আৰু দুৰ্নীতিৰ অভিযোগবোৰক দেশখনক অস্থিৰ কৰিবলৈ চলোৱা প্ৰচেষ্টা বুলি অভিহিত কৰা ৰাজীৱ গান্ধীয়ে তেওঁৰ সুৰ সলনি কৰিছে। অস্থিৰতাৰ সূত্ৰটো (ইয়াৰ দ্বাৰা ছি.আই.এ আৰু পশ্চিমীয়া শক্তিসমূহৰ কথাই কোৱা হৈছিল) বাদ দিয়াই নহয়, আনকি অস্বীকাৰো কৰা হৈছে। হঠাতে ৰাজীৱ গান্ধী আৰু তেওঁৰ ই-কংগ্ৰেছ দলটো পতিয়ন গ'ল যে ৱাশ্বিংটন তেওঁলোকৰ বিৰোধী নহয়। ৰাজীৱ গান্ধীয়ে সঁচাকৈয়ে সৌ সিদিনা বহিঃপৰিক্ৰমা মন্ত্ৰণালয়ৰ সংসদী সমিতিৰ বৈঠকত গৌৰৱেৰে ক'লে যে আমেৰিকাই নিজৰ ধাৰণা সলনি কৰিছে আৰু ভাৰতে "অঞ্চলটোত এক বৃহৎ ভূমিকা পালন কৰাটো" বিচাৰে।

দুখৰ কথাটো হ'ল—ৰাজীৱ গান্ধীয়ে ৰেগানৰ সৈতে হোৱা কথা-বতৰাক "এক অপূৰ্ব সাফল্য" বুলি সঁচাকৈয়ে বিশ্বাস কৰে (তেওঁ ইমানেই হোজা মানুহ!) পাকিস্তানৰ প্ৰতি এক বিশেষ নীতি কিয় গ্ৰহণ কৰা হৈছে সেই বিষয়ে ব্যাখ্যা কৰিবলৈ বাধ্য নোহোৱাকৈয়ে আমেৰিকাই ভাৰতৰ

১৫ পৃষ্ঠাত চাওক



# অভাৰব্ৰিজৰ তলত

গুৱাহাটীৰ চানমাৰি ৰেলৰে' লেভেল ক্ৰছিঙত নিৰ্মীয়মান "অ'ভাৰব্ৰিজ" খনৰ বিষয়ে অসম চৰকাৰৰ জনসংযোগ বিভাগে এটা বাৰ্তা-প্ৰবন্ধ প্ৰচাৰ কৰিছে। এই বাৰ্তা-প্ৰবন্ধৰ পৰা পোৱা কেইটামান তথ্য হ'ল:

অ'ভাৰব্ৰিজখনৰ নাম পণ্ডিত আনন্দৰাম বৰুৱাৰ স্মৃতিত "আনন্দৰাম সেতু" ৰখা হৈছে।

গুৱাহাটী বাণিজ্যিক মহাবিদ্যালয়ৰ দাঁতিৰ ৰাধা গোবিন্দ বৰুৱা পথছোৱাৰ পৰা আৰম্ভ হৈ, ৰেল লাইন আৰু মণিৰাম দেৱান পথৰ ওপৰেদি গৈ, সেতুখনে অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ (ইঞ্জিনিয়াৰিং ইনিষ্টিটিউটৰ) কাষত থকা টিলাৰ পৰা ইংৰাজীৰ U আখৰটোৰ দৰে ভাঁজ লব। তাৰ পাছত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদৰ দুৱাৰমুখেৰে আহি মণিৰাম দেৱান পথৰ লগ লাগিব।

স্বাভাৱিকতে যি কোনো লেভেল ক্ৰছিঙতে গেট বন্ধ কৰা মানুহজনে যদি সেই বাটেদি অহা-যোৱা কৰা যান-বাহনৰ সংখ্যা দৈনিক দহ হাজাৰৰো অধিক বুলি হিচাপ কৰে, তেনেহ'লে তেনে ঠাইত এখন দলং বা সেঁতু নিৰ্মাণ কৰাটো যুক্তিযুক্ত বুলি বিবেচিত হয়। চানমাৰিত প্ৰতি ঘণ্টাত প্ৰায় ৩-৪ বাৰ গেট বন্ধ কৰা হিচাপত, প্ৰতিবাৰত প্ৰায় ১০০ খন দ্ৰুতবেগী বাহনৰ ভিৰ হয়। ব্যস্ততাৰ সময়ছোৱাত এই সমস্যা আৰু জটিল হয়। এই ঠাইত এখন অ'ভাৰব্ৰিজ বা ফ্লাই অ'ভাৰৰ প্ৰয়োজনীয়তাৰ কথা বহুদিনৰ পৰাই অনুভৱ কৰি থকা হৈছিল। অৱশেষত গুৱাহাটীলৈ ব্ৰডগজ লাইন অহাৰ পাছতে এই প্ৰকল্পটোৱে ১৯৮২-৮৩ চনৰ বিত্তীয় বছৰৰ শেষৰ পিনে বিশেষভাৱে গুৰুত্ব পায়।

প্ৰকল্পটো স্থাপনৰ বাবে সঁহাৰি পোৱাৰ পাছতে ১৯৮৩-৮৪ চনত অনুসন্ধান আৰু প্ৰকল্প প্ৰস্তুতিৰ কাম হাতত লোৱা হয়। প্ৰধান দলংখনৰ কাম ১৯৮৫-৮৬ চনতহে হাতত লোৱা হয়। পৰীক্ষামূলকভাৱে ১৯৮৭ চনৰ ডিচেম্বৰ মাহত এই দলঙৰ কাম সমাপ্ত কৰি তোলাৰ লক্ষ্য স্থিৰ কৰা হৈছে। অৱশ্যে এই সময়ৰ সামান্য ইফাল-সিফাল হ'বও পাৰে। নিৰ্মাণকাৰ্য সন্তোষজনকভাৱে আগবাঢ়িছে।

আনন্দৰাম বৰুৱা সেতুৰ পৰিকল্পনা আৰু আৰ্হি প্ৰস্তুত কৰিছিল বোম্বাইৰ মেছাৰ্চ ষ্টুপ কনছালটেণ্ট লিমিটেডে। ১৯৮৩ চনৰ ৩ মাৰ্চত প্ৰশাসনিক অনুমোদন পোৱাৰ পাছত এই সেতু নিৰ্মাণৰ বাবে মুঠ ৪৫৩ লাখ টকাৰ অনুমোদন পোৱা হয়। সেতুখনৰ মুঠ দৈৰ্ঘ্য হ'ব ৩৫৯.২৯ মিটাৰ। ৰেল-পথৰ অংশ বাদ দি দিছপুৰৰ ফালৰ অংশৰ দৈৰ্ঘ্য হ'ব ১১৭.৪৫৬ মিটাৰ আৰু চানমাৰি অংশৰ দৈৰ্ঘ্য হ'ব ২০৪.৩৬০ মিটাৰ। সেঁতুৰ তলত তিনিটা পুল আছে। সেঁতুৰ ভেঁটি নিৰ্মাণত ১২ টা খুটা, নিম্ন অংশৰ গাঁথনিত ১৩ টা স্তম্ভ, দুটা সীমামূৰীয়া স্তম্ভ, ওপৰ অংশত বক্স টাইপ আৰু ছি ছি ম'ন'-লিথিক গাঁথনি আৰু মাজ ভাগত দীঘল-দীঘল ৰিব আৰু ক্ৰছ ডায়েফ্ৰাম থাকিব। সেঁতুখনত মুঠ ৪টা সৰু পথ থাকিব। দুটা মূৰীয়া পথৰ সমষ্টিৰে দুখন দলঙৰ প্ৰতিখনৰে ভেঁটি, নিম্ন গাঁথনি আৰু ওপৰগাঁথনি সুকীয়া-সুকীয়া হ'ব। মাজত এক মিটাৰ ব্যাসৰ এটা বিভাজকেৰে প্ৰতিটো পথতে ২ মিটাৰ বহল পদপথ থাকিব। সেতুখনৰ মুঠ ব্যাস (প্ৰস্থ) হ'ব ২০ মিটাৰ। প্ৰতিটো পথৰ ব্যাস হ'ব ৭.৫ মিটাৰ।

সেতু নিৰ্মাণৰ লগে-লগে আন কিছুমান আনুষংগিক কামো চলাই থকা হৈছে। আৰ. জি. বৰুৱা পথ আৰু ৰাজগড় পথক সংযোগ কৰি দুয়োফালৰ পৰা যান বাহন চলিব পৰাকৈ এটা বহল সংযোগ পথৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ চৌহদলৈ ওলোৱা-সোমোৱাৰ সুবিধাৰ্থে মিনিষ্ট্ৰি অৱ অৱ শ্বিপিং এণ্ড ট্ৰেন্সপৰ্টেশ্যনৰ মুখ্য অভিযন্তাৰ কাৰ্যালয়ৰ পথছোৱাত শিল আৰু পিচ দিয়া কাম কৰা হৈছে।

এই সেতুখন ব্যৱহাৰৰ বাবে মুকলি কৰি দিয়াৰ পাছত যান-বাহন, পথচাৰীৰ কিমান সুবিধা হ'ব, তাৰ বৰ্ণনা দিয়াটো নিষ্প্ৰয়োজন। কিন্তু সেতুখনৰ ওচৰে-পাজৰে, তলে-ওপৰে গঢ় লৈ উঠিব পৰা পৰিবেশৰ কথাও আগতীয়াকৈ ভাবিব লাগে, আৰু সেই অনুৰূপে আঁচনিও গ্ৰহণ কৰিব লাগে। "অভাৰ ব্ৰিজৰ তল" বুলিয়েই আমাৰ মনলৈ এটা জঘন্য পৰিবেশৰ কথা অহাটো আজিকালি স্বাভাৱিক কথা হৈছে। (প্ৰান্তিকৰ "সম্পাদকৰ কোঠালিত" বন্ধুগৰাকীয়ে সেতুখনৰ তলৰ কুকুৰ, ভিখাৰী, গাভৰু, গুণ্ডা আদিক লৈ উপন্যাস লিখিবলৈ ঠাইডোখৰ "বুক" কৰি থোৱা কথাটো ইংগিতপূৰ্ণ)। গুৰুত্বপূৰ্ণ চানমাৰি অঞ্চলৰ সেতুখনৰ তলত কোনোপধ্যে যাতে তেনে পৰিবেশৰ সৃষ্টি হ'ব নোৱাৰে, তালৈ এতিয়াই চকু দিব লাগে। ৰেল, অন্যান্য যান-বাহন আৰু পথচাৰীয়ে ব্যৱহাৰ কৰা ঠাইৰ বাহিৰেও যদি সেতুখনৰ তলত বা কাষত খালী ঠাই থাকে, তেনেহলে সেইবোৰত যাতে অপৰিকল্পিতভাৱে গুমটি, তৰজাৰ ঘৰ আদি ৰাতিটোৰ ভিতৰতে থিয় নহয় তাৰ ব্যৱস্থা কৰিব লাগে। যদি দোকান-পোহাৰৰ উপযোগী ঠাই ওলায়, আৰু যদি তাত ঘৰ সাজিব পাৰি, তেনেহ'লে চৰকাৰ বা পৌৰ নিগমৰ ফালৰ পৰাই সুপৰিকল্পিতভাৱে সৰু-সৰু, চাফ-চিকুনলৈ ৰাখিব পৰা ধৰণৰ ঘৰ (বা কোঠালি) সজাই দিব লাগে, আৰু উপযুক্ত মূল্যত ভাৰালৈ দিব লাগে। (সেই অঞ্চলত এতিয়া দহ ফুট দীঘল



OKDISCD





দীপক বেজবৰুৱা

দহ ফুট বহল পকা কোঠালি এটাৰ ভাৰা মাহে দুহাজাৰ টকা !) আৰু এটা কথা ; —দুখীয়া দেশত গুমটি, তৰজাৰ ঘৰক লঘু কৰিব নোৱাৰি সঁচা ; কিন্তু ঘৰবোৰতকৈ ডাঙৰ কথা হৈছে তাত কিহৰ ব্যৱসায় কৰা হয়। এখন সৰু কিতাপ-আলোচনীৰ দোকান আৰু এখন সিমান আকাৰৰে পকৌৰিৰ দোকানৰ পৰিবেশ সৃষ্টিৰ ক্ষেত্ৰত পাৰ্থক্য আছে। যিহেতু "অ'ভাৰব্ৰিজৰ তল" সহজে "লেতেৰা" হয়, গতিকে তাত কিহৰ দোকান খুলিবলৈ কৰ্তৃপক্ষই অনুমতি দিব, সেই সম্পৰ্কে চিন্তা কৰিব লাগে।

মুঠতে, অলপমান চিন্তা-ভাবনা কৰি, কিছু ধন খৰচ কৰিলেই আনন্দৰাম বৰুৱা সেতুৰ তলখন বা ওচৰ-পাজৰ ঠাইক এক অপবাদৰ পৰা, কদৰ্যতাৰ পৰা মুক্ত কৰিব পৰা যায়। তাৰ বাবে কাম কৰাৰ এতিয়াই সময়। নহ'লে— "আপোনাৰ মাটিত যদি আপুনি গাখীৰৰ দোকান নোখোলে, তেনেহ'লে আমি বেদখল কৰি সেই মাটিত মদৰ দোকান খুলিম।" —বৰ্তমানে প্ৰচলিত এই পদ্ধতি অনুসৰিয়েই আনন্দৰাম বৰুৱা সেতুৰ তলখনো তল যাব।

**— সত্যপ্ৰিয় পাঠক**

---

১২ পৃষ্ঠাৰ পিছৰ পৰা

সৈতে এক স্বাধীন সম্পৰ্কৰ প্ৰসাৰ ঘটাব পাৰি নেকি তাৰ সন্ধান কৰিবলৈ আকৌ এবাৰ যে চেষ্টা চলাইছে, সেই ফালৰ পৰা অৱশ্যে সাফল্য লাভ কৰা হৈছে বুলি ক'ব পাৰি। ৱাশ্বিংটনে নতুন দিল্লীৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰিব খোজে, কিন্তু তাকে পাকিস্তানৰ লগত থকা সম্পৰ্কৰ বিনিময়ত কৰিব নোখোজে। নতুন দিল্লীয়ে ভাৰত আৰু পাকিস্তানৰ ভিতৰৰ যিকোনো এটা পক্ষক বাছি লবলৈ ৱাশ্বিংটনৰ ওপৰত হেঁচা দি থকাৰ কাৰণেই দুবছৰৰ আগতে ৰাজীৱ গান্ধীৰ সফল ৱাশ্বিংটন ভ্ৰমণৰ পাছতো ভাৰত আৰু আমেৰিকাৰ মাজৰ সম্পৰ্ক তিক্ত হৈ আছিল।

ইতিমধ্যে পাকিস্তানলৈ ৪ বিলিয়ন ডলাৰ সাহায্য আগবঢ়োৱা সম্পৰ্কীয় এক ৰুছ "প্ৰস্তাৱ"ৰ বাতৰিয়ে (বৰ্তমান বাতৰিটো অস্বীকাৰ কৰা হৈছে) পাকিস্তানত আমেৰিকা ভাৰতৰ ফালে "ঢাল" খালে পাকিস্তানে ছোভিয়েট দেশৰ সৈতে বন্ধুত্ব গঢ়ি তোলা উচিত বোলা বিতৰ্কটো পুনৰ আৰম্ভ কৰিছে। ভাৰতৰ বিৰুদ্ধে কৰা তিৰস্কাৰপূৰ্ণ মন্তব্যবোৰত কোনেও এইকথা কোৱা নাই যে ছোভিয়েট দেশৰ পৰা অথবা আমেৰিকাৰ পৰা সাহায্য লোৱাটো ঠিকেই হৈছে, কিন্তু ভাৰতৰ লগত বন্ধুত্বৰহে বেছি প্ৰয়োজন হৈছে। ছোভিয়েট দেশে যদিহে পাকিস্তানৰ লগত বন্ধুত্ব গঢ়ি তোলে তেন্তে তেওঁলোকে নিজৰ স্বাৰ্থতহে এই কাম কৰিব, মৰমত নকৰে।

ভাৰতৰ প্ৰতি আমেৰিকাৰ নতুন ভালপোৱাৰ কাৰণ ছোভিয়েট দেশ আৰু চীনৰ মাজত ক্ৰমাৎ বাঢ়ি যোৱা সম্পৰ্কও হ'ব পাৰে। এখন গণতান্ত্ৰিক ভাৰত এখন কমিউনিষ্ট চীনতকৈ বেছি নিৰ্ভৰযোগ্য হ'ব পাৰে। কিন্তু ভাৰত আৰু পাকিস্তানে নিজৰ স্বাৰ্থ সিদ্ধি কৰিব খোজা বৃহৎ শক্তিসমূহৰ মাৰ খাবলৈ নিজকে কিয় এৰি দিব লাগে ? নিজে যাতে বন্ধকী হ'ব নালাগে, তাৰ বাবে ভাৰত আৰু পাকিস্তানে কিয় এই বিদেশী শক্তিসমূহৰ মাজত চলি থকা খেলখনৰ গূঢ়াৰ্থ উপলব্ধি কৰিব পৰা নাই ? কিয় এই দেশ দুখন লগ লাগিব পৰা নাই ?




OKDISCD

# চৰকাৰী আয়-ব্যয়ৰ পৰিকল্পনা, ৩১ মাৰ্চ আৰু অন্যান্য

পৰাগ কুমাৰ দাস

[সুদীৰ্ঘ কাল ধৰি তিল-তিলকৈ বদভ্যাস আহৰণ কৰি নিজকে পৰিপুষ্ট কৰা এটা শাসন-যন্ত্ৰ পুনৰ নিকা আৰু দক্ষ কৰি তুলিবলৈ এক অসাধাৰণ বৈপ্লৱিক কৰ্মপন্থা আৰু দৃঢ়তাৰ প্ৰয়োজন। এই কথা আজি সমগ্ৰ ভাৰতৰ ক্ষেত্ৰতে প্ৰযোজ্য। কিন্তু এই কৰ্মপন্থা হাতত লয় কোনে? এই দৃঢ়তা দেখুৱায় কোনে? দেশখনৰ ঠায়ে-ঠায়ে নতুন নেতৃত্বই মূৰ তুলি উঠে; কিন্তু সেই নেতৃত্ব দেশখনৰ সামগ্ৰিক পৰিবেশ-পৰিস্থিতি-অৱস্থাৰপৰা কিমান মুক্ত? তেওঁলোকৰ কিমানৰপৰা "অসাধাৰণত্ব" আশা কৰি পাৰি? যাৰ সিকণ অসাধাৰণত্ব থাকে, চাৰিওফালৰ দোষযুক্ত যন্ত্ৰ আৰু পদ্ধতিটোৱে সেই অসাধাৰণত্ব কিমান দিনলৈ অটুট থাকিবলৈ দিয়ে? সাম্প্ৰতিক কালত এইবোৰ প্ৰশ্ন বিচাৰ কৰি চালে এটা কথাৰ সত্যতা উপলব্ধি কৰিব পাৰি: জনসাধাৰণৰো একাংশ বদভ্যাসৰ কবলত ধৰাশায়ী; তথাপি সামগ্ৰিকভাৱে এই জনসাধাৰণৰ শক্তিয়েই নেতৃত্ব আৰু শাসনযন্ত্ৰৰ প্ৰহৰী আৰু অভিভাৱক ৰূপে জাগ্ৰত হৈ থাকিব লাগিব। জনসাধাৰণৰ সচেতনতাৰ হেঁচা নেতৃত্ব আৰু শাসনযন্ত্ৰই প্ৰতিক্ষণে অনুভৱ কৰিব লাগিব। আৰু তাৰ বাবেই, কি হৈ আছে, কোন কেনেকৈ চলিছে, তাৰ জ্ঞান জনসাধাৰণৰ বাবে প্ৰয়োজনীয়। জনসাধাৰণৰ এই জ্ঞানে শেষ পৰ্যন্ত সদিচ্ছা থকা নেতৃত্বক সহায় কৰে।]

(যোৱা সংখ্যাৰ পিছৰপৰা)

## তিনি

দুমাহমান আগতে, ৰাজ্য চৰকাৰৰ অৰ্থনৈতিক অপৰাধ অনুসন্ধান শাখাই ৰালফ'ৰ্ড প্ৰাইভেট লিমিটেড নামৰ প্ৰতিষ্ঠান এটাক অসম বিক্ৰি-কৰ ফাঁকি দিয়াৰ অপৰাধত অভিযুক্ত কৰি গোচৰ তৰাৰ এক বাতৰি প্ৰকাশ পাইছিল। প্ৰাপ্ত অভিয়োগ মতে, প্ৰতিষ্ঠানটোৱে হেনো অসম ৰাজ্যিক পৰিবহন নিগমক গুৱাহাটীতে বিক্ৰি কৰা মুঠ ৪৫ টা চেছিছ অৰুণাচলত বিক্ৰি হোৱা বুলি মিছাকৈ দেখুৱাই প্ৰায় ৪৬ লাখ টকাৰ বিক্ৰি-কৰৰ পৰা অসম চৰকাৰক বঞ্চিত কৰে। কিন্তু এই অভিযোগৰ প্ৰত্যুত্তৰত ৰালফ'ৰ্ড প্ৰাইভেট লিমিটেডে যি বিবৃতি দিলে, সেয়াহে অতি দুৰ্ভাগ্যজনক। পৰিবহন নিগমৰ নিবিদা আহ্বানৰ বিপৰীতে প্ৰতিষ্ঠানটোৱে হেনো প্ৰথমতে চেছিছকেইটা অসমতে বিক্ৰি কৰাৰ হিচাপত শতকৰা বাৰ ভাগ অসম বিক্ৰি কৰ অন্তৰ্ভুক্ত কৰি ক'টেশ্যন দাখিল কৰিছিল; পিছে, বিক্ৰি-কৰৰ সম্পূৰ্ণ বোজা যিহেতু ক্ৰেতাৰ ওপৰতে পৰে, গতিকে পৰিবহন নিগমেহে হেনো নিজে বিক্ৰি-কৰৰ বোজাৰ পৰা হাত সাৰিবৰ নিমিত্তে চেছিছকেইটা অসমৰ পৰিবৰ্তে বিক্ৰি-কৰৰ কোনো নিয়ম নথকা অৰুণাচল প্ৰদেশতহে কিনাৰ আগ্ৰহ প্ৰকাশ কৰিলে। কিন্তু পাছত চেছিছকেইটা গুৱাহাটী হৈ অৰুণাচললৈ যোৱাৰ পথত নিগমে বিভিন্ন আজুহাতত (কোনো বিক্ৰি-কৰ নিদিয়াকৈ) গুৱাহাটীতে ডেলিভাৰি ল'লে। অৰ্থাৎ, ৰাজ্য চৰকাৰৰ নিজস্ব প্ৰতিষ্ঠান এটায়েই ৰাজ্যিক 'কৰৰ বোজাৰ পৰা হাত সাৰিবৰ নিমিত্তে প্ৰথমতে চুবুৰীয়া ৰাজ্যৰ কৰ সম্বন্ধীয় সা-সুবিধাৰ, আৰু পাছত আনকি ভুৱা তথ্যৰো আশ্ৰয় ল'লে। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান এটায়েই যদি কৰ ফাঁকি দিয়াৰ বাবে এনে ধৰণৰ অবাঞ্চিত উপায় অৱলম্বন কৰিবলৈ কুণ্ঠাবোধ নকৰে, তেন্তে চৰকাৰী আয়ৰ উৎস হিচাপে বহুউৱা বিভিন্ন কৰৰ প্ৰতি সাধাৰণ ব্যৱসায়ী আৰু ৰাইজেনো কেনে মনোবৃত্তি ল'ব, সেয়া নিশ্চয় অতি সহজেই অনুমেয়।

ৰাজ্যখনৰ তেনেই সীমিত উদ্যোগীকৰণ আৰু ব্যৱসায়িক ক্ৰিয়া কৰ্মৰ পৰিপ্ৰেক্ষিতত, চৰকাৰী আয়ৰ উৎসৰ পৰিসৰো নিঃসন্দেহে একেবাৰেই সীমাবদ্ধ। বন্ধ হৈ থকা সাধাৰণ উদ্যোগ এটা খুলিবৰ নিমিত্তেও অসম চুক্তিৰ দৰে চৰম বুজাপৰাৰহে আশ্ৰয় ল'বলগীয়া হোৱা পুতৌজনক ব্যৱসায়িক পৰিবেশত ক্ৰমবৰ্ধমান চৰকাৰী ব্যয়ৰ বিপৰীতে অতিৰিক্ত কৰ-কাটলৰ দ্বাৰা সমানুপাতিক আয় বৃদ্ধিৰ প্ৰত্যাশাও স্বাভাৱিকতেই সুনিয়ন্ত্ৰিত। তাতে আকৌ, এই সীমিত কৰ-কাটলৰ সম্ভাৱনাৰ ক্ষেত্ৰতো আনকি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিহে পোষিত হৈ অহা সাংবিধানিক পক্ষপাতিতাৰ ফলত, কেৱল সাধাৰণ ক্ৰয়ৰ ওপৰত বহুউৱা বিক্ৰীকৰহে সম্প্ৰতি ৰাজ্য চৰকাৰৰ আয়ৰ একমাত্ৰ স্থিতিস্থাপক উৎস হিচাপে পৰিগণিত হৈছেহি। আনহাতে, চুবুৰীয়া ৰাজ্যসমূহত প্ৰবৰ্তিত কৰ সম্বন্ধীয় বিভিন্ন ৰেহাই ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত, অতিৰিক্ত চৰকাৰী আয়ৰ উপায় হিচাপে বিক্ৰিকৰ বৃদ্ধি কৰি গৈ থকা প্ৰস্তাৱৰ গ্ৰহণীয়তাও সমৰ্থনযোগ্য নহয়; চুবুৰীয়া ৰাজ্য মিজোৰাম আৰু অৰুণাচল প্ৰদেশত বিক্ৰি কৰৰ কোনো নিয়ম নথকাত, আৰু অইন ৰাজ্য কেইখনৰ কৰৰ বোজাও তুলনামূলকভাৱে যথেষ্ট কম হোৱা হেতুকে, অসমত যিকোনো সামগ্ৰীৰ ওপৰতে বহুউৱা বিক্ৰি-কৰ বৃদ্ধি কৰা মানেই সংশ্লিষ্ট ব্যৱসায়িক ক্ৰিয়া কৰ্মক ৰাজ্যখনৰ বাহিৰলৈ স্থানান্তৰিত কৰাৰ লেখীয়াহে হয়গৈ। যোৱা বছৰ ৰাজ্য চৰকাৰে আনকি এনেকুৱা ধৰণৰ সম্ভাৱনাকে ৰোধ কৰিবৰ নিমিত্তে কেইবিধমান মটৰ গাড়ীৰ ওপৰত বহুউৱা বিক্ৰি-কৰৰ হাৰ নিম্নগামী কৰিবলৈহে বাধ্য হৈছিল। ইমানবিলাক বাহ্যিক বিধি-বাধকতাৰ উপৰিও, উপযুক্ত পৰিকল্পনা আৰু বিভাগীয় সদিচ্ছাৰ অভাৱতো ৰাজ্য চৰকাৰে প্ৰতি বছৰে প্ৰচলিত কৰ-কাটলসমূহৰ দ্বাৰা আদায় কৰিব পৰা এক বুজন পৰিমাণৰ আয়ৰ অংশ হেৰুৱাব লগীয়া হৈ আহিছে। চুবুৰীয়া ৰাজ্য কেইখনত প্ৰবৰ্তিত কৰ-কাটল সম্বন্ধীয় বিভিন্ন ৰেহাই ব্যৱস্থাৰ সুযোগ লৈ অসাধু ব্যৱসায়ী আৰু প্ৰতিষ্ঠানসমূহে সদায় ৰাজ্য চৰকাৰক কোটি-কোটি টকাৰ কৰ ফাঁকি দি আহিছে। এই বিলাক তথ্য তদাৰকৰ দায়িত্বত থকা বিভাগীয় কৰ্তৃপক্ষৰ নখদৰ্পণতে থাকে যদিও, সম্পূৰ্ণ স্বাভাৱিক কাৰণতে সেইবোৰ কাৰ্যৰ বিৰুদ্ধে কেতিয়াও কোনো ব্যৱস্থা লোৱা নহয়। বাহিৰৰ ৰাজ্যৰ পৰা ট্ৰাকেৰে অসমলৈ অহা সামগ্ৰীসমূহকে কেতিয়াবা অসম-বংগৰ সীমান্ত চকীত পৰীক্ষা কৰাৰ সময়ত ভুৱা তথ্য-পাতিৰে সেইবোৰ উত্তৰ পূৰ্বাঞ্চলৰ অইন ৰাজ্যলৈ যাবলগীয়া সামগ্ৰী বুলি দেখুউৱা হয়; সীমান্ত চকীত ৰাজ্য চৰকাৰে ৰখা হিচাপৰ অন্তৰ্ভুক্ত নকৰাকৈয়ে সেইবোৰ অসমলৈ অনা হয়; পাছত সেই সামগ্ৰীবোৰ অসম হৈ অইন ৰাজ্যলৈ যোৱাৰ পৰিবৰ্তে অসমৰে বিভিন্ন বেআইনী গুদাম ঘৰত অদৃশ্য হৈ পৰে। এইদৰে এবাৰ সীমান্ত চকীত ফাঁকি দি অসম সোমোৱাৰ পাছত সেই সামগ্ৰীক লৈ কৰা ব্যৱসায়ৰ সমস্ত প্ৰক্ৰিয়াটোৱেই যিহেতু সম্পূৰ্ণ বেআইনী হৈ পৰে, গতিকে সেই ব্যৱসায়ৰ বিনিময়ত পাব লগীয়া কৰৰ পৰাও ৰাজ্য চৰকাৰ বঞ্চিত হয়। এনেকুৱা ব্যৱসায়ৰ সৈতে জড়িত জনৈক ব্যৱসায়ীয়ে কথা প্ৰসংগত আমাৰ আগত উল্লেখ কৰা মতে, অসম-বংগ সীমান্তৰ তালাচী চকীত ফাঁকি দিবৰ নিমিত্তে প্ৰয়োজন হোৱা উত্তৰ-পূৰ্বাঞ্চলৰ অইন ৰাজ্যৰ নামত থকা ভুৱা C-form আদিও আনকি হেনো কলিকাতা-বোম্বাই আদি চহৰত কিনিবলৈ পোৱা যায়! তেনেদৰে, অৰুণাচল প্ৰদেশ আৰু মিজোৰামত কোনো ৰাজ্যিক বিক্ৰি-কৰ নথকা বাবে তাত বিক্ৰি কৰা সামগ্ৰীৰ ক্ষেত্ৰত যিহেতু কেৱল চাৰি শতাংশ কেন্দ্ৰীয় বিক্ৰি-কৰহে ভৰিব লগীয়া হয়, গতিকে অনেক সময়ত অসমলৈ ন্যায় সংগতভাৱে অহা কোনো সামগ্ৰী পাছত কাকতে-পত্ৰই কেৱল চাৰি শতাংশ কেন্দ্ৰীয় বিক্ৰি-কৰ ভৰি অৰুণাচল বা মিজোৰামলৈ বিক্ৰি কৰা বুলি মিছাকৈ দেখুৱাই সেইবোৰ অসমতেই বেআইনীভাৱে মজুত ৰখা হয় আৰু সময়ত কোনো ৰাজ্যিক বিক্ৰি-কৰ নভৰাকৈ অসমৰ বজাৰতে বিক্ৰি কৰা হয়। এনেবোৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিক্ৰি-কৰৰ আয়ৰ পৰা বঞ্চিত হোৱা মানে যে সৰ্বসাধাৰণ ক্ৰেতায়ো কোনো বিক্ৰিকৰ ভৰিব নালাগে, সেইটো কিন্তু নহয়। সৰ্বসাধাৰণ ৰাইজে এইবোৰ সামগ্ৰী ক্ৰয় কৰোঁতেও পূৰা মাত্ৰাই ৰাজ্যিক বিক্ৰি-কৰ ভৰে, মাত্ৰ সেই কৰৰ পৰা হোৱা আয় চৰকাৰৰ হাতলৈ যোৱাৰ পৰিবৰ্তে কৰ বিভাগৰ এমুঠি অসাধু চাকৰিয়াল আৰু ব্যৱসায়ী গোষ্ঠীটোৰ মাজতেই এক সুনিৰ্দিষ্ট অনুপাতত বণ্টন হৈ যায়। আনহাতে সৰ্বসাধাৰণ উপভোক্তাৰ সুবিধাৰ্থে কিছুমান নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ ওপৰত যি বিক্ৰি-কৰ ৰেহাইৰ ব্যৱস্থা আছে, উপযুক্ত তদাৰকীৰ অভাৱত সেই সুবিধাবিলাকৰো সৰ্বতোপ্ৰকাৰে অপব্যৱহাৰ কৰি কোটি-কোটি টকাৰ কৰ ফাঁকি দি অহা হৈছে। কাগজৰ ওপৰত কৰ বহুউৱা হয় যদিও, নিত্য-ব্যৱহাৰ্য সামগ্ৰী হিচাপে এক্সাৰছাইজ বহীৰ ক্ষেত্ৰত কৰ ৰেহাইৰ ব্যৱস্থা আছে; গতিকেই প্ৰায় সকলো কাগজৰ ব্যৱসায়ীয়েই কৰ বিভাগৰ চাকৰিয়ালৰ আশীৰ্বাদত নিজকে মিছাকৈ এক্সাৰছাইজ বহীৰ প্ৰস্তুতকাৰক বুলি কৈ কৰ ফাঁকি দিয়ে। পৰিশোধিত বনস্পতি তেলৰ ওপৰত কৰ বহুউৱা হয় যদিও, মিঠাতেলৰ ওপৰত কোনো কৰ নাই; গতিকে বাহিৰৰ পৰা অনা পৰিশোধিত বনস্পতিকো মিঠাতেলৰ শাৰীত দেখুৱাই কৰ ফাঁকি দিয়া হয়; অথচ সৰ্বসাধাৰণ ৰাইজক ওচৰত বিক্ৰি কৰাৰ সময়ত কিন্তু বিক্ৰি-কৰ ঠিকেই আদায় কৰি লোৱা হয়! নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ ক্ষেত্ৰত থকা কৰ ৰেহাই ব্যৱস্থাৰ এনেকুৱা বিস্তৃত অপব্যৱহাৰৰ পৰিপ্ৰেক্ষিতত চৰকাৰে কৰ ৰেহাই দিয়া সামগ্ৰীৰ তালিকাখন যিমান পাৰি সংকুচিত কৰা উচিত। যিখন ৰাজ্যত যোগান আৰু চাহিদাৰ ওপৰত কোনো ধৰণে নিৰ্ভৰ নকৰাকৈয়ে ব্যৱসায়ীৰ ইচ্ছানুযায়ী সামগ্ৰীৰ মূল্য ধাৰ্য কৰা হয়, সেইখন ৰাজ্যত নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ ওপৰত কৰ বহুৱালেই সমানুপাতিক মূল্যবৃদ্ধি হ'ব বুলি কৰা ভয় তেনেই অৰ্থহীন;— কৰ নবহুৱালেও ব্যৱসায়ী গোষ্ঠীটোৱে





OKDISCD

নিজৰ ইচ্ছাত সেইখিনি মূল্য বঢ়োৱাৰ ক্ষমতা ৰাখিছে আৰু চৰকাৰে তাত কেৱল নিৰৱ দৰ্শকৰহে ভূমিকা গ্ৰহণ কৰি আহিছে। বিভিন্ন নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ ক্ষেত্ৰত আগবঢ়োৱা কৰ ৰেহাইৰ ব্যৱস্থাই প্ৰকৃততে সাধাৰণ উপভোক্তাৰ পৰিবৰ্তে কৰ ফাঁকি দিবলৈ সুৰুঙা বিচাৰি ফুৰা ব্যৱসায়ী গোষ্ঠীটোকহে অধিক সকাহ দিবলৈ সক্ষম হৈছে।

অসাধু ব্যৱসায়ী গোষ্ঠীটোৱে বিভিন্ন উপায়েৰে কৰ ফাঁকি দি ৰাজ্য চৰকাৰক প্ৰাপ্য আয়ৰ পৰা বঞ্চিত কৰি অহা কাৰ্যৰ এটা দুৰ্ভাগ্যজনক দিশ এয়ে যে, চৰকাৰৰ দ্বাৰা প্ৰতিপালিত এচাম বিষয়া-কৰ্মচাৰীয়েই সদায় অনুঘটকৰ ৰূপত দুৰ্নীতিৰ এই সমস্ত প্ৰক্ৰিয়াটোক চালিকা শক্তি প্ৰদান কৰি আহিছে। কৰ-কাটল সম্বন্ধীয় প্ৰচলিত প্ৰক্ৰিয়াটোৰ যিকোনো সংস্কাৰেৰে বিবেচনাত এইষাৰ অপ্ৰিয় সত্যৰ প্ৰাসংগিকতা আমি কেতিয়াও নুই কৰিব নোৱাৰোঁ যে, তদাৰকৰ দায়িত্বত থকা বিষয়া-কৰ্মচাৰীসকলৰ আশীৰ্বাদ অবিহনে ব্যৱসায়ী গোষ্ঠীটোৱে এইদৰে অবাধ গতিত কৰ ফাঁকি দি যোৱাৰ সাহস নিশ্চয় কেতিয়াও গোটাব নোৱাৰিলেহেঁতেন। কোটি কোটি টকাৰ কৰ ফাঁকি দি বেআইনী ব্যৱসায় চলাই থকা অসাধু ব্যৱসায়ী গোষ্ঠীটোক ৰক্ষণাবেক্ষণ দি তাৰ বিনিময়ত তদাৰকৰ দায়িত্বত থকা সকলে নিয়মিত এক অবিশ্বাস্য পৰিমাণৰ উপঢৌকন লাভ কৰি আহিছে ; অথচ, এই আটাইবোৰ অবৈধ লেনদেন আমাৰ চকুৰ আগতে মুকলিমূৰীয়াকৈ সংঘটিত হৈ থকা সত্ত্বেও তাৰ বিৰুদ্ধে চৰকাৰে আজিলৈকে কোনো প্ৰতিৰোধমূলক ব্যৱস্থা ল'ব পৰা নাই। কৰ ফাঁকি দিয়া কাৰ্যৰ বিৰুদ্ধে চৰকাৰে নিতৌ হাতত লৈ অহা নতুন নতুন ব্যৱস্থাবিলাকৰ অন্তৰালত নিহিত হৈ থকা মূল ধাৰণাটো এয়ে যে, অসাধু ব্যৱসায়ী গোষ্ঠীটোৰ গতিবিধি নিয়ন্ত্ৰিত কৰিবৰ নিমিত্তে যিমান পাৰি অতিৰিক্ত ক্ষমতাৰে কৰ বিভাগক অধিক শক্তিশালী কৰি তোলা উচিত ; কিন্তু কৰ বিভাগৰে সন্দেহজনক চাল-চলনৰ ওপৰত উপযুক্ত কোনো তদাৰকীৰ দিহা নকৰাকৈয়ে এইদৰে প্ৰদান কৰি অহা অতিৰিক্ত ক্ষমতাবিলাকে প্ৰকৃততে বিভাগীয় বিষয়া-কৰ্মচাৰীক আৰু অধিক দুৰ্নীতিপৰায়ণহে কৰি তুলিছে। অতিৰিক্ত ক্ষমতা পোৱা মানেই দুৰ্নীতিৰ প্ৰক্ৰিয়াটোৰ পৰা এওঁলোকে লাভ কৰা অনুগ্ৰহৰ পৰিমাণ বৃদ্ধি পোৱাৰ লেখীয়াহে হৈছেগৈ। অবৈধ অনুগ্ৰহৰ পৰিমাণ বৃদ্ধিয়ে যিহেতু স্বাভাৱিকতেই কৰ ফাঁকি দিয়া প্ৰক্ৰিয়াটোৰো সমানুপাতিক সম্প্ৰসাৰণ সুনিশ্চিত কৰি তোলে, গতিকে এই দিশৰ

**নিজৰ মাজতে কেইবাটাও ভুৱা প্ৰতিষ্ঠানৰ নামত নিবিদা গ্ৰহণ কৰি তাৰ ভিতৰত সৰ্বনিম্ন ক'টেশ্যন পোৱাৰ অজুহাতত বিশেষ আবেদনকাৰীৰ সপক্ষে ৰায় দিয়া, ইত্যাদি বিভিন্ন কৌশলৰ দুৰ্নীতি চলে।**

পৰা চাবলৈ গ'লে, চৰকাৰে ইমানদিনে হাতত লৈ অহা বিভিন্ন প্ৰতিৰোধমূলক ব্যৱস্থাবিলাকে প্ৰকৃততে আওপাকেদি এক ঋণাত্মক ভূমিকাহে গ্ৰহণ কৰি আহিছে। এই অবাঞ্চিত পৰম্পৰা ভংগ কৰিবলৈ হ'লে, এতিয়া আমি যিকোনো প্ৰতিৰোধমূলক ব্যৱস্থা লোৱাৰ সময়তে অসাধু ব্যৱসায়ী গোষ্ঠীটোৰ লগতে বিভাগীয় দায়িত্বত থকা সকলৰ চাল-চলনৰ নিয়ন্ত্ৰণৰ ওপৰতো সমানে গুৰুত্ব দিয়া উচিত ; দুৰ্নীতি পৰায়ণ বিষয়া, কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰতম ব্যৱস্থা লৈ অসাধু ব্যৱসায়ী গোষ্ঠীৰ সৈতে থকা এওঁলোকৰ লেন-দেন সম্পূৰ্ণৰূপে বন্ধ কৰিব পাৰিলে কৰ ফাঁকি দিয়াৰ প্ৰক্ৰিয়াটো কিন্তু আপোনা-আপুনি সংকুচিত হৈ পৰিব ! এনে তদাৰকীৰ নিমিত্তে যে বিশেষ কিবা চোৰাংচোৱা ব্যৱস্থাৰ প্ৰয়োজন, সেইটোও কিন্তু নহয় ; কৰ বিভাগৰ দুৰ্নীতি আজিকালি ইমানেই প্ৰকাশ্য হৈ পৰিছে যে, যিকোনো পাঁচজন বিষয়াৰে গতি-বিধি এসপ্তাহলৈ লক্ষ্য ৰাখিলেও, অন্ততঃ চাৰিজনৰ বিৰুদ্ধেই দুৰ্নীতিৰ অভিযোগ গোটাব পৰা যায়। কিন্তু এইখিনি সাধাৰণ সংস্কাৰৰ নিমিত্তেও ক্ষমতাত থকা সকলৰ যি সদিচ্ছা আৰু নৈতিক সততাবোধৰ প্ৰয়োজন, প্ৰশাসনৰ উচ্চতম মহলত সদায় তাৰেই সবাতোকৈ অভাৱ পৰিলক্ষিত হৈ আহিছে। অইন নালাগে বহু প্ৰতীক্ষিত ৰাজনৈতিক পৰিবৰ্তনটোৱেও সেইকণ চাহিদা পূৰণ কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। অথচ, কিছু সৎ সাহসেৰে এই প্ৰকাশ্য সুৰুঙাখিনিকে বন্ধ কৰিব পৰাহেঁতেন, প্ৰচলিত কৰ-কাটলসমূহৰ পৰাই ৰাজ্য চৰকাৰৰ আয় শতকৰা এশ ভাগ পৰ্যন্ত বৃদ্ধি পালেও আচৰিত হ'বলগীয়া একো নাথাকিলেহেঁতেন।

অসমৰ অৰ্থনীতিত এক মুখ্য ভূমিকা গ্ৰহণ কৰি অহা খাৰুৱা তেল, চাহপাত আৰু প্লাইউড,-- এই তিনিওবিধ উদ্যোগৰ ক্ষেত্ৰতে চৰকাৰী আয়ৰ উৎস হিচাপে বহুউৱা বিভিন্ন কৰসমূহ সদায় ৰাজ্য চৰকাৰৰ স্বাৰ্থৰ বিপৰীতেহে নিৰ্ধাৰিত হোৱা যেন পৰিলক্ষিত হৈ আহিছে। ৰাজ্যখনৰ খাৰুৱা তেলসম্পদ সাংবিধানিকভাৱে ঘোষিত সামগ্ৰী (item of declared goods) হিচাপে স্বীকৃত হোৱাৰ পৰিপ্ৰেক্ষিতত, ইয়াৰ ওপৰত ৰাজ্য চৰকাৰে শতকৰা চাৰিভাগতকৈ অধিক মূল্যানুপাতিক বিক্ৰিকৰ বহুৱাব নোৱাৰে। তেনেদৰে, কেন্দ্ৰীয় আয়কৰ সম্বন্ধীয় অধিনিয়ম অনুযায়ী, অসমৰ চাহ বাগানবোৰৰ মুঠ আয়ৰ মাথো শতকৰা ষাঠি ভাগৰ ওপৰতহে ৰাজ্য চৰকাৰক কৃষিজাত আয়কৰ বহুউৱাৰ ক্ষমতা দিয়াৰ ফলতো অসম চৰকাৰ এক বুজন পৰিমাণৰ ৰাজহৰপৰা বঞ্চিত হৈ আহিছে। চাহবাগানবোৰৰ সম্পূৰ্ণ আয়কে কৃষিজাত আয় হিচাপে গণ্য কৰা উচিত বুলি উচ্চতম ন্যায়ালয়ে চূড়ান্ত ৰায় দিয়াৰ পাছতো কেন্দ্ৰীয় চৰকাৰে আজিলৈকে এই বিষয়ে কোনো সংশোধনী



ব্যৱস্থা হাতত নোলোৱাৰ ফলত কৃষিজাত আয়কৰৰ পৰা ৰাজ্য চৰকাৰে পাবলগীয়া মুঠ ৰাজহৰ শতকৰা ছল্লিছ ভাগেই কেন্দ্ৰীয় আয়কৰ হিচাপে গুচি গৈছে ; তাৰপৰা অসমে পোৱা অংশৰ পৰিমাণ তুলনামূলকভাৱে নগণ্য। আনহাতে, প্লাইউডৰ ক্ষেত্ৰত আকৌ ৰাজ্য চৰকাৰৰ কৰ সম্বন্ধীয় অবিবেচকী সিদ্ধান্ত কিছুমানেও এই উদ্যোগৰ সৈতে জড়িত ব্যৱসায়ীসকলৰ নিমিত্তে কৰ ফাঁকি দিয়াৰ পথ সুগম কৰি তুলিছে। প্লাইউড ফেক্টৰিত ব্যৱহৃত হোৱা কাঠৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ক্ৰয়ৰ ওপৰত কৰ বহুউৱাৰ পৰিবৰ্তে বিক্ৰিৰ ওপৰতহে কৰ বহুৱাইছে। ফলত এই কৰৰ বোজা যিহেতু কাঠ বিক্ৰেতাইহে ভৰিব লাগে, গতিকেই কাঠৰ মিলবোৰে ভুৱা তথ্য-পাতিৰে কোনো অস্তিত্ববিহীন লোকৰ নামত, বা অৰুণাচল আদি অইন ৰাজ্যৰ কোনো বাসিন্দাৰ নামত কাঠ বিক্ৰি কৰা দেখুৱাই কোটি-কোটি টকাৰ কৰ ফাঁকি দি আহিছে। ৰাজ্য চৰকাৰে কাঠৰ ক্ৰয়ৰ ওপৰতহে কৰ বহুউৱাহেঁতেন, প্লাইউড ফেক্টৰিবোৰে যাৰ পৰাই কাঠ নিকিনক কিয়, ফেক্টৰিত ব্যৱহৃত আটাইখিনি কাঠৰ নিমিত্তেই কৰ দিবলগীয়া হ'লহেঁতেন। তদুপৰি, কাঠৰ বিক্ৰিৰ ওপৰত লগোৱা কৰ ফাঁকি দিয়া ভুৱা বিক্ৰেতাৰ সংখ্যাৰ তুলনাত প্লাইউড ফেক্টৰিৰ সংখ্যা তেনেই নগণ্য ; গতিকে কাঠৰ ক্ৰয়ৰ ওপৰত বহুউৱা কৰ আদায়ৰ প্ৰক্ৰিয়াটোকো যথেষ্ট পৰিমাণে সুৰুঙা নথকা কৰি তুলিব পৰা গ'লহেঁতেন। তেনেদৰে, আন্তঃৰাজ্যিক সম্ভাৰ হস্তান্তৰকৰণৰ (stock transfer) ওপৰত কোনো কৰৰ নিয়ম নথকাৰ সুযোগ লৈ চাহপাত, প্লাইউড আদি বিভিন্ন বিনিৰ্মিত ব্যৱসায়ৰ সৈতে জড়িত ব্যৱসায়ীয়ে কলিকাতা আদি ঠাইত একোটাকৈ শাখা কাৰ্যালয় খুলি তালৈ সম্ভাৰ হস্তান্তৰ কৰা দেখুৱাই প্ৰতি বছৰে কোটি-কোটি টকাৰ বিক্ৰি কৰৰ পৰা ৰাজ্য চৰকাৰক বঞ্চিত কৰি আহিছে। এই কাৰ্য ৰোধ কৰিবৰ নিমিত্তে আন্তঃৰাজ্যিক সম্ভাৰ হস্তান্তৰৰ ওপৰত চালন কৰ (consignment tax) বহুৱাবলৈ মনস্থ কৰি কেইবাবছৰো আগতেই সংবিধানৰ যথোচিত সংশোধন কৰা হ'ল যদিও, কেন্দ্ৰীয় চৰকাৰে আজিলৈকে এইবিষয়ে কোনো আইন প্ৰণয়ন নকৰিলে। অচিৰেই এই কৰ প্ৰৱৰ্তনৰ নিমিত্তে বিভিন্ন ৰাজ্যৰ লগতে অসম চৰকাৰেও সৰকাৰিয়া আয়োগকে ধৰি বিভিন্ন মহলত সময়ে-সময়ে দাবী তুলি আহিছে। যোৱাবাৰৰ বাজেট অধিবেশনত মুখ্যমন্ত্ৰীয়ে ৰাজ্য বিধান সভাত প্ৰকাশ কৰা মতে, প্ৰস্তাৱিত এই কৰৰ পৰা ৰাজ্য চৰকাৰে প্ৰতি বছৰে প্ৰায় ৩৪ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হ'ব। এইখিনিতে অৱশ্যে এই নিজে উপকৃত হ'ব পৰাকৈ অইন উপায় বিচাৰি সেইমতে কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰিবলৈহে প্ৰচেষ্টা চলোৱা উচিত।

কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সময়ে-সময়ে নিৰ্ধাৰণ কৰা বিভিন্ন কৰ-কাটলৰ উপৰিও, ৰাজ্য চৰকাৰৰ ৰাজহৰ অন্য এক নিৰ্ভৰযোগ্য উৎস হিচাপে পৰিকল্পনাৰ আৰম্ভণিৰ কালছোৱাতে ৰাজহুৱা ধনেৰে উৎপাদনশীল চৰকাৰী প্ৰতিষ্ঠান কিছুমান গঢ়ি তোলা হৈছিল। অসম ৰাজ্যিক পৰিবহন নিগম, বিদ্যুৎ পৰিষদ ইত্যাদি বিভিন্ন ৰাজহুৱা প্ৰতিষ্ঠানসমূহ চৰকাৰী ঋণৰ দ্বাৰা এই উদ্দেশ্যেৰেই গঢ়ি তোলা হৈছিল যে, প্ৰচুৰ সম্ভাৱনাপূৰ্ণ এই প্ৰতিষ্ঠানসমূহে ভৱিষ্যতে নিজস্ব লাভৰ দ্বাৰা আৰম্ভণিৰ ঋণ পৰিশোধ কৰাৰ লগতে

**অসমৰ চাহ বাগানবোৰৰ মুঠ আয়ৰ মাথো শতকৰা ষাঠি ভাগৰ ওপৰতহে ৰাজ্য চৰকাৰক কৃষিজাত আয়কৰ বহুউৱাৰ ক্ষমতা দিয়াৰ ফলতো অসম চৰকাৰ এক বুজন পৰিমাণৰ ৰাজহৰপৰা বঞ্চিত হৈ আহিছে।**

কথাও উন্নুকিয়াই থোৱা ভাল হ'ব যে, বিনিৰ্মিত সামগ্ৰীৰ ক্ষেত্ৰত অসমখন মূলতঃ যিহেতু এখন আমদানিকাৰী ৰাজ্য, গতিকে আন্তঃৰাজ্যিক সম্ভাৰ হস্তান্তৰৰ ওপৰত বহুৱাব খোজা কৰৰ ফলত অসমৰ সৰ্বসাধাৰণ ক্ৰেতাৰ ওপৰত যি অতিৰিক্ত কৰৰ বোজা পৰিব, তাৰ পৰিমাণো কিন্তু ৰাজ্য চৰকাৰৰ প্ৰস্তাৱিত আয়তকৈও অধিক হোৱাৰহে সম্ভাৱনা বেছি। এইবিধ কৰৰ দ্বাৰা প্ৰকৃততে মহাৰাষ্ট্ৰ, গুজৰাট আদি উদ্যোগশালী ৰাজ্যবোৰহে অধিক উপকৃত হ'ব ; আৰু সেয়েহে, অসম চৰকাৰে এতিয়া চাহপাত, প্লাইউড আদি সীমিত উদ্যোগৰ পৰা অধিক ৰাজহ সংগ্ৰহৰ নিমিত্তে আন্তঃৰাজ্যিক সম্ভাৰ হস্তান্তৰকৰণৰ ওপৰত কৰ বহুৱাবলৈ দাবী তোলাৰ পৰিবৰ্তে চৰকাৰী ৰাজকোষলৈকো বৰঙণি আগবঢ়াব। কিন্তু দুখৰ বিষয় এয়ে যে, সময়ত গৈ অকৰ্মণ্যতা আৰু দুৰ্নীতিৰ একো-একোটা প্ৰতীক স্বৰূপ হৈ পৰা এই প্ৰতিটো ৰাজহুৱা প্ৰতিষ্ঠানেই আজি ইমান বছৰৰ পাছতো ৰাজকোষলৈ বৰঙণি আগবঢ়াওক ছাৰি, সীমিত চৰকাৰী ৰাজহৰ অপব্যৱহাৰৰ অন্য এক মাধ্যম ৰূপেহে পৰিগণিত হৈছে। এই সন্দৰ্ভতে আমি প্ৰচুৰ সম্ভাৱনাপূৰ্ণ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বৰ্তমানৰ শোকাবহ পৰিস্থিতিৰ এক পৰ্যালোচনা আগবঢ়াব খুজিছোঁ।

চলিত বিত্তীয় বছৰটোত বিদ্যুৎ পৰিষদৰ বাবে ধাৰ্য কৰা মুঠ পৰিকল্পিত ব্যয় ১২৯'৮৭ কোটি টকাৰ বিপৰীতে পৰিষদৰ নিজস্ব বৰঙণিৰ পৰিমাণ হৈছে (—) '৭১'৪৪ কোটি



OKDISCD

টকা ; অৰ্থাৎ পৰিষদে বাৰ্ষিক পৰিকল্পনালৈ কোনো ধনাত্মক বৰঙণি আগবঢ়োৱাৰ পৰিবৰ্তে নিজস্ব ঘাটি পূৰণৰ নিমিত্তেহে ৰাজ্য চৰকাৰৰ ওচৰত হাত পাতিবলগীয়া অৱস্থা ! প্ৰতি বছৰে এই একে দুৰৱস্থাৰেই পুনৰাবৃত্তি ঘটি অহাৰ কাৰণ হিচাপে পৰিষদে সম্প্ৰতি আগবঢ়োৱা প্ৰধান ব্যাখ্যাবোৰ হৈছে এনে ধৰণৰ :

(১) ভাৰত হেভি ইলেকট্ৰিকেলছে যোগান ধৰা বিভিন্ন আসোঁৱাহযুক্ত যন্ত্ৰপাতিয়ে নামৰূপ আৰু বঙাইগাঁৱত থকা ইউনিটৰ উৎপাদন ব্যাহত কৰাৰ ফলত পৰিষদে সম্প্ৰতি এক বিস্তৰ ক্ষতিৰ বোজা মূৰ পাতি ল'বলগীয়া হৈছে।

(২) গ্ৰাম্য বৈদ্যুতিকৰণৰ পৰিকল্পনাত হোৱা প্ৰচুৰ ব্যয়ৰ বিপৰীতে আনুপাতিক কোনো আয় নোহোৱাৰ ফলত পৰিষদে প্ৰতি বছৰে প্ৰচুৰ লোকচান ভৰিব লগীয়া হৈ আহিছে। গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিয়ে সাঙুৰি লোৱা ভিতৰুৱা অঞ্চলবিলাকত কোনো ঔদ্যোগিক ক্ৰিয়া কৰ্ম নোহোৱাৰ ফলত বিজুলীৰ ব্যৱহাৰ ইমানেই কম যে, গ্ৰাম্যাঞ্চলত বিক্ৰি কৰা প্ৰতিটো ইউনিটৰবাবদ পৰিষদে দুশ পইচাকৈ লোকচান ভৰিবলগীয়া হয় ; আৰু এইদৰেই, অকল গ্ৰাম্য বৈদ্যুতিকৰণ কাৰ্যসূচীৰ নিমিত্তেই পৰিষদে এতিয়ালৈকে ১২০ কোটি টকাতকৈ অধিক ক্ষতিৰ বোজা ল'বলগীয়া হৈছে।

(৩) পৰিষদৰ মুঠ ব্যয়ৰ অধিকাংশই দীৰ্ঘকালীন প্ৰকল্পৰ অন্তৰ্ভুক্ত ; গতিকে সাত-আঠ বছৰলৈকে এনেকুৱা ব্যয়ৰ পৰা কোনো লাভ আশা কৰিব নোৱাৰি ; অথচ, সেই ব্যয়ৰ নিমিত্তে লোৱা ঋণৰ বাবদ কিন্তু আৰম্ভণিৰে পৰাই সুত ভৰিবলগীয়া হোৱা বাবে মূৰকত গৈ পৰিষদে মূলধনৰ পৰাই সুত দিবলগীয়া অৱস্থাত পৰিছে আৰু প্ৰচুৰ লোকচান ভৰিবলগীয়া হৈছে।

পৰিষদৰ দ্বাৰা উল্লিখিত কাৰণ কেইটাৰ গ্ৰহণযোগ্যতা সম্বন্ধে আমি নিঃসন্দেহ ; কিন্তু অইন ৰাজ্যৰ বিদ্যুৎ পৰিষদসমূহো একেবোৰ অসুবিধাৰেই সন্মুখীন হ'বলগীয়া হৈছে ; গতিকে উল্লিখিত অজুহাতবোৰেৰে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে (অৰাবিপ) নিজৰ অকৰ্মণ্যতা আৰু গাফিলতি ঢাকিবলৈ বিচৰা প্ৰবৃত্তিও সমৰ্থনযোগ্য হ'ব নোৱাৰে। অইন নালাগে, কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণৰ এক শেহতীয়া প্ৰতিবেদনত বিভিন্ন ৰাজ্যিক বিদ্যুৎ পৰিষদসমূহৰ কাম-কাজৰ যি এক তুলনামূলক খতিয়ান দাঙি ধৰা হৈছে, তাতেই অৰাবিপৰ বিফলতাৰ চিত্ৰখন স্পষ্ট হৈ উঠিছে। প্ৰাধিকৰণৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, ১৯৮৫-৮৬ চনৰ কালছোৱাত চলিত ব্যয় (operating expenditure) আৰু আয়ৰ অনুপাত হিচাপত অৰাবিপৰ স্থান প্ৰায় একেবাৰে শীৰ্ষত (১৫৭ শতাংশ)। ইয়াৰ বিপৰীতে, এসময়ত ৰাজহুৱা ধন অপচয়ৰ আহি হিচাপে খ্যাত পশ্চিমবংগ বিদ্যুৎ পৰিষদৰে, চলিত ব্যয় আৰু আয়ৰ অনুপাত হৈছে মাত্ৰ ৯৫.৫ শতাংশ। তেনেদৰে, অৰাবিপৰ প্ৰতিষ্ঠান ব্যয়ৰ (establishment expenditure) হিচাপো (প্ৰতি ইউনিটত ২৩.২৭ পইচাকৈ) একমাত্ৰ বিহাৰৰ বাহিৰে অইন ৰাজ্যিক বিদ্যুৎ পৰিষদতকৈ বহুত বেছি। আনহাতে, কেপাছিটি ইউটিলাইজেশ্যনৰ পিনৰ পৰা কিন্তু অৰাবিপ ই প্ৰায় একেবাৰে নিম্নস্থানহে অধিকাৰ কৰিছে। এই পৰিসংখ্যাবোৰে অৰাবিপৰ যি এক দুৰ্ভাগ্যজনক চিত্ৰ দাঙি ধৰিছে, তাৰ কাৰণ হিচাপে এতিয়া আমি বিদ্যুৎ পৰিষদসমূহে সাধাৰণতে সন্মুখীন হৈ অহা অসুবিধাবিলাকৰ পৰিবৰ্তে অৰাবিপৰ নিজস্ব দুৰ্বলতাবোৰকহে দোষী সাব্যস্ত কৰিব লাগিব। প্ৰশাসন আৰু বিত্ত উভয় দিশতে উপযুক্ত কোনো ব্যৱস্থাপনাৰ অভাৱত দক্ষহীনতাৰ আহিস্বৰূপ হৈ পৰা বিদ্যুৎ পৰিষদখনৰ নিমিত্তেই প্ৰতিবছৰে কোটি-কোটি টকাৰ ৰাজহুৱা ধনৰ অপচয় হৈছে। যোৱা বিত্তীয় বছৰটোত মুঠ ৭৯.৫৭ কোটি টকা খৰচৰ বিপৰীতে পৰিষদে মাত্ৰ ৬২.১৯ কোটি টকাৰহে ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। তেনেদৰে, পৰিষদৰ কোনো সুনিৰ্দিষ্ট নিয়োগ-নীতি নথকাৰ সুযোগ লৈ ৰাজনৈতিক নেতাসকলেও অনুষ্ঠানটোক চাকৰিৰ উৎস হিচাপেহে গ্ৰহণ কৰিবলৈ লোৱাৰ ফলত পৰিষদে সম্পূৰ্ণ অনাৱশ্যকীয় বিষয়া কৰ্মচাৰী কিছুমানৰ অতিৰিক্ত বোজা অবাবতে বহন কৰি আহিবলগীয়া হৈছে। পৰিষদৰ এচাম বিষয়া কৰ্মচাৰীৰ আশীৰ্বাদত অসাধু ব্যৱসায়ী আৰু প্ৰতিষ্ঠানসমূহে নানান কৌশলেৰে কোনো আদেয়ক (বিল) পৰিশোধ নকৰাকৈয়ে বিজুলী শক্তি ব্যৱহাৰ কৰি অৰাবিপক লাখ-লাখ টকাৰ ৰাজহৰ পৰা বঞ্চিত কৰি অহা কাৰ্যও আজিকালি সাধাৰণ ঘটনাত পৰিণত হৈছেগৈ। এনেকুৱা এক হতাশজনক পৰিস্থিতিত বিধান সভাৰ অধ্যক্ষই আজি কিছুদিন আগতে নিজৰ ৰবীয়াকৈয়ে বিদ্যুৎ পৰিষদৰ কাম-কাজৰ তদন্ত কৰিবৰ নিমিত্তে এখন কমিটি গঠন কৰিবলৈ লোৱা সিদ্ধান্তই জনসাধাৰণৰ আদৰ পাইছে।

নিজৰ আয়ৰ উৎসসমূহৰ পৰা যথোপযুক্ত ৰাজহ সংগ্ৰহ কৰিবলৈ ব্যৰ্থ হোৱা ৰাজ্য চৰকাৰে উপযুক্ত দৰাদৰি ক্ষমতাৰ অভাৱত কেন্দ্ৰীয় আয়ৰ প্ৰাপ্য অংশৰ ক্ষেত্ৰতো নতুন দিল্লীৰপৰা সদায় এলাগী ব্যৱহাৰ পাই আহিবলগীয়া হৈছে। ৰাজ্যখনত উদ্যোগ বুলিবলৈ থকা কেৱল চাহপাত, খাৰুৱা তেল আৰু প্লাইউড— এই তিনিও বিধ সামগ্ৰীৰ পৰা আদায় হোৱা কৰৰ ক্ষেত্ৰত অসম চৰকাৰতকৈ কেন্দ্ৰীয় চৰকাৰ আৰু চুবুৰীয়া ৰাজ্য পশ্চিমবংগহে সদায় অধিক উপকৃত হৈ আহিছে। নতুন দিল্লীয়ে সিংহভাগ লৈ যোৱা এই তিনিবিধ উৎসৰ বাহিৰে ৰাজহ সংগ্ৰহৰ অইন কোনো স্থিতিস্থাপক উৎস নথকাৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে কেন্দ্ৰীয় সাহায্যৰ ক্ষেত্ৰত যি বিশেষ ব্যৱহাৰ পাব লাগিছিল, তাৰ পৰাও বঞ্চিত হৈ আহিছে। কেন্দ্ৰীয় চৰকাৰে ধাৰ্য কৰা অসমৰ জনমূৰি পৰিকল্পনা



ব্যয়ৰ পৰিমাণ ৰাষ্ট্ৰীয় গড় হিচাপতকৈ সদায় কম বুলি পৰিকল্পনা আয়োগে সময়ে-সময়ে প্ৰকাশ কৰা পৰিসংখ্যাসমূহৰ পৰাই প্ৰমাণ হৈ আহিছে। আনহাতে, উত্তৰ পূৰ্বাঞ্চলৰ অইন ৰাজ্য কেইখনে পোৱা কেন্দ্ৰীয় সাহায্যৰ ক্ষেত্ৰত শতকৰা ৯০ ভাগ গ্ৰাণ্ট আৰু দহভাগ ঋণ হিচাপে দিয়া হয়, কিন্তু অসমৰ ক্ষেত্ৰত কেন্দ্ৰীয় সাহায্যৰ শতকৰা ৩০ ভাগহে গ্ৰাণ্ট আৰু ৭০ ভাগহে ঋণ হিচাপে ধাৰ্য কৰা হয়। ইয়াৰ ফলত ৰাজ্য চৰকাৰৰ বাৰ্ষিক ঋণৰ বোজা ইমানেই বেছি হৈ পৰে যে, বিত্তীয় আয়োগে প্ৰদান কৰা বাৰ্ষিক ৰাজহখিনি সম্পূৰ্ণৰূপে ঋণ পৰিশোধতেই ব্যয় হৈ যায়। উদাহৰণ স্বৰূপে, চলিত বিত্তীয় বছৰত বিত্তীয় আয়োগে হস্তান্তৰ কৰা মুঠ ৰাজহ ৩২৫ কোটি টকাৰ বিপৰীতে, এই বছৰতে ৰাজ্য চৰকাৰে পৰিশোধ কৰিবলগীয়া বিভিন্ন ঋণৰ বোজাৰ পৰিমাণ হৈছেগৈ প্ৰায় ৩৩০ কোটি টকা। অইন নালাগে, ব্ৰহ্মপুত্ৰ উপত্যকাৰ বান নিয়ন্ত্ৰণৰ নিমিত্তে আগবঢ়োৱা কেন্দ্ৰীয় সাহায্যৰো শতকৰা এশ ভাগেই ঋণ হিচাপেহে দিয়াৰ পৰিপ্ৰেক্ষিতত উপযুক্ত আয়ৰ কোনো উৎস নথকা ৰাজ্য চৰকাৰৰ ঋণৰ বোজা ক্ৰমান্বয়ে বাঢ়িহে যাব লাগিছে। যোৱা মাৰ্চ মাহত এই বোজাৰ মুঠ পৰিমাণ আছিল প্ৰায় ২০৭৮.৭৮ কোটি টকা। এনেকুৱা এক পৰিস্থিতিত ৰাজ্য চৰকাৰে উপযুক্ত মহলত জনমত গঠন কৰি কেন্দ্ৰীয় সাহায্যত গ্ৰাণ্টৰ পৰিমাণ বৃদ্ধিৰ নিমিত্তে নতুন দিল্লীক বাধ্য কৰিব নোৱাৰিলে ক্ৰমবৰ্ধমান ঋণৰ বোজাই অচিৰেই ৰাজ্যখনৰ সকলো উন্নয়নমূলক আঁচনিকে গ্ৰাস কৰি পেলোৱাৰ সম্ভাৱনাই বেছি।

### চাৰি

পৰিকল্পনা আয়োগে প্ৰতি বছৰে ডিচেম্বৰ-জানুৱাৰী মাহৰ সময়ছোৱাতে আগন্তুক বিত্তীয় বছৰটোত ৰাজ্যসমূহৰ বাৰ্ষিক পৰিকল্পনাৰ অনুদান ধাৰ্য কৰিবৰ নিমিত্তে 'প্ৰতিখন ৰাজ্যৰে সংশ্লিষ্ট মন্ত্ৰী-বিষয়াৰ সৈতে নতুন দিল্লীত বিস্তৃত আলোচনা চলায় ; আৰু এই আলোচনাৰ ভিত্তিতেই, জানুৱাৰী মাহৰ মাজভাগত প্ৰতিখন ৰাজ্যৰ বাবে নতুন বিত্তীয় বছৰত বিভিন্ন বিভাগত ধাৰ্য কৰা অনুদান আৰু ব্যয়ৰ পৰিমাণ জনাই দিয়া হয়। "প্লেন ডিছকাছন"ৰ পৰা উভতি অহাৰ পাছতেই কৰ্ণাটক আদি ৰাজ্যত বিভাগীয় মুৰব্বীসকলে নিজ-নিজ বিভাগৰ বাবে ধাৰ্য কৰা অনুদান অনুযায়ী নতুন বছৰৰ বাবে সম্ভৱপৰ আঁচনি তৈয়াৰৰ কামত লাগি যায় ; আৰু এইদৰে তৈয়াৰ কৰা আঁচনিবোৰ ফেব্ৰুৱাৰী মাহৰ শেষ ভাগতেই পৰিকল্পনা বিভাগৰ পৰীক্ষা আৰু বিত্ত বিভাগৰ মঞ্জুৰীৰ নিমিত্তে পঠিয়াই দিয়া হয়, যাতে সৰহভাগ আঁচনিৰ ক্ষেত্ৰতেই পৰীক্ষা আৰু মঞ্জুৰীৰ সমস্ত প্ৰক্ৰিয়াটো মাৰ্চ মাহতেই সম্পূৰ্ণ কৰি এপ্ৰিল মাহৰপৰা নতুন বিত্তীয় বছৰৰ আৰম্ভণিৰ লগে লগে আঁচনিসমূহ ৰূপায়ণৰ কামো হাতত ল'ব পৰা যায়। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন দপ্তৰসমূহৰ ক্ষেত্ৰতো সেইদৰে নতুন বিত্তীয় বছৰত ল'বলগীয়া আঁচনিসমূহৰ পৰীক্ষা আৰু মঞ্জুৰী মে' মাহৰ ভিতৰতে সম্পূৰ্ণ কৰাৰ অলিখিত নিয়ম চলি আহিছে। ইয়াৰ বিপৰীতে, অসমৰ ক্ষেত্ৰত কিন্তু "প্লেন ডিছকাছন"ৰ পৰা উভতি অহাৰ পাছত এপ্ৰিল মাহলৈকে আগন্তুক বিত্তীয় বছৰৰ নিমিত্তে কোনো ধৰণৰ প্ৰস্তুতিয়েই চলোৱা নহয়। আমাৰ ইয়াত প্ৰতিটো বিত্তীয় বছৰৰ শতকৰা সত্তৰ ভাগ কাম-কাজেই ফেব্ৰুৱাৰী-মাৰ্চ মাহতহে হুৰমুৰকৈ কৰাৰ পৰম্পৰা চলি আহিছে ; গতিকে এইখিনি সময়ত বিভাগীয় বিষয়া-কৰ্মচাৰীসকলে নতুন বছৰৰ কথা ভাবিবলৈ আহৰি নোপোৱাটোৱেই স্বাভাৱিক। এপ্ৰিল মাহৰ মাজভাগমানতে ৩১ মাৰ্চৰ কাম-কাজবোৰ অঁতাই উঠাৰ পাছতহে আমাৰ বিভিন্ন চৰকাৰী দপ্তৰসমূহে নতুন বিত্তীয় বছৰৰ বাবে আঁচনি তৈয়াৰৰ কাম আৰম্ভ কৰে ; আৰু এইদৰে তৈয়াৰ কৰা আঁচনিখন মে' মাহত বিভাগীয় সচিবৰ প্ৰশাসনীয় অনুমোদনৰ বাবে সচিবালয়লৈ পঠিওৱা হয়। সচিবালয়লৈ পঠিওৱাৰ পাছত, ফাইলটো বিভাগীয় সচিবৰ মেজ পাওঁতেই কেতিয়াবা এমাহ সময় লাগি যায় ; তাতকৈ বেছি পলম হ'লে, দিহপুৰলৈ বিষয়া পঠিয়াই টেখনৰ পাছত সিখন মেজত বিচাৰ খোচাৰ কৰি ফাইলৰ শুংসূত্ৰ উলিয়াবলগীয়া অৱস্থাও হয়। জুলাই মাহত বিভাগীয় সচিবৰ অনুমোদন সহ আঁচনিখন প্ৰথমতে পৰিকল্পনা বিভাগ আৰু পাছত বিত্ত বিভাগলৈ পঠিওৱা হয়। দুয়োটা বিভাগৰে আপত্তি একো নাথাকিলে আগষ্ট/ছেপ্টেম্বৰ মাহত আঁচনিখন মঞ্জুৰী প্ৰাপ্ত হৈ কাৰ্যকৰীকৰণৰ নিমিত্তে সংশ্লিষ্ট বিভাগলৈ ঘূৰি আহে। আৰু এইদৰেই, গোটেই বিত্তীয় বছৰটোৰ আধাখিনি সময় আঁচনি তৈয়াৰ আৰু মঞ্জুৰী পাওঁতেই অতিবাহিত হৈ যায় ; ফলস্বৰূপে, পাছৰ ছমাহত কোনো সময় সূচী নোহোৱাকৈয়ে হুৰমুৰকৈ কাম-কাজবোৰ সমাপ্ত কৰিবলগীয়া অৱস্থা হয়গৈ। কৃষি বিভাগে আহু-ধানৰ খেতিৰ নিমিত্তে লোৱা আঁচনিও কেতিয়াবা আগষ্ট মাহতহে মঞ্জুৰীপ্ৰাপ্ত হৈ আহে। তেতিয়ালৈ আঁচনিখনৰ

*বহু বিষয়া-কৰ্মচাৰীয়েই আজিকালি নিজ দায়িত্ব পালনৰ সময়ছোৱাত কেনেবাকৈ চৰকাৰী ধন ব্যয়ৰ প্ৰক্ৰিয়াটোৰ সান্নিধ্যলৈ আহিব পৰাটোকে পৰম সৌভাগ্য বুলি গণ্য কৰে।*



OKDISCD

কোনো মূল্যই নথকাৰ ফলত, তাৰ বিপৰীতে ধাৰ্য হোৱা ধনখিনি অপব্যৱহাৰ বা আত্মসাৎ কৰাৰ বাহিৰে অইন পথ আৰু নাথাকেগৈ। যিহেতু ছুৰমূৰকৈ কৰিবলগীয়া হোৱা কামৰ ক্ষেত্ৰত কোনো পৰিকল্পনা সম্ভৱ নহয়, আৰু যিহেতু পৰিকল্পনা যিমানেই কম হয়, সিমানেই চৰকাৰী ধন অপচয়ৰ সুৰুঙা বৃদ্ধি পায়, গতিকেই আমাৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত বছৰৰ শেষলৈ কাম পেলাই থোৱাৰ এক প্ৰৱণতাই গা কৰি উঠাটো পৰিলক্ষিত হৈছে। ৩১ মাৰ্চ বুলিলেই যি এক অবাঞ্চনীয় পৰিস্থিতিৰ ভাব আমাৰ মনলৈ আহে, তাৰ বুনিয়াদ প্ৰকৃততে বিত্তীয় বছৰটোৰ প্ৰথম দিনৰে পৰাই একেবাৰে নিম্নস্তৰৰ কৰ্মচাৰীজনৰ পৰা আৰম্ভ কৰি উচ্চতম বিষয়াজনলৈকে সকলোৰে সহযোগত পৰ্যায়ক্ৰমে গঢ়ি তোলা হয়, —আৰু সেই অশুভ পৰিৱেশৰ আশীৰ্বাদো তেনেদৰেই একাদিক্ৰমে নিম্নতম পৰ্যায়লৈকে প্ৰবাহিত হয়। গড়কাপ্তানি আদি বিভাগত আকৌ কেতিয়াবা সংমণ্ডল বিষয়া আদিৰ পৰ্যায়ত খৰচ কৰিব লগীয়া পৰিকল্পিত অনুদানখিনি (উদ্দেশ্যপ্ৰণোদিতভাৱে?) বছৰৰ শেষ ভাগতহে "ৰিলিজ" কৰা হয়। মূৰামুৰি সময়ত খৰচ কৰিব লগীয়া হোৱা এই ধনৰ পৰিমাণো আনকি কেতিয়াবা সংশ্লিষ্ট বিষয়াজনক আগতীয়াকৈ জনোৱা নহয়। আনহাতে, এবাৰ "ৰিলিজ" হোৱা ধন খৰচ নোহোৱাকৈ উভতি যোৱা ঘটনাই সংশ্লিষ্ট বিষয়া গৰাকীৰ অকৰ্মণ্যতাকহে সূচাব; গতিকেই দুৰ্নীতিত অভ্যস্ত নোহোৱা বিষয়া এজনেও আনকি ভুৱা আঁচনি আৰু বিলৰ সহায়ত টকাখিনি খৰচ হোৱা বুলি দেখুৱাবলৈ বাধ্য হয়। তেনেদৰে, ডিচেম্বৰ-জানুৱাৰী মাহত বিধান সভাৰ অনুমোদনক্ৰমে বিভিন্ন আঁচনি আৰু বিভাগৰ মাজত পূৰ্ব অনুমোদিত ধনৰ পুনৰ বণ্টন হোৱাৰ ফলত যিবিলাক নতুন নতুন আঁচনি হাতত ল'ব লগীয়া হয়, সেইবোৰ আঁচনিও বিভাগীয় গাফিলতিৰ ফলত মঞ্জুৰীপ্ৰাপ্ত হৈ উভতি আহোঁতে মাৰ্চ মাহ পায়গৈ। আৰু এনেকৈয়ে, গোটেই বিত্তীয় বছৰটোৰ কাম-কাজবিলাক পিছুৱাই গৈ থাকি মাৰ্চ মাহত সকলো বিভাগতে এক অৰাজক অৱস্থাৰ সৃষ্টি হয়; বিভাগীয় খৰচ-পাতিৰ কৈফিয়ৎ লোৱা আৰু দিয়াৰ আহৰি কাৰো নাথাকেগৈ। আকৌ বিভাগীয় মন্ত্ৰীসকলেও গোটেই বছৰটো নিৰ্লিপ্ত হৈ থাকি শেষ মুহূৰ্তত, পৰিকল্পনাৰ ধন উভতি যোৱাটোক মৰ্যাদাৰ প্ৰশ্ন হিচাপে লৈ বিভাগীয় অনুদানৰ কোনো ধন যাতে খৰচ নোহোৱাকৈ পৰি নাথাকে, সেইটো নিশ্চিত কৰাৰ নিমিত্তে বিষয়াসকলক তাগিদা দিবলৈ আৰম্ভ কৰে। সংশ্লিষ্ট বিষয়াসকলেও মন্ত্ৰীৰ সেই নিৰ্দেশৰ অজুহাততে অসাধু ঠিকাদাৰ-ব্যৱসায়ীৰ সহযোগত ভুৱা আঁচনি আৰু বিলৰ জৰিয়তে কোনো দ্বিধা নোহোৱাকৈয়ে জধে-মধে পৰিকল্পনাৰ ধন খৰচ কৰিবলৈ আৰম্ভ কৰে। কেতিয়াবা আকৌ এনেকৈয়ো খৰচ কৰি শেষ কৰিব নোৱৰা ধনখিনিৰে ৩১ মাৰ্চৰ দিনা ঠিকাদাৰৰ নামত ড্ৰাফট কিনি থৈ দুৰ্নীতিৰ অন্য এক অধ্যায়ৰ পাতনি মেলা হয়। কিছুমান বিভাগে আকৌ গোটেই বিত্তীয় বছৰটোতে কোনো কাম নকৰাকৈ পেলাই থোৱা ধনখিনি ৩১ মাৰ্চৰ দিনা পৰিকল্পনা বিভাগক নজনোৱাকৈয়ে পুনৰ বণ্টন কৰি বিভাগীয় নিগম আৰু প্ৰতিষ্ঠানৰ নামত বেংকত জমা কৰি থৈ দিয়ে; আৰু এইদৰেই, বিভাগীয় গাফিলতিৰ ফলতেই প্ৰতিবছৰে সৰ্বসাধাৰণ ৰাইজৰ কল্যাণাৰ্থে লোৱা আঁচনিসমূহত ব্যৱহাৰ হ'ব লগীয়া কোটি-কোটি টকা বেংকত অবাবতে পৰি ৰৈছে। কোনো কোনো প্ৰতিষ্ঠানে আনকি এইদৰে জমা কৰি থোৱা ধনৰ পৰা পোৱা সুদৰ ওপৰতো প্ৰতিবছৰে লাখ-লাখ টকাৰ আয়কৰ ভৰিবলৈ বাধ্য হৈছে। এপিনে আমি নতুন দিল্লীৰ পৰা পোৱা ধনৰ পৰিমাণ বৃদ্ধিৰ নিমিত্তে বিভিন্ন মহলত জনমত গঠন কৰিবলৈ উঠি পৰি লাগিছোঁ, আৰু আনপিনে আকৌ, সময়মতে সেই ধন ব্যৱহাৰ কৰিব নোৱাৰি পৰিকল্পনাৰ প্ৰক্ৰিয়াটোৰ পৰা উলিয়াই আনি তাক অবাবতে পেলাই ৰাখি ৰাষ্ট্ৰীয় পৰিকল্পনা আয়োগৰ সীমিত সম্বলৰ অপব্যৱহাৰহে নিশ্চিত কৰিছোঁ।

চৰকাৰী ধন অপব্যৱহাৰৰ বিষয়টো যে কেৱল ৩১ মাৰ্চৰ অৰাজকতাৰ সৈতেহে জড়িত, সেইটোও কিন্তু নহয়। বছৰটোৰ সকলো সময়তে হোৱা যিকোনো পৰিমাণৰ চৰকাৰী ব্যয়ৰ ক্ষেত্ৰতেই দৰাচলতে এক বুজন অংশৰ আত্মসাৎ বা অপচয় আজিকালি প্ৰায় নিয়মতে পৰিণত হৈছেগৈ। আমাৰ সমাজত ক্ৰমান্বয়ে প্ৰকট হৈ পৰা বস্তুবাদী মূল্যবোধ আৰু উপভোগ্য সামগ্ৰীৰ ক্ৰমবৰ্ধমান পয়োভৰৰ প্ৰভাৱত, সীমিত আয়েৰে স্বকীয় সামাজিক মৰ্যাদাৰ সৈতে যুঁজিবলগীয়া হোৱা চৰকাৰী চাকৰিয়ালৰ বহুতৰে নৈতিক মূল্যবোধৰ এনেদৰে স্খলন ঘটিবলৈ আৰম্ভ কৰিছে যে, প্ৰশাসনৰ প্ৰতিটো স্তৰতেই এতিয়া দুৰ্নীতিৰ গ্ৰহণীয়তা প্ৰায় সৰ্বজন স্বীকৃত হৈ পৰিছে। বহু বিষয়া-কৰ্মচাৰীয়েই আজিকালি নিজ দায়িত্ব পালনৰ সময়ছোৱাত কেনেবাকৈ চৰকাৰী ধন ব্যয়ৰ প্ৰক্ৰিয়াটোৰ সান্নিধ্যলৈ আহিব পৰাটোকে পৰম সৌভাগ্য বুলি গণ্য কৰে; আৰু এবাৰ কেনেবাকৈ সেই সৌভাগ্যৰ অধিকাৰী হ'ব পাৰিলেই এওঁলোকে পোনছাটেই সেই ধন অপব্যৱহাৰৰ সুৰুঙা বিচৰাত ব্যস্ত হৈ পৰে। আঁচনি প্ৰস্তুত কৰাৰ পৰা আৰম্ভ কৰি বিল পৰিশোধ কৰালৈকে, পৰিকল্পনাৰ প্ৰতিটো স্তৰতেই দুৰ্নীতিয়ে এনেদৰে শিপাব ধৰিছে যে, চৰকাৰী ধন অপব্যৱহাৰৰ সমস্ত প্ৰক্ৰিয়াটো আজিকালি আৰু প্ৰায় "স্বয়ংক্ৰিয়" যেনেই হৈ পৰিছে। পৰিকল্পনা বিভাগৰ পৰা কোনো আঁচনিৰ নিমিত্তে অনুদান পোৱাৰ পাছত, আঁচনিখন প্ৰস্তুত কৰাৰ সময়তেই বিভিন্ন অসৎ উপায়েৰে প্ৰস্তাৱিত ব্যয়ৰ হিচাপ অস্বাভাৱিক ধৰণে বেছিকৈ দেখুউৱা হয়।



এইদৰে দিয়া হিচাপবোৰৰ পৰীক্ষাৰ দায়িত্বত থকা সকলৰ ভালেমান লোক নিজেও যিহেতু দুৰ্নীতিৰ এই প্ৰক্ৰিয়াটোৰেই অনুগ্ৰহ প্ৰাৰ্থী, গতিকে এনেকুৱা অস্বাভাৱিক হিচাপবোৰৰ অনুমোদনৰ ক্ষেত্ৰতো কোনো অসুবিধাই নহয়। নিবিদা আহ্বানৰ সময়তো নানান অজুহাতত কম সময়ৰ ভিতৰত জাননী দিয়া, বা নিজৰ মাজতে কেইবাটাও ভুৱা প্ৰতিষ্ঠানৰ নামত নিবিদা গ্ৰহণ কৰি তাৰ ভিতৰত সৰ্বনিম্ন ক'টেশ্যন পোৱাৰ অজুহাতত বিশেষ আবেদনকাৰীৰ সপক্ষে ৰায় দিয়া, ইত্যাদি বিভিন্ন কৌশলৰ দুৰ্নীতি চলে। কেতিয়াবা আকৌ ইচ্ছাকৃতভাৱে কিছুমান কাম মূল এষ্টিমেটৰ অন্তৰ্ভুক্ত নকৰি পাছত সেইবোৰ "ছাপ্লিমেণ্টেৰি আইটেম" হিচাপেহে আঁচনিৰ অন্তৰ্ভুক্ত কৰা হয়। এনে কৰাৰ একমাত্ৰ কাৰণ এয়ে যে, ছাপ্লিমেণ্টেৰি আইটেমৰ ভিতৰত পৰা সামগ্ৰীবোৰ কিনাৰ ক্ষেত্ৰত নিম্নতম মূল্য গ্ৰহণৰ নিয়ম প্ৰযোজ্য হোৱাৰ পৰিবৰ্তে ঠিকাদাৰে নিজে উদ্ধৃতি দিয়া বজাৰৰ মূল্যকেই গ্ৰহণ কৰা হয়। এবাৰ কাম আৰম্ভ হোৱাৰ পাছত, তদাৰকীৰ দায়িত্বত থকা বিষয়া-কৰ্মচাৰীকিছুমানৰো যিহেতু একেই প্ৰত্যাশা গতিকে আঁচনিখনৰ নিমিত্তে ধাৰ্য হোৱা ধন ব্যৱহাৰৰ পৰ্যায়তো দুৰ্নীতিৰ কোনো সীমা নোহোৱাৰ দৰে হয়গৈ। তেনেদৰে, বিলৰ ধন পৰিশোধৰ ক্ষেত্ৰতো, প্ৰায়বোৰ বিভাগতে চে'ক দিয়াৰ নিয়ম নথকাৰ ফলত এই পৰ্যায়ত চলা দুৰ্নীতিৰো কোনো হিচাপ নোহোৱা হৈছে। এইদৰে পৰিকল্পনাৰ প্ৰতিটো পৰ্যায়তে হোৱা অপচয় আৰু দুৰ্নীতিৰ প্ৰকোপত বিভিন্ন উন্নয়নমূলক আঁচনি কেনেকৈ ক্ষতিগ্ৰস্ত হৈছে, সেইবোৰ কথা চিন্তা কৰাৰ আহৰি যেন কাৰো নাই।

চৰকাৰী পৰিকল্পনাৰ ধন ব্যৱহাৰৰ ক্ষেত্ৰত অপচয় ৰোধ কৰিবৰ নিমিত্তে পৰিকল্পনাৰ সমস্ত প্ৰক্ৰিয়াটোৰে নিয়মীয়া মূল্যায়নৰ প্ৰয়োজনীয়তাৰ ওপৰত আৰম্ভণিৰে পৰাই গুৰুত্ব দি অহা হৈছে যদিও, এই সম্বন্ধীয় সকলো দিহা-পৰামৰ্শ আজিলৈকে সদায় কাকতে আবদ্ধ হৈ আছে। ৰাজ্যিক পৰিকল্পনাৰ অন্তৰ্ভুক্ত আঁচনিবোৰৰ উপযুক্ত তদাৰকীৰ নিমিত্তে ৰাজ্য চৰকাৰে ১৯৭৬ চনতে সুকীয়াকৈ স্থাপন কৰা মূল্যায়ণ আৰু নিৰ্দেশনা শাখাটোৱেও যোৱা দহ বছৰে ৰাজ্যিক পৰিকল্পনাৰ নামত ব্যয় হোৱা ধনৰ অপচয় ৰোধ কৰাৰ ক্ষেত্ৰত কোনো ভূমিকাই ল'ব নোৱাৰিলে। ৰাজ্য চৰকাৰৰ নিৰ্দেশ অনুযায়ী সকলো চৰকাৰী বিভাগেই প্ৰতি তিনিমাহৰ মূৰে-মূৰে সুনিৰ্দিষ্ট প্ৰপত্ৰত বিভাগীয় পৰিকল্পনাৰ অন্তৰ্ভুক্ত বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ আভাস প্ৰতিবেদন আকাৰে মূল্যায়ণ শাখাৰ ওচৰত দাখিল কৰাৰ নিয়ম আছে; কিন্তু তাৰ পাছত এই প্ৰতিবেদনবিলাক যথোপযুক্তভাৱে পৰীক্ষা কৰি, ত্ৰুটি-বিচ্যুতিবোৰ বিচাৰি উলিয়াই, সেইমতে সংশ্লিষ্ট বিভাগৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ লেখীয়া কোনো নিয়ম নাই; ফলত, বিভাগীয় ব্যয়ৰ তদাৰকীৰ নামত সম্পূৰ্ণ অৰ্থহীন প্ৰক্ৰিয়া এটাহে ইমান দিন ধৰি বৰ্তি থকাৰ নিচিনা হৈছে। আনহাতে, মূল্যায়ন আৰু নিৰ্দেশনা শাখাই কোনো বিভাগীয় আঁচনিৰ ৰূপায়ণ সম্বন্ধে খুতি-নাতি অধ্যয়ন কৰি দাখিল কৰা প্ৰতিবেদনবোৰ সংশ্লিষ্ট বিভাগৰ উপস্থিতিত "ৰাজ্যিক পৰিকল্পনা মূল্যায়ন পৰিষদে" বিস্তৃতভাৱে পৰ্যালোচনা কৰাৰ নিয়ম যদিও, আজি বহুবছৰ ধৰি এই পৰিষদখনেই নিষ্ক্ৰিয় হৈ পৰি আছিল। তদুপৰি, পৰিকল্পনাৰ অন্তৰ্ভুক্ত আঁচনিবোৰৰ মূল্যায়ন সদায় কেৱল বিত্তীয় লক্ষ্য পূৰণৰ প্ৰশ্নটোৰ দ্বাৰাহে নিৰূপিত হৈ অহাৰ পৰম্পৰাই প্ৰকৃততে আওপাকেদি, সময়মতে বিত্তীয় লক্ষ্য পূৰণৰ নামত হোৱা চৰকাৰী ধন অপচয়ৰ যুক্তিযুক্ততাহে সাব্যস্ত কৰাৰ লেখীয়া হৈছেগৈ। এই আটাইবোৰ ত্ৰুটি দূৰ কৰি, ৰাজ্যখনত পৰিকল্পনাৰ শিতানত ব্যয় হোৱা সমস্ত ধনৰ সুব্যৱহাৰ নিশ্চিত কৰিবৰ নিমিত্তে গণ পৰিষদ চৰকাৰে সম্প্ৰতি কিছুমান নতুন-নতুন ব্যৱস্থা হাতত লৈছে;— ৰাজ্য চৰকাৰৰ প্ৰতিটো বিভাগৰে কাম-কাজৰ ক্ষেত্ৰত মাহেকীয়া মূল্যায়নৰ নিয়ম প্ৰবৰ্তন কৰা হৈছে; তেনেদৰে, আঁচনিসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত কেৱল বিত্তীয় লক্ষ্য পূৰণৰ তাগিদাতে সন্তুষ্ট নাথাকি প্ৰতিটো বিভাগৰ পৰাই পাঁচখনকৈ আঁচনি নিৰ্বাচন কৰি সেইবিলাকৰ বাস্তৱ ৰূপায়ণৰো পৰ্যালোচনাৰ সিদ্ধান্ত লোৱা হৈছে। কিন্তু ইমান দিনে পৰিকল্পনাহীনতাৰ দ্বাৰাহে উপকৃত হৈ অহা বিভিন্ন চৰকাৰী বিভাগবোৰে মূল্যায়ন আৰু নিৰ্দেশনা শাখাৰ ভূমিকাৰ প্ৰতি সদায় এক ঋণাত্মক মনোবৃত্তিহে লৈ অহাৰ পৰিপ্ৰেক্ষিতত, এনেকুৱা সংস্কাৰবিলাকৰ ক্ষেত্ৰতো এওঁলোকৰ সহযোগিতা বা সদিচ্ছাৰ স্বাভাৱিক অভাৱ পৰিলক্ষিত হৈছে। ৰাজ্য চৰকাৰে এতিয়া অতিৰিক্ত ক্ষমতা আৰু জনশক্তিৰে মূল্যায়ন শাখাটোক শক্তিশালী কৰি তোলাৰ লগতে, নতুন ব্যৱস্থাৰ জৰিয়তে ধৰা পেলোৱা ত্ৰুটি-বিচ্যুতিবোৰৰ নিমিত্তে সংশ্লিষ্ট বিভাগৰ বিৰুদ্ধে উপযুক্ত শাস্তিৰ দিহা নকৰিলে এই আটাইবোৰ নতুন নিয়ম-কানুনো

**প্ৰচাৰ মাধ্যমৰ জৰিয়তে সৰ্বসাধাৰণ ৰাইজক জনোৱাৰ ব্যৱস্থা কৰিলে ৰাইজেও নিজৰ অঞ্চলৰ বাবে ক'ত কিমান ধনৰ প্ৰস্তাৱ আছে, সেই কথা জানি লৈ এইখিনি ধনৰ ব্যৱহাৰৰ ওপৰত চকু ৰাখিব পাৰে।**

মুৰকত গৈ আগৰ দৰেই কেৱল কাকততেই আবদ্ধ হৈ থাকি যাব। আঁচনি তৈয়াৰ আৰু পৰীক্ষাৰ কামতে বিত্তীয় বছৰটোৰ আধা সময় নষ্ট কৰাৰ যি অশুভ পৰম্পৰা ইমান দিন ধৰি ৰাজ্যখনত চলি আহিছে, তাৰ বিৰুদ্ধে ব্যৱস্থা ল'বৰ নিমিত্তে পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ আয়ুক্তই যোৱা ২৪ ফেব্ৰুৱাৰী তাৰিখে সকলো বিভাগলৈ দিয়া এক জাননী যোগে (জাননী নং পি. ডি. পি/১৪/৮৭/২৭) বিভাগীয় কমিটিসমূহৰ ওপৰত অৰ্পণ কৰা বিস্তৃত ক্ষমতাৰ ব্যৱহাৰেৰে নতুন বিত্তীয় বছৰৰ আঁচনিসমূহ তৈয়াৰ আৰু পৰীক্ষাৰ কাম মে' মাহৰ ভিতৰতে সমাপ্ত কৰিবলৈ আহ্বান জনাইছিল; কিন্তু উপযুক্ত তদাৰকীৰ অভাৱত এইবছৰো কেইবাটাও বিভাগতেই আঁচনি তৈয়াৰ আৰু পৰীক্ষাৰ কাম আগষ্ট মাহলৈকে চলি থাকিল। তেনেদৰে, সুনিশ্চিত পৰিকল্পনাৰ নিমিত্তে মূল কৰ্মক্ষেত্ৰৰ পৰা বিভাগীয় সিদ্ধান্ত গ্ৰহণৰ পৰ্যায়লৈকে যি নিয়মীয়া তথ্য প্ৰবাহৰ প্ৰয়োজন, আমাৰ ৰাজ্যত সেই তথ্য প্ৰবাহৰ প্ৰক্ৰিয়াটোও সুসংগঠিত নোহোৱাৰ ফলত আঁচনিসমূহৰ যথাৰ্থ মূল্যায়নত ব্যাঘাত জন্মি আহিছে। তথ্য প্ৰবাহৰ প্ৰক্ৰিয়াটো সুপৰিকল্পিত কৰিবৰ নিমিত্তে কৰ্ণাটক চৰকাৰে কিছুমান প্ৰশংসনীয় ব্যৱস্থা গ্ৰহণ কৰি আহিছে। সেই ৰাজ্যত প্ৰচলিত নিয়ম অনুযায়ী, প্ৰতিমাহৰ পাঁচ তাৰিখে জনপ্ৰতিনিধিৰ উপস্থিতিত তালুক পৰ্যায়ৰ আলোচনাত সংশ্লিষ্ট অঞ্চলটোৰ বাবে লোৱা বিভিন্ন চৰকাৰী আঁচনিৰ অগ্ৰগতি সম্বন্ধে বিস্তৃত পৰ্যালোচনা চলাই তাৰ প্ৰতিবেদন জিলা আৰু ৰাজ্যিক পৰ্যায়লৈ পঠিওৱা হয়। প্ৰতিমাহৰ দহ আৰু এঘাৰ তাৰিখে এই প্ৰতিবেদনসমূহৰ ভিত্তিত তালুক পৰ্যায়ৰ বিষয়াসকলৰ উপস্থিতিতিত জিলা বিষয়া আৰু উপায়ুক্তৰ তত্ত্বাৱধানত বিভিন্ন আঁচনিসমূহৰ জিলাভিত্তিক পৰ্যালোচনা কৰা হয়। এই পৰ্যালোচনাৰ ওপৰত ভিত্তি কৰি প্ৰতি মাহৰ ১৬ তাৰিখে আকৌ ৰাজ্যিক পৰ্যায়ৰ পৰ্যালোচনা সভাৰ আহ্বান কৰা হয়। এনেকৈয়ে, প্ৰতি মাহৰ কাম-কাজৰ মূল্যায়নতে একেবাৰে নিম্ন স্তৰৰ পৰা উচ্চ স্তৰলৈকে প্ৰতিজন বিষয়াকে জড়িত কৰি গোটেই প্ৰক্ৰিয়াটোৰ ওপৰতে উপযুক্ত নিয়ন্ত্ৰণ নিশ্চিত কৰা হৈছে। কৰ্ণাটকৰ আহিত আমাৰ ৰাজ্যতো এনে কিছুমান নিয়ম প্ৰবৰ্তন কৰিব পাৰিলে বিভিন্ন আঁচনিৰ নিয়মীয়া মূল্যায়ণৰ প্ৰক্ৰিয়াটো যথেষ্ট সহজ সাধ্য হৈ পৰিব। এইখিনিতে

কিন্তু মন কৰিবলগীয়া কথা এয়ে যে, চৰকাৰী ধন ব্যৱহাৰৰ সমস্ত প্ৰক্ৰিয়াটোতে সম্প্ৰতি দুৰ্নীতি আৰু অনিয়ম এনেদৰে ব্যাপকভাৱে সোমাই পৰিছে যে, সীমিত জনশক্তিৰ পৰিপ্ৰেক্ষিতত, প্ৰয়োজনীয় সদিচ্ছা থাকিলেও দৰাচলতে চৰকাৰে গোটেই প্ৰক্ৰিয়াটোৰ সম্পূৰ্ণ তদাৰকীৰ নিশ্চয়তা দিব নোৱৰা পৰ্যায় এটা পাইছেহি। এনেকুৱা কিছুমান ব্যৱহাৰিক সীমাবদ্ধতাৰ পৰিপ্ৰেক্ষিততে ৰাজহুৱা ধন ব্যৱহাৰৰ প্ৰক্ৰিয়াটোত অপচয় ৰোধ কৰাৰ ক্ষেত্ৰত সৰ্বসাধাৰণ ৰাইজৰ ভূমিকা এতিয়া গুৰুত্বপূৰ্ণ হৈ পৰিছে। স্থানীয় পৰ্যায়ত বিভিন্ন আঁচনি ৰূপায়ণত হোৱা দুৰ্নীতি ধৰা পেলোৱাৰ নিমিত্তে চৰকাৰৰ ওপৰতে সম্পূৰ্ণৰূপে ভাৰসা কৰি থকাৰ পৰিবৰ্তে সৰ্বসাধাৰণ ৰাইজ নিজেও এই বিষয়ে সচেতন হোৱা উচিত। তেনেদৰে, ৰাজ্য চৰকাৰেও মূল্যায়ন আৰু তদাৰকীৰ প্ৰক্ৰিয়াটোৰ উপযুক্ত সংশোধনেৰে এই ক্ষেত্ৰত সৰ্বসাধাৰণ ৰাইজৰ অংশ গ্ৰহণক আদৰণি জনোৱা উচিত, যাতে সীমিত জনশক্তিৰ ফলত তদাৰকীৰ ক্ষেত্ৰত পোৱা অসুবিধাবোৰ এইদৰেই যথাসম্ভৱ আঁতৰ কৰিব পৰা যায়। চৰকাৰী বিভাগসমূহে বিভিন্ন অঞ্চলৰ বাবে পোৱা আঁচনিবোৰৰ বিস্তৃত আভাস সময়ে-সময়ে প্ৰচাৰ মাধ্যমৰ জৰিয়তে সৰ্বসাধাৰণ ৰাইজক জনোৱাৰ ব্যৱস্থা কৰিলে ৰাইজেও নিজৰ অঞ্চলৰ বাবে ক'ত কিমান ধনৰ প্ৰস্তাৱ আছে, সেই কথা জানি লৈ এইখিনি ধনৰ ব্যৱহাৰৰ ওপৰত চকু ৰাখিব পাৰে। তেনেদৰে, বিশ্ববিদ্যালয় আৰু বিভিন্ন কাৰিকৰী শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ আজৰি সময়খিনিকো আমি চৰকাৰী আঁচনিবোৰৰ পৰ্যালোচনা আৰু মূল্যায়নৰ কামত ব্যৱহাৰ কৰাৰ উপায় উলিয়াব পাৰোঁ। দুৰ্নীতি নিবাৰণৰ ক্ষেত্ৰতো আনকি সেই একে কথাই প্ৰযোজ্য; —সৰ্বসাধাৰণ ৰাইজে নিজে দুৰ্নীতিৰ প্ৰক্ৰিয়াটোৰ অনুগ্ৰহপ্ৰাৰ্থী হোৱাৰ মুহূৰ্তত, সেই প্ৰক্ৰিয়াটোক এনেদৰে প্ৰশ্ৰয় দিয়াৰ ফলত হোৱা সামাজিক ক্ষতিৰ কথাও মনলৈ অনাৰ অভ্যাস কৰা উচিত।

প্ৰচলিত মূল্যবোধ, দুৰ্নীতিপূৰ্ণ সামাজিক প্ৰক্ৰিয়া ইত্যাদিৰ সংশোধন আৰু পৰিবৰ্তনৰ প্ৰসংগ উত্থাপিত হ'লেই আমি সাধাৰণতে ইয়াৰ বাবে সম্পূৰ্ণ এটা চাম পুৰুষৰ আত্মত্যাগৰ প্ৰয়োজনৰ কথা দোহাৰি ব্যক্তিগত দায়িত্বকণ এৰাই চলিবলৈ চেষ্টা কৰোঁ। কিন্তু প্ৰশ্ন হ'ল, সকলোৱেই এইদৰে সমানে আশাপালি বাট চাই থকা এই চাম পুৰুষৰ জন্ম দিব কোনে? ব্যষ্টিবাদী পৰ্যায়ত আমি প্ৰত্যেকেই প্ৰদৰ্শন কৰি অহা পলায়নবাদী প্ৰবৃত্তিসমূহৰ একত্ৰীকৰণেই আমাৰ সমূহীয়া আশা-আকাংক্ষাৰ ৰূপায়ণো নিৰ্ধাৰণ নকৰে জানো? যদি সেয়ে হয়, তেন্তে প্ৰচলিত প্ৰক্ৰিয়াটোৰ পৰিবৰ্তনৰ আশাই বা ক'ত? প্ৰকৃত পৰিবৰ্তনৰ বাবে প্ৰয়োজন হোৱা সংগ্ৰাম সদায় ব্যষ্টিবাদী পৰ্যায়তেই আৰম্ভ হ'ব লাগিব; —ইয়াৰ অন্যথায় পৰিবৰ্তন, সংস্কাৰ ইত্যাদি শব্দবোৰ সদায় কেৱল এক উৰ্ধতলীয় পৰ্যায়তে আবদ্ধ হৈ থাকি যাব।



# অসমত চাহ খেতিৰ আৰম্ভণিৰ কথা

হৰেশ্বৰ গোস্বামী

১৭৮০ চনত ইষ্ট ইণ্ডিয়া কম্পেনিৰ কেপ্টেইন কেইজনমানে চীনদেশৰপৰা চাহ গছৰ গুটি কিছুমান ভাৰতবৰ্ষলৈ আনিছিল। সেই গুটিবিলাকৰ কিছুমান গৱৰ্ণৰ জেনেৰেল ৱাৰেন হেষ্টিংছে ভূটানৰ জৰ্জ বগললৈ (George Bogle) পঠাই দিছিল আৰু বাকীবোৰ লেফটেনেণ্ট কৰ্ণেল ৰবাৰ্ট কিডে (Robert Kyd) কলিকাতাৰ শিৱপুৰত থকা ব'টেনিকেল গাৰ্ডেনত ৰুই দিছিল। ভালকৈ প্ৰতিপালন নকৰা সত্ত্বেও ব'টনিকেল গাৰ্ডেনত ৰোৱা পুলিকেইটা লহপহকৈ বাঢ়ি আহে আৰু সেই কেইটাই হৈছে ভাৰতৰ মাটিত ৰোৱা প্ৰথম চাহ গছৰ পুলি।

১৭৯৩ চনত লৰ্ড মেকাৰ্টনিৰ লগত ছাৰ যোছেফ বেংকছ (Banks) নামৰ ইংৰাজ এজনক চীন দেশলৈ পঠোৱা হৈছিল। উদ্দেশ্য আছিল,— চাহ গছৰ খেতি আৰু চাহ প্ৰস্তুত কৰাৰ প্ৰণালী সম্পৰ্কে অধ্যয়ন কৰা। তেওঁ কলিকাতালৈ চাহ গছৰ গুটি আৰু পুলি পঠাইছিল। অলপ দিনৰ পাছতে আবেল (Abel) নামৰ এজন ইংৰাজ উদ্ভিদ বিজ্ঞানীয়ে চীনদেশৰপৰা কিছুমান চাহ গছৰ পুলি লৈ আহে। কিন্তু সেই পুলিবোৰ তেওঁ অহা এলচেষ্ট (Alceste) নামৰ জাহাজখনতে ক'ৰবাত হেৰাই থাকিল।

১৮১৫ চনত কৰ্ণেল লেটাৰে (Latter) প্ৰথম অসমৰ জনজাতিসকলৰ মাজত চাহ খোৱা অভ্যাস লক্ষ্য কৰে।

সেই সময়ত ডেভিড স্কট (David Scott) ভাৰতৰ গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট হিচাপে অসমত আছিল। এয়া হ'ল ১৮২৩/২৪ চনৰ কথা। তেওঁ অসমত চাহ খেতি কৰাৰ সপোন দেখিছিল আৰু ইষ্ট ইণ্ডিয়া কম্পেনিৰ উদ্ভিদ বিজ্ঞানী ডঃ এন. ৱালিচলৈ (Dr. N. Wallich) কলিকাতাৰ ব'টেনিকেল গাৰ্ডেনৰপৰা চীনদেশীয় চাহ গছৰ পুলি অসমলৈ পঠাবলৈ অনুৰোধ কৰি চিঠি লিখিছিল। স্কটে অসমৰ পূব পান্তৰ পাহাৰীয়া অঞ্চলত পৰীক্ষামূলকভাৱে চাহ খেতি কৰাৰ কথা ভাবিছিল। ডঃ ৱালিচে পুলি পঠাইছিল যদিও সেই পুলিবোৰ জীৱিত অৱস্থাত গুৱাহাটী নাপালেহি।

## বিচা গামৰ লগত চুক্তি

সেই সময়তে ৰবাৰ্ট ব্ৰুছ নামৰ দুৰ্দান্ত সাহসী ইংৰাজ এজনে ব্যৱসায় কৰিবলৈ উজনি অসমলৈ আহিছিল। ইষ্ট ইণ্ডিয়া কম্পেনিৰ অনুমতিসাপেক্ষে তেওঁ ৰজা পুৰন্দৰ সিংহক মানৰ বিৰুদ্ধে যুদ্ধত সহায় কৰিছিল। ব্যৱসায় সংক্ৰান্তত ঘূৰি ফুৰোঁতে তেওঁৰ



অসমৰ থলুৱা চাহ গছ (বগা মাৰিভালৰ দীঘ ১ মিটাৰ)

ছিংফৌ মুখিয়াল বিচা গামৰ লগত বন্ধুত্ব স্থাপন হয়। চিংফৌ মুখিয়ালজনৰ সহায়ত তেওঁ অসমৰ পূব প্ৰান্তৰ দুৰ্গম হাবি-বননিৰ মাজে-মাজে ঘূৰি নানা তৰহৰ উদ্ভিদৰ অনুসন্ধান কৰে। এনেদৰে ঘূৰি ফুৰোঁতেই তেওঁ ১৮২৩ চনত অসমৰ হাবিত আপোনা আপুনি গজি থকা চাহ গছৰ সন্ধান পায়। ৰবাৰ্ট ব্ৰুছে চিংফৌ মুখিয়ালজনৰ লগত এখন চুক্তি কৰে। সেই চুক্তি অনুসৰি ৰবাৰ্ট ব্ৰুছ পাছৰ বাৰ অসমলৈ আহিলে তেওঁক বিচা গামে চাহ গছৰ পুলি আৰু গুটি কিছুমান দিব লাগিব। কিন্তু সেই চাহ গছৰ গুটি আৰু পুলি চিংফৌ মুখিয়াল জনৰপৰা ৰবাৰ্ট ব্ৰুছে লোৱাৰ আগতেই ৰবাৰ্টৰ ভায়েক আলেকজেণ্ডাৰ ব্ৰুছৰ চাহ জগতত আবিৰ্ভাৱ হ'ল।

আলেকজেণ্ডাৰ ব্ৰুছ অতি সাহসী লোক আছিল। ১৮২৩ চনত মানৰ যুদ্ধত তেওঁ ডেভিড স্কটক সহায় কৰিছিল। তেওঁ শদিয়াত মানৰ বিৰুদ্ধে নদী যুদ্ধত লিপ্ত হৈছিল। ৰবাৰ্ট ব্ৰুছক চাহ গছ দিম বুলি প্ৰতিশ্ৰুতি দিয়া চিংফৌ মুখিয়াল বিচাগামৰ ঘৰো শদিয়াৰ ওচৰতে আছিল। আলেকজেণ্ডাৰ ব্ৰুছে বিচাগামক লগ ধৰি চাহ গছৰ পুলি সংগ্ৰহ কৰে। এয়া ১৮২৪ চনৰ কথা। আলেকজেণ্ডাৰ ব্ৰুছে সেই পুলি ডেভিড স্কটক দিয়ে। স্কটে কিছুমান পুলি গুৱাহাটীত থকা তেওঁৰ বাসভৱনৰ চোতালত ৰুই দিছিল আৰু বাকী থকাবোৰ কলিকাতাত থকা উদ্ভিদবিজ্ঞানী ডঃ ৱালিচলৈ পঠাইছিল। সেই বছৰতেই ৰবাৰ্ট ব্ৰুছে ইহলীলা সম্বৰণ কৰে। ডঃ ৱালিছে সেইবোৰ প্ৰকৃত চাহ গছ বুলি মানি লবলৈ টান পাইছিল। তেওঁ সেইবোৰ কেমেলিয়া বুলিহে ভাবিছিল।

১৮৩১ চনত লেফটেনেণ্ট চাৰ্লটনে (Charlton) কিছুমান চাহ গছৰ পুলি কলিকাতাৰ এগ্ৰিকালচাৰেল আৰু



OKDISCD

হৰ্টিকাল্চাৰেল ছছাইটিলৈ পঠাই দিছিল। এইখিনি চাহ গছেও প্ৰকৃত চাহ গছ বুলি বিশেষজ্ঞসকলৰ স্বীকৃতি নাপালে। চাৰ্লটনে এই চাহ গছবোৰ অসম আৰু ব্ৰহ্মদেশৰ সীমান্ত অঞ্চলত পাইছিল। তেওঁ সেই অঞ্চলত থকা মানুহবিলাকৰ চাহ খোৱা অভ্যাস লক্ষ্য কৰিছিল। তেওঁলোকে শুকান চাহপাত পানীত উতলাই খাইছিল।

১৮২৮ চনত লৰ্ড উইলিয়াম বেণ্টিংক ভাৰতৰ গৱৰ্ণৰ জেনেৰেল পদত অধিষ্ঠিত হয়। তেওঁ গৱৰ্ণৰ জেনেৰেল হোৱাৰ পাছতেই ৱাকাৰ (Walker) নামৰ মানুহ এজনৰপৰা এখন আবেদন-পত্ৰ পায়। ৱাকাৰে সেই আবেদন-পত্ৰত নেপাল আৰু ভাৰতৰ কোনো কোনো ঠাইত চাহখেতি কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। ইপিনে চীনাসকলৰ লগত বৃটিছৰ বাণিজ্যিক সম্পৰ্ক শিথিল হৈ পৰিছিল আৰু জাপানে ইতিমধ্যে পশ্চিমৰ লগত বাণিজ্যিক লেন-দেন বন্ধ কৰি দিছিল। গতিকে চীনেও যে এদিন বাণিজ্যিক লেনদেন বন্ধ কৰি দিব পাৰে, তেনে এক সম্ভাৱনাই দেখা দিছিল। এই যুক্তিৰ ভিত্তিতেই ৱাকাৰে নেপাল আৰু ভাৰতত চাহ খেতি কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল।

## চাহ সমিতি গঠন

ডঃ ৱালিছে এই প্ৰস্তাৱটোত পূৰ্ণ সমৰ্থন জনাইছিল। লৰ্ড বেণ্টিংকে প্ৰস্তাৱটো কাৰ্যকৰী কৰিলে ইয়াৰ প্ৰভাৱ কিমান সুদূৰ প্ৰসাৰী হ'ব পাৰে, সেইটো উপলব্ধি কৰিব পাৰিছিল। ইয়াৰ ফলতেই ১৮৩৪ চনৰ পহিলা ফেব্ৰুৱাৰীত বুৰঞ্জী প্ৰসিদ্ধ চাহ সমিতি গঠন কৰা হয়।

অসমৰ বিভিন্ন ঠাইত পোৱা চাহ গছবোৰক প্ৰকৃত চাহ গছ বুলি ডঃ ৱালিছ আৰু তেওঁৰ সহকৰ্মীসকলে তেতিয়ালৈকে গ্ৰহণ কৰা নাছিল। গতিকে চাহ সমিতিয়ে চীনদেশীয় চাহগছৰ গুটি আৰু পুলিৰে ভাৰতৰ মাটিত চাহ খেতি আৰম্ভ কৰিবলৈ সিদ্ধান্ত কৰে। তেওঁলোকে চাহখেতিৰ বাবে হিমালয়ৰ নামনি আৰু নীলগিৰিৰ অঞ্চলকেই উপযুক্ত বুলি বিবেচনা কৰিছিল। প্ৰথমতে তেওঁলোকে এই অঞ্চলসমূহৰ মাটি আৰু জলবায়ু সম্পৰ্কে বৈজ্ঞানিক অনুসন্ধান কৰিবলৈ মনস্থ কৰিলে।

১৮৩৪ চনৰ ৩ মাৰ্চত চাহ সমিতিয়ে তেওঁলোকে চাহখেতিৰ বাবে বিবেচনা কৰা অঞ্চলবিলাকৰ স্থানীয় বিষয়াসকলক সেই ঠাইৰ মাটি আৰু জলবায়ু সম্পৰ্কীয় খা-খবৰ সংগ্ৰহ কৰিবলৈ নিৰ্দেশ দিলে। কেপ্টেইন এফ· জেনকিনছক (F. Jenkins) অসমত চাহখেতিৰ সম্ভাৱনা আৰু ইয়াৰ অৰ্থনৈতিক দিশটো চালি-জাৰি চাই এখন ৰিপ'ৰ্ট দাখিল কৰিবলৈ দায়িত্ব দিলে। জেনকিনজ তীক্ষ্ণ বুদ্ধিসম্পন্ন লোক আছিল। তেওঁৰ এটা সদাজাগ্ৰত মন আৰু সুক্ষ্ম পৰ্যবেক্ষণ ক্ষমতা আছিল। ইতিমধ্যে দুবছৰ ধৰি তেওঁ


আলোকচিত্ৰ : দীপক বেজবৰুৱা



অসমৰ বিষয়ে অধ্যয়ন কৰি আছিল। চাহ সমিতিৰ উদ্দেশ্যৰ কথা জানিব পাৰি তেওঁ উৎসাহিত হৈ পৰিল আৰু লগে লগে চাহ সমিতিক অসমৰ উত্তৰ-পূবৰ হিমালয়ৰ নামনি অঞ্চলত চাহ খেতিৰ প্ৰসাৰৰ পূৰ্ণ সম্ভাৱনাৰ কথা জনাই দিলে। জেনকিনছে তেওঁৰ সহকাৰী চাৰ্লটনকো (Charton) চাহ সমিতিৰ উদ্দেশ্যৰ কথা জনালে। চাৰ্লটনে জেনকিনছলৈ লিখিলে যে অসমৰ বিভিন্ন ঠাইত চাহগছ তেওঁ দেখিছে; বিশেষকৈ চিংফৌ অঞ্চলত যিবিধ চাহগছ তেওঁ দেখিছে সেইবিধ প্ৰকৃত চাহগছ বুলি তেওঁ ভাবে। আৰু যদি ডঃ ৱালিছে ভবাৰদৰে সেইবোৰ প্ৰকৃত চাহগছ নহয়ো, তথাপি চীনদেশৰ পৰা আমদানি কৰা চাহগছৰ পুলিৰে অসমৰ উত্তৰ-পূব অঞ্চলত চাহ খেতি কৰি কৃতকাৰ্যতা লাভ কৰাটো তেওঁ নিশ্চিত বুলি ভাবে। এনেকি চাৰ্লটনে এই কথাও লিখিলে যে তেওঁ চিংফৌ আৰু খামতি লোকসকলৰ মাজত চাহখোৱা অভ্যাস লক্ষ্য কৰিছে। তেওঁলোকে কেঁচা চাহপাতৰপৰা ঠাৰি আৰু সিৰবিলাক উলিয়াই, পাতবোৰ উতলাই চেপি ৰদত শুকুৱায়, আৰু সেই শুকান পাতবোৰ পানীত উতলাই সেই পানী চাহ হিচাপে খায়। কেইমাহমান পাছত চাৰ্লটনে শদিয়াৰপৰা জেনকিনছলৈ চাহ গছৰ গুটি আৰু কিছু পাত পঠাইছিল।

চাৰ্লটনে পুনৰ লিখিলে যে এই অঞ্চলত যথেষ্ট পৰিমাণে চাহগছ পোৱা যায় আৰু ইয়াৰপৰা প্ৰায় এমাহৰ বাটৰ আঁতৰত থকা চীনদেশৰ ইউনান প্ৰদেশলৈকে ই বিয়পি আছে। ইউনান প্ৰদেশত চাহৰ খেতি যথেষ্ট পৰিমাণে কৰা হয়। এনেকি এই ইউনান প্ৰদেশৰেই চাহখেতিত কাম কৰা দুজন মানুহে চাৰ্লটনক অসমৰ উত্তৰ-পূবৰ হাবিত গজি থকা চাহগছবোৰ যে প্ৰকৃত চাহগছ, সেই সম্পৰ্কে খাটাং সিদ্ধান্তত উপনীত কৰাইছিল।

ৱালিছ আৰু চাহ সমিতিৰ সদস্যসকল এইবাৰ নিশ্চিত হ'ল যে অসমৰ উত্তৰ-পূৰ্বাঞ্চলত হোৱা চাহগছবোৰ প্ৰকৃত চাহগছ আৰু চীনদেশীয় চাহগছৰ লগত ইয়াৰ বিশেষ পাৰ্থক্য নাই।

## অসমৰ চাহৰ প্ৰকৃত আৱিষ্কাৰক কোন ?

চাহ সমিতিয়ে ১৮৩৪ চনৰ ২৪ ডিছেম্বৰত ইংলণ্ডৰ উচ্চ ক্ষমতা সম্পন্ন কাউন্সিলক জনালে,— "উজনি অসমত পোৱা চাহগছ নিঃসন্দেহে প্ৰকৃত চাহগছ আৰু প্ৰায় এমাহৰ বাটৰ সমান ইয়াৰ বিস্তৃতি। এই আৱিষ্কাৰৰ মূলতে আছে জেনকিনছ আৰু চাৰ্লটনৰ কঠোৰ পৰিশ্ৰম। আমি সম্পূৰ্ণভাৱে বিশ্বাস কৰোঁ যে এই অঞ্চলত চাহ গছৰ খেতি ব্যৱসায়িক ভিত্তিত কৰিলে আমি কৃতকাৰ্যতা লাভ কৰিম।"

বৰ দুখৰ বিষয় যে এই চিঠিখনত ব্ৰুছ ভ্ৰাতৃদ্বয় বা ডেভিড স্কটৰ কোনো উল্লেখ নাই; অথচ তেওঁলোকে ইয়াৰ প্ৰায় দহ বছৰ পূৰ্বেই অসমৰ উত্তৰ-


চীন দেশীয় চাহগছ (বগা মাৰিডালৰ দীঘ ১ মিটাৰ)

পূৰ্বাঞ্চলৰ হাবিত চাহগছ বিচাৰি পাইছিল আৰু এই সম্পৰ্কে ডঃ ৱালিছক জনাইছিলো। এই চিঠিখনত তেওঁলোকৰ নাম নথকা কাৰণেই ১৮৪১ চনত এগ্ৰিকাল্চাৰেল আৰু হাৰ্টিকাল্চাৰেল ছছাইটিৰ সদস্যবৰ্গৰ মাজত চাহগছৰ প্ৰকৃত আৱিষ্কাৰক সম্পৰ্কে মতানৈক্য ঘটিছিল। চাহৰ বুৰঞ্জীৰ এইটো এটা উল্লেখযোগ্য ঘটনা। ছছাইটিৰ আগত চাৰ্লটনে দাবী কৰিছিল যে তেওঁহে প্ৰকৃততে চাহগছৰ আৱিষ্কাৰক। অৱশ্যে অৱশেষত ৰবাৰ্ট ব্ৰুছেই এই সন্মানৰ অধিকাৰী হৈছিল। কিন্তু দুখৰ বিষয়, এই আনন্দ উপভোগ কৰিবলৈ তেতিয়া ৰবাৰ্ট ব্ৰুছ জীয়াই থকা নাছিল। তেওঁৰ হৈ তেওঁৰ ভায়েক ছি· এ· ব্ৰুছেই এই মানপত্ৰ গ্ৰহণ কৰিছিল।

চাহ সমিতিৰ এই ঘোষণাৰ কেইমাহমান আগতে সমিতিয়ে ইয়াৰ সচিব মিঃ গৰ্ডনক চাহগছৰ গুটি আৰু পুলি আনিবৰ বাবে চীনদেশলৈ পঠাইছিল। মিঃ গৰ্ডন ৱাটাৰ ৱিট্চ্ (Water witch) নামৰ জাহাজখনত গৈছিল। তেওঁক চীনদেশৰপৰা চাহ গছৰ সকলো স্তৰতে জ্ঞান থকা কেইজনমান মানুহো আনিবলৈ কোৱা হৈছিল।

ইতিমধ্যে চাহ সমিতিয়ে অসমত স্থানীয় চাহৰ সঁচেৰে খেতি কৰাৰ কথা ঘোষণা কৰাৰ লগে-লগে গৰ্ডনে চীন দেশৰ পৰা চাহগছৰ সঁচ অনা কামটো অৰ্থহীন হৈ পৰে আৰু সমিতিয়ে গৰ্ডনক অতি সোনকালে উলটি আহিবলৈ নিৰ্দেশ দিয়ে। গৰ্ডন ভাৰতলৈ উভতি আহিল। কিন্তু চাহখেতি কৰিবৰ জোখাৰে অভিজ্ঞতা অসমত থকা ইংৰাজসকলে তেতিয়াও আহৰণ কৰিব পৰা নাছিল। সেয়েহে চীনদেশৰপৰা চাহ খেতিত অভিজ্ঞলোক কিছুমান আমদানি কৰাটো নিতান্ত প্ৰয়োজনীয় হৈ পৰিল। গৰ্ডনক পুনৰ চীনলৈ পঠোৱা হ'ল। এইবাৰ তেওঁ চীনা চাহ খেতিয়কৰ লগতে যথেষ্ট পৰিমাণে চাহৰ গুটি

কলিকাতালৈ পঠাই দিলে। গুটিবোৰ কলিকাতাৰ ব'টেনিকেল গাৰ্ডেনৰ নাৰ্ছাৰিত পচোৱা হ'ল।

চাহ সমিতিয়ে এতিয়া অসমত স্থানীয় চাহৰ সঁচেৰে চাহ খেতি কৰাৰ কথা গুৰুত্ব সহকাৰে চিন্তা কৰিবলৈ ধৰিলে। তেওঁলোকে তিনিজন বিজ্ঞানীক লৈ এটা উপ সমিতি গঠন কৰি দিলে। বিজ্ঞানী তিনিজন হ'ল— ড° ৱালিছ, সহকাৰী ছাৰ্জন মেকলিলেণ্ড (Assistant Surgeon M'clelland) আৰু সহকাৰী ছাৰ্জন গ্ৰিফিথ (Griffith)। এই তিনিওজনকে অসমলৈ আহিবলৈ নিৰ্দেশ দিয়া হ'ল। ইপিনে অসমত চাল'টনৰ অধীনত ছি. এ. ব্ৰুছক অসমৰ নাৰ্ছাৰিবোৰৰ তত্ত্বাৱধান ল'বলৈ কোৱা হ'ল।

১৮৩৬ চনৰ জানুৱাৰী মাহৰ প্ৰথম ভাগতে এই বিভাগৰ দলটো শদিয়াত উপস্থিত হয়হি। তেওঁলোকৰ কলিকাতাৰ পৰা শদিয়া পাওঁতে সময় লাগিছিল চাৰে চাৰি মাহ। শদিয়াত তেওঁলোকে ছি.এ. ব্ৰুছৰ লগ লাগে। তেওঁলোকে অসমৰ জলবায়ু আৰু মাটিৰ বিষয়ে বৈজ্ঞানিক অনুসন্ধান চলালে। লগে-লগে তেওঁলোকে অসমৰ উত্তৰ-পূৰ্বাঞ্চলত থকা হাবি-বননিবোৰ চলাথ কৰি চাহ অধ্যুষিত অঞ্চলবোৰ এটাৰ পাছত এটাকৈ আবিষ্কাৰ কৰি যাবলৈ ধৰিলে।

চাহ সমিতিয়ে গঠন কৰি দিয়া এই বৈজ্ঞানিক উপসমিতিয়ে অসমত যি অধ্যয়ন চলালে, সেই অধ্যয়নৰ পৰা এটা কথা সুস্পষ্ট হৈ পৰিলে যে অসমত ইমান দিনে ভাবি থকাতকৈও বহু বেছি পৰিমাণে স্থানীয় চাহৰ খেতি কৰি সুফল লাভ কৰাৰ সম্ভাৱনা প্ৰচুৰ।


১৮৩৬ চনৰ মাৰ্চ মাহত ৱালিছে গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট জেনেকিনছলৈ এই বুলি ৰিপ'ৰ্ট লিখিলে: "প্ৰথমে অসমৰ সকলোবোৰ চাহ-অধ্যুষিত অঞ্চলৰ তত্ত্বাৱধান আমাৰ নিজৰ হাতলৈ আনিব লাগিব। তাৰ পাছতহে আমি অসমৰ স্থানীয় চাহৰ-পৰা উৎপাদিত সামগ্ৰীয়ে বিশ্বত কেনেকুৱা বজাৰ পায় সেই সম্বন্ধে এটা সুসিদ্ধান্তলৈ আহিব পাৰিম।"

ড° ৱালিছৰ মতামতৰ ফলস্বৰূপে ভাৰত চৰকাৰে ১৮৩৬ চনৰ মে' মাহত ছি. এ. ব্ৰুছক অসমৰ চাহ ৰোৱা অঞ্চলবোৰৰ অধীক্ষকৰূপে মাহিলি ৪০০ টকা বেতনত নিয়োগ কৰিলে।

ছি. এ. ব্ৰুছে অসমৰ উত্তৰ পূৰ্বাঞ্চলৰ মেলেৰিয়া-অধ্যুষিত দুৰ্গম পাহাৰীয়া অঞ্চলবোৰত অনেক দুখ-যাতনা ভোগ কৰি দিনৰ পাছত দিন, মাহৰ পাছত মাহ ঘূৰি ফুৰিছিল। তেওঁ অসমৰ জলবায়ু, অসমৰ মাটি আৰু অসমৰ সহজ-সৰল পাহাৰীয়া ভাই-ভনীসকলৰ লগত এক নিবিড় সম্পৰ্ক গঢ়ি তুলিছিল। চাহ সম্পৰ্কে খা-খবৰ সংগ্ৰহৰ বিনিময়ত তেওঁ মানুহবিলাকক দিছিল বিনম্ৰ ব্যৱহাৰ আৰু নানা তৰহৰ আকৰ্ষণীয় বস্তুৰ উপহাৰ। এই উপহাৰৰ পৰা তেওঁলোকৰ অতি প্ৰিয় বস্তু ৰৰবিহ কানিও বাদ পৰা নাছিল।

## বিতৰ্কৰ বিষয়

এই তিনিজনীয়া বিজ্ঞানীৰ দলটোৱে দুৰ্ভাগ্যবশতঃ কেইবাটাও বিষয়ত একমত হ'ব নোৱাৰিলে। প্ৰথমতে, তেওঁলোকে চাহ খেতিৰ বাবে সঁচ হিচাপে চীন দেশীয় চাহ ব্যৱহাৰ কৰিব নে অসমৰ স্থানীয় চাহ ব্যৱহাৰ কৰিব সেই সম্পৰ্কে একমত হ'ব নোৱাৰিলে। ৱালিছ অসমৰ স্থানীয় চাহৰ খেতি কৰাৰ সপক্ষে আছিল, আৰু গ্ৰিফিথ আৰু মেকলিলেণ্ড চীনৰ-পৰা সচ আমদানি কৰাৰ পক্ষপাতী আছিল। ১৮৩৭ চনত গ্ৰিফিথে ভাৰত চৰকাৰলৈ চীন দেশৰপৰা কিছুমান ভাল জাতৰ চাহ গছৰ পুলি আৰু গুটি অতি সোনকালে ভাৰতলৈ আনিব লাগে বুলি এটা ৰিপ'ৰ্ট পঠালে। ছি. এ. ব্ৰুছে কিন্তু এই কথাটো একেবাৰেই সমৰ্থন কৰা নাছিল। তেওঁ চীন দেশীয় চাহ গছেৰে অসমত চাহ খেতি কৰি সুফল পোৱাৰ আশা সমুলঞ্চে কৰা নাছিল। গ্ৰিফিথে ছি. এ. ব্ৰুছৰ উদ্যম আৰু কৰ্তব্যনিষ্ঠাক যথেষ্ট ঈৰ্ষাৰ চকুৰে চাইছিল আৰু তেওঁক



ওপৰত: অসমৰ থলুৱা চাহগছৰ পাত

তলত: চীনদেশীয় চাহগছৰ পাত

চাহ সম্পৰ্কীয় কাৰ্যকলাপৰ পৰা পাৰিলে একেবাৰে আঁতৰ কৰিবলৈকে যত্ন কৰিছিল। ব্ৰুছক আঁতৰ কৰিব নোৱাৰিলে যদিও তেওঁ চীন দেশৰপৰা চাহৰ সঁচ আমদানি কৰাৰ মতটো বাহাল ৰাখিবলৈ সক্ষম হৈছিল।

দ্বিতীয়তে, এই বিজ্ঞানীৰ দলটোৱে চাহগছৰ খেতিৰ বাবে উপযুক্ত স্থান নিৰ্ধাৰণৰ ক্ষেত্ৰতো একমত হ'ব নোৱাৰিলে। ৱালিছ; ৰয়ল (Royle) ফেনকনাৰ (Fenconer) হিমালয়ৰ নামনি অংশত চাহ গছৰ খেতি কৰাৰ পক্ষপাতী আছিল। গ্ৰিফিথ আৰু মেকালিলেণ্ডে কিন্তু অসমতহে চাহ খেতিৰ সম্ভাৱনা বেছ উজ্জ্বল দেখিছিল।

ভাৰত চৰকাৰে তেওঁলোকৰ এই মতানৈক্যৰ কাৰণে চীনদেশীয় সঁচৰ যিখিনি পুলি কলিকাতাৰ ব'টেনিকেল গাৰ্ডেনত আছিল সেইখিনি হিমালয়ৰ নামনি অংশ, উজনি অসম আৰু দাক্ষিণাত্য,—এই তিনিও অঞ্চলতে ভাগ কৰি দিলে। চৰকাৰে অসমলৈ ২০,০০০ পুলি পঠাইছিল; কিন্তু বাটতে প্ৰায় আধা পুলি মৰি থাকিল। পুলি অনা জাহাজখনত নিগনিৰ বৰ উপদ্ৰৱ আছিল আৰু পুলিবোৰ ভালকৈ পেকিং কৰা হোৱা নাছিল।

এই প্ৰথম প্ৰচেষ্টা দক্ষিণ ভাৰতত অথলে গ'ল; হিমালয়ৰ নামনি অংশত কিছু পৰিমাণে সফল হৈছিল যদিও তাতো বিশেষ সুবিধা নহ'ল, কিন্তু অসমত প্ৰথম প্ৰচেষ্টাটোৱেই সম্পূৰ্ণৰূপে সফলতা লাভ কৰিলে।

## অসমত প্ৰথম চাহ বাগিচা

অসমৰ প্ৰথম পৰীক্ষামূলক চাহ বাগিচাখন শদিয়াৰ কুণ্ডিলমুখত স্থাপন কৰা হৈছিল। অলপ দিনৰ ভিতৰতে ব্ৰহ্মপুত্ৰৰ বানে সেই পুলিবোৰ উটুৱাই নিলে। এয়া ১৮৩৫-৩৬ চনৰ কথা।

কুণ্ডিলমুখত বিফল হোৱাৰ পাছত কিছুমান চাহ গছৰ পুলি জয়পুৰত ৰোৱা হয়। সেই পুলিবোৰ ১৮৪৩ চনলৈকে জী আছিল।

ইয়াৰ পাছত ১৮৩৭ চনত ডিব্ৰুগড়ৰ পৰা ২৮ কিল'মিটাৰ আঁতৰৰ চাবুৱাত চাহৰ খেতি কৰা হয়। চাবুৱাত সম্পূৰ্ণভাৱে সফলতা অৰ্জন কৰা হ'ল। এই চাবুৱা চাহ বাগানেই অসমৰ প্ৰথম চাহ বাগান। ১৮৪৯ চনত চৰকাৰে চাবুৱা চাহ বাগিচাখন চীনদেশীয় মানুহ এজনক ৯৫২ টকা ১৪ অনাত (আৰু কেইপাইমান আছিল) বিক্ৰি কৰে। চীনা জনে ব্যৱসায়ত উন্নতি কৰিব নোৱাৰি দুবছৰ পাছত জেমছ ৱাৰেনৰ হাতত ৪৭৫ টকাত বাগানখন বিক্ৰি কৰে। এই জেমছ ৱাৰেনেই বিখ্যাত ৱাৰেন টি গ্ৰুপৰ প্ৰতিষ্ঠাতা।

## ভুলৰ উপৰি ভুল

চাবুৱাত চীনদেশৰ সঁচেৰে চাহ-খেতিত কৃতকাৰ্যতা লাভ কৰা সম্পৰ্কে জে. বেৰিহোৱাইটে (J. Berry white) এনেদৰে লিখিছিল:

"এইটো বৰ দুখৰ বিষয় যে ইয়াত (চাবুৱাত) চাহখেতিয়ে সম্পূৰ্ণৰূপে সফলতা লাভ কৰিলে। ইয়াৰ ফলত গোটেই অসমখন চীনদেশীয় চাহ গছেৰে ভৰি পৰিল।"

তেওঁ আকৌ লিখিছিল:

"প্ৰথম পৰীক্ষামূলক বাগানৰ স্থান হিচাপে কুণ্ডিলমুখক নিৰ্বাচন কৰাটোৱেই চৰকাৰৰ একমাত্ৰ ভুল নাছিল; তেওঁলোকে প্ৰতিজন চীনদেশীয় মানুহক চাহখেতিৰ একোজন বিশেষজ্ঞ বুলি ভাবি লৈছিল আৰু চীনদেশৰ মুচি আৰু কাঠমিস্ত্ৰীৰে বংগ আৰু অসমৰ বজাৰ ভৰাই পেলাইছিল। এনেকি সেই মানুহবোৰৰ বহুতে চাহ গছ দেখাই নাছিল।"

শিকিবলৈ হ'লে ভুল কৰিবই লাগিব। গতিকে প্ৰথমতে এই ভুলবোৰ হৈছিল যদিও চাহখেতি সম্পৰ্কে ভাৰত চৰকাৰে বহুতো অভিজ্ঞতা লাভ কৰিলে। এনেকি ক'লা চাহ (black tea) উৎপাদন কৌশলো এওঁলোকে আয়ত্ত কৰিলে।

চীনাসকলে চাহপাতবোৰ হাতেৰে মাৰিছিল আৰু ৰ'দত শুকুৱাইছিল। ৰ'দত শুকুউৱাৰ পাছত জুইত গৰম কৰি পাতবোৰ হাতেৰে গুড়ি কৰিছিল। ১৮৩৬ চনত শদিয়াত চীনাসকলে তৈয়াৰ কৰা ক'লাচাহ অলপ পৰিমাণে কলিকাতালৈ পঠাই দিয়া হৈছিল। কলিকাতাৰ চাহ-বিশেষজ্ঞসকলে সেই চাহ খাই ভাল পোৱা বুলি কৈছিল।

১৮৩৭ চনৰ ১২ ডিচেম্বৰত কিছু বেছি পৰিমাণে মটক চাহৰ নমুনা ভাৰত চৰকাৰলৈ পঠোৱা হৈছিল। এই নমুনাখিনি অসমৰ স্থানীয় চাহৰ পৰা তৈয়াৰ কৰা হৈছিল। ভাৰতৰ গৱৰ্ণৰ জেনেৰেলে এই চাহখিনি দেখি সুখী হৈছিল আৰু অতি সোনকালে অসমত উৎপাদিত চাহ লণ্ডনলৈ পঠাব পৰা যাব বুলি আশা প্ৰকাশ কৰিছিল।

## লণ্ডনলৈ প্ৰথম চাহপাত

১৮৩৮ চনৰ ২০ মাৰ্চত চাহ সমিতিয়ে ভাৰত চৰকাৰক জনালে যে অসম চাহৰ ১২ টা বাকচ লণ্ডনত থকা সঞ্চালক মণ্ডলীলৈ (Honourable Council of Directors) অতি সোনকালে পঠাব পৰা যাব। ১৮৩৮ চনৰ মে' মাহত 'কেলকাটা' নামৰ জাহাজখনত এই চাহখিনি লণ্ডনলৈ পঠোৱা হৈছিল। এয়েই ভাৰতৰ মাটিৰ-পৰা লণ্ডনলৈ পঠোৱা প্ৰথম চাহ।

এই চাহখিনি লণ্ডনত থকা সঞ্চালক মণ্ডলীয়ে ইংলণ্ডৰ চাহৰ লগত জৰিত বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানলৈ পঠালে আৰু সকলোবোৰ প্ৰতিষ্ঠানে চাহখিনি ভাল হোৱা বুলি মত প্ৰকাশ কৰিলে। সঞ্চালক মণ্ডলীয়ে ১৮৩৮ চনৰ ২৩ মে'ত চাহখিনিৰ বিষয়ে ভাল মত প্ৰকাশ কৰি চাহ সমিতিলৈ এখন চিঠি লিখিলে।

লণ্ডনৰ এটা ব্যৱসায়ী সন্থাই ৫০০ৰ পৰা ১০০০ বাকচ অসম-চাহৰ বাবে অৰ্ডাৰো পেচ কৰিলে। তেওঁলোকে প্ৰতি পাউণ্ড চাহৰ দাম দিছিল ১ ছিলিং ১½ পেনিৰ পৰা ২ ছিলিং পৰ্যন্ত।

১৮৩৯ চনৰ জানুৱাৰী মাহত লণ্ডনৰ চাহ নিলাম কেন্দ্ৰত প্ৰথমবাৰৰ বাবে অসম চাহ নিলাম কৰা হয়।

এয়েই হৈছে অসম তথা ভাৰতৰ মাটিত চাহখেতিৰ আদি কথা। ইংৰাজসকলে ক্ৰমান্বয়ে চাহগছৰ খেতি কৰাৰ প্ৰণালী আৰু চাহপাতৰ উৎপাদন কৌশল আয়ত্ত কৰি ললে আৰু চৰকাৰে ব্যক্তিগত প্ৰতিষ্ঠানবোৰক চাহ বাগান খুলি চাহৰ ব্যৱসায় কৰিবলৈ অনুমতি দিলে। লাহে-লাহে চাহৰ ডাঙৰ-ডাঙৰ কম্পেনিবোৰ একোখন সাম্ৰাজ্যৰ দৰে গঢ় লৈ উঠিল। ১৮৩৯ চনত অসম টি কম্পেনিয়ে জন্মলাভ কৰিলে। ১৮৫৯ চনত যোৰহাট টি কম্পেনি স্থাপন কৰা হ'ল। এইদৰে এটাৰ পাছত এটাকৈ ডাঙৰ-ডাঙৰ চাহ প্ৰতিষ্ঠানবোৰ অসমৰ মাটিত ঠন ধৰি উঠিবলৈ ধৰিলে। ইয়াৰ ফলত বৃটিছ সাম্ৰাজ্য চহকী হোৱাৰ উপৰিও চাহপাত ৰপ্তানি কৰা দেশ হিচাপে চীনৰ প্ৰতিপত্তি ম্লান পৰি আহিল। এয়া মাথোঁ আদি কথাহে। চাহৰ কাহিনীৰ যেন শেষ নাই!

[অধিক পঠনৰ বাবে:
১) All About Tea, by William Ukers, M. A.
২) History of Indian Tea, by Sir Parseval Griffith]

# প্লাইউদ কাৰখানালৈ মালয়েছিয়াৰ কাঠ

জীৱন দাস

আপুনি যদি আমাৰ ৩৭ নম্বৰ নেশ্যনেল হাইৱে'ৰে ভ্ৰমণ কৰে, তেন্তে বিৰাট-বিৰাট আকাৰৰ কিছুমান কাঠৰ টুকুৰা ট্ৰাকে ট্ৰেইলাৰ সংযোগ কৰি, কেতিয়াবা সংযোগ নকৰাকৈও বোজাই কৰি পশ্চিমৰ পৰা পুবলৈ কঢ়িয়াই অনা দেখিবলৈ পাব। সাধাৰণতে জনসাধাৰণৰ মনত কৌতূহল জাগিছে, এইবোৰ কাঠ ক'ৰপৰা অনা হৈছে আৰু কলৈ নিয়া হয়? ১৯৪২ চনৰ দ্বিতীয় মহাসমৰৰ সময়ত আমাৰ বহুতে সৈন্যৰ লানি নিছিগা 'কনভয়' দেখিছিল; আমি নিজেও দেখিছিলোঁ। এই কাঠৰ 'কনভয়' ৰাষ্ট্ৰীয় পথত দেখা পালে আমাৰ সেই দিনলৈ মনত পৰি যায়।

এবাৰ অসম বিধান সভাত এই কাঠ কঢ়িয়াই অনা সম্পৰ্কত প্ৰশ্ন উত্থাপন কৰাত বৰ্তমানৰ গড়কাপ্তানি মন্ত্ৰীজনাই এই গধুৰ-গধুৰ কাঠ কঢ়িয়াই অনাৰ ফলত যে ৰাস্তাটোৰ যথেষ্ট ক্ষতি হৈছে সেই কথা স্বীকাৰ কৰিছে।

এই বিৰাট-বিৰাট আকাৰৰ কাঠৰ বিষয়ে আলোচনা কৰাৰ আগতে আমি এবাৰ উভতি চাওঁ। ভাৰত স্বাধীন হোৱাৰ আগতে অসমত কাঠৰ পৰা প্লাইউড তৈয়াৰ কৰি চাহ-বাকছ তৈয়াৰ কৰিবলৈ বৃটিছে দুটা কাৰখানা বহুৱাবলৈ আদেশ দিছিল। শদিয়াৰ (তাহানিৰ) মুৰ্কংচেলেকত বাৰ্ড কোম্পানিৰ এটা কাৰখানা আছিল আৰু তেতিয়াৰ লক্ষীমপুৰ জিলাৰ মাৰ্ঘেৰিটাত এ. আৰ. টি (আছাম ৰেলৱে টিম্বাৰ কোম্পানি) নাম দি আন এটা কাৰখানা বহুউৱা হৈছিল। এই কাৰখানাৰ পৰা ট্ৰিটমেণ্ট কৰি ৰেলৱে শ্লিপাৰ যোগান দিয়া হৈছিল আৰু তাত চাহ বাগিচাৰ কাৰণে চাহ-বাকছৰ কাঠো তৈয়াৰ কৰা হৈছিল। দুয়োটা কোম্পানিলৈ চৰকাৰে কিছুমান হাবিত থকা গছ কাটিবলৈ নিৰ্দিষ্ট সময় নিৰ্ধাৰণ কৰি সেই হাবিবোৰ 'লিজত' দিছিল। কালক্ৰমত ব্ৰহ্মপুত্ৰই মুৰ্কংচেলেক গ্ৰাস কৰিলে আৰু উপায়হীন হৈ কোম্পানিটোৱে কাৰখানা উঠাই নি অৰুণাচলত স্থাপন কৰিলে; কিন্তু মাৰ্ঘেৰিটাৰ কাৰখানা হানি-বিঘিনি নোহোৱাকৈ চলি থাকিল। আমি নিজে সেই সময়ত মুৰ্কংচেলেকত কাৰ্য নিৰ্বাহ কৰিছিলোঁ। পৰৱৰ্তী কালত মাৰ্ঘেৰিট‍ৰ কাৰখানাৰো কাঠ যোগানৰ কাম-কাজত অৰিহণা যোগাইছিলোঁ; —অৱশ্যে চৰকাৰী বন বিভাগৰ কৰ্মচাৰী হিচাপে।


দেশ স্বাধীন হোৱাৰ পাছত স্বাধীন ভাৰতৰ চৰকাৰে উদ্যোগ স্থাপনৰ ক্ষেত্ৰত নতুন নীতি প্ৰযোজ্য কৰিলে। এই নীতিৰ ফলত অসমত (অবিভক্ত অসমত) নতুন নতুন উদ্যোগ, বিশেষকৈ প্লাইউদ আৰু শমিল স্থাপিত হ'ল। উদ্যোগৰ খাটিৰত অসম চৰকাৰে বাহিৰৰ উদ্যোগপতিক উদ্যোগ স্থাপন কৰিবলৈ আদৰি আনিলে। এই ক্ষেত্ৰত ভাৰতৰ বিখ্যাত পুঁজিপতি বিৰলাৰ নাম উল্লেখ কৰিব পাৰি। নাম মাত্ৰ কাঠৰ খাজানা লৈ, লাখ-লাখ টকা অগ্ৰিম দি চৰকাৰী টকাৰে ব্যক্তিগত পুঁজিপতিক ধন আৰ্জিবলৈ অনভিজ্ঞ, অদুৰদৰ্শী, অসাধন চৰকাৰে সুবিধা কৰি দিলে। ফলত, অসমৰ আপুৰুগীয়া হাবিখন উদং হ'ল। বিৰলাতকৈ কম ধনী পুঁজিপতিসকলেও প্লাইউদৰ নিচিনা লাভজনক ব্যৱসায় কৰিবলৈ অসমলৈ ঢাপলি মেলিলে।

১৯৭৬ চনৰ চৰকাৰী তথ্য অনুযায়ী অসমত ৩৮ টা প্লাইউড ফেক্টৰি আছিল



আলোক চিত্ৰ: দীপক বেজবৰুৱা







আৰু শমিল আছিল ২৫৩ টা। কিন্তু ১৯৮৭ চনত শমিলৰ সংখ্যা হ'লগৈ ৫০০ ৰো অধিক আৰু বোধহয় প্লাইউড ফেক্টৰি হ'ল প্ৰায় ৪০ টা। এই কাঠ উদ্যোগৰ কেঁচামাল আহে ক'ৰপৰা? সংৰক্ষিত, অসংৰক্ষিত হাবিৰ গছ, অসমীয়াৰ বাপতিসাহোন বাৰীৰ গছ, আলিৰ দাঁতিৰ গছ, ম্যাদী, একচনা পট্টাৰ গছ, চাহ-বাগিচাৰ এলেকাৰ গছ, এই সকলো গছ হ'ল উক্ত উদ্যোগবোৰৰ কেঁচামাল। এচাম মানুহে নিয়ম-কানুন মানিয়েই হওক নতুবা নমনাকৈয়ে হওক, দেখাকৈয়ে হওক বা চোৰাংভাৱেই হওক এই গছবোৰ জধে-মধে কাটিবলৈ ধৰিলে। চৰকাৰৰ যি ৰখীয়া-পৰীয়াৰে বন বিভাগটো আছে তেওঁলোকে এইবোৰ দেখি-শুনি তবধ মানিলে। গছ কটা কামত শিক্ষিত-অশিক্ষিত, নগৰীয়া চহৰীয়া কোনো পিছপৰি নাথাকিল। অৰাজকতাৰ সৃষ্টি হ'ল। চৰকাৰ থাকিও নথকাৰ দৰে হ'ল। ভংঘলী অসম মৰুভূমিত পৰিণত হোৱাৰ উপক্ৰম হ'ল। উপায় নাপায় এই 'লুণ্ঠনৰাজ' বন্ধ কৰাৰ উদ্দেশ্যে কান্ধত কুঠাৰ লৈ বন বিভাগৰ লোক হাবিত সোমাল। এওঁলোকে হাবিত গছ কটাই, হাতী-ম'হেৰে কাঠ টনাই, লৰি-মটৰেৰে সুচল ঠাইত কাঠ-ডিপ' কৰিব; নিলামত কাঠ বিক্ৰি কৰি এহাতে চোৰাং কাঠ কটা কাম বন্ধ কৰিব আৰু আনহাতে চৰকাৰক ৰাজহ অৰ্জন কৰি দিব। পৰিতাপ আৰু আশ্চৰ্যৰ বিষয় এয়ে যে, যি লোকক চৰকাৰে হাজাৰ-হাজাৰ টকা খৰচ কৰি ডেৰাডুন কলেজত, কাৰ্ছিয়ং বন-কলেজত, জালুকবাৰী, মাকুমৰ বন বিদ্যালয়ত আৰু উচ্চ বিষয়াৰ কাৰণে স্থাপিত বৰ্নিহাট কলেজত গছ-ৰোৱা, পৰিচালনা ইত্যাদি ইত্যাদি বিষয়ত অভিজ্ঞ কৰি আনিছিল, সেইসকলেই গছ-ৰোৱাৰ পৰিবৰ্তে গছ কাটিবলৈ ধৰিলে। আৰু সঁচা কথা কবলৈ কি, বহু অসৎ অভিপ্ৰায়ৰ বন কৰ্মচাৰীয়ে নিজে-নিজেই এই অপকৰ্মত হাত উজান দিলে। সেইবুলি আমি সকলোকে দোষাৰোপ কৰা নাই। তেওঁলোকৰ মাজতো সৎ-দূৰদৰ্শী বন-কৰ্মচাৰী আছিল; কিন্তু তেওঁলোকে পৰিৱেশৰ পৰিপ্ৰেক্ষিতত নিৰৱে কাৰ্য কৰি গ'ল আৰু চকুৰ আগতেই অসমৰ আপুৰুগীয়া হাবিখন ধ্বংস হৈ গ'ল। ১৯৮৩ চনৰ পৰা ১৯৮৫ চনৰ ভিতৰতে ৰাজ্যৰ হাবি-বননিৰ বহু ক্ষতি হ'ল। ইয়াৰ প্ৰমাণ বৰ্তমানৰ ফেনি কমিছন। ডেকা তেজৰ চৰকাৰখনে উপায়ান্তৰ হৈ কাঠ কটা একেবাৰে বন্ধ কৰি দিলে। অৱশ্যে লোকচানো হ'ল বহুত। নিৰ্ভৰযোগ্য সংবাদমতে যিবোৰ মূল্যবান গছ বন বিভাগে কটাই, উলিয়াই, নিলাম বজাৰত বিক্ৰি কৰাৰ ইচ্ছা কৰিছিল, সেই কাঠবোৰ হাবিতে পচি যাবলৈ ধৰিলে আৰু আনহাতে কটা খৰচ আদি পানীত পৰিল। নিয়ম অনুযায়ী কটা কাঠখিনি উলিয়াই আনিব পৰা হ'লে দুয়োটা সমস্যা সমাধান হ'লহেঁতেন। পিছে যাওক সেইবোৰ অৰণ্যৰ মজিয়াত সাৰ হ'ব আৰু নতুনৰ জন্ম হোৱাত সহায় হ'ব। কাকতে-পত্ৰই জনামতে এতিয়াও কৰবাত-কৰবাত চোৰাং বেহা চলিয়েই আছে। এই বেহা বন্ধ কৰিব নোৱাৰিলে গছ কটা বন্ধ কৰা আঁচনি বিফল হ'ব। উল্লেখ কৰিব পাৰি যে, বন বিভাগে নিজে-নিজে গছ কাটি বিক্ৰি কৰা নীতিৰ বিপক্ষে এদিন আমি মাত মাতিছিলোঁ, কিন্তু তেতিয়া কাৰ কথা কোনে শুনে?

অসমত কাঠ কটা বন্ধ হোৱাত প্লাইউড় কাৰখানাৰ মালিকৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল; কিন্তু এই অৱস্থা অধিক দিনৰ বাবে নহ'ল। চতুৰ বেপাৰীসকল কাঠৰ অন্বেষণত লাগিল। আগতে কেঁচা মাল দি থকা অৰুণাচল আৰু নগালেণ্ডৰ চৰকাৰে কাঠ যোগান বন্ধ কৰি দিলে; কিন্তু কিছু পৰিমাণৰ কাঠ অসমৰ অন্তৰ্ভুক্ত কাৰবি আংলঙৰ পৰা আহি থাকিল। এই অলপীয়া পৰিমাণে ইমান ডাঙৰ কাৰখানাৰ চাহিদা পূৰণ কৰিবলৈ অসমৰ্থ হ'ল। তাতে প্লাইউডৰ কাঠৰ পৰিমাণ নগন্য। আগৰ জমা থকা কিছু কাঠেৰে কোনোমতে প্লাইউড আৰু শ'মিলবোৰ চলি থাকিল; কিন্তু এদিন এই কাঠ অন্ত পৰাত বহু শ'মিল আপুনা-আপুনি বন্ধ হৈ গ'ল। কিছুমান প্লাইউড কাৰখানাৰ দুৱাৰত তলা ওলমিবলৈহে বাকী থাকিল। দেশত যেতিয়া কেঁচা মালৰ নাটনি হ'ল তেতিয়া পুঁজিপতিসকল বিদেশৰ কাঠৰ অন্বেষণত ওলাল আৰু অৱশেষত তেওঁলোকে বিদেশী কেঁচা মাল অসমৰ উজনিত অৱস্থিত প্লাইউড

কাৰখানাৰ বাবে যোগাৰ কৰিলে। তাৰ ফলত আমি আজি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথত প্ৰথমতে উল্লেখ কৰা দৃশ্য দেখিবলৈ পাওঁ।

ছিংগাপুৰ হ'ল মালয়েছিয়াৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ঘাটি। ইয়ালৈ পৃথিৱীৰ বহু দেশৰপৰা, বিশেষকৈ চীনৰপৰা মালয়েছিয়াৰ অৰণ্যত জন্ম পোৱা বিবিধ জাতৰ কাঠ বিচাৰি বেপাৰী আহে। মালয়েছিয়া বহু মূল্যবান গছ-গছনিৰে ভৰা উপদ্বীপ। চৰকাৰে যন্ত্ৰেৰে কাঠ কাটি জমা কৰি ৰাখে আৰু মাজৰ বেপাৰীয়ে বেপাৰ কৰে। বিভিন্ন দেশৰপৰা কাঠ বিচাৰি অহা বেপাৰীয়ে এই মাজৰ মানুহৰ পৰাহে কাঠ কিনা নিয়ম। পোনপটীয়াকৈ চৰকাৰৰ লগত বন্দবস্ত কৰাৰ নিয়ম নাই। এই মাজৰ মানুহে চৰকাৰৰ লগত যোগাযোগ ৰাখে। জনা মতে, অসমৰ প্লাইউড কাৰখানাই ব্যৱহাৰ কৰা কাঠবিধক মালয়েছিয়াৰ ভাষাত কেৰুয়িং (caruing) বোলা হয়। জনা মতে, সেই কাঠ ভাৰতৰ গ্ৰাহকৰ বাহিৰে আন গ্ৰাহকে নলয়। বিদেশৰ গ্ৰাহকে অইন কাঠহে পছন্দ কৰে। তাত কাৰো লগত কোনো চুক্তিৰো কথা নাই। আমি যেনেকৈ বজাৰত আমাক লগা বস্তুখিনি যোগাৰ কৰোঁ, তেনেদৰে জমা কৰি থোৱা কাঠ বজাৰৰ পৰা কিনিব পাৰি। এটা তাৎপৰ্যপূৰ্ণ কথা, ছিংগাপুৰতহে বেপাৰীৰ লগত বেপাৰৰ সম্বন্ধ আছে। কোনোবাই কাঠ চাব খুজিলে মালয়েছিয়াৰ জমা কৰা ঠাইত চাই আহিব পাৰে। এই ক্ষেত্ৰত চৰকাৰে প্ৰত্যেক বিধ কাঠৰ সৰু-সৰু স্পেছিমেন কৰি বুকলেট'ৰ লগত গ্ৰাহকৰ মাজত বিচৰণ কৰে। সেই 'বুকলেট'বোৰত প্ৰত্যেকবিধৰ কাঠৰ বিস্তৃত বিৱৰণ থাকে (ওজন, মসৃণতা, যিমান দিন টিকে আৰু কি কামৰ উপযোগী ইত্যাদি।) এইবোৰ চাই-চিতি মাজৰ মানুহৰ লগত খৰিদ্দাৰে ব্যৱস্থা গ্ৰহণ কৰে। এই আন্তঃৰাষ্ট্ৰীয় কাঠৰ বজাৰখনত কাঠৰ দাম একেদৰে নাথাকে ; কম-বেছি হৈ থাকে। কেৰুয়িং কাঠ (বৈজ্ঞানিক নাম Diptero-carpus) আমাৰ অসমৰ হোলংজাতীয় কাঠ, প্ৰায় একেই। এই কাঠবিধ ভাৰতৰ বিভিন্ন ঠাইত প্ৰতিষ্ঠিত প্লাইউড কাৰখানালৈ আহি আছে। অসমলৈ ১৯৮৬ চনৰ পৰা ইয়াৰ যোগান আৰম্ভ হৈছে। দাম প্ৰথমতে আছিল প্ৰতি কিউবিক ফুটত ১১০ ইউ. এছ. ডলাৰ (কলিকাতাৰ বন্দৰ পৰ্যন্ত) কিন্তু এতিয়া ১৮০ ইউ. এছ. ডলাৰ হৈছেগৈ। ভাৰত চৰকাৰে এই কাঠ অনাৰ ক্ষেত্ৰত আগৰ শতকৰা ১০০ ভাগৰ ঠাইত ১০ ভাগ কাষ্টম ডিউটি নিৰ্ধাৰণ কৰিছে। লাইছেনছৰ ক্ষেত্ৰতো কোনো বাধ্য-বাধকতা ৰখা নাই। অ'পন জেনেৰেল লাইছেন্‌ছ ( Open General License ) পোৱাটো সহজ। ভাৰত চৰকাৰে কাষ্টম ডিউটি কমাই ভাৰতৰ বাহিৰৰপৰা কাঠ আনি ভাৰতত প্ৰতিষ্ঠিত কাঠ উদ্যোগৰ উন্নতি কৰাৰ কাৰণে উৎসাহ জোগাইছে। যোৱা বছৰৰ পৰা অসমৰ ৪০ টা প্লাইউড মিলে গাইপতি ৫০০০ কিউবিক মিটাৰকৈ আনিলেও প্ৰায় ২,০০,০০০ কিউবিক মিটাৰ মালয়েছিয়াৰ হোলং কাঠ আনিছে। এটা কথা এইখিনিতে উল্লেখ কৰিব পাৰি : মাজৰ মানুহে চৰকাৰৰ লগত যি বন্দবস্ত কৰে তাক 'কনছেছন' বুলি কোৱা হয়। এই কনছেছন খৰিদ্দাৰৰ ওপৰত প্ৰযোজ্য নহয়। এয়া তেওঁলোকৰ চৰকাৰী নীতি। এই কনছেছন আমাৰ এগ্ৰিমেণ্টৰ সুবিধাৰ দৰে।

কটা কাঠৰ টুকুৰাবোৰ,— আমাৰ চলন্তি ভাষাত কুন্দাবোৰ, —হাবিৰ ডিপ'ৰ পৰা সৰু-সৰু জাহাজেৰে সাগৰৰ ডাঙৰ জাহাজলৈ অনা হয়। তাতো বন বিভাগ আছে। আৰু সেই বিভাগৰ কৰ্মচাৰীয়ে সকলো নীতি-নিয়ম পালন কৰে। অসমলৈ আহোঁতে অসম আৰু পশ্চিমবংগ সীমান্তৰ শ্ৰীৰামপুৰত ট্ৰেনজিট পাছ সলনি কৰা হয় আৰু কাঠ আনোতাই নতুন ট্ৰেনজিট পাছ পায়।

এতিয়া কাঠৰ গুণাগুণৰ বিষয়ে আলোচনা কৰোঁ। অসম প্লাইউড সন্থাৰ প্ৰাক্তন সভাপতি, মাৰ্ঘেৰিটাৰ অসম টিম্বাৰ ট্ৰিটিং ৱৰ্কছ প্ৰাইভেট লিমিটেডৰ মালিক শ্ৰীসন্তোষ কুমাৰ চেংগেনেৰিয়াৰ মতে অসমৰ, হোলঙতকৈ মালয়েছিয়াৰ হোলংকাঠ উৎকৃষ্ট। কাৰণ, সেই হোলঙৰ 'আউটপুট' বেছি আৰু ফেছ ভেনিয়াৰ (face veneer) সুন্দৰ। গতিকে প্লাইউড কাৰখানাৰ মালিকসকলে সেই হোলং কাঠহে ভাল পাইছে আৰু তেওঁলোকৰ লাভো বেছি হৈছে। তেওঁৰ মতে কলিকাতাৰ পৰা মাৰ্ঘেৰিটা পাওঁতে প্ৰতি কিউবিক ফুটত ১৩০ টকা পৰে যদিও লাভ আছে। ইয়াৰ সলনি অসমৰ হোলংকাঠ প্ৰতি কিউবিক ফুটত ৯০ টকা হিচাপে পালেও তুলনামূলকভাৱে লাভৰ পৰিমাণ কম হয়। গতিকে, তেওঁলোকে মালয়েছিয়াৰ কাঠহে বেছি পছন্দ কৰে। এতিয়া বহুতে কলিকাতালৈ গৈ তাত প্লাইউড কাৰখানা বহুউৱাত ব্যস্ত হৈছে। ইমান দূৰলৈ অনাৰ পৰিবৰ্তে কলিকতা বন্দৰৰ আশে পাশে কাৰখানা বহুৱাব পাৰিলে অধিক লাভবান হ'ব বুলি তেওঁলোকে ঠিৰাং কৰিছে। কাঠৰ বজাৰখন খোলা আছে। যিমান দিনলৈ মালয়েছিয়াই কাঠৰ যোগান ধৰিব পাৰে আৰু খৰিদ্দাৰে কিনিব পাৰে সিমান দিনলৈকে তেওঁ কোৱা মতে, কাঠৰ নাটনি নহয় ; দাম হয়তো উঠা-নমা কৰি থাকিব।

এনেভাৱে বাহিৰৰপৰা কাঠ অহাটো সুখৰ বিষয় ; অসমৰ হাবিখনে কিছুদিনলৈ শান্তি আৰু জিৰণি পাইছে। এনেদৰে অন্ততঃ ১০ বছৰমান চলিলে অসমৰ হাবিখনে আগৰ নিচিনাকৈ ৰাইজৰ চাহিদা আৰু প্লাইউড উদ্যোগৰ চাহিদা পূৰণ কৰিব পাৰিব। কাঠ নাপালে যদি কাৰখানাবোৰ বন্ধ হৈ যায় তেন্তে আমাৰেই লোকচান হ'ব অধিক।





# এজন পাহৰি যোৱা কবিৰ কথা

তেখেত এতিয়া আৰু নাই। মৰাৰ কেইবছৰমানৰ আগতে চকুৰে প্ৰায় নেদেখা অৱস্থাত তেখেতে মোক এখন কিতাপ উপহাৰ দি তাত লিখিছিল : "মৃত্যুঞ্জয়-প্ৰণেতা লব্ধ প্ৰতিষ্ঠ সাহিত্যিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ কৰ-কমলত : শ্ৰীকমলেশ্বৰ চলিহাৰ উপহাৰ। ২৮।৪।৮০।" কিতাপখনৰ নাম "অৰুণিমা"। আৰম্ভণিতেই তেখেতৰ কবিতা 'ধন'ৰ দুশাৰী বাক্য :

এই দুৰ্দিনত মোক এক বিন্দু দিয়া
শান্ত, স্থিৰ বিশ্বাসৰ এটুপি অমিয়া।

'অৰুণিমা' বোধহয় তেখেতৰ শেষ প্ৰকাশিত কবিতা-পুথি। কবিতাবোৰৰ সৰহ ভাগ প্ৰাক স্বাধীনতা কালত ৰচিত। তেখেতে পাতনিত লিখা কেই আষাৰমান মন কৰিব লগীয়া: 'উত্তৰ স্বাধীনতা কালৰ কবিতাৰ দৰ্শন নিশ্চয় সুকীয়া। এই যুগৰ আকৰ্ষণ ঘাইকৈ ৰাসায়নিক আৰু বৈজ্ঞানিক। শাওণ মহীয়া কদম ফুলৰ তলত যিজন কবিয়ে মেঘবৰ্ষণত যি দৰে শিহৰণ অনুভৱ কৰিব, সেই দৰে একেজন কবিয়েই বিমান যাত্ৰা কালত মেঘ মল্লাৰত নিশ্চয় সেই একেদৰে পুলকিত হৈ নুঠে। কবিত্বৰ জগতখন সুকীয়া। আজিও সেই জগতৰ 'সুকীয়াত্ব' মই অনুভৱ কৰোঁ। বাস্তৱ কবিত্ব কাক বোলে আজিলৈকে তাক নুবুজিলো। জীৱনত অন্তহীন প্ৰহেলিকা— এই কথাটোকে মাথোন ক'ব পাৰোঁ। নিত্যক অনিত্য বুলি ভবাটো স্বপ্ন, কিন্তু অনিত্যক নিত্য বুলি ভবাটো বাস্তৱ। অপাৰ্থিব সৌন্দৰ্য্যৰ স্বপ্নৰ বাহিৰে আৰু কি আছে ? কিন্তু পাৰ্থিৱ সৌন্দৰ্য্যতো যি বাস্তৱতা, সি নিষ্ঠুৰ। প্ৰেমৰ প্ৰদীপ যে অখণ্ড হৈ নজ্বলে, সি যে বাৰে বাৰে নুমাই যায়, এই অনুভৱটোকে মই বাস্তৱ কবিত্বৰ অনুভৱ বুলিব খোজো, বাকীবোৰ কেৱল কল্পনা। যিসকল ৰসগ্ৰাহী পাঠক-পাঠিকা বাস্তৱ-কবিতাৰ পক্ষ-পাতী, তেওঁলোকক 'অৰুণিমা'ই সন্তোষ দিব নোৱাৰিব। বাস্তৱ-কবিতাৰ শক্তি, ক্ষমতা আৰু মাধুৰ্য্য মই স্বীকাৰ কৰোঁ, কিন্তু সাহিত্যৰ বাস্তৱ মন্দিৰত সোমাবলৈ মই পদে পদে ভয় আৰু সংকোচত বিৱৰ্ণ। সেই দেখি যথাৰ্থ প্ৰেম-কবিতা মোৰ নাই, স্বদেশ প্ৰেমৰো নায়েই পৰমাত্মা প্ৰেমৰো নাই ; কেৱল আছে, নিজৰ স্মৃতি আৰু বিস্মৃতিৰ পূজা আৰু তাৰ পৰা ওপজা অভিজ্ঞতাৰ ওচৰত নতজানু হোৱা। সেই বাবে সকলো দীনতা আৰু অক্ষমতাৰ বাবে ক্ষমা বিচাৰিছোঁ।"

চলিহাৰ কাব্য-ধাৰণা এইখিনি কথাই স্পষ্টভাৱে ফুটাই তুলিছে বুলি ক'ব নোৱাৰি। তথাপি তেওঁ যিহক বাস্তৱ কবিত্ব বুলি কৈছে, সি যে স্বাধীনতাৰ পাছৰ যুগৰ বাস্তৱবাদী কবিসকলৰ দৃষ্টিভংগী, সেই সম্পৰ্কে কোনো সন্দেহ নাই। তেখেতৰ ধাৰণা আছিল এনে কবিতাৰ বিষয়বস্তু 'অনিত্য', সৌন্দৰ্য পাৰ্থিৱ আৰু দৰ্শন বৈজ্ঞানিক চিন্তাৰ দ্বাৰা প্ৰভাৱান্বিত। এই ধাৰণা কিছুদূৰ সঁচা। কবিতাই তেতিয়া সমসাময়িক কাল আৰু পৰিৱেশৰ পৰা প্ৰেৰণা লৈছিল। কিন্তু প্ৰেম, স্বদেশ প্ৰেম আৰু পৰমাত্মাৰ প্ৰেম অসমীয়া কবিতাৰ বিষয়বস্তু ৰূপে আগৰে পৰাই আছিল। চলিহাৰ সমসাময়িক কেইবাজনো কবিৰ কবিতাত এনে বিষয়বস্তু পোৱা যায়।

চলিহাই অৱশ্যে "নিজৰ স্মৃতি আৰু বিস্মৃতিৰ পূজা" আৰু "তাৰ পৰা ওপজা অভিজ্ঞতাৰ" দ্বাৰাহে তেখেতৰ কবিতা পৰিপুষ্ট, —এনে এটা ইংগিত দিছে। তেখেতে সৌন্দৰ্য অপাৰ্থিৱ আৰু জীৱন অন্তহীন প্ৰহেলিকা বুলি ধাৰণা কৰিছিল। কবিতাৰ জগতখন বাস্তৱ জগতৰ পৰা সুকীয়া এক কল্পলোক এনে এটা ইংগিতো তেখেতে দিছে। ইয়াত তেখেতে বাস্তৱ জগতক নশ্বৰ সংসাৰ বুলি ধৰিছে বুলি ধাৰণা হয়।

প্ৰকৃততে বাস্তৱতা মানে অকল ইন্দ্ৰিয়ৰ সহায়েৰে অনুভৱ কৰা জগতখনেই (জগতখনৰ অভিজ্ঞতাই) নহয়। কিন্তু এই অভিজ্ঞতাও কম নহয়। বাস্তৱতা শব্দটোৱে প্ৰকৃতি, সমাজ, পৰম্পৰা, মানৱ প্ৰকৃতি আৰু সংস্কৃতি বা এইবোৰৰ অভিজ্ঞতাকো সামৰে। কাজেই যি কবিৰ অভিজ্ঞতা যিমানে বহল হয়, সেই কবিৰ কবিতাৰ বিষয়-বস্তু সিমানে চহকী হয়। এইবিলাক অভিজ্ঞতা বহলাই সেইবিলাকৰ মূল ভাবৰ সমন্বয় ঘটাই সাধাৰণ ৰূপ দিব নোৱাৰিলে অভিজ্ঞতাবোৰৰ জীৱন-মূল্য থাকিলেও, কাব্যিক মূল্য নাথাকিব পাৰে। এনে বহুত সামাজিক কবিতা আৰু গান আমি শুনিছোঁ, যিবোৰ আন্দোলন বা সামাজিক পৰিৱৰ্তনৰ প্ৰবাহ শেষ হোৱাৰ পাছত আকৰ্ষণ-ৰহিত হৈ পৰে। এনেবোৰ কবিতা আৰু গানৰ জীৱন-মূল্য অধিক। কাব্যিক মূল্য কম।

এবাৰ বিহাৰলৈ যাওঁতে ছাত্ৰ যুৱ সংঘৰ্ষ বাহিনীৰ কেইজনমান কবিক লগ পাইছিলো। তেওঁলোকৰ মুখত শুনিছিলো 'জৰুৰীকালীন অৱস্থাৰ বিৰুদ্ধে' আৰু 'সম্পূৰ্ণ ক্ৰান্তি'ৰ হকে জয়প্ৰকাশে আৰম্ভ কৰা আন্দোলনত কবিতা আৰু গানৰ অৱদান আগবঢ়োৱাৰ কথা। এইবিলাক ৰচনাৰ জীৱন-মূল্য অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু সেইবিলাক গান আৰু কবিতাই হিন্দী সাহিত্যত জানো ঠাই পাইছে ? কাব্যিক মূল্যত উত্তীৰ্ণ নহ'লে কবিতা বা গানে সাহিত্যৰ বৰ ঘৰত বহিবলৈ বৰ পীৰা নাপায়। লোক কবিতা আৰু লোক গানৰ ক্ষেত্ৰতো এই কথা খাটে। ব্যৱহাৰিক আৰু জীৱনগত মূল্যৰ বলত সমাজত বহুত কবিতা আৰু গান বাচি থাকে। ধৰ্ম-গীতবোৰক এনে শাৰীত লব পাৰি। উদ্বৰৰ সৰহ ভাগ নাম-গীতবোৰো এই শাৰীৰ।



OKDISCD

তথাপিও সামাজিক আলোড়ন আৰু আন্দোলনৰ চেতনা চলিহাৰ কবিতাত নাই বুলি ক'ব নোৱাৰি। দুটা উদাহৰণ দিলেই যথেষ্ট হ'ব। 'জাতি সংগঠন'ৰ কামত যে অকল 'মায়া-মমতাৰ সেউজীয়া নিৰ্মল জেউতি'য়েই থাকে, এনে নহয়, তাত 'ৰুদ্ৰ ভাষাৰ' লোহিত বৰণৰ বোলো দেখা যায়। 'অসৃষ্টিৰ মলিনতা' ৰোধ কৰাৰ বাবে "মঙ্গলময়ৰ মহা-অভিযানত বজ্ৰ শৰৰ প্ৰয়োজন তেওঁ অনুভৱ কৰা দেখা গৈছে :

অমঙ্গল ৰোধ কৰা
প্ৰথম কল্যাণ পথ জাগে
তাৰ বাবে জগতৰ
শত শত অমঙ্গল ভাগে
এই কল্যাণ ব্ৰত-ব্ৰতী
জীৱন বিধতা
তেওঁৰ ব্ৰতত জাগে
মানুহৰ মঙ্গল-বাৰতা।
যি দুৰন্ত অমঙ্গলে কৰে
সৃষ্টি-প্ৰসঙ্গ ব্যাহত
জীৱন-স্ৰষ্টাই তাক
কৰে বজ্ৰাহত।
এই মহা-অভিযান মঙ্গলময়ৰ
তাত যোগ দিয়া তুমি
আনি বজ্ৰ শৰ
আনি প্ৰতিৰোধ শক্তি
অতুল অদম্য
এক কৰি হোৱা তুমি জগত প্ৰণম্য।

তেওঁৰ 'প্ৰথম মে' কবিতাটোত সমাজবাদী আন্দোলনৰ ধ্বনি শুনা যায় ;

ইমান কৰুণ ইতিহাস
পুঞ্জ হই এদিনতে কৰিলে সভ্যতা সৰ্বনাশ
জক্‌মক্ ৰাজহৰ্ম্যই আৰৱা
ঐশ্বৰ্য্য সাজে নিতে গঢ়া
ৰজাৰ মুকুট
চিৰকাল অৰ্থে হ'ল মাটিত লুপুত
ধুলিত গুপুত।
কঠিন কঠোৰ শত হাতে
কাচি আৰু হাতুৰীৰ চোক আৰু মাতে
প্ৰচাৰ কৰিলে নৰশিক্ষা
জনে জনে শতহিয়া সমাজতন্ত্ৰত দিলে দিক্ষা
এই পৰাক্ৰম অভিনৱ
মানি লই বুৰি যায় ৰাজ্যৰ গৌৰৱ।

এইবিলাক উপলব্ধি বাস্তৱবাদী বুলি জনাজাত কবিসকলৰ কবিতাৰ উপলব্ধিৰ সমকক্ষ। সাধাৰণ মানুহ বুদ্ধৰ দৰে ত্যাগী হ'ব নোৱাৰে, কাৰণ তেওঁৰ ৰাজ্য আৰু সম্পদ আদি ত্যাগ কৰাৰ কথা নুঠে। সাধাৰণ মানুহ নিজেই "মূৰ্তিমান গোবি মৰুভূমি" ; তেওঁলোক "শোকত আৰু মোহত মুহ্যমান" হ'লেও ত্যাগৰ দৃষ্টিৰ পৰা বুদ্ধৰ সমকক্ষ। একপ্ৰকাৰে ওপজোঁতেই তেওঁলোক বুদ্ধ হৈ আছে। এই ধাৰণা সৰল কিন্তু অগতানুগতিক, ধাৰণাটোত ৰাজকোঁৱৰ আৰু সাধাৰণ মানুহৰ ত্যাগৰ প্ৰভেদৰ কথা দৰ্শোৱা হৈছে। ইয়াত শ্ৰেণী চেতনা উহ্য আছে।

কাজেই চলিহাৰ কবিতাত পাৰ্থিৱ জীৱনৰ উপলব্ধি আছে। সাহিত্যৰ বাস্তৱ মন্দিৰত কবি নাই সোমোৱা বুলি ক'ব নোৱাৰি। কিন্তু কবিতা কেৱল পাৰ্থিৱ জীৱনৰ উপলব্ধি নহয়। অভিজ্ঞতাবোৰ কাব্যৰ বিভাবৰ ভাবৰ আলম। শব্দত সেই ভাবৰ ৰূপ সৃষ্টি আৰু ভাবৰ ৰসলৈ ৰূপান্তৰ কবিতাৰ সৃষ্টি-প্ৰক্ৰিয়াৰ অংশ বিশেষ। উপমা, কল্পচিত্ৰ, ছন্দ আৰু কবিতাৰ গঢ় এইবোৰ সৃষ্টিৰ পৰিণত ফল। সকলোবোৰ মিলিয়েই কবিতা হয়। চলিহাই 'স্মৃতি আৰু বিস্মৃতিৰ পূজাৰ পৰা' ওপজা অভিজ্ঞতাৰ দ্বাৰাই তেওঁৰ কবিতাসমূহ ৰচিত হৈছে বুলি মন্তব্য কৰিছে। 'স্মৃতি আৰু বিস্মৃতি' মনৰ ভিতৰত সঞ্চিত হৈ থকা বিবিধ সাংস্কৃতিক ভাব, মূৰ্তি, ৰূপ, আৰু অনুষংগ আদি বুলি ধৰিলে বোধহয় ভুল নহ'ব। চলিহাৰ কবিতাত যিবোৰ ভাব, মূৰ্তি, ৰূপ আৰু অনুষংগ পাওঁ, সেইবোৰৰ কিছুমান দেখা শুনা আৰু পুস্তক-পাঠৰ যোগেদি লভা, বা জাতীয় বা প্ৰজাতীয় উত্তৰাধিকাৰ সূত্ৰে পোৱা বস্তু। কবিতা লিখাৰ সময়ত তাৰে কিছুমান চেতন মনত আৰু কিছুমান অচেতন মনত থাকে। এইবোৰৰ প্ৰতি কবিৰ গভীৰ শ্ৰদ্ধা থাকে, আৰু সেইবোৰ মানসিক অভিজ্ঞতাৰ অন্তৰ্ভুক্ত হয়। এইবোৰ অভিজ্ঞতা বাস্তৱ অভিজ্ঞতাৰ লগত মিহলি হ'লে বাস্তৱ অভিজ্ঞতাৰ উপাদানবোৰক সাংস্কৃতিক প্ৰমূল্যেৰে বিচাৰ কৰি চয়ন কৰিব লগা হয়। ভাষা জ্ঞানো সাংস্কৃতিক উপাদানৰ ভিতৰত পৰে। প্ৰকৃত পক্ষে মানসিক ভাব, মূৰ্তি, ৰূপ আৰু অনুষংগবোৰ ভাষাৰ অবিহনে বোধগম্য নহয়। সেইদৰে বাস্তৱ অভিজ্ঞতাৰ পৰা পোৱা কাব্যিক উপাদানবোৰো শব্দৰ মাজেদিহে মূৰ্ত কৰিব পাৰি।

পৰম্পৰা আৰু বাস্তৱতা কিদৰে কবিতাত লীন হৈ যায়, সেই সম্পৰ্কে কবিয়ে বা সমালোচকে সম্যক ব্যাখ্যা দিব নোৱাৰে। তথাপি ব্যাখ্যা দিয়াৰ চেষ্টা চলি আছে, আৰু সেই চেষ্টাৰ ফলতে কবিতাৰ বিভিন্ন সূত্ৰৰ সৃষ্টি হৈছে। কিছুমান এৰাব নোৱৰা কাৰণত একোজন কবিয়ে হয় পৰম্পৰা, নহয় বাস্তৱ, —কিহবাৰ ওপৰত জোৰ দিব লগাত পৰে। এনে প্ৰয়োজনৰ ওপৰতে বেলেগ বেলেগ কবিৰ বেলেগ বেলেগ মানসিকতাই গঢ় লৈ উঠে। কবি চলিহাৰ মানসিকতা (অন্ততঃ অৰুণিমাৰ কবিতাবোৰত যি দৰে প্ৰকাশ পাইছে) স্বাধীনতাৰ আগৰ যুগৰ অসমৰ বিংশ শতাব্দীৰ পৰিবেশে গঢ় দিছিল। এই পৰিবেশ কি আছিল, তাক জানিবলৈ হ'লে সেই সময়ৰ সমাজ, সংস্কৃতি আৰু প্ৰকৃতিৰ প্ৰভাৱৰ কথা বঢ়িয়াকৈ জানিব লাগিব। এই কাম কষ্টসাধ্য আৰু সময়-সাপেক্ষ। তথাপি চলিহাৰ দৃষ্টিৰ পৰা তাক বুজা আমাৰ প্ৰয়োজন।

স্বাধীনতাৰ আগৰ কবিতাৰ পৰিবেশ আৰু স্বাধীনতাৰ পাছৰ কবিতাৰ পৰিবেশৰ প্ৰভেদ বুজাবলৈ কবিয়ে এটা উপমা দিছে : "শাওণমহীয়া কদম ফুলৰ তলত যিজন কবিয়ে মেঘবৰ্ষণত যিদৰে শিহৰণ অনুভৱ কৰিব, সেইদৰে একেজন কবিয়েই বিমান-যাত্ৰা কালত মেঘ-মল্লাৰত নিশ্চয় সেইদৰে পুলকিত হৈ নুঠে।" উপমাটিয়ে কালান্তৰৰ ইংগিত দিয়ে। দ্বিতীয় মহাসমৰৰ সময়তেই অসমৰ সাধাৰণ মানুহে বিমান দেখে। আপোন কৰি লৈ আকাশৰ মেঘৰ সংগীত শুনাৰ জোখাৰে বিমানখন মনৰ আপোন কৰিবলৈ যি সময়ৰ প্ৰয়োজন, তাক চলিহাই নাপালে। অৱশ্যে এনে চেষ্টা তেওঁ কৰিছিল নে নাই তাকো আমি সঠিককৈ নাজানো। প্ৰথম এৰোপ্লেন দেখি মই এটা কবিতা লিখা মনত পৰে। তেতিয়া মই কলেজত পঢ়োঁ। মেছত থাকি কবিতাটো লিখিছিলো। কবিতাটো পঢ়ি ভুবানন্দ দত্তই যুগোপযোগী এই নতুন বিষয়বস্তুৰ উদ্দেশ্যে কল্পনা ধাবিত হোৱাৰ কথালৈ লক্ষ্য ৰাখি তাৰ শলাগ লৈছিল। কবিতাটো হেৰাল। যন্ত্ৰৰ প্ৰভাৱত সাংস্কৃতিক আৰু জৈৱিক পৰিস্থিতিত যি সলনি ঘটিবলৈ লৈছিল, সেই সলনিৰ প্ৰতীকবোৰ আপোন কৰি লওঁতে সময় লাগে। তাক উপমা বা কল্পচিত্ৰলৈ ৰূপান্তৰিত কৰিবলৈ জন্মবেদনাপূৰ্ণ এক কঠোৰ অধ্যৱসায়ৰ প্ৰয়োজন। স্বাধীনতাৰ পাছৰ কবিতাৰ আদৰ্শ এই দিশে ধাবিত হৈছিল। কিন্তু নতুন সাংস্কৃতিক আৰু জৈৱিক পৰিস্থিতিৰ সলনিবোৰৰ প্ৰভাৱ তেতিয়াও জনমানস আৰু কবিমানসত বিলীন হৈ যোৱা নাছিল। নৈতিক আৰু সামাজিক দ্বন্দ্ব তেতিয়া তীব্ৰ হৈ পৰিছিল।

এইবোৰৰ হেঁচা সেইসময়ৰ কবিতাৰ বিষয়-বস্তু আৰু আংগিকত অনুভূত হয়। নলিনীবালা, আনন্দ বৰুৱা, পাৰ্বতি প্ৰসাদ, জ্যোতিপ্ৰসাদ, দেৱকান্ত আৰু অম্বিকাগিৰিৰ দৰে কবিৰ কবিতাতো এই সলনিৰ হেঁচা কিছু অনুভুত হয়। কবিতাত ঋতু পৰিবৰ্তনৰ চিন স্বৰূপ মুক্তক ছন্দৰ কবিতা পোন প্ৰথম মহেশ্বৰ নেওগে লিখিছোঁ বুলি দাবী কৰাটোও এই নতুন ভাবমণ্ডলৰ হেঁচাৰে সাক্ষ্য। ৰঘুনাথ চৌধাৰীয়ে এই হেঁচাৰ সূক্ষ্ম প্ৰভাৱ অনুভৱ কৰি 'নৱমল্লিকা'ৰ কাব্যিক গদ্য ৰচনা কৰিবলৈ আগ বাঢ়ে বুলি মোৰ ভাবিবৰ মন যায়। কিন্তু ভালেমান কবিয়ে (যতীন্দ্ৰ নাথ দুৱৰা, লক্ষ্মীনাথ ফুকন, ৰত্ন বৰকাকতি আৰু কমলেশ্বৰ চলিহা আদি) এই সুঁতিয়েদি নাও মেলি যাবলৈ ৰাজী নহ'ল।

'অৰুণিমা'ৰ পাতনিখনে চলিহাৰ আত্মবিশ্বাসৰ প্ৰমাণ দিয়ে। কবিতাবোৰৰ ছন্দত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ প্ৰায়ে অনুভৱ কৰা যায়। থল বিশেষে তেওঁৰ ভাষা (শব্দ) আৰু উপমাতো মৌলিকত্ব অনুভৱ হয়। ভাবৰ ক্ষেত্ৰত তেওঁৰ এই কবিতাবোৰৰ উৎস কাব্যোপযোগী এক অদ্বৈতবাদেই বুলি বোধ হয়। এই অদ্বৈতবাদ পাঠ্যপুথি বা শাস্ত্ৰৰ অদ্বৈতবাদৰ লগত ষোল অনায় যে মিলিব তাক ক'ব নোৱাৰি। তেওঁ 'শংকৰাচাৰ্য' কবিতাত লিখিছে :

অদ্বিতীয় এজন ব্ৰহ্মৰ
নিৰুপাধি নিৰ্বিকাৰ প্ৰচাৰিলা সত্বাৰূপ
তীৰ্থে তীৰ্থে ভাৰতবৰ্ষৰ
তৰ্কই তৰ্কই নিৰীশ্বৰ বৌদ্ধবাদ কৰি মষিমূৰ
মায়াক বৰ্জন কৰি, কৰি দিলা দূৰ।
তোমাৰ শিষ্যৰ হেৰা চৰণৰ ওলে
শোভা কৰি ফুলি ফুলি ৰ'ল শতদল।
সুপণ্ডিত ভট্ট কুমাৰিল
তোমাৰ অগ্নিত যেন সোণ জিলিকিল।
তোমাৰ ৰচিত ভাষ্য, টীকা, শ্লোক ৰাশি
জ্বলে মন এন্ধাৰ বিনাশি
আজিও আজিও
মহান আচাৰ্য্য হেৰা,
তোমাৰ ৰচনা এৰি আমিও নিজীওঁ।"

ইয়াৰ লগতে তেওঁৰ "আত্মস্মৃতি" কবিতাৰ দুই এষাৰি পদ সুঁৱৰিব পাৰি। এই কবিতাটো তেওঁৰ আত্মজীৱনী। কবিতাটোক তেওঁ কবিতাৰ মৰ্যাদা দিয়া নাই। গদ্য কৰিলে কবিতাটো আত্মজীৱনীয়েই হ'ব। নিজৰ শিক্ষা আৰু দৰ্শনৰ কথা কওঁতে চলিহাই কৈছে :

"সেইদৰে এক শৰণীয়া ধৰ্ম
গীতাৰ কাহিনী মৰ্ম
যুক্ত হই ৰ'ল,

শংকৰী ধৰ্মৰ স'তে বেদান্তৰ ধৰ্ম মিলি গ'ল
মোৰ বাবে এই শাস্ত্ৰ ৰাশি
দণ্ডধৰ ৰূপে ৰ'ল বিমঙ্গল নাশি। —(১)

"সেই জন মহাত্মাৰ *
আদৰ্শ শিক্ষাই দিলে জীৱনৰ বোধৰ বিচাৰ
সেই বোধ আত্মাৰ সমল
হীৰা-মাণিকৰ দৰে আন্ধাৰতো কৰে জল্‌মল্।" —(২)

"এনে কি বিধান আছে সমগ্ৰ বিশ্বত
ক্ষুধিত আতুৰ হ'ব সুষ্ঠ কৰ্মৰত ?
খৰচী-কৃপণ দুয়োজন
কেনেকৈ হ'ব দুয়ো বিশ্ব পথ ক'ল্যাণ মগন,
এনেদৰে ব্ৰতী কল্যাণৰ
সংসাৰৰ পথ কৰি গঢ়িত সুন্দৰ ?
তেনে সেই সৰ্ব উচ্চ কল্যাণৰ বিশ্ব
মহতী আশ্ৰয় হ'ই ৰক্ষা কৰি যতমানে নিঃস্ব
হ'ব পুণ্য স্বৰ্গৰ সমান,
তাতেই বাজিব উঠি বৈকুণ্ঠৰ গান।"—(৩)

এইবিলাক পদ পঢ়িলে ধাৰণা হয়, তেওঁৰ আধ্যাত্মিকতা সংসাৰৰ সুখ-দুখৰ প্ৰতি উদাসীন নাছিল। বৰং তেওঁ নিস্বাৰ্থ কৰ্মৰ মাজেদিহে বিশ্ব কল্যাণ লাভ হয় বুলি পতিয়ন গৈছিল। এই আধ্যাত্মিকতা মংগলময়ৰ মহা-অভিযান-বিমুখী নাছিল। ('জাতি সংগঠন' কবিতা দ্ৰষ্টব্য)।

চলিহাৰ জীৱনী ইয়াত আলোচনা কৰা সম্ভৱ নহয়। সাহিত্যিক কামবোৰৰ চমু আভাসহে "আত্ম স্মৃতি" আৰু অন্য গ্ৰন্থৰ পৰা বুটলি তলত দাঙি ধৰিলো :

১) যোৰহাটৰ চৰকাৰী হাইস্কুলত থাকোঁতে হাতে লিখা আলোচনী 'প্ৰতিভা' সম্পাদনা ;

২) অসহযোগৰ আন্দোলনৰ সময়ত 'গান্ধী-থল-কমল' নাটৰ ৰচনা ;

৩) **পুথি প্ৰকাশ :** (১) সংসাৰী (১৯২২) ; (২) মুকুতি ধূলি (১৯২৮) ; (৩) গুণগুণ (১৯৩১) ; (৪) ল'ৰাৰ শংকৰদেৱ (১৯৩১) ; (৫) কণমৌ (১৯৩১) ; (৬) বিশ্বৰসিক বেজবৰুৱা (১৯৩৯) ; (৭) দীনবন্ধু এণ্ডৰুজ (১৯৪০) ; (৮) ঋতা (১৯৪১) ; (৯) ছন্দিতা

* মহাত্মা গান্ধী



OKDISCD

(১৯৪১) ; (১০) গান্ধী-থল-কমল, (১৯৪৮) ; (১১) বালি-গড়াত (১৯৫১) ; (১২) সুন্দৰৰ আঘাত (১৯৫৪) ; (১৩) মাৰ্শ্বাল ষ্টৈলিন (১৯৫৬) ; (১৪) লিনকলন্ (১৯৫৭) ; (১৫) বিশ্ব কবি ৰবীন্দ্ৰ নাথ (১৯৫৭) ; (১৬) গল্প কানন, প্ৰিয়া, কীৰ্ত্তনৰ সাধু আৰু এঘণ্টাৰ সাধু (১৯৬৩) ; অৰুণিমা (১৯৭৭)। ইয়াৰ বাহিৰেও তেওঁ 'কল্কিপুৰাণ'ৰ পদ বন্ধ অনুবাদ, ৰামায়ণৰ 'উত্তৰাকাণ্ড' ৰচনা আৰু 'গীতা কবিতা' ৰচনা।

দুৰ্ভাগ্যবশতঃ চলিহাৰ সৰহভাগ কিতাপকে ৰজাৰত পাবলৈ নাই। সৰুতে 'বিশ্বৰসিক বেজবৰুৱা' পঢ়ি বেজবৰুৱাক নতুনকৈ চোৱাৰ হাবিয়াস জন্মিছিল। 'ধূলি' আৰু 'গুণগুণ' পঢ়াও মনত পৰে। তেওঁৰ আত্মজীৱনীৰ মতে তেওঁ 'ফেঁচা-নগৰ' (?) বুলি এখন শিশু উপন্যাসো লিখিছিল। জীৱনী গ্ৰন্থ কেইখন হৰিনাৰায়ণ দত্ত বৰুৱা দেৱৰ অনুৰোধত লিখা হৈছিল। 'অৰুণিমা'ৰ পাতনিত তেওঁ পূৰ্বৰ তিনিখন কবিতাৰ পুথিৰ কথাহে উল্লেখ কৰি গৈছে। সেই কেইখন হ'ল: ১) পাৰ্বতী প্ৰসাদৰ বাণী সন্নিবিষ্ট থকা 'গুণগুণ', ২) জ্যোতিপ্ৰসাদৰ পাতনি সম্বলিত 'ছন্দিতা' আৰু ৩) পাতনিবিহীন 'আহিনৰ হাঁহি'। 'ঋতা' পুথিখনি জীয়েক শীলাৰ মৃত্যুত কৰা শোকতৰ্পণ।

চলিহাই কবি ৰূপেই সাহিত্যৰ ইতিহাসত স্থান লাভ কৰিছে। 'অৰুণিমা'ত তেওঁৰ কেইটামান কাব্যিক বৈশিষ্ট্য চকুত পৰিছে। 'চকুলো ছুটোপাল' কবিতাটিত যোৰ পুখুৰীক তেওঁ আইৰ চৰণত নিবেদন কৰা দুটোপাল চকুপানী ৰূপে কল্পনা কৰিছে। তেওঁৰ উপমাবোৰ প্ৰায়ে বিস্তৃত আৰু মিহলি। তলৰ উদাহৰণটি চালেই এই কথা স্পষ্ট হৈ পৰিব:

বিচাৰিছো নতুন এঠাই
যʼত নাই পুৰণিৰ স্মৃতি
অতীতৰ দংশনৰ বৰ্ষণত তিতি,
মাৰাত্মক ৰ'দত শুকাই
যʼত মোৰ ভুলৰ শেৱালিবোৰ ৰʼই
থকা নাই। (বাউল)

সেইদৰে 'বেলিৰ ৰ'দৰ দৰে আপোনাতে আপুনি নিৰ্ভয়' (মন্দিৰ) আৰু 'ৰামধেনু পাগুৰীৰে যাত্ৰা কৰা তুমি শ্যামল বসন উৰুৱাই' (গৱেষণা), —আদি উপমা-প্ৰধান বাক্যবোৰো উল্লেখযোগ্য। তেওঁৰ ঘাই কবিতাবোৰত আত্মাৰ স'তে সংসাৰৰ আদান-প্ৰদান আৰু সংলাপেই যেন আচল বিষয়। ব্যক্তি বিশেষক লৈ লিখা কবিতাবোৰ প্ৰশস্তিমূলক। এনে ধৰণৰ বীৰ-ভটিমা নলিনীবালায়ো লিখিছিল। কবিতাবোৰত বৰ্ণনা আৰু একপ্ৰকাৰ ভাব-বিবৃতি সংযোজনো পোৱা যায়। জীৱনৰ বৈচিত্ৰ্য বা বিবিধ অভিজ্ঞতাই কবিতাবোৰক পোনপটীয়াভাৱে স্পৰ্শ কৰা নাই। নিটোল ৰূপৰ কবিতা কিমান তাক সূক্ষ্ম অনুসন্ধান কৰিলেহে ক'ব পৰা যাব। দুই-এটা কবিতাত উপদেশৰ ভৰ অনুভৱ কৰা যায়। ৰহস্যময়তাৰ এটা সুৰ ঘাই কবিতাবোৰত আছে, কিন্তু অনুভূতি কম কবিতাতহে ঘনীভূত হৈ অন্তস্পৰ্শী হৈছে। তেনে এটা কবিতা (কেইটামান শাৰী) তলত দিছোঁ:

ক'তো মই নাপাওঁ অলপো
বিশুদ্ধ চৰম সত্য,—মই যাক জপোঁ
তেওঁ যে উদাসী বন্ধু—চঞ্চল পথিক,
অবোধ্য, অগম্য যি বিশ্বৰ ৰসিক,
তেওঁক নাপাওঁ মই ক'তো,
ৰ'দতো লুকাই যায়, জাগে এন্ধাৰতো
স্পৰ্শৰ অতীত যি, বোধৰ অতীত।
যাক, 'দেখা পাওঁ পাওঁ,' কৰা সীমাটিত
বাজি উঠে বিচ্ছেদ বেদনা।
তাত মোক লুপ্ত কৰি দিয়ে
বিশ্বগ্ৰাসী সোঁতে মোক উটুৱাই নিয়ে
বা নিনিয়ে। (দুৰ্বোধ্য)

কালৰ চকুত কবিৰ স্থিতি কেনে? এটা কবিতাত তেওঁ কৈছে:

লেখা মোৰ সত্য হ'ই খুজিছে উঠিব
ৰচনাৰ ৰাজহাঁহ আকাশেদি খুজিছে উৰিব,
মানসৰ মৃণাল গোন্ধত
পাখিৰ শবদ তাৰ তৰংগি উঠিছে বতাহত।
এই ঘাঁহ, এই গছ, এই ৰ'দ, এই ছাঁ ল'ই
যুগে যুগে ব'ই গ'ল কবিতাৰ ন'ই।
কাৰো স্মৃতি বন্ধ হ'ল,
কাৰো আজি সোঁত কল্ কল্।
বিশ্ব সাগৰৰ সঙ্গমত কোনো লীণ গ'ল,
স্মৃতি বাঁহী কেনিবাদি তাৰ বাজি ৰ'ল।
এই সৰ্ব অভিনয়,
গৰ্ব মোৰ, নহয় বিজয়।
এই বিশ্ব নাট,
তাত
ৰচি নিজ ভাও,
নিজে ভাৱৰীয়া হ'ই নিজেই ওলাওঁ,
মোৰ যদি ভাও সত্য হয়,
কবিৰ কলংক তাত মুঠেই নৰয়।

কবিজনা আজি আমাৰ মাজত নাই। কবিতাৰ যোগেদি তেওঁ জীয়াই থাকিবনে নাথাকে, এই প্ৰশ্নৰ প্ৰতি কবি উদাসীন আছিল। 'অৰুণিমা' শব্দটোৰ ওপৰত তেওঁ এক বিশেষ অৰ্থ আৰোপ কৰিছিল। "নীলাচল পৰ্বতৰ পশ্চিমে সিপাৰে, ৰঙা বেলিটিয়ে বুৰ মাৰে"— কবিতা এটিৰ শেষৰ শাৰী এই বাক্যেৰে শেষ হৈছে। ধূলি তেওঁৰ উপলব্ধিত বিনম্ৰআত্মা:

ধূলিটিয়ে যথা—
মাৰ যাব খোজা ৰঙা-বেলিটি নিৰিখি
কয়: শুনা সখি
তুমি মোৰ প্ৰাণৰ পৰম প্ৰাণ,
তুমি মহাজ্ঞান,
তোমাৰ সৌহাৰ্দ্য সৰোবৰ
তাত মোৰ এই কলেৱৰ
স্নাত কৰি
পূৰ্ণ কৰি গঢ়ি,
দিব খোজোঁ কৰি জ্যোতিৰ্ময়


ধ্বংস কৰি জীৱন প্ৰলয়।

'অৰুণিমা' তেওঁৰ মানত তাৎপৰ্যপূৰ্ণ মহাশান্তিৰ বাণী বা সেই বাণীৰ সমাৰ্থক।

এই কবিজনা শেষৰ ফালে অন্ধৰ দৰে হৈ গৈছিল। চকুত চানি পৰিছিল। এদিন জোঁৱায়েক মোৰ সহোদৰোপম কমল হাজৰিকাই কথাটো ক'লে। অন্তিম কালৰ ৰোগত পৰি থাকোঁতে স্বৰ্গীয় আনন্দ বৰুৱাক চৰকাৰে চিকিৎসা


৫১ পৃষ্ঠাত চাওক





# চাৰ্লক হ'মছৰ শতবাৰ্ষিকীত কাক সুঁৱৰিম ?

সুধীৰচন্দ্ৰ বৰুৱা



১৯৮৭ চনটো ভাৰতত্তে পালন কৰা হ'ল চাৰ্লক হ'মছৰ শতবাৰ্ষিকী ৰূপে। জয়ে-জয়ে ৬ জানুৱাৰীত বৃটিছ কমনছ সভাৰ সদস্যসকলে ইংলণ্ডৰ পাৰ্লিয়ামেণ্ট ভৱনত এখন ভোজমেলত মিলিত হৈ এই শতবাৰ্ষিকী পালন কৰে। তাত সেই দিনা হ'মছৰ সোঁৱৰণীত ওৱাদানিকৈ ওলগ যচা হৈছিল। কাৰণ, সেইদিনটোতে হেনো এশ বছৰৰ আগতে বিশ্ব বিখ্যাত কাল্পনিক গুপ্তচৰ চাৰ্লক হ'মছে সাহিত্য জগতত ভুমুকি মাৰিছিল।

তাৰে ঠেক ধৰি ইউৰোপ, আমেৰিকা, অষ্ট্ৰেলিয়া, জাপান আৰু আনহে নালাগে এই ভাৰতভুমিতো হ'মছৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আগবঢ়োৱাৰ উজান উঠিছে।

উপন্যাসৰ পাতত ওপজা চাৰ্লক হ'মছ অৰ্বাচীন পঢ়ুৱৈ সমাজৰ অনেকৰ মনত সঁচাসঁচিকৈ এজন ৰজনজনা তেজ মঙহৰ চোৰাংচোৱা বুলিহে বিদ্যমান। মনে সজা চৰিত্ৰ এটাৰ শতবাৰ্ষিকী পালন কৰাৰ নজিৰ নায়ো, নহ'বও হ'বলা।

হ'মছিয়ানা (Holmesiana) বুলি দেশে-মহাদেশে এক পুজা-পদ্ধতিও (cult) বিয়পিল। আমেৰিকাৰ নিউয়ৰ্ক চহৰত বেকাৰ ষ্ট্ৰিট ইৰেগুলাৰছ (Baker Street Irregulars) সমাজ, লণ্ডনৰ চাৰ্লক হ'মছ ছছাইটি, ছুইজাৰলেণ্ডৰ মেৰিংগন চহৰৰ চাৰ্লক হ'মছ মিউজিয়াম, জেক ষ্ট্ৰেছি প্ৰণীত "এনছাইক্ল'পেডিয়া চাৰ্লিকিয়ানা" ইত্যাদিয়ে চৌদিশে এই পূজা-পদ্ধতিৰ ওগাইৰহ প্ৰচাৰ চলাইছে।

ইংলণ্ডৰ পাৰ্লিয়ামেণ্ট ভৱনত ৬ জানুৱাৰীৰ দিনা কমনছৰ সদস্যসকলৰ উপৰিও হ'মছ প্ৰেমী অনেক লোক উপস্থিত আছিল। তাত উপস্থিত থকা হ'মছ-স্ৰষ্টা কনান ডয়লৰ এতিয়াও জীৱিত কন্যা ডেম জিন ডয়লৰ অৱস্থা বোধহয় শালৰ মাজত শিঙিৰ নিচিনাহে হৈছিল ;— অন্ততঃ হ'মছ কেম্ব্ৰিজৰনে অক্সফৰ্ডৰ গ্ৰেজুৱেট, এই বিষয়ে তৰ্ক চলি থাকোঁতে।

চাৰ্লক হ'মছ বুলিলে সোঁ-শৰীৰে লণ্ডন চহৰৰ ২২১ বি· নম্বৰ বেকাৰ ষ্ট্ৰিটত থকা এজন সৰবৰহী সুজান ডিটেকটিভৰ কথাহে সৰ্বসাধাৰণ পঢ়ুৱৈৰ মনলৈ আহে।

### মনে সজা হ'মছৰ বাঘজৰী ধৰোঁতাজন

অথচ মনে গঢ়া হ'মছে মনে পতা জগতত চুৰি-ডকাইতিৰ আঁটকাল লৈ ফুৰোঁতে, নানা ৰহস্যময়, দুৰ্বোধ্য, দুৰ্ভেদ্য সমস্যাৰ আউল ভাঙি যাওঁতে, আঁৰত থাকি যিজনে বাঘজৰী ধৰি আছিল তেওঁ হ'ল তেজ মঙহৰ ছাৰ আৰ্থাৰ কনান ডয়ল। কিন্তু কালত গৈ ম'হতকৈ শিং চৰিল, ধানপুৰীয়া কঠাল পাতৰ আঁৰত লুকাল।

আজিৰ জগতত চাৰ্লক হ'মছ চৰিত্ৰটি গঢ় দিয়া সেই বাৰ্ঢ়েজনৰ নাম বহুতেই নাজানে। যদিও সৎ উদ্দেশ্যেৰেই হ'মছ-প্ৰেমী ৰাইজে এই শতবাৰ্ষিকী পালনৰ আয়োজন কৰিছে, ফলত কিন্তু এনেহে হৈছে যেন আৰ্জে নদগুৱালে, খায় খঁৰা শিয়ালে! এইটো দেখদেখ কথা যে মানুহে কল্পনা কৰাটো এক জন্মগত প্ৰবৃত্তি। অকণিহঁতে দৰা-কইনা সাজি ওমলে— সেই বয়সৰ আত্ম-পতিয়ন যোৱা (make believe) অৱস্থাৰ প্ৰভাৱত। আমি ডাঙৰবোৰেও গল্প, উপন্যাস, ভাওনা, নাটক, ছবি; বোলছবি আদি তন্ময় হৈ উপভোগ কৰোঁ। গিৰিশচন্দ্ৰৰ খল চৰিত্ৰৰ অভিনয় চাই ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে মঞ্চলৈ খৰম দলিয়াইছিল। অজ্ঞান শিশুৰপৰা জ্ঞানী পুৰুষলৈকে সকলোৱে মনৰ চৌহদত বাস্তৱ আৰু কল্পনাৰ মাজত থকা আঁৰকাপোৰখন ইমানেই চোঁছিৰা জীৱিলি।

### হ'মছৰ সৈখ্য ৱাটছন

চাৰ্লক হ'মছৰ লগতে ড° জন এইচ· ৱাটছনৰ (Dr· John H· Watson) নামো সকলোৰে মুখে-মুখে। আজি কেইমাহমানৰ আগতে এখন সৰ্বভাৰতীয় দৈনিক কাকতত এজনে ড° জন ডি· ৱাটচন, নতুন দিল্লী,— এই নাম-ঠিকনা দি "মোৰ বন্ধু" হ'মছৰ ভূবিদ্যাৰ জ্ঞান সম্পৰ্কে লিখিছিল ; অথচ কনান ডয়লৰ কলমৰ খোঁচত আবিৰ্ভাৱ হোৱা ৱাটছন ১৮৫৭ চনতে ডেকা বয়সৰ আছিল! কোনেও প্ৰশ্ন নকৰিলে এইজন "জীৱিত" ৱাটছনৰ বয়স এতিয়া কিমান হ'লহি। আমি সকলোৱে দেখোন চাৰ্লক হ'মছ সম্পৰ্কত বিদ্যাসাগৰৰ সেই কল্পনা সাগৰতে বুৰমাৰি আছোহঁক।

### হ'মছৰ প্ৰতিভাৰ গৰাকী কোন ?

ক'ব নোৱাৰোঁ, কি কাৰণত এশ-বছৰৰ আগতে বৰ্ণ ভেদ, শ্ৰেণী ভেদ



আৰু অত্যাচাৰী ঔপনিবেশিকতাৰ বিৰুদ্ধে মূৰ তুলি উঠা কনান ডয়লৰ মহামানৱতাৰ পৰিচয় আজিও অজ্ঞানতাৰ ধোঁৱাই গুলুম বান্ধি ঢাকি থ'ব পাৰিছে। কনান ডয়লৰ উপন্যাস, চুটি গল্প, ভ্ৰমণ কাহিনী, বুৰঞ্জীমুলক প্ৰবন্ধৰাজি, যুদ্ধ সম্পৰ্কীয় ৰচনাৱলী, আধ্যাত্মিকতাৰ বিষয়ে লিখা গ্ৰন্থ আদি অনেক লিখনি বাচকবনীয়া সাহিত্য সমালোচকৰ দ্বাৰাও ওখ খাপৰ বুলি প্ৰশংসিত। অথচ নাজানো কি কাৰণত শিক্ষিত সমাজতো অনেকেই ছাৰ আৰ্থাৰ কনান ডয়লৰ বিষয়ে ৰামগংগা একোকে নোবোলে। নাজানো কি চিন্তনেৰে অনেক জনা-শুনা লোকেও চাৰ্লক হ'মছৰ বহুমুখী প্ৰতিভা বখানোতে পাহৰি যায় যে এইবোৰ গুণৰ প্ৰকৃত অধিকাৰী আছিল কনান ডয়লহে। নাজানো কিয় তেওঁলোকে ডয়লক নেওচি হ'মছক আগুৱাই পঢ়ুৱৈ সমাজক অনাভুৱা কৰি ৰাখে।

এই ভাবিয়েই হ'বলা ডয়লে তেওঁৰ সৃষ্ট ফ্ৰাংকেনষ্টাইন (Frankenstean) স্বৰূপ হ'মছক এখন উপন্যাসত (Final problem) মৃত্যু বৰণ কৰাইছিল। কিন্তু পঢ়ুৱৈ সমাজৰ হেঁচাত তেৱেঁই হ'মছক পুনৰ জনম দিলে (Return of Shirlock Holmes).

সেয়েহে চাৰ্লক হ'মছক লৈ এইদৰে দহোজনে গায়নৰ ঘেটা মাৰি থাকোঁতেই ছেগবুজি এআঁৰা-দুআঁৰাকৈ একৈয়া বুটলি আৰ্থাৰ কনান ডয়ল বোলা এই অসাধাৰণ বহুমুখী প্ৰতিভাৰ মানুহজন আৰু তেওঁৰ সাধাৰণতে সণ্চালনি নোহোৱা মানবীয় গুণাৱলীৰ বিষয়ে কেতবোৰ আপুৰুগীয়া তথ্য সদৰী কৰিবলৈ হাউচ কৰিছোঁ।

### কনান ডয়লৰ জন্ম আৰু শিক্ষা

১৮৫৯ চনৰ মে' মাহৰ ২২ তাৰিখে কনান ডয়লৰ জন্ম। গজলীয়া বয়সত জাৰ্মেনি (অষ্ট্ৰিয়া), পাছৰ কালত ইংলণ্ডৰ এডিনবৰা বিশ্ব বিদ্যালয়ৰ পৰা চিকিৎসা বিজ্ঞানত এম· বি আৰু এম. ডি ডিগ্ৰি লাভ কৰি জয়ে-জয়ে তেওঁ চকু চিকিৎসা আৰম্ভ কৰে। ডয়লৰ ৰাগবি (Rugby), নাওখেল (Rowing) আৰু মুষ্টি যুদ্ধ (Boxing)তো ৰাপ আছিল।



কনান ডয়ল

### ডয়লৰ ভ্ৰমণ বায়ু

ডয়ল স্বভাৱতে দুৰ্দমনীয় মনৰ আছিল। মাত্ৰ ২৩ বছৰ বয়সতে প্ৰথমবাৰৰ বাবে তেওঁ জাহাজৰ ডাক্তৰ স্বৰূপে আফ্ৰিকালৈ যায়। ১৮৯৫ চনত পুনৰ তেওঁ ইটালিৰ পৰা মিছৰলৈ ৰাওনা হয়। মিছৰ দেশত তেওঁ ছমাহ কটালে। তাৰ পৰা উটৰ পিঠিত উঠি ছুডান পায়গৈ। সেই সময়তে ছুডানবাসীসকলে বৃটিছৰ বিৰুদ্ধে মূৰ দাঙি উঠে আৰু ডয়লে যুদ্ধৰ বাতৰি যোগনিয়াৰ ৰূপে তাত যোগ দিয়ে। পুনৰ বুৱেৰ যুদ্ধত (Boer war) ১৯০০ চনত তেওঁ ছাৰ্জন হিচাপে কাম কৰে। এই যুদ্ধত বৃটিছৰ নীতি সমৰ্থন কৰা বাবে তেওঁ নাইট (ছাৰ) উপাধি পায়। (Defence of British Army in South Africa—Canon Doyle) প্ৰথম মহাযুদ্ধত যুদ্ধসেৱা কৰিবলৈ আগ্ৰহ থকা সত্ত্বেও বয়স বেছি হোৱা কাৰণে তেওঁক মকৰল কৰা নহ'ল। তত্ৰাচ তেওঁ নিজেই উপযাচি চিকিৎসক হিচাপে যুদ্ধত যোগ দিলে। তেওঁ আফ্ৰিকাত থাকোঁতে নাৰে-তৰে, হাবিয়ে-জংঘলে ঘুৰি তাৰ সমাজ আদিৰ ভু লৈছিল।

### কনান ডয়লৰ বিভিন্ন বিষয়ৰ ৰচনাৱলী

ভুককাত হাতী ভৰোৱা সহজ নহয়। তথাপি ডয়লৰ বহুৰঙী ৰচনাসমূহ থুপুৱীয়াই যুগুতোৱা তালিকাখন এনে ধৰণৰ :

ৰোমাণ্টিক উপন্যাস : Brigadier Gerard, White Company.

ভ্ৰমণ কাহিনী : The Hurdlestone Trade Campany.

ৰাজনৈতিক বুৰঞ্জী : 1. History of British Campaign in France and Flanders.
2. The Great Boer War.

নাটক : 1. The story of Waterloo 2. The House of Temperley 3. The poison Belt 4. The fires of Fate

বিজ্ঞানৰ গল্প : (sci-fic) The Lost World.

ৰাজনৈতিক টিপ্পনী : (Political Commentary)
1. The war in South Africa—its cause and conduct.
2. The crime of the Congo.

জীৱন সোঁৱৰণী (Memories) : My Memories and Adventures.

আধ্যাত্মিক ৰচনা : History of Spiritualism.

ইয়াৰ বাহিৰেও চাৰ্লক হ'মছৰ নামত ১২০ টা ডিটেকটিভ গল্প, আৰু আন ধৰণৰ বহুতো গল্প, প্ৰবন্ধ, বাতৰি কাকতলৈ চিঠি আদি সম্ভাৰেৰে কনান ডয়লে বিশ্বসাহিত্যক চহকী কৰি নিজেও অমৰ হৈ ৰ'ল।

### অত্যাচাৰী ঔপনিবেশিকতাৰ বিৰুদ্ধে প্ৰতিবাদ

থোৰতে ক'বলৈ গ'লে এই এশ জালুকৰ মূল গছীৰ সকলোতকৈ উৰ্ধ্বত যাউতিযুগীয়া হৈ থকা গুণটো হ'ল তেওঁৰ মানবীয়তা। সেই দিনতে যি বৃটিছ চৰকাৰে তেওঁক নাইট উপাধিৰে বিভূষিত কৰিছিল, সেই চৰকাৰকো

তেওঁ নির্ভীকভাৱে চুষিছিল বেলজিয়ামৰ নিষ্ঠুৰ ৰজাৰ কংগোৰ আদিবাসীসকলৰ ওপৰত কৰা নির্মম অত্যাচাৰী নীতিৰ উমাজলীয়া পোষকতাৰ বাবে।

সেই সময়ৰ উদাৰ ৰাজনীতিৰ ফেহুঁ জালিয়ে পৰশা আমেৰিকাৰ নেতা-সকলকো ডয়লে তেওঁলোকে এই বিষয়ত নিবোকা চামোনৰ ভাওলোৱা বাবে চোকা সমালোচনা কৰিছিল।

ঔপনিবেশিকতাৰ প্ৰতি তেওঁৰ দৃষ্টি-ভংগীত অৱশ্যে আঁকলন আছিল। এহাতে তেওঁ দক্ষিণ আফ্ৰিকাৰ বৃটিছ ঔপনিবেশিক নীতিৰ (কল্যাণমূলক বুলি?) প্ৰতি পোলোংপটীয়া সমৰ্থন দিছিল আৰু আনহাতে কংগোদেশৰ (Congo, বৰ্তমান Zaire) ওপৰত বেলজিয়ামৰ অমানুষিক অত্যাচাৰৰ কথা দেশে-বিদেশে সদৰি কৰি প্ৰতিবাদ কৰিছিল।

কনান ডয়লে উদ্ধৃত কৰা এজন ছুইডিছ যাজকৰ সাক্ষ্য মতে পাচিত ভৰাই চিপাহী এটাই ১৮ খন কটা হাত কমিছেৰিক (Belgian Commissary) দেখুৱালে, আৰু কমিছেৰিয়ে গণ্তি কৰিলে— যাতে কিমান গুলী খৰচ কৰি কিমান মানুহ মৰা হ'ল তাৰ হিচাপ জানিব পাৰি। অবাবত গুলী খৰচ কৰাটো চিপাহীহঁতৰ জগৰৰ কথা হ'ব, ডয়লৰ সাক্ষ্য সংগ্ৰহত এইটোও জনা গৈছিল যে যিবোৰ মানুহ পলায়, সেইবোৰক ধৰি আনি ইটোৰ পাছত সিটো থিয়কৰাই (পাৰিলে একেটা গুলীৰে কেইবাটাও) মাৰিবলৈ লোৱা হয়।

এই নৃশংস হত্যাকাণ্ডত স্বয়ং ভাগলোৱা এজনৰ সাক্ষ্যত কোৱা হৈছিল: "আমবছত (Ambos) ভান আইকেনৰ (Van Eycken) নেতৃত্বত আমি ৩০ জনীয়া দলটো এখন গাঁৱলৈ গৈ তাৰ অধিবাসীবোৰে ৰবৰ সংগ্ৰহ কৰিছেনে নাই তাৰ তদাৰক কৰিলোঁ। আমি গৈ দেখিলোঁ, সিহঁতে ল'ৰা-তিৰোতা লৈ মহাশান্তিৰে বহি আছে। তাহাতে কোনো কৈফিয়ৎ দিব নোৱাৰাত আমি হুকুম মতে ল'ৰা-তিৰোতা-মতা আটাইবোৰকে মাৰি খান্তাং কৰিলোঁ। অলপ পাছত দলপতি ভানআইকেনৰ আগত আমি কি কৰিলো তাৰ ওৱাজিৰ বিৱৰণ বেকত কৰিলোঁ। তেওঁ কলে, "ভালেই কৰিলাহঁক, পিছে যথেষ্ট নহ'ল," তেওঁ হুকুম দিলে যে সিহঁতৰ মূৰবোৰ আৰু গুপ্তাংগবোৰ বিচ্ছেদ কৰি সিহঁতৰ বাৰীৰ চকোৱাত খুচি আঁৰি থব লাগে, আৰু ল'ৰা-ছোৱালী আৰু তিৰোতা-বোৰৰ শ বোৰ ক্ৰছ চিনৰ দৰে সজাই চকোৱাত আঁৰি থব লাগে।

কনান ডয়লে এইবোৰ লিখিয়েই ক্ষান্ত নাছিল। তেওঁ চাৰ্লক হ'মছে যেনেকৈ সকলো কথাৰ আঁত বিচাৰে সেইদৰে পম খেদি পালেগৈ যে এই বিশাল কংগো অৱবাহিকাত মাত্ৰ ২০০০ শ্বেতাংগ (Belgian) দিহদাৰৰ (agent) দায়িত্বত ৰবৰ গছৰ আঠা সংগ্ৰহ কৰা হয়। এওঁলোকৰ প্ৰতিজনকে একো-খণ্ড ভাগ কৰি দিয়া হয়। দৰমহা বৰ কম। (১৫০ অৰ পৰা ৩০০ ফ্ৰাংক) কিন্তু ৰবৰৰ মাত্ৰা অনুযায়ী বানচ ভালকৈ দিয়া হয়। তদুপৰি সৰহকৈ গোটালে দৰমহাও বঢ়াই দিয়া হয়; প্ৰমোচনো দিয়া হয়। লগতে তেওঁ-লোকে ওপৰৱালাৰ সুদৃষ্টি লাভ, আৰু হয়তো সোনকালে সেই কলীয়া-পানীৰ পৰা স্বদেশলৈ যাব পাৰে। বিকল্প কিন্তু সাংঘাতিক। এই বেলজিয়ান দিহদাৰবোৰৰ প্ৰত্যেকৰ তদাৰকত কংগোৰ দুৰ্দান্ত উপজাতিৰ পৰা বাছি-বাছি অনা বন্দুকধাৰী চৰ্দাৰ (Capita) কেতবোৰ থাকে। কনান ডয়লে দেখিলে যে এওঁলোক প্ৰকৃত দোষী নহয়। একো-একো মুঠি এজেণ্টৰ ওপৰত থকা অংগাধিপতিবোৰো (Commissary) দোষী নহয়। আনকি গৱৰ্ণৰ জেনেৰেলকো তেওঁ পোনপটীয়াকৈ দোষী বুলি নধৰিলে। তেওঁৰ মতে যত কুটৰ ঘাট হ'ল ধনলোভী ৰজা লিয়পল্ড (King Leopold)। বাস্তৱবাদী, বিচক্ষণ, দূৰদৰ্শী ৰাজনীতিজ্ঞ পুৰুষ কনান ডয়লে কিন্তু ইমানতে পতিয়ন যোৱা বিধৰ নাছিল। তেওঁ সেইকালত ৰাজনৈতিক ক্ষমতাশালী সকলো জাতিকে এই সম্পৰ্কত জগৰীয়া কৰিছিল। আমেৰিকাৰ বাতৰি কাকত-বোৰলৈ তেওঁ লিখিছিল যে ১৮৮৪ চনত লিয়পল্ডৰ এই অভিযানত চৰকাৰীভাৱে যুক্তৰাষ্ট্ৰই (U.S.A) স্বীকৃতি দি এই দুষ্কৃতিৰ ভাগী হৈছে। ইংলণ্ডে আন ইউৰোপীয় শক্তিসমূহৰ লগ লাগি ১৮৮৫ চনত চুক্তিনামাত চহী কৰাৰ কাৰণে ডয়লে সেই সকলো শক্তিকে এই আদিবাসীসকলৰ দুৰৱস্থাৰ বাবে দায়ী বুলি কৈছিল। উইনষ্টন চাৰ্চ্চিলকো তেওঁ এই সম্পৰ্কে সকীয়াই দিছিল। আমেৰিকাৰ মাৰ্ক টোৱেইনৰ (Mark Twain) দৰে ডয়লে Association of Struggle for the Reforms in the Congo বোলা সংগঠনটোৰ লগত সম্পৰ্ক ৰাখিছিল।

চাৰ্লক হ'মছৰ চৰিত্ৰৰ মাজেৰে ফুটাই তোলা অদম্য দুঃসাহসিকতাৰ বাস্তৱ ৰূপ আফ্ৰিকাৰ যুদ্ধবোৰত লিপ্ত হৈ প্ৰদৰ্শন কৰি, আৰু আফ্ৰিকা-বাসীৰ প্ৰতি অত্যাচাৰৰ প্ৰতিবাদৰ অভিযান চলায়ো ছাৰ আৰ্থাৰ কনান ডয়ল ক্ষান্ত নহ'ল। সেয়েহে এই জনা অভিনৱ মানৱে মৃত্যুশয্যাত পৰিও কৌতুক কৰি কব পাৰিছিল, "মই জীৱনত বহুতো অভিযান সম্পন্ন কৰিলোঁ। কিন্তু মোৰ সবাতোকৈ আকৰ্ষণীয় অভিযানৰ এতিয়াহে পাল পৰিল।"

মণীষী, মানৱ-দৰদী ডয়লৰ সেই মৰণোত্তৰ অভিযানৰ যেন ইতি নাই, যতি নাই,— যেতিয়ালৈকে ধৰাতলত ধৰ্ম বিৰোধ, বৰ্ণ বিৰোধ আৰু অকিঞ্চনৰ ওপৰত লাঞ্ছনাৰ ওৰ নপৰিব।



# অসমীয়া ভাষা পৰিষ্কাৰকৈ লিখা আৰু কোৱা

ড° মহেশ্বৰ নেওগ

## বাক্য-বিন্যাস

(আগৰ অংশৰ পিছত)

'মই ভাত খালোঁ, তুমি খালানে?' — এইটোকে নানাপ্ৰকাৰে সুধিব পাৰি।

মই ভাত খাই উঠিলোঁ,
তুমি উঠিলানে?
তুমি খাই উঠিলানে?
তুমি ভাত খাই উঠিলানে?
মই খাই অঁতালোঁ,
তুমি অঁতালানে?
তুমি খাই অঁতালানে?
মোৰ খাই হ'ল,
তোমাৰ খাই হ'লনে?

অসমীয়া মানুহে এইভাৱে সদায় প্ৰশ্নটো সুধি আহিছে। সেইবোৰ ভাষাৰ জতুৱা ৰূপ। শুনিবলৈও ভাল। বহুতে আকৌ 'মই খানা খালো, তুমি খানা খালানে?' —এনেকৈ সোধে। সেইটো আমি ভাল নুশুনো। সেইটো ভাষাৰ জতুৱা ৰূপ নহয়। কোনোৱে আকৌ আজি-কালি ভাত নাখায়, লাঞ্চ, ডিনাৰ আদিহে খায়। অৱশ্যে তেওঁলোকে কৃপাবৰ বৰবৰুৱাৰ দৰে ডিনাৰ-টেবুলতো কাঁহুদী আৰু খাৰলি-কেহে খাব পাৰে। তেও ডিনাৰ, তেও লাঞ্চ! খাওক তেওঁলোকে লাঞ্চ, ডিনাৰ। কিন্তু অসমীয়াত তাৰ কথা ক'লে এনেকৈ ক'লেহে ভাল:

মোৰ ভাত খোৱা হ'ল।
মোৰ ভাত খাই হ'ল।
মই ভাত খাই অঁতালোঁ।
মই ভাত খাই উঠিলোঁ।

'মোৰ ভাত খাই হ'ল'— এই বাক্যটো অলপ আখজা যেন লাগিলেও, সি পুৰণি চলতি; ভুল নহয়। সি জতুৱা ৰূপ।

তুমি দুপৰীয়া কেই বজাত ভাত খোৱা?
মই দুপৰীয়া এঘাৰ বজাত ভাত খাওঁ। এঘাৰ বাজি কুৰি মিনিট যোৱাত মই আকৌ স্কুললৈ যাওঁ।

এইবোৰ বাক্যত 'কেইটা বজাত', 'এঘাৰটা বজাত', 'এঘাৰটা বাজি কুৰি মিনিট যোৱাত'— এনেকৈ ক'লে ভাল নহয়। তেনেকৈ বঙলা ভাষাতহে কয়। তাহানি কোনোবাই 'ছটা বজা' 'পাঁচটা বজা' বুলি কোৱা শুনিলে কবি যতীন্দ্ৰনাথ দুৱৰাই খং কৰি উঠিছিল; কৈছিল, "ছটা বাটি, পাঁচটা ঘটি বাজিলনেকি? নে পাঁচ-ছটা হাতী-ঘোঁৰা বাজিল?"

তেখেত এজন ভাল মানুহ।
তেখেত এজনা দেৱোপম লোক।

তেখেত এগৰাকী মাননীয় ব্যক্তি।
তেওঁ এজন ভাল মানুহ।
সি এটা ভাল মানুহ।
সেইডাল যে কি মানুহ ভালকৈ কথা এআষাৰকে নকয়।

মহিলাৰ কথা ক'ব লাগিলে:

বৰুৱানী এজনা ভাল মানুহ।
তেখেত এজনা সাক্ষাৎ দেৱী যেন মহিলা।
তেখেত এগৰাকী সাক্ষাৎ দেৱী যেন নাৰী।
বৰুৱানী / তেওঁ এজনা / এগৰাকী ভাল মানুহ।
বৰুৱানী / তাই এজনী ভাল মানুহ।
এজনী তিৰোতা।
এগৰাকী / এজনা মহিলা।

এইযে মানৰ ভেদবোৰ, এজন মানুহলৈ আঙুলিয়ালেও সি থাকে।

এই ল'ৰাটো। এইটো ল'ৰা। ই॥
এই ছোৱালীজনী। এইজনী…। এই।
এই ল'ৰাজন। এইজন ল'ৰা। এওঁ॥
এই ছোৱালীজনী। এইজনী…। এওঁ।
এই মানুহজন। এইজন মানুহ। এওঁ।
এই মহিলাগৰাকী। এইগৰাকী…। এওঁ।
এই মানুহগৰাকী। এইগৰাকী মানুহ। এখেত॥
এই মহিলাগৰাকী। এইগৰাকী…। এখেত।

মান বুজাই আমি 'এইজন বৰলোক' কওঁ; কিন্তু 'এইজনী মহিলা' নকওঁ, কওঁ 'এইজনা মহিলা' বা 'এইগৰাকী মহিলা'।

যদিও এখেত, এখেলৈ, এখেৰ, এখেৰপৰা আদি তৃতীয় পুৰুষৰ ব্যক্তি-বাচক সৰ্বনাম-ৰূপে আমি সচৰাচৰ ব্যৱহাৰ কৰোঁ, সিহঁতৰ মূল 'এখে' হ'ল স্থানবাচক সৰ্বনামহে, অৰ্থ হ'ল 'এই ঠাই'। এখেত = ইয়াত, এখেলৈ = ইয়ালৈ, এখেৰপৰা = ইয়াৰপৰা। সেই-দৰে 'তেখেত'ৰ মূল 'তেখে' মানে 'সেই ঠাই'। তেখেত = তাত, তেখেলৈ = তালৈ, তেখেৰপৰা = তাৰপৰা। আমি এখেত, তেখেত, দুইটাকে তৃতীয় পুৰুষৰ বিশেষ সম্মানসূচক সৰ্বনাম হিছাপে ব্যৱহাৰ কৰোঁ।

তেখেত। এখেত সজ লোক।
এখেতক সম্মান কৰিবাঁ। এখেতৰ গা বাৰু নহয়।
এখেতৰপৰা দহৰ উপকাৰ হয়।

কাচিৎ কেতিয়াবা 'এখে' বা 'এখেত'ক দ্বিতীয় পুৰুষৰ ব্যক্তিবাচক সৰ্বনাম হিছাপেও ব্যৱহাৰ কৰা হয় অতি সম্মান দেখুৱাবৰ বেলা।

এখেৰা (= আপুনি) কেতিয়া আহিল?
এখেৰবা (আপোনাৰবা) শৰীৰ ভাল নে বেয়া?
এখেক (আপোনাক) কি দ্ৰব্য-



OKDISCD

বস্তু লাগিব ?

'সেই দৰেই দুৰৈত থকা অতিশয় মান্য লোকৰ কথা কোৱাত "তেওঁ", "তেওঁৰে", "তেওঁলৈ", "তেওঁৰপৰা" আৰু "তেওঁৰ"—এইবিলাকৰ ঠাইত ক্ৰমে "ত'ত", "ত'ৰে", ত'লৈ", "ত'ৰপৰা" আৰু "ত'ৰ" হয়' (হেমচন্দ্ৰ)। যেনে ঃ

ত'ত (=তেখেত) আহিবনে ? ত'ত ডাঙৰীয়া ভালে আছেনে ?

ত'ৰে (=তেখেতেৰে) কথা-বতৰা হৈছিলনে আপোনাৰ ?

ত'লৈ (=তেখেতলৈ) অলপ খাদ্য-বস্তু পঠাব লাগিব।

ত'ৰপৰা (=তেখেতৰপৰা) মাত এটিও পোৱা নাই অথন।

ত'ৰ (=তেখেতৰ) শৰীৰ ঠিক নাছিল বোলে।

আজি-কালি সাধাৰণ পক্ষত এনে প্ৰয়োগ কমি আহিছে। কেতিয়াবা ক'ৰবাত উপহাসত সিহঁতৰ হয়তো ব্যৱহাৰ হয়।

## সংস্কৃত তদ্ধিত

সুন্দৰ গল্প লিখা লক্ষ্মীধৰ শৰ্মাৰ মৰণোত্তৰ প্ৰকাশন গল্প-সংগ্ৰহটিৰ নাম "ব্যৰ্থতাৰ দান"। ফিল্ম হোৱা 'ছিৰাজ' গল্পটো সেইখন পুথিতে আছে। আন এজন অসমীয়া সাহিত্যিকে তেওঁৰ গল্পৰ সংগ্ৰহটোৰ নাম "দৈন্যতাৰ দান" বুলি ছপাই উলিয়াইছে। পিছে "দৈন্যতা" শব্দটো অশুদ্ধ বুলি তৎক্ষণাৎ আপত্তি উঠিল। কিন্তু "ব্যৰ্থতা" হ'ল শুদ্ধ; "দৈন্যতা" কিয় তেনে অশুদ্ধ ? দুইটা শব্দতে 'তা' তদ্ধিত প্ৰত্যয় যোগ হৈছে গুণ বা স্বভাৱ বুজাবৰ বাবে। কিন্তু লেঠা হ'ল 'তা' যোগ হোৱাৰ আগতে গুণ বা স্বভাৱ বুজাবলৈ দীন (দৰিদ্ৰ) শব্দত '-য' প্ৰত্যয় যোগ হৈ দৈন্য' শব্দ সম্পন্ন হৈছে। তাত আৰু এটা একে অৰ্থৰ প্ৰত্যয় যোগ হোৱাৰ প্ৰয়োজন নাই।

যেনেকৈ 'ব্যৰ্থতাৰ দান',

তেনেকৈ হ'ব পাৰে 'দীনতাৰ দান' বা 'দৈন্যৰ দান' মাত্ৰ।

আমি যদি 'দৈন্য' শব্দটোৰ গঠন জানিলোহেঁতেন, তেতিয়া হ'লে কেতিয়াও 'দৈন্যতা' বুলি শব্দ এটা উচ্চাৰণ নকৰোঁ। এইবোৰত 'দীন' আৰু 'ব্যৰ্থ' হ'ল সংস্কৃত শব্দ, '-তা' আৰু '-য' সংস্কৃতৰে তদ্ধিত প্ৰত্যয়। আমি এনে সংস্কৃতৰ মূল শব্দবোৰ আৰু তাত কি অৰ্থত কি তদ্ধিত প্ৰত্যয় যোগ হ'ব পাৰে, সেই কথা জনাটো বৰ দৰকাৰী কথা। অসমীয়া ভাষাত অলেখ সংস্কৃত শব্দ ব্যৱহৃত হয়। সেইবোৰক প্ৰাকৃত ভাষাৰ বৈয়াকৰণিকসকলে 'তৎসম' নাম দিছে। এই তৎসম শব্দবোৰৰ কাৰণে অসমীয়া ভাষা পঢ়া লোকে সংস্কৃত ব্যাকৰণ পঢ়িব আৰু জানিব লাগে। আচলতে, অসমীয়া ভাষাৰ ব্যাকৰণৰ আধাখিনি দেখোন সংস্কৃত ব্যাকৰণেই। সেইখিনি নাজানিলে-নপঢ়িলে অসমীয়া ভাষা লিখোঁতে পদে পদে বিপদ। গতিকে সেইখিনি পঢ়িবই লাগে। পঢ়িবই লাগে। নহ'লে আমি 'দৈন্যতা' লিখিম; আৰু লিখিম 'সৌন্দৰ্যতা' !! 'সুন্দৰ'ৰ গুণ 'সৌন্দৰ্য/সৌন্দৰ্য্য' —তাত আকৌ '-তা' প্ৰত্যয়টো কিয় হ'ব ? বৰ বেছি হ'ব পাৰে 'সুন্দৰতা'। তেনে স্বভাৱ বা গুণ বুজোৱা প্ৰত্যয়ৰ কথা মনত ৰাখিব লাগে।

তা দীনতা, ব্যৰ্থতা, মনুষ্যতা, সুন্দৰতা

ত্ব দেৱত্ব, অমৰত্ব, মনুষ্যত্ব

য সৌন্দৰ্য/ৰ্য্য, প্ৰাচুৰ্য/ৰ্য্য, মাধুৰ্য/ৰ্য্য, দৈন্য

ঈ চাতুৰী, মাধুৰী

অ (ষ্ণ) গৌৰৱ, শৈশৱ, লাঘৱ, ধৈৰ্য/ৰ্য্য

গুণ বা অৱস্থা বুজোৱা প্ৰত্যয়ৰ সহায়ত সিদ্ধ এই শব্দবোৰৰ পিছত গুণ বা অৱস্থা বুজোৱা কোনো প্ৰত্যয় যোগ হ'ব নোৱাৰে। দৈন্যতা, সৌন্দৰ্যতা, প্ৰাচুৰ্যতা, মাধুৰ্যত্ব, মাধুৰিমা, চাতুৰীত্ব, ইত্যাদি—সকলোবোৰ ভুল।

'আছে' অৰ্থত হোৱা দুটা সাধাৰণ প্ৰত্যয় ঃ

১ + ৱতু, যেনে— ভগৱৎ, ভগৱান্, ভগৱন্ত, ভগৱতী

২ + মতু, যেনে— শ্ৰীমৎ, শ্ৰীমান, শ্ৰীমন্ত, শ্ৰীমতী

১ ভগৱৎকৃপা, ভগৱদ্গীতা, ভগৱত্তত্ত্ব, ভগৱদ্ভক্তি।

হে ভগৱান্ মোৰ দুখ চোৱাঁচোন।

ভগৱন্ত-ভক্তিযুক্ত/পুৰুষৰ আত্মবোধ/ মাধৱৰ প্ৰসাদে মিলয়।' (নামঘোষা)

'আই মাতৃ ভগৱতী,/ এই নামে সন্তোষ হ'বা।' (আইনাম)

২ শ্ৰীমৎশংকৰাচাৰ্য বেদান্তৰ প্ৰধান দাৰ্শনিক।

শ্ৰীমান, বোপা, পত্ৰে মোৰ আশীৰ্বাদ জানিবাঁ।

'শ্ৰীমন্ত শঙ্কৰ/হৰি-ভকতৰ/জানা যেন কল্পতৰু।' (নামঘোষা)

শ্ৰীমতী আইটি, তুমিও মোৰ চেনেহ ল'বাঁ।

শ্ৰীমদ্ভাগৱত-পুৰাণ— এখনি গ্ৰন্থৰ নামৰ আগত মাহাত্ম্য বুজাবলৈ 'শ্ৰীমৎ' যোগ হৈছে। সেইদৰে 'শ্ৰীমদ্‌ভগৱদ্‌-গীতা'। ইয়াত 'শ্ৰী' অংশ মাত্ৰ সুকীয়াকৈ ধৰিব নোৱাৰি। 'মদ্ভাগৱত' 'মদ্‌ভগৱদ্‌গীতা'ও ভুল।

'আছে' অৰ্থত যোগ হোৱা 'মিন্' 'ৱিন্' আৰু 'ইন্' প্ৰত্যয় যোগ হোৱা 'গোস্বামিন্', 'যশস্বিন্', 'মালিন্', আদি শব্দৰ সংস্কৃতৰ প্ৰথমা বিভক্তিৰ ৰূপহে অসমীয়াত ব্যৱহৃত হয়— 'গোস্বামী', 'যশস্বী', 'মানী', আদি। কিন্তু ইবোৰৰ লগত স্ত্ৰী প্ৰত্যয় 'ঈ' যোগ হ'বলৈ হ'লে তাৰ পূৰ্বতে মূল ৰূপবোৰ লোৱা হয় আৰু 'যশস্বিনী', 'মানিনী' আদি সম্পন্ন হয়।

কোন তুমি মায়াবিনী, এই বেশে আমাৰ আগত ?

'মানিনীৰ যেন মৰ্দিলে মৰম মদনৰ পঞ্চশৰে।" (ৰঘুনাথ চৌধাৰী)





# থুপুকী ছোৱালীজনী

(মোপাঁছা)

অনুবাদিকা ঃ
মঞ্জুৰা বৰবৰা



জাৰ্মান সৈন্য ৰুঁৱে চহৰৰ পিনে ক্ৰমাৎ আগবাঢ়ি আছে। ইতিমধ্যে পেৰিছ তেওঁলোকে অধিকাৰ কৰিলে। জাৰ্মানে দখল কৰাটো সুনিশ্চিত হৈ পৰাৰ পাছত ৰুঁৱেক আগুৰি থকা প্ৰায় দহ মাইলমানৰ বনাঞ্চলটো বহু দিন ধৰি অত্যন্ত সতৰ্কতাৰে পহৰা দি থকা ৰাষ্ট্ৰীয় প্ৰহৰী নামৰ পহৰা-দাৰীসকলে ফাঁহিছিটিকা দিলে।

চহৰৰ মানুহবিলাক ভয়ত পেপুৱা লাগিল। কাৰো ক'তো মূৰ তুলি থিয় দিবলৈ সাহ নোহোৱা যেন হ'ল। সকলোৰে মনত এটা সংশয়;— কিজানি কোনোবাই কিবা ভাবে! কিজানি কিবা হয়! কিজানি প্ৰকাণ্ড-প্ৰকাণ্ড তগুৰবোৰ বা তেওঁলোকৰ ৰান্ধনিশালৰ বস্তু-বাহানিবোৰকে মুক্তি সংগ্ৰামৰ ষড়যন্ত্ৰত ব্যৱহাৰ কৰা অস্ত্ৰ বুলি ভাবে!

এক স্থবিৰ পৰিবেশ। সকলো যেন বন্ধ হৈ গৈছে। কৰ'বাত যেন সকলো শেষ হৈ গৈছে। দোকান-পোহাৰ বন্ধ; বাট-পথ জনমানবশূন্য। নিজৰ ঘৰৰ পদূলিমুখলৈ ওলাই আহি থিয় দিয়াও যেন নিৰাপদ নহয়।

লাহে-লাহে এই অজান বিপদৰ কাৰণে ভয়ে-সংশয়ে প্ৰতীক্ষা কৰি থাকি নগৰবাসী অধৈৰ্য হৈ আহিল। সেই দুৰ্যোগৰ দিনটোৰ আগমনৰ কাৰণে উদগ্ৰীৱ হৈ পৰিল।

এনেকৈ থাকোঁতেই এদিন ৰুঁৱেবাসীৰ সকলো কৌতূহলৰ অন্ত পেলাই জাৰ্মান সৈন্যই ৰুঁৱে চহৰ দখল কৰি বাহৰ পাতিলেহি। প্ৰথমতে আহিল পদাতিক সৈন্যৰ এটা সৰু দল। তাৰ পাছত চাৰিওফালৰ পৰা দলে-দলে চহৰ সোমাই কঁাহ পৰি জীণ যোৱা যেন হৈ থকা চহৰখন জাৰ্মানসকলে মুখৰিত কৰি তুলিলে। যি ফালেই চোৱা যায় কেৱল জাৰ্মান লোক। ফৰাছী বাসিন্দাসকলে বন্ধ ঘৰৰ ভিতৰৰ পৰা কেৱল ভয়ত পেপুৱা লাগি জুপি-জুপি বাহিৰত দপদপাই আদেশ জাৰি কৰি ফুৰা বিজয়ীসকলক চাই থাকিল। সামৰিক শক্তিৰ বলত তেওঁলোকৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ মালিক হৈ আহিছে এই জাৰ্মানসকল। তেওঁলোকৰ সম্মুখত আজি সাহসেৰে থিয় দিবলৈকো ইতিহাসপ্ৰসিদ্ধ সাহসী-লোক এই নৰ্মানসকলৰ আত্মবিশ্বাসৰ অভাৱ হ'ল। অৱশ্যে এইটো একো অস্বাভাৱিকো নহয়। এইটো সাধাৰণতে দেখা যায় যে গতানুগতিকভাৱে চলি থকা জীৱনধাৰা এটা—কিবা প্ৰাকৃতিক কাৰণতেই হওক নাইবা কোনো মানব-সংঘৰ্ষজনিত কাৰণতেই হওক—হঠাতে সম্পূৰ্ণ শেষ হৈ গলে, আৰু কিবা এটা অভাৱনীয় দুৰ্যোগ আহিলে সেই লোকসকলৰ মানসিক অৱস্থা সদায় বৰ্তমান ফৰাছীসকলৰ হোৱাৰ নিচিনা হয়েই। পৰিস্থিতিয়ে তেওঁলোকক সদায় অভ্যস্ত হৈ থকা শান্তি-সমৃদ্ধিৰ ঠাইত যিকোনো দুৰ্ভোগ ভুগিবলৈ সাজু কৰি তোলে। সৎ সাহস, চিৰন্তন বিচাৰ, সত্যৰ মূল্য, এই ধৰণৰ বিশ্বাসবিলাক নিজে উপলব্ধি নকৰাকৈয়ে তেওঁলোকৰ মনৰ পৰা লুপ্ত হৈ যায়।

থানথিত লগাই লোৱাৰ পাছতে বিজয়ীসকলে সৰু-সৰু দল বান্ধি নগৰৰ বাসিন্দাসকলৰ আতিথ্যৰ পৰিচয় লৈ ফুৰাত ব্যস্ত হৈ পৰিল। বিজয়ী সৈন্য-সকলৰ এটা দলে ফৰাছী পৰিয়াল একোটাৰ ঘৰৰ দুৱাৰত হঠাৎ গৈ টোকৰ মাৰে আৰু খোৱা-বোৱা ব্যৱস্থাৰ দাবী কৰে। কিন্তু আচৰিত কথা,—এটা সময়ত ৰুঁৱেবাসী ফৰাছী-সকলৰ মাজত এটা শান্ত নিৰ্লিপ্ততা দেখা গ'ল। বহুতো জাৰ্মান বিষয়াই কৰ্তব্যৰ

দায়বদ্ধতাৰ কাৰণে তেওঁলোকক এনেকৈ জুলুম কৰিব লগা হোৱা কথা ফৰাছীসকলৰ আগত কৈ আৰু তেওঁলোকৰ প্ৰতি থকা সহানুভূতি দোহাৰি ঘৰুৱা বন্ধুৰ সহায়ত নিজৰ স্বাৰ্থ সিদ্ধি কৰিবলৈ বিচৰা লোকৰ উদাহৰণ সীমা সংখ্যা নোহোৱা পৰ্যায় এটা পালেগৈ। মাত্ৰ তাকে কৰিছিল লুকুৱাই-চুৰকৈ।

সেই বুলি একো একোজন অনামী বীৰে নিজৰ দেশৰ স্বাধীনতা-স্বতন্ত্ৰতাৰ কাৰণে জীৱন বিপন্ন কৰিও গোপনে সংগ্ৰাম চলাই যোৱাৰ দৃষ্টান্তও কম নাছিল। কোনো অংশৰ মাছমৰীয়াসকলে মিলিটেৰি সাজ পিন্ধি মৰি উখহি থকা জাৰ্মান বিষয়া কিছুমানৰ মৃতদেহ উদ্ধাৰ কৰাটো এটা সাধাৰণ ঘটনা হৈ পৰিছিল, সেই লোকসকলৰ বেছি ভাগেই ছুৰি আঘাত বা শিলৰ খুন্দাত বা গচকত মৃত্যুৰ মুখত পৰা বুলি প্ৰমাণিত হয়।

পৰাধীনতাক সহজভাৱে গ্ৰহণ কৰা সকলৰ ভিতৰত প্ৰথমেই নাম লব লাগিব ব্যৱসায়ীসকলৰ। ব্যৱসায়ৰ কাৰণে তেওঁলোকে তেতিয়ালৈকে ফৰাছী সৈন্যৰ হাতত থকা হাৰ্ভে আদি বন্দৰলৈ অহা-যোৱা কৰা আৰম্ভ কৰিলে। আৰু এই যাত্ৰা বিলাকত তেওঁলোকে নতুনকৈ বন্ধুত্ব পতা জাৰ্মান কৰ্তাসকলৰ পৰাই অনুমতিপত্ৰ আদি যোগাৰ কৰাত সহায় পালে।

ঠিক তেনেকুৱা এটা যাত্ৰাৰ কাৰণে এদিন পুৱতি নিশা দহজন যাত্ৰী আগতে ঠিক কৰি থোৱা মতে এডোখৰ নিৰ্দিষ্ট ঠাইত গোট খালেহি। তেওঁলোক চাৰিটা ঘোঁৰাই টনা বাগী এখনত ৰুৱেঁৰ পৰা হাৰ্ভেলৈ যোৱাৰ কথা। যাত্ৰী কেইজনক অনুসন্ধিৎসু ৰাইজে বেৰি ধৰাৰ হাত সাৰিবৰ কাৰণে পোহৰ হোৱাৰ আগতেই যাত্ৰা কৰিব পৰাকৈ আহি পাবলৈ নিৰ্দেশ দিয়া হৈছিল। সেয়ে চাৰে চাৰি বজাতে কাণে-মূৰে কাপোৰ এসোপা মেৰিয়াই প্ৰকাণ্ড একোটা ড্ৰাম যেন হৈ তেওঁলোক যথাস্থানত উপস্থিত হলহি। তাতে অনবৰত কমোৱা তুলাৰ বৰষুণ হোৱাদি বৰফ পৰি থকা কাৰণে কিছু সময়ৰ পাছত তেওঁলোকক দূৰৈৰ পৰা একোটা বৰফৰ স্তূপ যেন দেখা গল। যাত্ৰীকেইজনৰ ভিতৰত তিনিজনৰ আগৰে পৰা পৰিচয় থকাত তেওঁলোকে কথা-বতৰা আৰম্ভ কৰিলে। তেওঁলোক তিনিও সপত্নীক আহিছে আৰু প্ৰতিটো পৰিয়ালেই ৰুৱেঁলৈ ঘূৰি নহাৰ সংকল্প লৈ আহিছে। তেওঁলোকে ঠিক কৰি আহিছে যে হাৰ্ভে কেনেবাকৈ জাৰ্মান অধিকাৰলৈ অহাৰ কথা ওলালেই তেওঁলোকে ফ্ৰান্সৰ সীমা পাৰহৈ ইংলেণ্ডলৈ গুচি যাব, যথা সময়ত বাগীৰ চালকজনে আহি চাৰিটা ঘোঁৰাৰ ঠাইত ছটা ঘোঁৰা লগাই বাগীখন চলালে। আগৰ দুদিন দুৰাতি একেৰাহে বৰফ-বৰষুণ পৰি থকাৰ কাৰণে বাট-পথ দুৰ্গম হৈ উঠাত এনেকৈ ঘোঁৰাৰ সংখ্যা বঢ়াব লগা হৈছিল। তথাপি বাগীখন বৰ লাহেলাহে চলিছিল।

প্ৰথম অৱস্থাত আন্ধাৰ হৈ থকাত যাত্ৰী কেইজনে ইজনে সিজনক ভালদৰে দেখা পোৱা নাছিল। ক্ৰমান্বয়ে পোহৰ বাঢ়ি অহাত প্ৰত্যকৰে মুখবিলাক স্পষ্ট হৈ পৰিল। বাগীখনৰ আটাইতকৈ আৰামজনক ঠাইখিনিত বহিছিল ল' ছি অ' আৰু তেওঁৰ পত্নী। তেওঁলোক মুখামুখিকৈ বহিছিল। ল'ছিঅ' হ'ল ৰুৱেঁৰ এগৰাকী অৱস্থাপন্ন পাইকাৰী মদ ব্যৱসায়ী। তেওঁ আগতে এজন ধনী মদব্যৱসায়ীৰ সাধাৰণ কৰ্মচাৰী আছিল। কিন্তু ঘটনাৰ পাক চক্ৰত সেই ব্যৱসায়ী মালিকজনৰ দেউলীয়া-প্ৰায় অৱস্থা হোৱাত লছিঅ' নামৰ কৰ্মচাৰীজনে গোটেই ব্যৱসায়টো কিনি লয়। তাৰ পাছৰে পৰা তেওঁৰ দোপতদোপে উন্নতি আৰম্ভ হয়। আগলৈ ওলোৱা পেটটোৰে এই চাপৰ মানুহজন কৌতুক কৰাত পাৰ্গত। তেওঁৰ লগত মিলা-মিচা কৰা লোকে তেওঁক অত্যন্ত সিয়ান বুলিও কয়। তেওঁৰ পত্নী ওখ-পাখ; গা গাৰি চকুত লগা। সকলো কথাতে তেওঁৰ যে এটা নিজস্ব মতামত আছে আৰু সেই মতামত কামত খটুৱাব পৰা যে এটা ব্যক্তিত্বও আছে, সেইকথা সদ্যপৰিচিত যিকোনো ব্যক্তিৰ প্ৰথম দৃষ্টিতে চকুত পৰে। টেং-টেঙীয়া মাতৰ এই মানুহগৰাকীৰ স্বামীৰ ব্যৱসায়ৰ হিচাপ-নিকাচ ৰখাৰ পৰা সম্প্ৰসাৰণৰ কাম-কাজলৈকে যথেষ্ট বৰঙণি আছে।

তেওঁলোকৰ কাষতে মুখামুখিকৈ বহিছে কপাহ উদ্যোগপতি কেৰে লেমাডন আৰু তেওঁৰ পত্নী। 'ধনৰ বলত সমাজত প্ৰতিষ্ঠা থকা কেৰে লেমাডন 'লেজিয়ন অৱ অনাৰ'ৰ এজন বিষয়া। তদুপৰি 'জেনেৰেল কাউন্সিল'ৰো এসময়ত তেওঁ এজন সদস্য আছিল। এবাৰ কাউন্সিলত এটা গুৰুত্বপূৰ্ণ সমস্যালৈ মতানৈক্য হওঁতে তেওঁৰ নিজৰ ভোটটো বেচা-কিনা কৰি তেওঁ অপৰ্যাপ্ত সম্পত্তি কৰে। মৰম লগা চেহেৰাৰ শ্ৰীমতী লেমাডন তেওঁৰ স্বামীতকৈ বয়সত বহুত সৰু। মানুহগৰাকীক বাগীখনত বহি থাকোঁতে বৰ হতাশ যেন দেখা গৈছিল। বাগীখনৰ দুৰাৱস্থা আৰু গোটেই পৰিবেশটো তেওঁ যেন মানি লব পৰা নাছিল।

তেওঁলোক দুজনৰ কাষে-কাষে বহিছিল কমটে হুবাৰ্ট ডি ব্ৰেভাইল আৰু তেওঁৰ পত্নী। এওঁলোকৰ পৰিয়াল নৰ্মাণ্ডিৰ এটা পুৰণা সম্ভ্ৰান্ত পৰিয়াল। মানুহজনে নিজৰ সাজ-পাৰৰ মাজেদি ৰজা চতুৰ্থ হেনৰিৰ চেহেৰাৰ লগত থকা তেওঁৰ স্বাভাৱিক সামঞ্জস্যখিনি প্ৰকট কৰি তুলিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। কথিত আছে যে ব্ৰেভাইল পৰিয়ালৰ এগৰাকী বোৱাৰীৰ ৰজা চতুৰ্থ হেনৰিৰ এটি পুত্ৰ সন্তান জন্ম দিয়াৰ সৌভাগ্য হয়। আৰু তাৰে কৃতজ্ঞতাৰ পুৰস্কাৰ হিচাপে তেওঁ তিৰোতা গৰাকীৰ স্বামীক সেই প্ৰদেশৰ কমটে বা শাসক পদৱীটো দিয়ে। আৰু এই বাগীখনৰ যাত্ৰী কমটেজনে সেই পদৱীটো বংশানুক্ৰমিকভাৱে পোৱা। এওঁৰ পত্নী এগৰাকী সাধাৰণ জাহাজ মালিকৰ জীয়েক। হুবাৰ্টে কিয় বংশ মৰ্যাদা ৰক্ষা কৰি সম্ভ্ৰান্ত পৰিয়াল এটাৰ ছোৱালী বিয়া নকৰালে সেইটো সকলোৰে কাৰণে ৰহস্য। যি নহওক, মানুহ গৰাকীৰ সুগৃহিণী বুলি খ্যাতি আছে, তেওঁৰ ঘৰত আতিথ্য গ্ৰহণ কৰিবলৈ নিমন্ত্ৰণ পোৱাটো সেই অঞ্চলৰ লোকৰ কাৰণে এটা সৌভাগ্য। ইয়াৰ উপৰিও তেওঁ লুই ফিলিপছৰ ল'ৰা এজনৰ ৰক্ষিতা বুলি থকা প্ৰচাৰৰ কাৰণেও সমাজে তেওঁক সম্ভ্ৰমৰ দৃষ্টিৰে চাইছিল।

এইদৰেই বাগীখনৰ প্ৰথম শাৰীৰ আসনখিনি টকা আৰু পদৱীৰ বলত সমাজত মান-সম্মান আদায় কৰি নৈতিকতাৰ ৰক্ষক স্বৰূপ হৈ পৰা এই লোক ছজনে দখল কৰিছিল।

আগৰে পৰা ঠিক কৰি যোৱা নাছিল যদিও তিৰোতা কেইগৰাকী একেটা শাৰীতে পৰিছিল। কমটেছ গৰাকীৰ ঠিক পিছফালে বহিছিল দুগৰাকী মিশ্যনেৰি নান। মুখত আই দাগ থকা গৰাকী বয়সীয়া। ইগৰাকীৰ বয়স কম, মৰম লগা, কিন্তু দেখাত যেন বৰ দুৰ্বল।

তেওঁলোকৰ বিপৰীতে বহা লোকদুজনৰ ওপৰতে বাগীখনত পোহৰ সোমোৱাৰ লগে লগে সকলোৰে দৃষ্টি নিবদ্ধ হ'ল। এজন হ'ল সকলোৰে পৰিচিত এজন বিপ্লৱী। নাম কৰ্নুডেট। তেওঁৰ দেউতাকৰ মিঠাইৰ দোকান আছিল। এতিয়া তেওঁৰ আৰ্থিক অৱস্থা ভাল। ভায়েকহঁতে আৰু বন্ধুবৰ্গই দেউতাকে এৰি যোৱা সম্পত্তিখিনি চলায়। কৰ্ণুডেট এজন মৰমিয়াল আৰু সৎ প্ৰকৃতিৰ ব্যক্তি বুলি পৰিচিত।

সকলোৰে দৃষ্টি আকৰ্ষণ কৰা আনগৰাকী যাত্ৰী হ'ল এজনী ছোৱালী। অবিবাহিতা। শকতকৈ এই ছোৱালীজনীক সকলোৱে তাইৰ উপনাম "থুপুকী" বুলিয়েই জানে। ৰাংঢালী এইছোৱালীজনী চাপৰ আৰু শকত হ'লেও চেহেৰাত থকা বিশেষ কমনীয়তা এটাৰ কাৰণে তাইৰ মাজত থকা আকৰ্ষণৰ কথা কোনেও হুই কৰিব নোৱাৰে। ছোৱালীজনীৰ গাল দুখন ৰঙা আপেলৰ নিচিনা। সুন্দৰ, ঘন ক'লাৰঙৰ চকুহাল বহল। এজুৰি গোলাপী সেমেকা ওঁঠে তাইৰ ডালিম গুটি যেন দাঁত দুপাৰি ঢাকি ৰাখিছে। শাৰীৰিক সৌন্দৰ্যৰ বাদেও তাইৰ সম্পৰ্কলৈ অহা লোকে তাইৰ স্বভাৱৰ সততা, নম্ৰতা, উদাৰতা আৰু ৰুচিবোধত এটা অতুলনীয় বিশেষত্ব থকা বুলি কয়।

তাইক চিনি পোৱাৰ লগে লগেই বিবাহিতা তিৰোতা কেইগৰাকীয়ে ভুনভুনাই কথা পাতিবলৈ ধৰিলে। তেওঁলোকে মাজে-মাজে 'বেশ্যা' 'অপবাদ', 'কেলেংকাৰী' আদি শব্দবিলাক ইচ্ছাকৃতভাৱে, সকলোৱে শুনিব পৰাকৈ ডাঙৰকৈ উচ্চাৰণ কৰিলে। তেওঁলোকৰ কথাত ছোৱালীজনীয়ে মূৰ তুলি চাবলৈ বাধ্য হ'ল। তাই মানুহকেইগৰাকীলৈ এনেকৈ নিৰ্ভীকভাৱে মূৰ তুলি চালে যে তেওঁলোকে লগে-লগে মূৰ নমাবলৈ বাধ্য হ'ল। কেৱল ল'ছিঅ'ই তাইৰ ফালে গুণমুগ্ধ দৃষ্টিৰে চাই থাকিল। কিছু সময়ৰ নিথৰতাৰ পাছত তিৰোতাকেইগৰাকী আকৌ কথা পতাত লাগিল। এইবাৰ অৱশ্যে তাইৰ বিষয়ে নহয়। তেওঁলোকৰ লগত খাপ নোখোৱা এই ছোৱালীজনীৰ উপস্থিতি তেওঁলোকক দলবদ্ধ কৰি তোলাত সহায়ক হ'ল। বিবাহিতা তিৰোতাৰ সন্মানৰ প্ৰতি তেওঁলোক হঠাতে সচেতন হৈ পৰিল আৰু ফলত তাইৰপৰা আঁতৰি থাকি নিজৰ সন্মান বচাই ৰখাটো প্ৰত্যেকৰে পবিত্ৰ কৰ্তব্য বুলি তেওঁলোকে উপলব্ধি কৰিলে।

পুৰুষকেইজনৰ কোপদৃষ্টি পৰিল কৰ্নুডেটৰ ওপৰত। সমাজবাদী, সন্ত্ৰাসবাদী বুলি জনাজাত এই লোকজনৰ উপস্থিয়ে বিবেকহীন ঐশ্বৰ্যশালী যাত্ৰীকেইজনক একগোট হৈ দৰিদ্ৰতাৰ প্ৰতি থকা তেওঁলোকৰ অশ্ৰদ্ধা মুক্তকণ্ঠে প্ৰকাশ কৰাত ইন্ধন যোগালে। লগতে তিনিওজন নিজ-নিজ ব্যৱসায়, সা-সম্পত্তিৰ কথা দাম্ভিকতাৰে জহোৱাত লাগিল।

বাগীখন বৰ লাহে-লাহে চলিছিল। বাৰ মাইলমান পথ অতিক্ৰম কৰোঁতে পাহাৰৰ ওপৰত বাগীখন উঠাবৰ সময়ত লছিঅ'হঁত তিনি-চাৰি বাৰমান নামি দিব লগাত পৰিছিল। বাগীখন এবাৰ বৰফত লাগি ধৰোঁতেও আকৌ দুঘণ্টামান সময় পাৰ হৈ গ'ল। ফলত আগৰ বন্দবস্তমতে দুপৰীয়াৰ আহাৰ খাবৰ কাৰণে ভাবি থোৱা ট'টে বোলা ঠাইডোখৰ ৰাতিৰ আগতে গৈ পোৱাৰ কোনো সম্ভাৱনা নোহোৱা হ'ল। বাটৰ কাষৰ দোকান-পোহাৰবিলাকো বন্ধ আছিল। গতিকে পেটৰ কলমলনিত মুখৰ মাত-বোল নোহোৱা হোৱা যাত্ৰীকেইজনে নিজস্ব ভংগীত মাজে মাজে হামিয়াই গৈ থাকিল।

থুপুকী ছোৱালীজনীয়ে খৰমৰাই কিবা এটা বিচাৰি থকা দি আছিল। তিনিমান বজাত সকলোকে স্তম্ভিত কৰি তাই কুঁজা হৈ তাইৰ আসনৰ তলৰ পৰা বিভিন্ন খাদ্য সামগ্ৰীৰে ভৰা এটা বাস্কেট উলিয়াই আনিলে। বাস্কেটটো এখন বগা নেপকিনেৰে ঢাকি থোৱা আছিল।

বাস্কেটটোৰ ঢাকনিখন গুচাই প্ৰথমে তাই এখন থাল আৰু ৰূপৰ দীঘলীয়া মদ খোৱা পিয়লা এটা উলিয়ালে।... তাৰ পাছত উলিয়ালে দুটা মুৰ্গীৰে কৰা এখন 'পাই দিছ'। এইখিনি বস্তু উলিয়াই অনাৰ পাছতো বাস্কেটটোত তিনিদিনৰ যাত্ৰা এটাৰ কাৰণে হৈ যোৱাকৈ অপৰ্যাপ্ত খাদ্য-সম্ভাৰ দেখা গ'ল।

এটা ৰ'লৰ লগত মুৰ্গীৰ মঙহ এটুকুৰা তাই লাহে-লাহে খাবলৈ ধৰিলে।

বাকী যাত্ৰীকেইজনৰ অৱস্থা চাবলগা হ'ল। খোৱা বস্তুৰ মলমলিয়া গোন্ধ পাই তেওঁলোকৰ জিভাৰ পানী পৰিবলৈ ধৰিলে। "সন্মানিত" মহিলাকেইগৰাকীৰ তাইৰ প্ৰতি থকা অজ্ঞানিত ক্ষোভ খণ্ডত পৰিণত হ'ল। তাইক প্ৰাণে মাৰি খোৱা বস্তুৰ বাস্কেটটো দলিয়াই বাহিৰত পেলাই দিবলৈ মন গ'ল কেউগৰাকীৰে।

লছিঅ'ই কিন্তু বেছি সময় আহাৰখিনিৰ গোন্ধত লোভ সামৰি থাকিব নোৱাৰিলে। তেওঁ কৈ পেলালে, "বাঃ!





OKDISCD

আপুনি দেখিছোঁ বেচ দূৰদৰ্শী। এৰা। কিছুমান মানুহে আগতীয়াকৈ বহুত কথাই চিন্তা কৰি লব পাৰে।" তেওঁৰ কথাত তাই নম্ৰভাৱে —ইচ্ছা কৰিলে তেওঁ তাইৰ লগত খাব পাৰে— বুলি কোৱা মাত্ৰেই, "এৰা আপুনি কৈছে যেতিয়া— বুলি মুৰ্গীৰ ঠেং এটা ছিঙিলৈ উছাহেৰে খাবলৈ ধৰিলে।

তাৰ পাছত তাই নান দুগৰাকীক আৰু কৰ্নুডেটকো খাবলৈ ক'লে। তিনিও বিনাবাক্যে খোৱাত লাগিল। নান দুগৰাকীয়ে চকু ওপৰলৈ নুতুলিলেই।

পেটত ভোক, আহাৰৰ গোন্ধ, লগতে সন্মুখত বহি কেইজনমানে তৃপ্তিৰে খাই থকা দৃশ্যই বাকী কেইজনৰ অৱস্থা কাহিল কৰি পেলালে। লছিঅ'ই ঘৈণীয়েকৰ অৱস্থা বুজিব পাৰি থুপুকী ছোৱালীজনীৰ অনুমতি লৈ তেওঁকো খাবলৈ ক'লে। প্ৰথমে আপত্তি কৰিলেও শ্ৰীমতী লছিঅ'ই লোভ সম্বৰণ কৰিব নোৱাৰিলে। মাজতে এটা অস্বস্তিজনক পৰিবেশৰ সৃষ্টি হৈছিল,— ক্লাৰেটৰ বটল খোলাৰ পাছত দেখা গ'ল যে পিয়লা মাত্ৰ এটাহে। উপায় নাপাই পিয়লাটোৰ মুখখন মচি-মচি এজনৰ পাছত সিজনে খাবলৈ ধৰিলে।

আহাৰ গ্ৰহণৰপৰা এতিয়া বাগীখনৰ মাত্ৰ চাৰিজন যাত্ৰী বাদ পৰি ৰ'ল। তেওঁলোকৰ অৱস্থা টেনটেলাছৰ দৰে হ'ল। ...উদ্যোগপতি কেৰে লেমাডনৰ পত্নী হঠাতে অজ্ঞান হৈ পৰিল। বিমোৰত পৰি লেমাডনে মানুহখিনিৰ সহায় বিচাৰিলে। নান দুগৰাকীয়ে কিন্তু সময় অপব্যয় নকৰি শ্ৰীমতী লেমাডনৰ মুখ ফালি মদৰ পিয়লাটোৰে মদ অকণমান খুৱাই দিলে। লগে লগে তেওঁ চকু মেলি চালে। ক'লে তেওঁ ভাল পাইছে। আকৌ অজ্ঞান হৈ পৰে বুলি তেওঁক আৰু অলপ মদ খুৱাই দিয়া হ'ল। "ভোক লগাৰ বাহিৰে আপোনাৰ একো হোৱা নাই।"— নানকেইজনীয়ে ক'লে।

অস্বস্তিকৰ পৰিৱেশটো চম্ভালিবলৈ ছোৱালীজনীয়ে লঘোণে থকা পৰিয়াল দুটাকো তাইৰ ফালৰপৰাই খাবলৈ মাতিলে। তাইৰ মুখৰ কথা কাঢ়ি লোৱাদি লছিঅ'য়ো টপৰাই ভেদাভেদ পাহৰি সকলোকে একে মাৰৰ যাত্ৰী হৈ পৰিবলৈ ক'লে। লগতে পাছদিনা দুপৰীয়ালৈকে ট'টে গৈ পোৱাৰ আশা নথকাৰ কথাও ক'লে। অগত্যা তেওঁলোকো বাধ্য হৈ পৰিল তাই লগত অনা বস্তুৰপৰা ভোক নিবাময় কৰিবলৈ। অতি কম সময়ৰ ভিতৰতে বাস্কেটটোৰ গোটেইখিনি বস্তু অন্ত হ'ল।

বেয়া ছোৱালী বুলি অকলশৰীয়াকৈ ৰখা মানুহজনীয়ে লগত অনা আহাৰ খায়েই শক্তি ঘূৰাই অনা মানুহকেইগৰাকীয়ে তাইক এতিয়া মাত-বোল কৰিবলৈ বাধ্য হ'ল। খাবলৈ পোৱাৰ কৃতজ্ঞতাৰ উপৰিও খোৱা বস্তুখিনি যে তাইৰ সুন্দৰ ৰুচিবোধৰ পৰিচায়ক আছিল সেইটোও পেটে-পেটে সকলোৱে মানি লৈছিল। তাৰ উপৰিও, তাইৰ লগত মিলা-মিচা কৰাৰ লগে-লগে সকলোৱে উপলব্ধি কৰিব পাৰিলে যে তাইৰ কথা-বতৰা আও-ভাৱত এটা বিশেষ আকৰ্ষণীয় আভিজাত্য আছে। শ্ৰীমতী লছিঅ'ই কিন্তু গোগ্ৰাসে তাইৰ ভাগৰ বস্তু খাই থাকিলেও তাইৰপৰা দূৰত্ব এটা বজাই ৰখাৰ আপ্ৰাণ চেষ্টা কৰিছিল। যুদ্ধ সম্বন্ধীয় ফৰাচী সৈন্যৰ প্ৰশংসা আদি বিষয়ৰ কথাকে তেওঁলোকে পাতি গৈছিল। কথাৰ মাজতে তাই জাৰ্মান সৈন্য এজনক হত্যা কৰি বহুতদিন লুকাই ফুৰাৰ পাছত এতিয়া ইংলণ্ডলৈ পলাই যাবলৈ আহি তেওঁলোকৰ সহযাত্ৰী হব লগা কথাটোও জনালে। কাহিনী শুনি আটায়ে তাইৰ সৎসাহস আৰু দেশপ্ৰেমৰ শলাগ ললে। কৰ্নুডেটে গীৰ্জাৰ ফাদাৰে সজকামৰ সমৰ্থনত মৰাৰ দৰে হাঁহি এটা মাৰি তাইৰ সাহসৰ শলাগ ললে। "দেশপ্ৰেম" বোলা অনুভূতিটো যেন সিহঁতৰ নিচিনা ডাঠীয়া উগ্ৰপন্থীহঁতৰহে একচেতিয়া বস্তু, —সেই ভাৱত এইবাৰ তেওঁ এটা বক্তৃতা জাৰিবলৈ ললে। কিন্তু সি তৃতীয় নেপ'লিয়নক গালি পৰাত ছোৱালীজনীৰ খং উঠিল। তাই বোনাপাৰ্টৰ সমৰ্থক। তাই গমগমাই উঠি আনে নেপ'লিয়নৰ অৱস্থাত পৰিলে কি কৰিলেহেঁতেন ভাবি চাবলৈ কলে আৰু লগতে কলে, —"তোমালোকৰ দৰে দুৰ্নীতিপৰায়ণ কিছুমানৰ হাতলৈ চৰকাৰ আহিলে সকলোৱে ফ্ৰান্স এৰি যে পলাব লাগিব সেইটোও ধ্ৰুপ।" সৰ্বজ্ঞান্তাৰ ভাৱত হাঁহি এটা মাৰি কিন্তু কৰ্নুডেটে নিজৰ যুক্তিত লাগিয়েই থাকিল। অৱশেষত কমটে গৰাকীৰ কৰ্তৃত্বপূৰ্ণ মধ্যস্থতাতহে যেনিবা তৰ্কাতৰ্কিৰ অন্ত পৰিল। মহিলা কেইগৰাকীয়ে কিন্তু ছোৱালীজনীয়ে ৰাজতন্ত্ৰ সমৰ্থন কৰা শুনি বৰ ভাল পাইছিল। স্বভাৱিকতে গণতান্ত্ৰিক চৰকাৰৰ প্ৰতি থকা তেওঁলোকৰ অনাস্থাৰ উপৰিও স্বেচ্ছাচাৰী চৰকাৰৰ দয়াত উপভোগ কৰি থকা সা-সুবিধাবোৰ অন্ত পৰাৰ ভয়ত তেওঁলোক হাড়ে-হিমজুৰে ৰাজতন্ত্ৰৰে সমৰ্থক।

কথাৰ মাজতে বাস্কেটত থকা সকলো খাদ্য শেষ হ'ল। —আৰু অলপ থকা হ'লেহে যেন ভাল আছিল!

সন্ধ্যা নামি অহাৰ লগে-লগে জাৰৰ প্ৰকোপ বাঢ়িল। চালকজনে বাহিৰত ওলোমাই অনা লেম্পটো জ্বলাই দিলত দুই কাষৰ বৰফবোৰে চিকমিকাবলৈ ধৰিলে। বাগীৰ ভিতৰত কিন্তু ঘোপমৰা অন্ধকাৰ। হঠাতে আন্ধাৰৰ মাজতে কিবা এটা লৰচৰ কৰা যেন অনুমান হোৱাত খুব ভালদৰে জুমি চাই লছিঅ'ই দেখিলে যে মুখেৰে একো নমতাকৈ কৰ্নুডেটক ছোৱালীজনীয়ে গোৰ মাৰি দিছে।

অৱশেষত তেৰ ঘণ্টাৰ যাত্ৰাৰ পাছত তেওঁলোক ট'টে পালেগৈ। "হোটেল কমাৰ্ছ"ৰ মুখত বাগীখন ৰখাই দুৱাৰ খোলাৰ লগে-লগে জাৰ্মান ভাষাত দিয়া আদেশ শুনা গ'ল। বাগীখনৰ যাত্ৰীকেইজনৰ ইতিমধ্যে এই স্বৰত দিয়া আদেশ শুনাত অভ্যস্ত হৈ গৈছিল। তেওঁলোক বহা ভাগেই থাকিল। প্ৰথমে নামি গ'ল হাতত লণ্ঠনটো লৈ চালকজন, লণ্ঠনটোৰ পোহৰত এজন জাৰ্মান বিষয়াক বাগীখনৰ সন্মুখত থিয় দি থকা দেখা গ'ল। ফিটফাট সামৰিক পোছাকেৰে মানুহজনৰ ডাঙৰ মোচকোচা তললৈ বৈ পৰা। মানুহখিনিক তেওঁ নামিবলৈ আদেশ দিলে। প্ৰথমে নানদুগৰাকী আৰু সৰ্বশেষত কৰ্নুডেট আৰু ছোৱালীজনী নামিল। সকলোকে অতিথিশালাৰ মজিয়াঘৰলৈ নি, এখন-এখনকৈ অনুমতি পত্ৰবোৰ চাই, লগত থকা ফটোবোৰ প্ৰত্যেকৰে চেহেৰাৰ লগত মিলাই চোৱা হ'লত, "সকলো ঠিক আছে", বুলি কৈ তেওঁ আঁতৰি গল। মানুহখিনিয়ে স্বস্তিৰ নিঃশ্বাস পেলালে। নিজৰ পচন্দমতে প্ৰত্যেকে আহাৰৰ অৰ্ডাৰ দি আগেয়ে বন্দবস্ত কৰি থোৱা নিজ-নিজ কোঠাত সোমাই জিৰণি ললেগৈ!

ৰাতি মানুহবোৰ খাবলৈ বহাৰ সময়ত অতিথিশালাৰ মালিকজন আহিল। মানুহজনৰ মাতটো ভগা। গতিকে তেওঁ সদায় কথা কবৰ আগতে কাহ এটা মাৰি লয়। কাহ এটা মাৰি তেওঁ সুধিলে; "এলিজাবেথ ৰছেট কাৰ নাম?"

"মোৰে নাম। কিয়?" আচৰিত হৈ থুপুকী ছোৱালীজনীয়ে ক'লে।

"আপোনাক প্ৰাছান বিষয়াজনে মাতিছে।"

"মোক?"

"হয়। যদি আপুনিয়েই এলিজাবেথ ৰছেট হয়।"

অকণমান চিন্তা কৰি স্পষ্ট মাতেৰে তাই কলে যে তাই নাযায়।

তাইৰ কথাত সকলো সচকিত হৈ উঠিল। তাইক মাতি পঠিওৱাৰ কাৰণ বুজিব নোৱাৰিও তেওঁলোকৰ চিন্তা হ'ল। কমটেজনে তাইৰ কাষ চাপি আহি আদেশ অমান্য কৰাৰ বিপদৰ কথা সকিয়াই দিলে। লগতে কলে যে তাইৰ লগতে সকলোৱেই কষ্ট খাব লগা হবগৈ। —"যিহেতু আমি এতিয়া পৰাভূত জাতি, লোকৰ আদেশ মানিব লাগিবই। মই ভবাত বিশেষ কিবা নিয়ম আদিৰ নিৰ্দেশ দিবলৈহে মাতি পঠাইছে। এবাৰ গৈ অহাই মোৰ বোধেৰে উচিত হ'ব।" বাকী আটাইকেউজন যাত্ৰীয়ে কাবৌ-কোকালি কৰিবলৈ ধৰাত, তেওঁলোকৰ অনুৰোধতহে গৈছে বুলি কৈ তাই ওলাই গ'ল।

তাই যোৱাৰ পাছত তাইৰ অলপতে খং উঠা আৰু আকোৰগোজ স্বভাৱৰ কাৰণে নতুন কিবা বিপদৰ সূচনা কৰি আহে বুলি আটায়ে প্ৰমাদ গণি থাকিল। তাইক নামাতি যদি তেওঁলোকৰে কোনোবা এজনক মাতিলেহেঁতেন! অকস্মাতে মাতিলে কোনে কি কবগৈ তাকে মনে-মনে ভাঙি পাতি থকাৰ দহ মিনিট মানৰ পাছত খঙত জ্বলি-পকি উগ্ৰমূৰ্তি ধৰি ছোৱালীজনী উভতি আহিল। মাতি পঠিওৱাৰ কাৰণ সুধিলত তাই— "এই কথাৰ লগত আপোনালোক জড়িত নহয়"—বুলি কৈ থলে।

আহাৰ পৰিৱেশন হ'ল। মনত খুহুৰনি লৈ হ'লেও আটায়ে পেট ভৰাই খালে। চৰাইখানাৰ মালিক ফলেনভি আৰু তেওঁৰ পত্নীয়েও এটা কোণত বহি খাই আছিল। মানুহজনীয়ে অনৰ্গল কথা কৈ আছিল।

আহাৰৰ শেষত নিজৰ নিজৰ কোঠাত গৈ সকলো দিনটোৰ কষ্টৰ অন্তত লালকাল হৈ শুই পৰিল। মনত সন্দেহ এটা লৈ থকা কাৰণে লছিঅ' কিন্তু নুশুলে। বিন্ধা এটাৰে বাহিৰলৈ চাই থাকোঁতে তেওঁ দেখিলে যে বগা ড্ৰেছিং গাউন এটা পিন্ধি, হাতত মম এডাল লৈ এলিজাবেথ ৰছেট লেভেটৰিৰ ফালে ওলাই আহিছে। ইফালৰ পৰা কৰ্নুডেট ওলাই আহি তাইৰ কোঠাত সোমাবলৈ যত্ন কৰা দেখা গ'ল। কিন্তু কিছু বাক-বিতণ্ডাৰ মূৰত সি ঘূৰি যাবলৈ বাধ্য হ'ল।

লছিঅ' নিজেও আহি বিছনাত উঠিলহি। চাৰিওফালে নিস্তব্ধতা বিৰাজ কৰিবলৈ ধৰিলে।

পুৱা আঠমান বজাত পূৰ্ব নিৰ্ধাৰিত সময়ত যাত্ৰা আৰম্ভ কৰিবৰ বাবে খৰখেদাকৈ সকলো ওলাই আহিল। কিন্তু বাগীখনৰ কাষত ঘোঁৰা কেইটা আৰু চালকজনক নেদেখি তেওঁলোক আচৰিত হ'ল। ঘোঁৰাশালত তেওঁক বিচাৰি নাপাই কেইজনমানে চহৰতো তেওঁক বিচাৰি চলাথ কৰিলে। বহুত সময়ৰ পাছত তেওঁক জাৰ্মান বিষয়াজনৰ বেট্‌মেনজনৰ সৈতে কাফে এখনত গল্প কৰি থকা দেখা পাই খং কৰাত তেওঁ জনালে যে অতিথিশালাৰ মালিকজনে জাৰ্মান সেনাধ্যক্ষৰ আদেশত সেইদিনাৰ যাত্ৰা বাতিল কৰাৰ নিৰ্দেশ দিছে।

মানুহখিনি হতভম্ব হ'ল। ফলেনভিক লগ পাবলৈ বিচাৰি পৰিচাৰিকাজনীৰ পৰা তেওঁলোকে জানিবলৈ পালে যে ফলেনভি সদায় পুৱা দহ বজালৈকে শোৱে। তেওঁ কাঢ়া নিৰ্দেশ দিয়া আছে যে অতিথিশালাত জুই লগাৰ বাহিৰে যেন আন কোনো কথাতেই তেওঁৰ টোপনি ভংগ কৰা নহয়।

সেনাধ্যক্ষজনক লগকৰাৰ কথা ওলালেও তেওঁলোকে ভালদৰে জানে যে সেইটো অসম্ভৱ। তেওঁ অসামৰিক কথাত ফলেনভিৰ বাদে আন কাকো দেখা নকৰে। গতিকে অপেক্ষা কৰাত বাদে তেওঁলোকৰ কোনো উপায় নাইকিয়া হ'ল। কৰ্নুডেট মদৰ পিয়লা এটা লৈ জ্বলি থকা চিমনি এটাৰ কাষত বহিল। "ভৰি কেইটা পোনাই আহোঁ" বুলি লছিঅ'ই লগত মদৰ বটলকেইটামান লৈ খুচুৰা ব্যৱসায়ীক বেচিব পৰা যায় নেকি চাবলৈ ওলাল। কমটেজনে কপাহ উদ্যোগপতিজনৰ লগত ফ্ৰান্সৰ ভৱিষ্যত সম্পৰ্কে আলোচনাত ব্যস্ত হ'ল। তিৰোতা কেইগৰাকী নিজৰ-নিজৰ কোঠালৈ গ'লগৈ।

দহ বজাত ফলেনভিক লগ পোৱা গ'ল যদিও ট'টে এৰাৰ অনুমতি বাতিল কৰাৰ সম্পৰ্কে তেওঁ একো কব নোৱাৰিলে। হুবাৰ্ট আৰু লেমাডনে



OKDISCD

বিষয়াজনৰ সাক্ষাতৰ অনুমতি বিচাৰি কাৰ্ড পঠালে। সাক্ষাৎ পালে। কিন্তু তেওঁ কোনো ভদ্ৰতা নাৰাখি খিং-খিঙীয়া সুৰত— "মোৰ আদেশ। মই অনুমতি নিদিয়ালৈকে আপোনালোক ইয়াৰ পৰা যাব নোৱাৰে"— বুলি কৈ তেওঁলোকক পঠাই দিলে।

ৰাতিৰ আহাৰ খাবৰ সময়ত ফলেনভি আহি পুনৰ গল-খেকাৰি এটা মাৰি সুধিলে, "জাৰ্মান বিষয়াজনে জানিব খোজে যে শ্ৰীমতী এলিজাবেথ ৰছেটে তেওঁৰ সিদ্ধান্ত সলাইছে নে নাই?"

কিছু সময় নিমাতে থাকি তাই চিঞৰি উঠিল, "নাই সলোৱা। মৰিলেও নসলাওঁ।"

ফলেনভি আঁতৰি যোৱাৰ লগে লগে আটায়ে বেঢ়ি ধৰি তাইক কি হ'ল, কি মত সলোৱাৰ কথা সুধিছে, ইত্যাদি প্ৰশ্ন কৰি হায়ৰাণ কৰি তুলিলে। প্ৰথমতে তাই কব খোজা নাছিল; কিন্তু পাছত মানুহখিনিৰ প্ৰশ্নৰ কোবত তৎ নাপাই তাই চিঞৰি উঠিল, "কি হ'ব আৰু? তাক, কুকুৰক মোৰ লগত শুবলৈ লাগে।"

তাইৰ কথা শুনি ঘৃণা, খঙত মানুহখিনি ইমান হতবাক হৈ পৰিছিল যে তাইৰ ভাষাৰ অশালীনতা কাৰো কাণতেই নালাগিল, জাৰ্মানবিলাকৰ বৰ্বৰতাৰ নিন্দাত সকলো ব্যস্ত হৈ পৰিল। মুহূৰ্তৰ কাৰণে এনে লাগিছিল যেন তাইক কৰা প্ৰস্তাৱত তেওঁলোক সকলো অপমানিত হৈছে। বিশেষকৈ তিৰোতা কেইগৰাকীয়ে তাইক খুব সহানুভূতি দেখুৱালে।

নৈশ ভোজন শেষ হ'ল। সমালোচনাৰ উত্তাপো কমি আহিল। এটা সময়ত কাৰো মুখত মাত নোহোৱা হ'ল। সকলোৱে যেন এতিয়া ব্যক্তিগত দৃষ্টিভংগীৰে কথাটো চিন্তা কৰাত লাগিল।...

তিৰোতা কেইগৰাকী ওপৰলৈ যোৱাৰ পাছত বাকীখিনিয়ে ফলেনভিক তাচ একখেল খেলিবলৈ মাতিলে। উদ্দেশ্য আছিল খেলৰ মাজতে এই বিপদৰ পৰা ৰক্ষা পোৱাৰ উপায় এটা সুধি লব। সুবিধা নহ'ল। তেওঁলোকৰ প্ৰশ্নলৈ মন-কাণ নিদি ফলেনভিয়ে একান্ত মনে খেলিবলৈ লগাত উদ্দেশ্য সিদ্ধি নোহোৱাৰ লক্ষণ দেখি এটা সময়ত সকলো নিজ-নিজ কোঠালৈ গ'লগৈ।

মনত ক্ষীণ আশা এটা লৈ পাছদিনা পুৱা আটায়ে সোনকালে উঠিল। পিছে নাই। আগদিনা পুৱাৰ নিচিনাকৈ ঘোৰাবাগীখন যোঁৰা নোহোৱা অৱস্থাতে পৰি আছে।

আগদিনা ৰাতি এলিজাবেথ ৰছেটৰ প্ৰতি সহযাত্ৰীসকলে দেখুউৱা সহানুভূতি, ৰাতিটোৰ গুণা-গথাৰ পাছত বহুতখিনি হ্ৰাস পোৱা দেখা গ'ল। পেটে-পেটে প্ৰত্যেকেই আশা কৰিছিল যে ৰাতিটোৰ ভিতৰতে মনে-মনে গৈ তাই প্ৰাছান বিষয়াজনৰ মনোবাঞ্ছা পূৰ্ণ কৰি তেওঁলোকৰ যাত্ৰাৰ বাট মুকলি কৰি দিব। তেওঁলোকৰ মতে তাই বৰ সৎ চৰিত্ৰৰো নহয় যেতিয়া, তাইৰ বাবে এইটো একো বৰ ডাঙৰ কথা নহ'লহেঁতেন। মানুহজনৰ আগত তাই লগৰ মানুহখিনিৰ দুৰ্গতিৰ অন্ত পেলাবলৈ অহা বুলি কৈয়ো লজ্জা ৰক্ষা কৰিব পাৰিলেহেঁতেন। তাকে নকৰাত তাইক মুখ খুলি কিন্তু কোনেও একো কব নোৱাৰিলে। তেওঁলোকে তাইৰ লগ এৰাই ফুৰিলে। মেকুৰীৰ ডিঙিত টিলিঙা পিন্ধাব কোনে!

আবেলি কমটে হুবাৰ্টৰ প্ৰস্তাৱক্ৰমে গাঁওখন ঘূৰি-পকি চাবৰ কাৰণে কনুডেট আৰু নানতুগৰাকীৰ বাহিৰে সকলো ওলাই গৈছিল। ঘূৰি আহোঁতে লেমাডন, লছিঅ'হঁত শ্ৰীমতীহঁততকৈ অকণমান আগ বাঢ়িল। মুখ খুলিলে প্ৰথমে লছিঅ'ই— "এই বেশ্যাজনীয়ে আমাক কিমানদিন ইয়াতে ৰখাব খুজিছে?" কমটেজনে পদমৰ্যাদাৰ স্বাভাৱিক গাম্ভীৰ্য বজাই ৰাখি ক'লে; "ইমান ডাঙৰ ত্যাগ এটা তাই নিজে আগবাঢ়ি নকৰিলে আমি কোনেও দাবী কৰিব নোৱাৰোঁ নহয়।" কেৰে লেমাডনে ক'লে, "আমি ইয়াৰ পৰা যিমান সোনকালে পাৰোঁ ওলাই যাব নোৱাৰিলে ফৰাছী পক্ষৰ পৰা প্ৰতি-আক্ৰমণৰ কথা ওলালে বিপদ আছে। তেতিয়াতো ৰণক্ষেত্ৰ ট'টেই হ'ব!" ভিন-ভিন মতৰ মাজেদি লছিঅ'ই খোজ কাঢ়ি পলাই যোৱাৰ কথা উলিয়াইছিল। কিন্তু হুবাৰ্টে ক'লে— তিৰোতা কেইগৰাকীৰে সৈতে পলাবলৈ যত্ন কৰাটো বলিয়ালিহে হ'ব।

তিৰোতা কেইগৰাকীয়ে সাজ-পাৰ সম্বন্ধীয় কথাকে পাতি আহিছিল। তেওঁলোকৰ মাজত কিন্তু জোৰকৈ সহজ হ'বলৈ কৰা যত্ন স্পষ্ট আছিল। তেনেকৈ গৈ থাকোঁতে কৰবাৰ পৰা ভুটুংকৈ ওলাই সেই সামৰিক বিষয়াজন দীঘল-দীঘল খোজেৰে পাৰ হৈ গ'ল। তিৰোতা কেইগৰাকীক তেওঁ মূৰ দোঁৱাই গ'ল। কিন্তু পুৰুষকেইজনলৈ তাচ্ছিল্যভৰা ভাবেৰে চাই, পৰিচয়ৰ কোনো চিন নেদেখুৱাকৈ গুচি গ'ল।

ৰছেট ৰঙা-চিঙা পৰিছিল। শ্ৰীমতী লছিঅ'হঁতে তাইৰ লগত তেওঁলোকক দেখা পোৱাত নিজৰ সন্মান তললৈ নমা যেন পাইছিল। কিন্তু মানুহজন পাৰ হৈ যোৱাৰ পাছতে তেওঁৰ দেখনিয়াৰ চেহেৰাটোৰ বিষয়ে তেওঁলোকে মন্তব্য দিবলৈ ধৰিলে। অনেক সামৰিক বিষয়াৰ লগত পৰিচয় থকা কেৰে লেমাডনৰ পত্নীয়ে ক'লে,— ফৰাছী হোৱা হ'লে এই মানুহজনৰ সুৰত বহুতো তিৰোতাই নাচিলেহেঁতেন।

অতিথিশালাত ৰাতিৰ আহাৰ খাই মানুহবোৰে গোমোঠা মাৰি সময়বোৰ কটালে। পাছ দিনা পুৱা এলিজাবেথ ওচৰৰ গীৰ্জাটোত হ'ব লগা এটা নৱজাত শিশুৰ নামকৰণ অনুষ্ঠান চাবলৈ ওলাই গ'ল। তাই আঁতৰি যোৱাৰ লগে-লগে আটায়ে থুপ খাই বহিল,— আলোচনা এটা কৰি কিবা এটা সিদ্ধান্তলৈ আহিবলৈ। লছিঅ'ৰ প্ৰস্তাৱ ক্ৰমে ফলেনভিক জাৰ্মান বিষয়াজনৰ ওচৰলৈ এটা অনুৰোধ লৈ



পঠোৱা হ'ল। অনুৰোধটো হ'ল— তাইৰ বাহিৰে আনসকলক যোৱাৰ অনুমতি দিব লাগে। প্ৰস্তাৱটো মঞ্জুৰ নহ'ল।

শ্ৰীমতী লছিঅ'ই ঢাকি ৰখা তেওঁৰ অশালীনতা প্ৰকাশ কৰি চিঞৰি উঠিল, "এই বেশ্যাজনীৰ কাৰণেই যত মানে বিপদ! তাই এবাৰ নাযায় কিয়? তাইৰ লগত এই বুঢ়া বয়সত আমিও মৰিব নোৱাৰোঁ নহয়! মই তাইৰ চব কথা মোৰ দোকানত মদ কিনিবলৈ অহা মানুহৰ পৰা গম পাওঁ নহয়! তাইতো গাড়ীৰ চালককো বাদ নিদিয়ে ...! এতিয়া ইয়াত আকোৰগোজ হৈ দেখুৱালে কিডাল হব? মানুহজনৰ গাতো মই দোষ নিদিওঁ। পৰিয়ালৰ মানুহ এৰি এনেকুৱা ঠাইত কৰ্তব্যৰ খাতিৰত থাকিব লগা হ'লে এনেকুৱা দাবী কৰাই স্বাভাৱিক। তেওঁতো আমাক মতা নাই! বিবাহিত তিৰোতাক সন্মান দেখুৱাব এইসকল ভদ্ৰলোকে জানে। আমাক যে মতা নাই, এই কথাটোতে মানুহজনৰ মহত্ব মন কৰক। যি খুচি তাকে কৰাৰ অধিকাৰ থাকিলেও কাক সন্মান কৰিব লাগে সেইটো তেওঁ জানে। ... "

তেওঁৰ কথাত আন দুগৰাকী মহিলা সচকিত হৈ উঠিল। শ্ৰীমতী কেৰে লেমাডনৰ ধুনীয়া চকুজুৰি এনেকৈ কঁপি উঠিল যেন তেওঁক এইমাত্ৰ জাৰ্মান বিষয়াজনে ধৰ্ষণ কৰিলেই!

লছিঅ'ই ছোৱালীজনীক ধৰি বান্ধি বিষয়াজনৰ হাতত গতাই দিয়াৰ কথা কৈ চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে। কমটে হুবাৰ্ট কিন্তু ধীৰ-স্থিৰ। তিনি পুৰুষ ধৰি এওঁৰ পৰিয়াল ৰাষ্ট্ৰদূত হৈ আহিছে; তেওঁ নিজেও পকা ৰাজনীতিজ্ঞ। তেওঁ সন্ধিৰ বাঁহ বুদ্ধিৰে কটাতে জোৰ দিলে।

আৰম্ভ হ'ল এক অভিসন্ধিৰ।

ৰহি থকা চকীবোৰ আৰু অলপ চোঁচোৰাই, ওচৰ চাপি বহি আটায়ে ফুচফুচাই নিজৰ পৰিকল্পনাবোৰ দাঙি ধৰিলে। প্ৰত্যেকৰ প্ৰস্তাৱ চালি-জাৰি চোৱা হ'ল। অতি নীচ মনোবৃত্তিৰ পৰিচায়ক আলোচনা এটা চলি থাকিলেও কথোপ-কথন অতি সংযত ভাষাত চলিছিল। তেওঁলোকৰ সুন্দৰ শব্দ গাঁথনিৰ ব্যৱহাৰে হঠাতে তাত উপস্থিত হোৱা এজনকো সহজে অভিভূত কৰিলেহেঁতেন। কিন্তু হ'লেও এইকেইদিনে তেওঁলোকে ইজনৰ সমুখত সিজনে পিন্ধি থকা মুখাবোৰ খোল খাই গ'ল। আলোচনাৰ মাজত বহুতো অশ্লীল খুহুতীয়া কথা ওলাল। প্ৰত্যেকেই শ্ৰীমতী লছিঅ'ই কোৱা,— "তাই এইটো ব্যৱসায় কৰেই যেতিয়া মানুহ কিয় বাছিব লাগে?" —কথাষাৰৰ সমৰ্থক হ'ল। সুন্দৰী লেমাডনে কলে,— এলিজাবেথৰ ঠাইত তেওঁ হোৱা হ'লে এনে এজন সুঠাম পুৰুষক এনেকৈ অৱমাননা নকৰিলেহেঁতেন। আলোচনাত কেৱল কনুডেটে ভাগ লোৱা নাছিল।

তেওঁলোকে মগ্ন হৈ কথা পাতি থাকোঁতেই এলিজাবেথ আহি প্ৰায় কাষ পাইছিলহি; কিন্তু ভাগ্যৰ বলত কমটেজনৰ চকুত পৰাত তেওঁ 'ওহ' বুলি কোৱাৰ লগে-লগে সকলো বোবা হৈ পৰিল। শেষত যেনিবা ভদ্ৰ সমাজৰ ভণ্ডামীৰ লগত আটাইতকৈ বেছি অভ্যস্ত কমটেজনেই পৰিস্থিতি সহজ কৰি পেলালে: 'কেনে লাগিল?' অত্যন্ত অভিভূত হৈ অহা এলিজাবেথে উৎসাহেৰে সকলো বৰ্ণনা কৰি কলে, "কেতিয়াবা প্ৰাৰ্থনা কৰি বৰ ভাল লাগে।"

দুপৰীয়া আহাৰৰ সময়লৈকে তাইৰ মন ভাল লগাবলৈ মহিলা কেইগৰাকীয়ে যিমান পাৰে সিমান যত্ন কৰিলে। খোৱাৰ পৰত তেওঁলোকে লাহে ধীৰে আচল বিষয়টো অৱতাৰণা কৰিবলৈ আৰম্ভ কৰিলে। আত্মত্যাগৰ উদাহৰণ দাঙি ধৰা হ'ল; —লুক্ৰেটা ছেক্সটাৰ কাহিনী, নিজৰ দেহাদি ক্লিঅ'পেট্ৰাই ৰোমান জেনেৰেলক হাত কৰিবলৈ কৰা ব্যৱস্থাৰ কাহিনী, আৰু লগতে তেওঁলোকৰ অলপীয়া শিক্ষাৰে ঢুকি পোৱা কাল্পনিক কাহিনী। কাহিনীবিলাকৰ বিযয়বস্তু আছিল— আনৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে তিৰোতা মানুহে কেনেকৈ নিজৰ দেহা দিয়ে। বাছি-বাছি, মাৰ্জিত ভাষাত কোৱা তেওঁলোকৰ কাহিনীবিলাকৰ মাজেদি ইয়াকে বুজাবলৈ যত্ন কৰা হৈছিল যে সামৰিক দুৰ্নীতিৰ ওচৰত আত্ম ত্যাগ কৰি হাৰ মনাটো প্ৰতি নাৰীৰ পৱিত্ৰ

ডিচেম্বৰৰ তৃতীয় সপ্তাহত প্ৰকাশ পাব

দেশপ্ৰাণ
লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী

দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা অসমৰ চিন্তা তথা কৰ্মজগতৰ এক অবিস্মৰণীয় নাম। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অক্লান্ত ৰণুৱা, সমাজৰ অৱহেলিত শ্ৰেণীৰ সবাক প্ৰতিনিধি, নাৰী মুক্তি আন্দোলনৰ নিৰ্ভীক প্ৰবক্তা, সামাজিক ঐক্য আৰু সমন্বয়ৰ অন্যতম হোতা প্ৰয়াত লক্ষ্মীধৰ শৰ্মা আছিল একেধাৰে এগৰাকী বৰণীয় বুদ্ধিজীৱি আৰু ক্ৰান্তিকাৰী কথা-শিল্পীও ' অৰ্ধ শতিকা পুৰ্বে বচিত তেওঁৰ অনুপম সাহিত্য-কৃত্তি অসমৰ প্ৰগতিশীল সাহিত্যৰ পাথেয় ৰূপে আজিও চিহ্নিত।

অমিত প্ৰতিভাধৰ লক্ষ্মীধৰ শৰ্মাৰ বহু আকাংক্ষিত ৰচনাৱলীৰ প্ৰথম খণ্ড সম্প্ৰতি প্ৰকাশৰ পথত। তেওঁৰ 'জীৱন স্মৃতি'ৰ সজীৱ সামাজিক চিত্ৰ, 'চিৰাজ', 'বিদ্ৰোহিনী' প্ৰমুখ্যে তেওঁৰ চিৰ সেউজ গল্পৰাজিৰ দুৰ্বাৰ স্বাদ 'নিৰ্মলা' কে আদি কৰি তেওঁৰ তিনিখন নাটকৰ অননুকৰণীয় বাচন ভংগী—ইত্যাদি এই খণ্ডটোৰ অন্যতম আকৰ্ষণ।

লক্ষ্মীধৰ শৰ্মাৰ ৰচনাৱলী মানেই এগৰাকী আপোচ-বিহীন যোদ্ধা আৰু বোদ্ধাৰ ৰচনাৱলী, এগৰাকী সৈনিক আৰু শিল্পীৰ ৰচনাৱলী।

প্ৰচ্ছদ আৰু অলংকৰণ—পূৰ্ণেন্দু পত্ৰী। মূল্য ৩০·০০ টকা।

ষ্টুডেন্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১



OKDISCD

কৰ্তব্য। নানছুগৰাকীয়ে কাহিনীবিলাকৈসে মন নিদি প্ৰাৰ্থনাত মগ্ন হৈ থকাদি থাকিল। এলিজাবেথে মনে-মনে শুনি থাকিল।

সন্ধ্যা আহাৰৰ সময়ত আকৌ ফলেনভি আহি একেটা প্ৰশ্নকে সুধি একেটা উত্তৰকে লৈ গ'ল। ···এটা সময়ত কমটে পত্নীয়ে কায়দা এটা কৰি অধ্যায়টো আকৌ আৰম্ভ কৰিলে। নান ছুগৰাকীক তেওঁ ভগবানৰ ইচ্ছাত মহাপুৰুষসকলে বাধ্য হৈ কৰিব লগা হোৱা অপকৰ্ম বিলাকৰ বিষয়ে ধৰ্ম শাস্ত্ৰই কি কয় সুধিলে। ইংগিতটো বুজিব পাৰি তেওঁলোকে বৰ উৎসাহেৰে কাহিনী ছুটামান কৈ মন্তব্য কৰিলে যে নৰহত্যাৰ দৰে অন্যায় এটাও যদি ঈশ্বৰৰ ইচ্ছাত কৰিব লগা হয়, তাত কোনো দোষ থাকিব নোৱাৰে। কমটেছ গৰাকীয়ে অতি সৰলভাৱে সোধাৰ নিচিনাকৈ পুনৰ সুধিলে, "তাৰ মানে, ছিষ্টাৰ, উদ্দেশ্য মহৎ হ'লে, উপায় অসৎ বা অন্যায় হ'লেও দোষ নাই নহয় ?" "নিশ্চয় নাই।"

এইদৰেই তেওঁলোকে ছোৱালীজনীক শুনাই শুনাই, ধৰ্মৰ দোহাই দি, অসৎ উপায় অৱলম্বন কৰি হ'লেও সৎ উদ্দেশ্য সাধন কৰা, আনৰ সহায়ৰ কাৰণে প্ৰাণ আহুতি দিয়া আদি কথা পাতি থাকিল। আহাৰ খোৱা শেষ হ'ল। সকলো ওপৰলৈ গ'ল। পাছদিনা দুপৰীয়াৰ আহাৰৰ সময়লৈকে কোনো তললৈ নামি নাহিল।

আবেলি গোটেই দলটো বাটে-বাটে ফুৰি আহিবলৈ ওলাল। পূৰ্বৰ পৰিকল্পনা মতে এলিজাবেথক কমটে গৰাকীৰ লগত এৰি আনসকল অলপ আগবাঢ়ি গল। পিতৃ সুলভ স্নেহৰ সুৰেৰে তাইক "আইজনী" বুলি সম্বোধন কৰি তেওঁ কলে, "তুমি বাৰু সঁচাকৈয়ে আমাক ইয়াতে ৰাখি তোমাৰ লগতে বিপদত পেলাব খুজিছা নেকি ? এইটোনো কি ইমান নোহোৱা-নোপোজা কথা যে তুমি মান্তি নোহোৱা ?" তাই তেওঁৰ কথাত প্ৰতিবাদ কৰিব খুজিলেও কৰ্তৃত্বসুলভ বুজনিৰে তেওঁ তাইৰ প্ৰত্যুত্তৰ বন্ধ কৰি অনৰ্গল কথা কৈ গ'ল। শেষত হাঁহি এটা মাৰি কলে, "তোমাৰ এইকণ দয়াৰ কাৰণে আমি আটায়ে তোমাৰ ওচৰত চিৰকৃতজ্ঞ হৈ থকাৰ উপৰিও, সেই বিষয়াজনৰো গোটেই জীৱনলৈ মনত থকা এজনী দুৰ্লভ্য, সুন্দৰীক উপভোগ কৰাৰ অভিজ্ঞতা হ'ব।" তেওঁৰ কথাৰ একো উত্তৰ নিদি ছোৱালীজনী আনসকলৰ লগ লাগিলগৈ।

ৰাতি খাবৰ সময়ত আন সকলো আহি গোটখোৱাৰ পাছত ফলেনভিয়ে আহি খবৰ দিলেহি যে শাৰীৰিক অসুস্থতাৰ কাৰণে এলিজাবেথ ৰছেট আহাৰ গ্ৰহণ কৰিবলৈ নাহে। কথামাৰ কৈয়ে তেওঁ যাবলৈ ওলাইছিল; পিছে কমটেজন লাহেকৈ তেওঁৰ ওচৰ চাপি গ'ল। তেওঁলোকে কি কথা পাতিলে কোনেও নুশুনিলে। কমটেজনে মাত্ৰ মূৰ দুপিয়াই বিপদ অন্ত পৰাৰ ইংগিত দিলে। লগে-লগে উৎসৱ-মুখৰ পৰিৱেশ। ল'ছিঅ'ই জঁপিয়াই উঠি চাৰি বটল শ্যেম্পেনেৰে সকলোকে আপ্যায়িত কৰিবলৈ ললে। মদ্যপান আৰম্ভ হ'ল। আটাইতকৈ বেছি হুলস্থূল কৰিলে ল'ছিঅ'ই। আনহাতে কৰ্নুডেটে একেবাৰে চুপ মাৰি চুক এটাত বহি অকলে মদ্যপান কৰি থাকিল। মদৰ ৰাগীত ঢলং-পলং কৰি ল'ছিঅ'ই এবাৰ তেওঁৰ ওচৰলৈ উঠি গৈ সুধিলে; "আজি দেখোন আপুনি বৰ আনমনা হৈ আছে ? একো কথাও কোৱা নাই !" মূৰ তুলি প্ৰত্যেকজনক একোবাৰকৈ চাই কৰ্নুডেটে শান্ত সুৰত কলে, "চাওক, আপোনালোকে আজি এটা নিলৰ্জ্জ কাম কৰিলে। স্বাৰ্থ সিদ্ধিৰ কাৰণে। সঁচাকৈয়ে নিন্দনীয়। কৈয়ে তেওঁ বাহিৰলৈ গুচি গ'ল। আটায়ে অবাক হ'ল। মুহূৰ্তৰ পাছতে ল'ছিঅ'ই হো-হোকৈ হাঁহি চিঞৰি উঠিল,— "এঃ ! আঙুৰ টেঙা ! বুজিছে, আঙুৰ টেঙা !" তেওঁ কিয় তেনেকৈ কৈছে কোনেও বুজি নোপোৱাত তেওঁ আহিবৰ দিনা ৰাতি থুপুকী ছোৱালীজনীয়ে এন্ধাৰতে কৰ্নুডেটক গোৰ মাৰি দিয়া, আৰু ৰাতি আহাৰৰ পাছত বেৰৰ জলঙাৰে দেখা দৃশ্যৰ কথা কৈ আটাইকে আমোদ দিলে। তিৰোতা কেইগৰাকীয়ে বৰ ৰস পালে। কমটেজন হাঁহি-হাঁহি বাগৰি পৰিল। তেওঁ হাঁহি-হাঁহিয়েই; "অ, সেই গতিকেহে সি আজি আমাৰ লগত ফূৰ্তি কৰিব পৰা নাই !" হাঁহিৰ ৰোলত সকলোৰে উশাহ-নিশাহ বন্ধ হোৱাৰ উপক্ৰম হ'ল।

পুৱা আটায়ে বৰফৰ চিকমিকনিৰ মাজত ঘোঁৰাবাগীখনৰ ওচৰত ছাগলীৰ ছালৰ কোট এটা পিন্ধি আৰামত পাইপ হুপি চালকজনক বৈ থকা দেখি আনন্দ মনে বাটত প্ৰয়োজন হ'ব পৰা খাদ্যসামগ্ৰী যোগাৰ কৰাত লাগিল। বাগীখনত লগাই থোৱা ঘোঁৰা ছটাৰ গৰম গোবৰবোৰ খুচৰি এযোৰ বগা পাৰই খাদ্য সম্ভাৰ বিচাৰি ফুৰা দেখা গ'ল। সকলো যোগাৰ হোৱাত এলিজাবেথৰ বাহিৰে আন যাত্ৰীসকল বাগীৰ ওচৰ পালেহি। কিছু সময়ৰ পাছত মনটো মাৰি তায়ো আহিল। তাই কাষ চপাৰ লগে-লগে সকলোৱে তাইলৈ পিঠি দি দিলে। বৰ বেজাৰ পালেও তাই পৰিৱেশটো সহনীয় কৰি লবৰ কাৰণে কাষতে থকা উদ্যোগপতিজনৰ ঘৈণীয়েকক চুচুক-চামাককৈ মাত দিলে। তেওঁ মাত্ৰ দেখ-দেখকৈ মূৰটো দুপিয়ালে আৰু লগে-লগে অত্যন্ত গম্ভীৰ হৈ আঁতৰি দিলে। তাইকযে কোনেও মাতি কথা পাতিবলৈ ইচ্ছা কৰা নাই, এইটো স্পষ্ট কৰি দি মানুহবোৰ নিজৰ-নিজৰ কামত ব্যস্ত হৈ পৰিল। আহিবৰ সময়ত বহাৰ দৰেই সকলো বহিল। মানুহবোৰে নিজৰ মাজতে খুব কথা পাতিলে। নান ছুগৰাকীয়ে খুব ব্যস্ত হৈ প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। কৰ্নুডেট বহি আছিল লৰচৰ নকৰাকৈ।

তিনি ঘণ্টামানৰ যাত্ৰাৰ পাছত ভোক লগা বুলি কৈ ল'ছিঅ'ই নিজৰ লগত নিয়া টোপোলা খুলি শ্ৰীমতীৰ সৈতে খাবলৈ ধৰিলে। লগে-লগে আনসকলেও নিজৰ-নিজৰ বস্তু উলিয়াই ললে। মাত্ৰ বাকী থাকিল এলিজাবেথ ৰছেট। যাত্ৰাৰ আগতে হোৱা লটি-ঘটি আৰু অশান্তিৰ কাৰণে তাই এই যাত্ৰাত একো লগত আনিব নোৱাৰিলে। তাই কাষত বহি একান্ত মনে খাই থকা মানুহবিলাকলৈ এজন-এজনকৈ চালে। সকলো নিৰ্বিকাৰ। ···কঁৱেৰপৰা লগতলৈ অহা খোৱা বস্তুখিনি সকলোৱে মিলি গোগ্ৰাসে খাই শেষ কৰাৰ দৃশ্যটো তাইৰ মনলৈ আহিল। মানুহখিনিক কেইষাৰমান কথা শুনাবলৈ তাইৰ মন গৈছিল; কিন্তু তাইৰ মুখ ফুটি এটা শব্দও নোলাল। তালৈ ভ্ৰূক্ষেপ নকৰি খোৱাবোৰাত ব্যস্ত থকা কাৰ্যটো তথাকথিত সম্মানিত সৎলোকসকলৰ নীচতাৰ চূড়ান্ত নিদৰ্শন যেন লাগিল। এইখিনি মানুহেই নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে তাইক বিবেকৰ বিৰুদ্ধে গৈ এটা অপমানজনক চৰ্ত মানিবলৈ বাধ্য কৰিলে আৰু সিহঁতেই এতিয়া তাইক এটা ঘৃণনীয় বস্তুৰ নিচিনাইক অৱজ্ঞা কৰি দেখুৱাইছে !

তাইৰ আকৌ এইখিনি মানুহেই খাই শেষ কৰা সিদিনাৰ খোৱা বস্তুখিনিকৈ মনত পৰিল, লগতে দামী মদৰ বটল চাৰিটাৰ কথা। ···এইবাৰ কিন্তু তাইৰ খং উঠিল; খোঁকেহে তাইক খুন্দা মাৰি ধৰিলে। বুকু ভাঙি ওলাই আহিব খোজা কান্দোনটো চেপা মাৰি ধৰিবলৈ তাই যিমান পাৰে যত্ন কৰিলে। কিন্তু লাভ নহ'ল। শিশুৰ দৰে তাই ফেকুৰি-ফেকুৰি কান্দিবলৈ ধৰিলে।

তাই কন্দা দেখি কমটেছগৰাকীয়ে ইংগিতেৰে ঘটনাটো গিৰিয়েকক দেখুৱালে। তেওঁ মাত্ৰ বাহুটো জোকাৰি থলে; যেন ক'ব খুজিলে "মই কি কৰিম ? মোৰ দোষ নে কিবা !"

শ্ৰীমতী লছিঅ'ই বিজয়ৰ হাঁহি এটা মাৰি ফুচফুচাই কলে: "নিজৰ কুকাৰ্যৰ বাবে তাই এতিয়া নিজেই লাজ পাইছে।" নান ছুগৰাকীয়ে পেট ভৰাই খাই বাকী থকা মাংসখিনি ভালকৈ বান্ধি থৈ আকৌ বিৰবিৰাই মন্ত্ৰ মাতিবলৈ ল'লে।

কৰ্নুডেটে তৃপ্তিৰে খাই বৈ, কিবা এটা ৰহস্য আবিষ্কাৰ কৰাদি মিচিক-মাচাককৈ হাঁহি লাহে-লাহে বিপ্লৱৰ সুৰ এটা সুহুৰিয়াবলৈ ধৰিলে। সেই সময়ত সুহুৰি মাৰি বিপ্লৱ-সংগীত শুনোৱাত আটায়ে বিৰক্তি প্ৰকাশ কৰিলে ! মানুহখিনিৰ বিৰক্তিত আমোদ পাই সি লাহেকৈ গানটো গাবলৈ আৰম্ভ কৰি দিলে।···

বৰফবোৰ গলি ৰাস্তাটো সুগম হোৱাত বাগীখন বেগাই যাবলৈ ধৰিলে।

এলিজাবেথ ৰছেট নামৰ থুপুকী ছোৱালীজনীয়ে কান্দিয়েই থাকিল।···

৩৬ পৃষ্ঠাৰ পিছৰ পৰা

কৰাব লাগে বুলি মই আৰু চন্দ্ৰ প্ৰসাদ শইকীয়াই তেতিয়াৰ মুখ্য মন্ত্ৰী কেশৱ চন্দ্ৰ গগৈক খাটনি ধৰিছিলোগৈ। গগৈয়ে ততালিকে বৰুৱাৰ ডিব্ৰুগড় মেডিকেল কলেজত চিকিৎসাৰ ব্যৱস্থা কৰি দিলে। চলিহা অন্ধপ্ৰায় হওঁতে মন্ত্ৰীসভা আৰু ৰাইজৰ মাজত অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ বাবে পোনপটীয়া যোগাযোগ বন্ধ হৈ গৈছিল। সেইবাবে মই স্বাস্থ্য বিভাগৰ সচিব কমলেশ্বৰ বৰাক চলিহাৰ চিকিৎসা বন্দবস্ত কৰি দিয়াৰ কথা ক'লো। তেওঁ কথাটোত গুৰুত্ব দিলে। এদিন ডঃ লক্ষণ দত্তই ফোন কৰি জনালে চলিহাৰ চিকিৎসাৰ বন্দবস্ত হ'ব। ডঃ দত্তই চলিহা থাকে ক'ত তাক মোক সুধিলে। তেখেতে চলিহাক হাস্পাতাললৈ নি সুকলমে চকুৰ অস্ত্ৰোপচাৰ কৰালে। চলিহাই সংসাৰখন দেখা পোৱা হ'ল। কবিতাও লিখিলে। কিন্তু অলপ দিনৰ ভিতৰতে জীৱন নিৰ্বাপিত হ'ল। তেওঁৰ মৃত্যুৰ খবৰ বাতৰিকাকতত কেইবা দিনৰ পাছতহে ওলাল। কবিৰ মৃত্যুহে, সেই মৃত্যু তপত খবৰ নহয়। চলিহাই আগ জীৱনত লিখা 'মৃত্যুত' কবিতাটিত জানি-শুনিয়েই বোধহয় লিখিছিল:

মৃত্যুত জানিছো মোৰ বিশ্বৰ নহ'ব
একো হানি
এটি ফুলো ঝৰি নপৰিব।
প্ৰত্যেকৰ মুখে মুখে প্ৰত্যহৰ ফুটি
ৰ'ব বাণী
কোনো কণ্ঠ শোকাৰ্ত নহয়।···
···এৰি দিবা মোৰ কথা, পাহৰিবা
মোৰ আলোচনা
অনিত্যৰ নিত্য কিবা কাম ?
প্ৰশংসাৰ পুষ্প বৃষ্টি নিবিচাৰো, নেলাগে
মাৰ্জনা
অৰ্থহীন সুনাম দুৰ্নাম।···
···আজিৰ দিনেও মোক অন্তহীন এই
কথা কয়
শ্ৰেষ্ঠ এই মানৱ জীৱন,
গহনৰ বাটৰুৱা নিৰ্বিকাৰ গম্ভীৰ নিৰ্ভৰ
পদক্ষেপ জনম মৰণ।
পৃথিৱীৰ শান্তি মই নাই কৰা অলপো
পঙ্কিল,
জীৱন পদুম মোৰ যদি তাতে এদিন
জন্মিল,
সুৰভিৰ সমাধিত মৌন হ'লে আকাশ
সুনীল

নিদাৰুণ জাৱৰ পৰন।

আমাৰ জীৱনত কবিতাৰ স্থান আছে, কবিৰো স্থান আছে। কিন্তু আমি সঁচাকৈয়ে তেওঁক বা কবিতাক বিচাৰিছো জানো ? ব্যৱসায়িক সভ্যতাৰ মূল্যবোধে আমাৰ নান্দনিক মূল্যবোৰ গ্ৰাস কৰিব খুজিছে। এইসময়ত আমি প্ৰত্যেকজনে সৎ সাহিত্যিকক সোঁৱৰা উচিত। সৎ শিল্পী, সৎ বৈজ্ঞানিক আৰু সৎ সেৱকসকলকো সোঁৱৰা উচিত। প্ৰকাশক, বাতৰিকাকত, ৰেডিঅ', দূৰদৰ্শন নিৰৱ সৃষ্টিশীল ব্যক্তি সকলৰ সৃষ্টিৰ প্ৰতি সাধাৰণতে উদাসীন। প্ৰচাৰৰ অভাৱত তেওঁলোকৰ সৃষ্টি সম্পদৰপৰা কেতিয়াবা বঞ্চিত হোৱা দেখা যায়। বহুতৰ সৃষ্টি শক্তি অকালতে মৰহে। ইয়াৰ দোষ সমাজৰ পৰিচালকসকলেও বহন কৰিব লাগিব। বাংলা ভাষা সাহিত্যিক মাইকেল মধুসূদনৰ প্ৰতিভা বিকাশত ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ পৃষ্ঠপোষকতা এই ক্ষেত্ৰত স্মৰণীয়।



OKDISCD

পেলিকান ৰিগৰ শূন্য হেলিপেডত অকলশৰে ডেনিছ বহি আছে। ডেৰিকৰ পৰা ভাঁহি আহিছে ঘৰ ঘৰ মেছিনৰ শব্দ। এই শব্দৰ পৰাই ডেনিছে অনুমান কৰিব পাৰে কেনেকৈ সমুদ্ৰৰ গৰ্ভত তেলৰ সন্ধানত বৃহৎ আকাৰৰ পাইপবোৰ সোমাই গৈ আছে।

যেতিয়া ডেনিছ কিশোৰ আছিল, স্কুলৰ শিক্ষাৰ অন্তত নৰ্থ ছিৰ ৰিগ এটাত প্ৰথম চাকৰিত সোমাইছিল, তেতিয়া প্ৰচণ্ড কৌতুহলেৰে প্ৰতিটো মুহূৰ্তত সি নিৰীক্ষণ কৰিছিল বিজ্ঞানৰ এই চমকপ্ৰদ যাদু।

প্ৰথমতে 'বিটৰ' সহায়ত খন্দা হৈছে সমুদ্ৰ গৰ্ভ আৰু তাৰ মাজেৰে সুমুৱাই দিয়া হৈছে এটাৰ পিছত এটাকৈ তিনি হাজাৰ, চাৰি হাজাৰ মিটাৰ তললৈ বৃহৎ-বৃহৎ পাইপ। সমুদ্ৰগৰ্ভৰ পৰা উঠি অহা মাটি, বালি, শিলৰ টুকুৰা পৰীক্ষা কৰি বিজ্ঞানীয়ে ঘোষণা কৰিছে তেল আৰু গেছৰ সম্ভাৱনাৰ কথা, ঘোষণা কৰিছে কিমান ফুট তলত প্ৰকৃতিয়ে সকলোৰে অলক্ষিতে সাঁচি ৰাখিছে তেলৰ ভাণ্ডাৰ। ৰিগত প্ৰথম তেল পোৱাৰ দিনা কি অদ্ভুত আনন্দত ডেনিছ শিহৰিত হৈ উঠিছিল! সি পাহৰি গৈছিল কোন সুদূৰত এৰি অহা ঘৰৰ কথা, পাহৰি গৈছিল অবিৰাম হাড়ভগা পৰিশ্ৰমৰ কথা, পাহৰি গৈছিল বদমেজাজী আমেৰিকান বছৰ প্ৰতিটো মুহূৰ্তৰ অসন্তুষ্টিৰ কথা। সেয়া আজি প্ৰায় কুৰি বছৰৰ আগৰ কথা।

তাৰ পাছত কিমান ৰিগত ডেনিছে চাকৰি কৰিছে! পৃথিৱীৰ সকলো সমুদ্ৰৰ পানী আজি ডেনিছৰ চিনাকি। কঠোৰ পৰিশ্ৰম, নিষ্ঠা আৰু ঐকান্তিকতাই ডেনিছক ডেৰিক ফ্ল'ৰত সাধাৰণ কাম কৰা ক্ৰু এজনৰ পৰা এক সুবিশাল, অত্যাধুনিক ৰিগৰ কেপ্টেইন কৰিছে।

চৌদিশে নিবিড় শূন্যতা। কজলা বৰণৰ সমুদ্ৰপৃষ্ঠ নিস্তৰংগ। অদূৰত




ক'তো দৃশ্যমান হোৱা নাই জাহাজৰ মাস্তুল অথবা সাগৰীয় চৰাই।

যোৱা প্ৰায় ছবিবছ ঘণ্টা নিদ্ৰাবিহীনভাৱে ডেনিছে কাম কৰিছে। কেতিয়াবা ৰিগত হঠাতে এনেকুৱা জটিল সমস্যাৰ সৃষ্টি হয়। মুহূৰ্তৰ বাবেও জিৰণিৰ অৱকাশ নাথাকে। এনেকুৱা জটিল মুহূৰ্তবোৰেই ডেনিছৰ আটাইতকৈ প্ৰিয়। অতীতৰ স্মৃতি, বৰ্তমান, ভৱিষ্যত সকলো অৱচেতন মনৰ গভীৰ গৰ্ভত নিমজ্জিত কৰি এনেকুৱা মুহূৰ্তবোৰতে নিচাগ্ৰস্ত মানুহৰ দৰে ডেনিছে সদায় মগ্ন হৈ পৰে নিজৰ কৰ্তব্যত।

কোনো-কোনো মানুহৰ জীৱনে এনেদৰে গঢ় লৈ উঠে যে সেই জীৱনটোক জীয়াই থাকিবলৈকে কিবা এক নিচাৰ প্ৰয়োজন; নহ'লে মকৰাজালৰ দৰে বিষণ্ণ স্মৃতি, বৰ্তমান-ভৱিষ্যতৰ অটলান্ত গভীৰ শূন্যতাই ধীৰে-ধীৰে সমগ্ৰ সত্তা আগুৰি ধৰিব খোজে।

আকাশৰ ফালে মুৰ তুলি চালে ডেনিছে।

ক'ৰবাত 'ডিপ্ৰেশ্যন' হৈছে। সেয়েহে আকাশ মেঘাচ্ছন্ন, ঠিক লণ্ডনৰ বিষণ্ণ সন্ধিয়াৰ দৰে।

এনেকুৱা মুহূৰ্তবোৰত ডেনিছৰ মনত পৰে সুদূৰৰ লণ্ডন চহৰৰ কথা। মনত পৰে জেৰিনৰ কথা, আৰু হৃদয়ৰ কোনো অসূৰ্যস্পৰ্শিত নিভৃত কোণত এক হাঁহাকাৰৰ মাজতো ডেনিছে শুনা পায় কোনো দিনে নুশুনা সেই অদেখা শিশুৰ মধুৰ কলধ্বনি।

সদ্য যৌৱনপ্ৰাপ্ত কিশোৰ-কিশোৰীৰ দৰে ডেনিছ আৰু জেৰিনে প্ৰতিটো সন্ধিয়া ঘূৰি ফুৰিছিল লণ্ডনৰ পিকাডেলি ছাৰ্কাছ, ৱেষ্ট মিনষ্টাৰ, হাইড পাৰ্কত। দেশ-বিদেশৰ পৰা অহা টুৰিষ্টৰ ভিৰৰ মাজত নিৰুদ্দেশ হৈ গৈছিল ডেনিছ আৰু জেৰিন। ঘণ্টাৰ পাছত ঘণ্টা ধৰি উদ্দেশ্যবিহীনভাৱে ঘূৰি ফুৰাৰ পাছত ক্লান্ত হৈ সিহঁত বহি পৰিছিল পিকাডেলি ছাৰ্কাছৰ, হাতত ধনু-কাঁড় লৈ থকা ইৰ'ছৰ মূৰ্তিৰ সন্মুখত। সেই সময়ত মেঘাচ্ছন্ন লণ্ডন চহৰো আছিল ডেনিছৰ বাবে আনন্দোজ্জ্বল।

তাৰপাছতো ডেনিছ গৈছে লণ্ডনলৈ। মাত্ৰ এবাৰৰ বাবে। জেৰিন তেতিয়া ডেনিছৰ হৈ নাই। বিষণ্ণ সন্ধিয়া ইৰ'ছৰ মূৰ্তিৰ সন্মুখত বহি নিঃসংগ ডেনিছে সেইবাৰ চাই ৰৈছিল, ৰং-



ৰিবঙৰ পোছাকেৰে সজ্জিত অচিনাকি পথচাৰীৰ ভিৰ। চৌদিশে আলোক-উজ্জ্বল বিজ্ঞাপনৰ অভিনৱ বাহাৰ। এটা বিজ্ঞাপনৰ পিছতেই একেখিনি ঠাইতে মুহূৰ্তৰ পাছত আৰম্ভ হৈছে অন্য এক বিজ্ঞাপন: যিদৰে জীৱনৰ দৃশ্যাৱ পৰিবৰ্তন হয়। জীৱনত প্ৰথমবাৰৰ বাবে ডেনিছে সেইবাৰ অনুভৱ কৰিছিল টুৰিষ্টেৰে ভৰি থকা লণ্ডন চহৰো কি আশ্চৰ্যকৰ এক বিষণ্ণ চহৰ।

কাইলৈৰ পৰা তিনি সপ্তাহৰ বাবে ডেনিছৰ অফ। নতুন কেপ্টেইন জেকছনে আজি জইন কৰিছেহি।

ডেনিছে ভাবিলে এইবাৰ ছুটিত সি ক'লৈ যাব? আগৰ ছুটিবোৰ সি পাৰ কৰি দিছে টেকচাছ, অকলাহোমা, লুইছিয়ানা, ছিংগাপুৰত। ছবিবছ ঘণ্টা উৰুৱাই দিছে পানীয় অথবা নিত্য-নতুন ক্ষণিকৰ সংগিনীৰ লগত। কেতিয়াবা কেনেকৈ একোটা, মাত্ৰ একোটা সাধাৰণ ঘটনাই মানুহক নিজকে ধ্বংস কৰাৰ বাবে প্ৰলুব্ধ কৰে! ডেনিছে জানে এই যে ঠিকনাবিহীন, বিশৃংখল জীৱন, এয়াতো তিল-তিল মৃত্যুৰেই নামান্তৰ! কোনো-কোনো মানুহৰ জীৱনৰ সকলো সুখ আৰু আৰু আনন্দ নিৰ্ভৰ কৰে মাথোন একেটা উৎসৰ ওপৰত আৰু সেই উৎস হেৰাই যোৱাৰ পাছতে এনেকুৱা মানুহে হেৰুৱাই পেলায় সুখ আৰু আনন্দ লাভৰ ক্ষমতা।

কিয় জানো আন্দামানত মাত্ৰ কেইটামান ঘণ্টাৰ বাবে লগ পোৱা পম্পা নামৰ সেই কণমানি ছোৱালীজনীয়ে ডেনিছৰ অভিমানী মনত আকৌ এবাৰৰ বাবে জগাই তুলিছে এই পৃথিৱী আৰু জীৱনৰ প্ৰতি মায়া। নাৰীৰ শৰীৰক লৈ ডেনিছে অনেক খেলিছে; এতিয়া তাৰ অলপ প্ৰেমৰ প্ৰয়োজন।

ডেনিছৰ মনত পৰিল মিছেছ ডালভিৰ কথা। পাছদিনা ৰাতিপুৱা ঠিক আঠবজাত ৰিগৰ হেলিপেডত অৱতৰণ কৰিলে হেলিকপ্টাৰ। জেকছনক হেণ্ডশ্বেক কৰি ডেনিছে হেলিকপ্টাৰত উঠি ছিট বেল্ট বান্ধি ল'লে।

তিনি সপ্তাহৰ বাবে ৰিগৰ ব্যস্ততা, সমস্যা, অহৰহ বাজি থকা মেছিনৰ ঘৰ-ঘৰ শব্দই ডেনিছক আৰু স্পৰ্শ নকৰে। মাটিত ভৰি দিয়াৰ পাছত সি এক নতুন মানুহ।

সন্ধিয়া পৰত ডেনিছ হোটেলৰ বাহিৰ ওলাল। ক'লা ট্ৰাউজাৰ, পাতল নীল ৰঙৰ ছাৰ্ট। সি ছিগাৰেট এটা জ্বলাই ল'লে।

তাৰুণ্যৰে ভৰি থকা উজ্জ্বল মুখ, ছফুট ওখ, উন্নত শৰীৰ, চলনৰ ঋজু ভংগী; হাজাৰ পথচাৰীৰ মাজতো আত্মবিশ্বাস আৰু গাম্ভীৰ্যৰে দৃপ্ত ডেনিছ সকলোৰে বাবে দৃষ্টিত এবাৰৰ বাবে হ'লেও পৰিবলৈ বাধ্য।

ক'লৈ যাব ডেনিছ?

হোটেলৰ বাৰত বহি ডেনিছে এনেয়ে সময়বোৰ এতিয়া পাৰ কৰি দিব পাৰে, অথবা ট্ৰেভেল্স এজেন্সিৰ ল'ৰাটোক মাতি আনি ক'ব পাৰে কাইলৈ কলিকাতা, বেংকক বা ক'ৰবালৈ ফ্লাইটৰ টিকট বুক কৰিবলৈ অথবা বেল-বয়ক মাতি আনি সুধিব পাৰে কাউণ্টাৰত থিয় হৈ থকা হাল-ধীয়া গেঞ্জি পৰিহিতা ছোৱালীজনী অৰ্থৰ বিনিময়ত এৰাতিৰ বাবে এভেইলেবল হ'ব নে নহয়!

সেইবোৰৰ একোকে নকৰিলে ডেনিছে।

হোটেলৰ বাহিৰত তাৰাৰ অপেক্ষাত টেক্সিৰ শাৰী। ডেনিছক দেখি কেইবাজনো ড্ৰাইভাৰ একেলগে ওচৰলৈ দৌৰি আহিল।

মুখেৰে এটাও শব্দ উচ্চাৰণ নকৰাকৈ প্ৰথম টেক্সিখনত ডেনিছ বহি পৰিল। বৃদ্ধ ড্ৰাইভাৰে ডেনিছৰ মুখৰ ফালে চালে।

হাতৰ আঙুলিৰে ডেনিছে পথৰ নিৰ্দেশ দিলে। প্ৰায় বিছ মিনিট ড্ৰাইভৰ পাছত মেইন ৰোডৰ পৰা আঁতৰত, সৰু গলিৰ শেষত যিটো ঘৰৰ সন্মুখত আহি টেক্সি ৰ'লহি সেইটো মিছেছ ডালভিৰ ঘৰ।

টেক্সি বিদায় দি ডেনিছে কলিং বেলৰ ছুইচ টিপিলে। ভিতৰৰপৰা ভাঁহি আহিছে কলিং বেলৰ শব্দ।

মূল চহৰৰ ব্যস্ততাৰপৰা কিছু আঁতৰত মিছেছ ডালভিৰ ঘৰ। হয়তো বহুদিন আগতে তেওঁ এই ঘৰটো ভাৰাত লৈছে। ওচৰত এতিয়াও বেছি মানুহ নাই। গলিত এতিয়াও ষ্ট্ৰিট লাইট নাই।

দুৱাৰ খুলি দিলে মিছেছ ডালভিয়ে।

গুড ইভনিং মেডাম।

মুখত কৌতুক ভৰা হাঁহিৰে ডেনিছে ডালভিলৈ চালে। মেৰুণ ৰঙৰ স্কাৰ্টৰ ওপৰত পাতল নীল ৰঙৰ ব্লাউজ, ঠিক ডেনিছৰ ছাৰ্টৰ ৰঙৰ নিচিনা।

হয়তো অলপ আগতে মিছেছ ডালভিয়ে স্নান কৰিছে। শৰীৰত সিক্ত লাৱণ্যৰ স্পৰ্শ লাগি আছে; এটা ফুৰফুৰিয়া সুগন্ধ ভাঁহি আহিছে তেওঁৰ শৰীৰৰ পৰা। ডেনিছে দীঘলকৈ উশাহ এটা ল'লে। —আই লাইক দিছ স্মেল। ডেনিছে ক'লে।

ডালভিৰ সেই মুহূৰ্তকেইটা এনেকুৱা লাগিল যেন এটা তপ্ত ৰক্তৰ স্ৰোত সমগ্ৰ শৰীৰৰ শিৰাই-উপশিৰাই বিয়পি পৰিছে।

ডেনিছৰ চকুলৈ চালে ডালভিয়ে।

কোনো-কোনো মানুহৰ দৃষ্টি শাণিত অস্ত্ৰৰ দৰে; সি সকলো বাধা, প্ৰতিবাদ অতিক্ৰম কৰি কলিজাৰ ভিতৰত প্ৰৱেশ কৰে। থিয় হৈ ৰোৱা ডালভিয়ে আঁঠুৰ ওপৰৰ কোনোখিনিত এক অদ্ভুত দুৰ্বলতা অনুভৱ কৰিলে। ডেনিছৰ সেই দুচকুৰ দৃষ্টিয়ে কিয় যে বাৰে-বাৰে ববৰ স্মৃতি কঢ়িয়াই আনে!

আপত্তি নাথাকিলে সন্ধিয়াটো তোমাৰ লগত কটাব খুজিছোঁ। ফ্ৰিজত কিবা আছে?

ড্ৰয়িং ৰুমৰ ছোফাত বহি ডেনিছে সুধিলে। শেষ হৈ যোৱা ছিগাৰেটটো সি এছ-ট্ৰেত গুঁজি দিলে।

ফ্ৰিজৰপৰা দুটা বিয়েৰৰ বটল মিছেছ ডালভিয়ে উলিয়াই আনিলে। গিলাছত ধীৰে-ধীৰে ঢালি ডালভিয়ে সুধিলে— ৰিগৰপৰা কেতিয়া আহিলা?

আজি।

অফত ক'লৈ যাবা?



OKDISCD

ডেনিছ কোনো উত্তৰ নিদি গিলাছ এটা হাতত তুলি ল'লে। —চিয়েৰছ।

প্ৰেমৰ কথা কোৱাৰ অভ্যাস নাই ডেনিছৰ। কেনেকৈ কথা আৰম্ভ কৰিব সি ঠিক কৰিব নোৱাৰিলে। সি মিছেছ ডালভিৰ দুচকুলৈ স্থিৰ হৈ চাই ৰ'ল কেইবাটাও মুহূৰ্ত।

মুখেৰে এটাও শব্দ উচ্চাৰণ নকৰাকৈ ডেনিছ থিয় হৈ ডালভিৰ ওচৰ পালেগৈ। ডেনিছৰ চকুলৈ চাই ডালভিৰ অনুমান হ'ল এক অদ্ভুত অভিমানী কিশোৰৰ কোমলতাই ছফুট ওখ সেই ডেনিছৰ গভীৰ চকুহালি স্পৰ্শ কৰিছে। বুকুৰ ভিতৰত এক অদ্ভুত কান্দোন ;— ঢক্ ঢক্ শব্দ ডালভিয়ে শুনা পালে।

সম্পূৰ্ণ শৰীৰ স্পৰ্শ নকৰাকৈয়ে ডেনিছে ডালভিৰ ওঁঠ নিজৰ ওঁঠেৰে মাত্ৰ মুহূৰ্তৰ বাবে স্পৰ্শ কৰিলে। কিয় জানো ডালভিৰ ভাব হ'ল সেই স্পৰ্শত বাসনা নাই ; এজন পুৰুষৰ প্ৰেম আৰু প্ৰাৰ্থনা আছে। নিজৰ অজানিতেই মিছেছ ডালভিয়ে নিজৰ উত্তাপময় শৰীৰ চেপি ধৰিলে ডেনিছৰ গাত, দুহাতেৰে সাৰটি লৈ প্ৰগাঢ় চুম্বনত আবদ্ধ হৈ ৰ'ল কেইটামান মুহূৰ্ত।

ডালভিৰ পিঠিত হাত থলে ডেনিছে। নাকৰ কাষতেই ডালভিৰ সোণালী চুলি ; শৰীৰৰপৰা ওপৰলৈ উঠি আহিছে পাতল সুবাস ; এই প্ৰথম বাৰৰ বাবে দ্বিধাহীনভাৱে ডেনিছে ক'লে— ডালভি, তোমাক মোৰ ভাল লাগিছে।

তাৰ পাছদিনাই ডালভি আৰু ডেনিছে ঠিক কৰিলে কেইদিনমানৰ বাবে শিমলিপালৰ গভীৰ অৰণ্যলৈ যোৱাৰ। ডালভিয়ে ক'লে— পুৰী, কোনাৰকত এই সময়ত বিৰাট ভিৰ। তাতকৈ বলা, এই ছুটিৰ দিনকেইটা শিমলিপালৰপৰা ঘূৰি আহোঁগৈ। যাবা ?

জীপ এখন ল'লে ডেনিছহঁতে। ডেনিছৰ জীপ চলোৱাৰ অভ্যাস থাকিলেও সিহঁতে ড্ৰাইভাৰ এজন ল'লে। শিমলিপাললৈ বহু দিন আগতে ববৰ লগত ডালভি এবাৰ গৈছিল। ঠিক বিয়াৰ পাছতে। মানুহে কাশ্মীৰ, আগ্ৰালৈ যোৱাৰ কথা কৈছিল। ববে ডালভিক সাৰটি ধৰি কৈছিল— আমি এনে এখন ঠাইলৈ যাম য'ত আমাত বাহিৰে আৰু কোনো নাথাকে। তুমি ওচৰত থাকিলে গভীৰ জংঘলৰ জুপুৰীও মোৰ বাবে স্বৰ্গ হৈ উঠে।

সেই বব এতিয়া নাই।

নাই, এই মুহূৰ্তত ডালভিয়ে ববৰ কথা নাভাবে। ববক অসম্মান নকৰাকৈয়ে ডালভিয়ে ডেনিছক ভাল পাব খুজিছে। এজন জীয়াই থাকিবলৈ বিচৰা মানুহক জীয়াই থকাত সহায় কৰিবলৈ বিচাৰিছে ; তাত জানো কিবা দোষ আছে।

আৰু যোৱা কেইটা বছৰ ডালভিয়ে কেনেকৈ পাৰ কৰিছে ! কাৰোবাৰ লৈতে সকলো দুখ, সকলো সুখ ভাগ কৰি লোৱাৰ বাবে জানো তেওঁৰ প্ৰাণে সদায়ে ছটফট কৰা নাই ? মাজনিশা কেতিয়াবা সাৰ পাই যেতিয়া ভাব হৈছে সেই নিমাত-নিস্তব্ধ ঘৰৰ ভিতৰত আৰু কোনো নাই, তেতিয়া কেনেকুৱা লাগে সেই কথা ডালভিত বাহিৰে জানো আৰু কোনোবাই বেছিকৈ অনুভৱ কৰিছে ?

নাই, ববৰ প্ৰতি ডালভিয়ে কোনো অবিচাৰ কৰা নাই। ডালভিয়ে মাথো আকৌ এবাৰৰ বাবে এটা স্বাভাৱিক, পৰিপূৰ্ণ জীৱন জীয়াই থাকিব বিচাৰিছে।

আৰু যদি···

ক'ৰবাত কেতিয়াবা কেঁচুৱাৰ কান্দোন শুনিলেই মিছেছ ডালভিৰ কলিজাই ঠিক এনেকৈ ধৰফৰাই উঠে !

পাছদিনা ৰাতিপুৱা ঠিক ছয় বজাত ডেনিছে আহি ঘৰৰ সন্মুখত জীপৰ হৰ্ন বজালে। ডালভি সাজু হৈয়ে আছিল যোৱাৰ আগে-আগে শেষবাৰৰ বাবে ড্ৰেছিং টেবুলৰ আয়নাৰ সন্মুখত থিয় হ'ল ডালভি। এনেয়ে ডালভিয়ে শাৰী খুব কমেই পিন্ধে। আগৰ শাৰীবোৰ ছুটকেছত ঠাহ খাই আছে।

আজি নীল ৰঙৰ ছিল্কৰ শাৰী এখন পিন্ধিছে ডালভিয়ে। লগত পাতল আকাশী ৰঙৰ ব্লাউজ। সোণালী চুলি আহি কান্ধত ওপৰত পৰিছে। সন্মুখৰ ফালে সৰু সৰুকৈ ট্ৰিম কৰি দিয়াৰ পাছতো সন্মুখৰ চুলিখিনি বতাহত অবিন্যস্ত হৈ কপালত পৰে।

হঠাতে মনত পৰাৰ দৰে ডালভিয়ে ককাল আৰু কান্ধৰ ওচৰৰ শাৰীৰ ভাজত দুটা ছেফটি পিন মাৰি ল'লে। জীপত যোৱাৰ কথা !

ডালভিক নতুন ড্ৰেছত প্ৰথমবাৰৰ বাবে দেখি ডেনিছ মুহূৰ্তৰ বাবে অবাক হৈ ৰ'ল। ওচৰলৈ আহি সি

ডিচেম্বৰৰ তৃতীয় সপ্তাহত প্ৰকাশ পাব

**হোমেন বৰগোহাঞিৰ**

বহু-প্ৰতীক্ষিত আত্ম-জীৱনী

**॥ আত্মানুসন্ধান ॥**

এজন লেখকৰ নিৰ্মম ক্ষমাহীন আত্ম-বিশ্লেষণ। আন কোনো ভাৰতীয় ভাষাতে এনেধৰণৰ অভিনৱ প্ৰয়াস কোনো ভাৰতীয় লেখকে আজিলৈকে কৰা নাই। 'আত্মানুসন্ধান' ঠিক আত্ম-জীৱনী নহয়। তাতকৈ অলপ বেছি। অলপ বেলেগ।

লগতে লেখকৰ চাৰিটা দশকৰ নিৰ্বাচিত গল্প, কবিতা আৰু প্ৰবন্ধৰ দশক অনুযায়ী ভাগ কৰা সংকলন। এই গল্প-কবিতা-প্ৰবন্ধবোৰে এহাতে যেনেকৈ লেখকৰ জীৱনটো ব্যাখ্যা কৰাত সহায় কৰিব, ঠিক তেনেকৈ লেখকৰ জীৱন-কাহিনীয়ে সহায় কৰিব তেওঁৰ সাহিত্য-কৰ্ম ব্যাখ্যা কৰাত। অৰ্থাৎ তেওঁৰ জীৱন আৰু সাহিত্য পৰস্পৰৰ পৰিপূৰক।

গ্ৰন্থখনিৰ আন এটি অতিৰিক্ত আকৰ্ষণ হ'ল বিখ্যাত শিল্পী পূৰ্ণেন্দু পত্ৰীৰ অসাধাৰণ প্ৰচ্ছদ-পৰিকল্পনা আৰু অলংকৰণ

**ষ্টুডেন্টচ্ ষ্ট'ৰচ্**
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১




# দাঁতৰ বিষত হয় ভগবানৰ কথা মনলৈ আহে আৰু নহলে লং তেলৰ কথা !

প্ৰকৃততে; দাঁতৰ বিষত শ' শ' বছৰ ধৰি লং তেল হৈ পৰিছে ঘৰ ঘৰোৱাৰ ভৰষাৰ নিৰাময়কাৰী। লং এনে এবিধ বিশেষ বনস্পতি য'ত আছে ঔষধি গুণ আৰু লগতে গা-মন ৰাইজাই কৰা সজীৱতা। সেই কাৰণেই ই সম্মানৰ আসন লাভ কৰিছে ৰন্ধা-বঢ়াত, ঔষধ বিজ্ঞানত··· আৰু আনকি প্ৰমিছ টুথপেষ্টতো।

প্ৰমিছ টুথপেষ্টত থকা লঙৰ ঔষধ গুণ আপোনাৰ দাঁতৰ চুকে-কোণে প্ৰৱেশ কৰি দাঁতৰ গুৰিৰ ক্ষতিসাধন কৰা সকলোবোৰ জীৱাণু ৰোধ কৰে। তাৰ ফলত আপোনাৰ দাঁত সদায় সজীৱ-সতেজ আৰু মজবুত হৈ থাকে। লগতে প্ৰমিছত থকা অন্যান্য উপাদানে দাঁত মুকুতাৰ দৰে জিকমিকাই ৰাখে।

প্ৰমিছ দ্বাৰা ব্ৰাছ কৰাৰ পাছত আপোনাৰ কথা-বাৰ্ত্তা হৈ পৰে মধুৰ, কিয়নো শ্বাসৰ দুৰ্গন্ধ সৃষ্টি কৰা জীৱাণুকো লং তেলে অসাৰ কৰি পেলায় আৰু আপোনাৰ শ্বাস হৈ পৰে স্নিগ্ধ-সজীৱ।

প্ৰমিছ টুথপেষ্ট আৰু লং তেল··· টুথপেষ্টৰ জগতত এক বিচিত্ৰ সামঞ্জস্য। ঠিকেই, আপুনি ইয়াক নিয়মিতৰূপে ব্যৱহাৰ কৰিলে হয়তো আপোনাৰ মনলৈ নাহিব লং তেলৰ কথা, ইয়াৰ প্ৰয়োজনো বোধ নকৰিব। দাঁত জিকমিকাই থাকিব। শ্বাস মধুৰ হৈ পৰিব।




বালচাৰা—
টুথপেষ্ট বিশেষজ্ঞ

CHAITRA-BLS-820 ASM


OKDISCD

ক'লে,— লুকিং লাভলি।

জীপৰ সন্মুখৰ ছিটত ড্ৰাইভাৰ আৰু ডেনিছৰ মাজত ডালভি বহিল। এই বয়সতো ডালভিয়ে অনুভৱ কৰিলে কাষতে বহি থকা ডেনিছৰ উপস্থিতি। এটা মৃদু উত্তাপে গোটেই পথছোৱা ডালভিৰ শৰীৰক সাৰটি থাকিল। ডালভিৰ ভাব হ'ল যেন বিয়াৰ পাছত আকৌ এবাৰ বৰৰ সৈতে উদ্দেশ্য-বিহীনভাৱে গভীৰ অৰণ্যৰ মাজত নিৰুদ্দেশ হ'বলৈ ওলাইছে।

সোঁহাতৰ আঙুলিৰে ডালভিয়ে চুই চালে নিজৰ ওঁঠ। এতিয়াও ডেনিছৰ ওঁঠৰ স্পৰ্শ লাগি আছে।

দুপৰীয়া এক বজাত জীপ আহি ৰ'ল যশিপুৰ বাংলোৰ সন্মুখত। দূৰৈত পাহাৰৰ ৰেখা। সেউজীয়া অৰণ্যত দুপৰৰ ৰ'দৰ দলিছা।

গাড়ীৰ হৰ্ন শুনি আকৌ ইউনিফৰ্ম পিন্ধা চৰকাৰী চকিদাৰে বাংলোৰ গেট খুলি দিলে।

চকিদাৰৰ লগত ডালভিয়ে কি জানো কথা পাতিলে। বিস্ময় বিমুগ্ধ দৃষ্টিৰে ডেনিছে চাই ৰ'ল ৰ'দত উদ্ভাসিত দুপৰৰ পাহাৰ।

বন্দুক আনিলে চিকাৰ কৰিব পাৰিলোহেঁতেন। নিশ্চয় জন্তু জানোৱাৰ আছে। —ডেনিছে ক'লে।

ইয়াত বন্দুকেৰে চিকাৰ নহয়; ভালপোৱাৰে কেনেকৈ জন্তু-জানোৱাৰো চিকাৰ কৰিব পাৰি, ইয়াত দেখিবা। সেইটো চোৱা—বাংলোৰ ভিতৰৰ ড্ৰয়িং ৰুমত সোমায়েই ডেনিছে প্ৰথমতে আতংকত চিঞৰি উঠিব খুজিছিল; পাছ মুহূৰ্ততে গভীৰ বিস্ময়ত সি অভিভূত হৈ পৰিল।

ড্ৰয়িং ৰুমৰ এটা কোণত বৃহৎ আকৰৰ ক'লা ভালুক এটাই পৰম আনন্দেৰে খেলা কৰি আছে। খিৰিকিৰ কাষত এটা জীৱন্ত অজগৰ সাপে আৰামত পেট পেলাই ৰ'দ পুৱাই আছে।

ডালভিয়ে ক'লে— এইটো ঘৰতে আগতে 'খৈৰী' নামৰ বাঘ এটা আছিল। বনৰ পৰা ধৰি অনা পোৱালি বাঘ। এই ফৰেষ্টৰ তত্ত্বাৱধায়ক আছিল সৰোজ কুমাৰ চক্ৰৱৰ্তী। তেখেত আৰু তেখেতৰ মিছেছে নিজৰ সন্তানৰ দৰে সেই বাঘৰ পোৱালিক মৰম কৰিছিল। একেলগে বিছনাত শুইছিল, খেলা কৰিছিল। মৰমে অকল মানুহকে আপোন নকৰে, বনৰ জন্তুকো কৰে। বুজিছা ডেনিছ, প্ৰেম পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ভাষা।

পোনে-পোনে ডালভিৰ মুখলৈ চাই ডেনিছে ক'লে— ঠিক কথাকে কৈছা তুমি।

ডালভিয়ে পুনৰ মুহূৰ্তৰ বাবে কাণৰ কাষত সেই উত্তাপৰ স্পৰ্শ অনুভৱ কৰিলে।

ওচৰতে বনবিভাগৰ অফিছ।

ডালভি আৰু ডেনিছ একেলগে সোমাই গ'ল। ইউনিফৰ্ম পিন্ধা ফৰেষ্ট অফিছাৰ এজনে অফিছৰ ভিতৰতে বনৰীয়া এন্দুৰ এটাৰ লগত খেলা কৰি আছে। দুজন অচিনাকি লোক দেখি এন্দুৰটো মুহূৰ্তৰ বাবে স্থিৰ হৈ ৰ'ল। ডেনিছে হাত এখন বুলাই দিলে তাৰ মূৰৰ ওপৰত; কোচমোচ খাই সি বহি পৰিল টেবুলৰ ওপৰত।

শশব্যস্ত হৈ অফিছাৰ জনে ডেনিছহঁতক অভ্যৰ্থনা জনালে। ক'লে ৰাতিটোৰ বাবে আপোনালোক বৰাই পানীৰ ক্ৰ'ক'ডাইল প্ৰজেক্টৰ বাংলোত থাকক। তাৰ পৰা ৰাতিপুৱাই জীপত শিমলিপাল ফৰেষ্টলৈ যাব পাৰিব। চকিদাৰক ক'লেই ৰাতিৰ খোৱাৰ যোগাৰ কৰি দিব।

অৰণ্যত প্ৰৱেশ কৰাৰ পাৰ্মিট লৈ ডেনিছহঁতে বৰাইপানীৰ বাংলোলৈ যাত্ৰা কৰিলে। বাংলোৰ কাষতেই দেখা গ'ল এটা সৰু লেকৰ চৌপাশে দেৱাল, বাহিৰত ছাইনবোৰ্ড লগোৱা আছে— ক্ৰ'ক'ডাইল প্ৰজেক্ট।

কেইবাটাও সৰু-সৰু ঘৰিয়ালৰ পোৱালিয়ে পানীত খেলা কৰি আছে; দুটামানে পাৰত উঠি নিশ্চল হৈ শুই আছে।

প্ৰজেক্টৰ বাংলোৰ সন্মুখত জীপৰ পৰা নামিয়েই মিছেছ ডালভি চক খাই উঠিল। বাংলোৰ বাৰাণ্ডাত বহি আছে অৰুণাভ চৌধুৰী আৰু লিংগৰাজ মন্দিৰত দেখা পোৱা সেই ছোৱালীজনী।

ডেনিছহঁতক দেখিয়েই চিঞৰি তৰতৰকৈ নামি আহিল অৰুণাভ— অনুৰাধা। অনুৰাধাই আনন্দত চিঞৰি উঠিল— বাঃ কি আচৰিত! গভীৰ অৰণ্যৰ মাজত এনেকৈ চিনাকি মানুহক লগ পাম বুলি সপোনতো ভবা নাছিলো। মইতো ভাবিছিলো অকলে-অকলে ইয়াত ব'ৰ হৈ যাম।

অৰুণাভ আৰু অনুৰাধাই ইতিমধ্যে বাংলোৰ দুটা কোঠা লৈ লৈছে।

৫৮ পৃষ্ঠাত চাওক

ডিচেম্বৰৰ তৃতীয় সপ্তাহত প্ৰকাশ পাব

যশস্বী কবি সাহিত্যিক

**নৰকান্ত বৰুৱাৰ**

## কবিতাৰ দেহ বিচাৰ

**(অসমীয়া কবিতাত অলংকাৰ)**

ভাৰতীয় আৰু পাশ্চাত্য সাহিত্য চিন্তাৰ পদ্ধতিগত পাৰ্থক্য থাকিলেও—কবি নৰকান্ত বৰুৱাই ভাৰতীয় আৰু পাশ্চাত্য দুয়োটা ধাৰাৰ ব্যৱহাৰ অসমীয়া কবিতাত কি দৰে হৈছে তাৰেই আলোচনা এই গ্ৰন্থখনিত কৰিছে। সাহিত্যতত্ত্বৰ বিষয়ে আলোচনা নকৰি সাহিত্যত অলংকাৰ এটা সৰ্বজন গৃহীত বিষয় হিচাপে গ্ৰহণ কৰি তেওঁ প্ৰাক্-বৈষ্ণৱ যুগৰ পৰা আধুনিক কবিতা লৈকে সামৰি প্ৰচুৰ উদাহৰণেৰে নিজৰ বক্তব্য ডাঙি ধৰিছে। এই আলোচনা বৰ্ণনাত্মক (descriptive) হে — বিধান ভিত্তিক (prescriptive) নহয়। সাধাৰণ সাহিত্যনুৰাগী আৰু সাহিত্যৰ ছাত্ৰৰ বাবে পুথিখনে প্ৰভূত সমল যোগাব। কবিতাৰ মনৰ খবৰ দিয়া লেখকৰ উদ্দেশ্য নহয়—কবিতাৰ দেহৰ খবৰেৰে ই সমৃদ্ধ।

**ষ্টুডেন্টচ্ ষ্ট'ৰচ**

কলেজ হোষ্টেল ৰোড

গুৱাহাটী-৭৮১০০১





# ইণ্টিমেট

**কুসুম কুমাৰ বৰুৱা**

কোনে কি কৰি থাকিলে মই কি ভাবি থাকোঁ, সেই সম্পৰ্কে মোৰ এটা নিজস্ব ধৰণ আছে। আপুনি কপিলদেৱ বা ৰোনাল্ড ৰেগানক গালি পাৰি আছে, সেই সময়ত মই হয়তো ভাবি আছোঁ, —আপোনাৰ চকুৰ তলৰ মঙহখিনিৰ সেইটো চেহেৰা বেছিকৈ মদ খোৱাৰ কাৰণে হৈছে নে কি? আপুনি যেতিয়া জনতা পাৰ্টিৰ চন্দ্ৰশেখৰৰ নীতিৰ কথা কৈ আছে, তেতিয়া হয়তো মই আপোনাৰ চকুলৈকে চাই ভাবি আছোঁ, —বালি আৰু সুগ্ৰীৱৰ যে নেজ আছে, তেওঁলোকৰ ঘৈণীয়েকসকল ইমান ধুনীয়া কাপোৰ-কানি পিন্ধা পূৰাপুৰি মানুহ কিয়? যেতিয়াই মই অনুভৱ কৰোঁ যে আপোনাৰ কথাবোৰ কেৱল মুখৰ খজুৱতি মৰাৰ চেষ্টা, তেতিয়াই মোৰো চিন্তা অবান্তৰ হৈ পৰে। জয়জয়তে মোৰ এই ধৰণটোৰ আভাসটো দি ললো।

শ্ৰীমতীয়ে দৰা-কইনা এহালক ভাত খাবলৈ মাতিছে। (বিয়াৰ নিমন্ত্ৰণী চিঠি বিলাবলৈ আৰম্ভ কৰাৰ দিনাৰে পৰা, কইনাই ফুলড্ৰেছত ফুৰিবলৈ বন্ধ নকৰালৈকে এইখিনি দিনত মানুহহালক দৰা-কইনা বুলিব পাৰি।) এওঁ ৰন্ধা-বঢ়া শেষ কৰি মোক বিলাহী আৰু পিয়াঁজ মিহি-মিহিকৈ কুটিবলৈ কৈ নিজে অলপ "চাফা" হ'বলৈ গৈছে, ঠিক সেই সময়তে দৰা-কইনা হাজিৰ। লগত দৰাৰ এম. এ. পঢ়া ভনীয়েক। শ্ৰীমতীয়ে সৰু-সুৰা দুই-এটা কথা পতাৰ পাছত কইনাই পিন্ধি অহা, গোটেই গাতে বুটা থকা (বুটা থকা নে বুটা বছা জানো!) কাপোৰযোৰ ক'ত বোৱাইছিল, সেইযোৰ কিমান সুন্দৰ লাগিছে, সেইবোৰকে কৈ আছিল। তাৰ বাহিৰে যে অইন কথা সেইসময়ত থাকিব নোৱাৰে, সেইটো বিশ্ব-ব্ৰহ্মাণ্ডই জানে। মই যেতিয়া বিলাহী-পিয়াঁজ কুটি তেওঁলোকৰ লগত জইন কৰিলোগৈ, ঠিক সেই মুহূৰ্ততে শ্ৰীমতীয়ে এটা ভুল কৰি উঠিছে। কইনাৰ কাপোৰৰ প্ৰশংসা কৰি-কৰি তেওঁ ননদেকৰ কাপোৰযোৰৰ কথাও কৈছে, "তোমাৰযোৰো ভাল লাগিছে।" তোমাৰযোৰো? ও আখৰটো লগাই কথা কলে প্ৰশংসা কৰা হয় নে কি? এওঁলোকে কথা কব নাজানে। এম. এ. পঢ়া ছোৱালী, বিয়া হোৱা নাই, প্ৰায় একে বয়সৰ ফ্ৰে'ছ নবৌয়েকৰ লগত ফুৰিবলৈ আহিছে,—কিমান ছেনছিটিভ প্ৰাণী! আগে-ভাগে তেওঁকহে "উঠাব" লাগে! তদুপৰি ননদেকৰ কাপোৰযোৰ কিজানি নবৌয়েকৰে! যি হ'ল হ'ল, কৈ পেলালেই যেতিয়া আৰু কিডাল কৰিম! এওঁলোকে পাট-মুগা মিক্সজাতীয় কথা পাতি থকা বাকী সময়খিনি মই ভাবি থাকিলো,— এই দুজনীৰ প্ৰথম ওখনা-উখনিখন কেতিয়া লাগিব, কিহৰ পৰা লাগিব?

এসময়ত খোৱা-বোৱাৰ কাৰণে টেবুল "লগোৱা" হ'ল। সকলো বহিলো। শ্ৰীমতীৰ বাহিৰে। চিৰাচৰিত প্ৰথমতে আলহীসকলে— "আমি লৈ লৈ খাই থাকিম, আপুনিও বহক" বুলি কৈ থাকিল, শ্ৰীমতীয়ে— "বহিম বাৰু, তোমালোকে আৰম্ভ কৰাচোন" বুলি কৈ থাকি থাকি যেতিয়া বহিল, তেতিয়া আমাৰ সকলোৰে কাঁহীয়ে-কাঁহীয়ে পঠা-মাংসৰ টুকুৰা।

তাৰ আগলৈকে দৰাজনে তেওঁ চাকৰি কৰা ঠাইত গৱৰ্ণমেণ্ট কোৱাৰ্টাৰ আৰু ভাৰাঘৰ সম্পৰ্কে কিবাকিবি কৈ আছিল; মই পাই থকা গোন্ধটো ইণ্টিমেট নামৰ বিদেশী ছেণ্টৰ হয়নে নহয় মনত পেলাবলৈ চেষ্টা কৰি আছিলো। কি সুন্দৰ! দুয়োজনী আলহীৰ মুখ দুখনলৈ কেইবাবাৰো চোৱা পৰিছিল। কথা পাতি আছোঁ যেতিয়া পৰিবই। এঘাৰটামান বিভিন্ন চেহেৰাৰ বটল আৰু টেমা থকা নতুন ড্ৰেছিং-টেবুল এখনৰ কথা ভাবিলো। ফাউণ্ডেশ্যন ক্ৰিম, লিপষ্টিক, আই ব্ৰ' পেনছিল...। সুন্দৰ, অতি সুন্দৰ।

কিন্তু যেই হাড় থকা প্ৰকাণ্ড পঠাৰ মাংস এটুকুৰা হাতত তুলি ললো, সেই মোৰ মনলৈ অইন কথা আহিল। এওঁ বহিয়েই ৰন্ধা-বঢ়া বৰ ভাল নহল হ'বলা বুলি কৈ চাইছে, তিনিখন মুখে ঘোৰ আপত্তি কৰিছে। তাৰ পাছত শ্ৰীমতীয়ে দৈৰে মাংস ৰন্ধাৰ প্ৰক্ৰিয়াটো কইনাক বুজাই আছে।

মই মাংস কিনাৰ অধ্যায়টোৰ কথা ভাবি থাকিলো। বজাৰ সোমাব খুজিছোঁ,— কাষৰ নৰ্দমাটোৰ পৰা উৎকট গোন্ধ এটা। নাকত ৰুমাল ললো। এজাক পূৰ্ণ বয়স্ক ভেনা মাখি। উৰিছে, পৰিছে, ঘূৰিছে, পৰিছে। চিধা মাংসৰ দোকানলৈ গলো। দোকানত চাৰিটা ছাগলীৰ মূৰ; সিহঁতৰ চকুবোৰ দেখিলে নিশ্চিতভাৱে ধৰিব পাৰি— সিহঁত মৰিল। হাঁকোটাবোৰত একো ওলমি থকা নাই। মই বোলোঁ— কি হ'ল? মাংহ নাইনে কি? মানুহটোৱে বিনা কাৰণত লুঙীখন কোঁচাই ধৰি আছিল; কলে— "আছে বাবু, বনাই আছে। এক মিনিট।" কথাখিনি কৈ সি মূৰ কেইটাৰ ওপৰত পৰি থকা ভেনামাখি কেইশমানক ডিছটাৰ্ব কৰি দিলে। কিছুমান উৰি গ'ল— বোধহয় সেই নৰ্দমাৰ ফালে, কিছুমান আকৌ উভতি আহিল।

বনাইছে? কিনো বনাইছে বুলি ডিঙি মেলি চালো,— গুমটিটোৰ পিছফালে, নৰ্দমাটোৰ কাষতে ছাগলী এটা আৰি লৈ মানুহ এটাই ছাল ছেলাইছে। (নৰ্দমাটো সেই ফালেদি ঘূৰি এইখিনিত ওলাইছেহি।) ওচৰতে দুটা জীয়া ছাগলী বান্ধি থোৱা আছে। অলপ পাৰ্চতে পোৱালী এটাই বাল্টি এটাত (বাল্টিটো বোধকৰোঁ শুকান গোবৰেৰে বনোৱা। নহ'লে সেই ৰং, সেই ছাৰফে'ছ কেনেকৈ হ'ব!) এক বাল্টি ইটা বৰণীয়া জুলীয়া বস্তু ওচৰতে থলেহি। অলপ পাছতে ছাল ছেলাই থকা মানুহটোৱে সেই জুলীয়া বস্তুৰে ছাগলীটোক থিয়ৈ-থিয়ৈ গা ধুৱালে। তাৰ পাছত সি বস্তুটো আনি মোৰ সমুখৰ হাঁকোটা ডালত আঁৰি



OKDISCD

দিলে। ইতিমধ্যে মোৰ ওচৰে-পাজৰে আৰু ছজন গ্ৰাহক গোট খাইছিল। পিঠিত এটা হেঁচাও অনুভৱ কৰিছিলো; কিন্তু আগলৈ যোৱাৰ মোৰ উপায় নাছিল; কাৰণ সমুখৰ মাটিখিনি পুৰণি তেজ আৰু পানীৰে পেলপেলীয়া হৈ আছিল। কোনোবা মোতকৈ আগ বাঢ়ে বুলি প্ৰথমে কথা পতা মানুহটোক কলো,— সেই পিছঠেঙৰ পৰা এক কেজি দিয়া। দুই নম্বৰ মানুহটোৱে ছাগলীটোত ঘাপ এটা মাৰিলে। এটা ভেনামাখিও কটা নপৰিল। এটাই কেইটাই এপাক ঘূৰি আহিঁ ছাগলী-টোৰ ডিঙিটোৰ ৰক্তাক্ত অঞ্চলত বহিলহি। দাৰ কোবত তেজ-পানী ছিটিকি মোৰ চোলাত পৰিল। ওপৰ ওঁঠখনৰ এটা বিন্দুত ঠাণ্ডা-ঠাণ্ডা লাগিল। (কথা ক'বলৈ ৰুমালখন আঁতৰাই-ছিলো)। মানুহটোৱে ঘাপ মাৰোঁতে ঠেঙৰ অঞ্চলটোকে দিব বুলি ভাবি-ছিলো; কিন্তু সি ঠেংটোৰ আধা কেজি মান লৈ দা খন এনেকৈ চোচোঁৱালে যে বাকী আধা কেজিৰ মূৰটো পেটৰ তল পালেগৈ। "হেই কি কৰিলা?" —বুলি কওঁতে সি ক'লে, "ভাল আছে বাবু খাৰাপ বস্তু নাদিম।" ওজন কৰা মানুহটো বহি থাকে একেবাৰে ভিতৰত। সি কি দগা দিছে, দেখাৰ উপায় নাই। এক কেজিৰে দগা দিছে বুলি বিশ্বাস কৰিলো। পাল্লাখনৰ সোঁফালটো অলপ উঠি থকা দেখি ক'লো— সেইখিনি লিভাৰ দিয়া। লিভাৰ এটুকুৰা কাটি সি ইমান জোৰে মাংসখিনিৰ ওপৰলৈ মাৰি পঠিয়ালে যে পাল্লা সেই জোৰতে তললৈ গ'ল। পাল্লাখন থিৰ হ'বলৈ নাপালেই; জোখা হ'লেই। তাৰ সমুখৰ কাঠৰ মূঢ়াটোৰ ওপৰত আগৰে কটা-কুটা মাংস এসোপা আছিল। মই নিজ চকুৰে দেখিলো— সি মোৰ ভাগৰ এটুকুৰা এৰি, সেই সোপাৰ পৰা এটুকুৰা সুমুৱাই দিলে; সি বোলে নাই দিয়া।

মগজৰ ভিতৰত ভেনামাখি এজাক ভেন-ভেনাই উঠা যেন লাগিল।

…সমুখত কইনাই হাড়ৰ পৰা অতি সযতনে, মুখখন অকণো বিকৃত নোহোৱাকৈ মাংস অকণমাণ এৰুৱাই-ছিল। তেওঁৰ ওঁঠৰ লিপষ্টিক আগৰ নিচিনা হৈ থকা নাছিল। ক'ৰ পৰা কেনেকৈ ওলাল ধৰিব নোৱাৰিলো, তেতিয়া তেওঁলোকে এয়াৰ হ'ষ্টেছৰ কোৱালিফিকেশ্যনৰ কথা পাতি আছিল।

### সম্পাদকৰ কোঠালিত

বন্ধু: এই যে ষ্টেপ মাদাৰলি ট্ৰিটমেণ্ট,— মাহী আইৰ আচৰণ,— বুলি এটা কথা ৰাজহুৱাভাৱে,— আৰু প্ৰচুৰ পৰিমাণে চলি আছে, এইটোতো মাহীমাক বিলাকৰ কাৰণে বৰ ইনছালটিং কথা! আমি দেখোন বহুত উপন্যাসত পাওঁ—সতীনীয়েকৰ পুতেকৰ কাৰণে মাহীমাকে সৰ্বস্ব ত্যাগ কৰিলে! মোৰ হিচাপত পৃথিৱীৰ সমগ্ৰ মাহীমাকে এটা আন্তঃৰাষ্ট্ৰীয় সংগঠন স্থাপন কৰা দৰকাৰ আৰু কথাই-কথাই তেওঁলোকৰ বিৰুদ্ধে বিষোদ্গাৰ কৰাৰ প্ৰতিবাদ জনোৱা দৰকাৰ।

৫৬ পৃষ্ঠাৰ পিছৰ পৰা

তৃতীয় কোঠাটো ডেনিছহঁতে ল'লে। বেচ আহল-বহল কোঠালি। ড্ৰেছিং টেবুল, বহা চকী-মেজ, সংলগ্ন বাথৰুম, দুখন পৰিষ্কাৰ বিছনা।

ৰাতিপুৱাই জীপত উঠি অৰণ্যৰ ভিতৰলৈ যোৱাৰ কথা। ডেনিছ, অৰুণাভ আৰু ডালভিয়ে লগত লৈ অহা বিয়েৰ খালে। ডালভিয়ে খুব জোৰ কৰিছিল অনুৰাধাক; অনুৰাধাই স্পৰ্শ নকৰিলে; —সেইচৰ খালে পেটৰ পৰা নাড়ী-ভুঁৰু চব মুখেৰে ওলাই আহিব।

অন্ধকাৰ নামিছে অৰণ্যলৈ। পাহাৰত ক'ৰবাত জুই জ্বলি উঠিছে। ভাঁহি আহিছে বনৰীয়া হাতীৰ স্বৰ। বাহিৰত অলপ-অলপ থাণ্ডা পৰিছে। সকলোৱে সোনকালে শুলে।

অৰুণাভৰ টোপনি অহা নাছিল। ছিগাৰেট এটা জ্বলাই জ্বলাই তেওঁ বাৰাণ্ডালৈ ওলাল। কাষৰ কোঠাত নিশ্চিন্ত মনে চাগৈ অনুৰাধা শুই আছে। কেনেকৈ এজনী ছোৱালী, এই বয়সত এজন ল'ৰাৰ সৈতে অকলে এইদৰে গভীৰ অৰণ্যৰ মাজৰ বাংলো এটাত থাকিবহি পাৰে! কিমান আস্থা আৰু বিশ্বাসে এজনী ছোৱালীক ইমানখিনি সাহস যোগাব পাৰে!

চিৰিৰ ফালে অৰুণাভ আগবাঢ়িল। ডেনিছহঁতৰ কোঠাত এতিয়াও পোহৰ। অলপো শব্দ নকৰাকৈ সন্তৰ্পণে অৰুণাভ বাৰাণ্ডাৰে আগুৱাই গ'ল।

বন্ধ কোঠাৰ ভিতৰৰ পৰা ভাঁহি আহিল হাঁহিৰ শব্দ। সেয়া ডেনিছৰ কণ্ঠস্বৰ—ইউ আৰ এ ছুইট লিটল থিং … উম্…

আঃ প্লিজ…

হঠাতে সন্মুখত ভূত দেখাৰ দৰে অৰুণাভ চমকি উঠিল। অৰণ্যৰ সেই অন্ধকাৰৰ মাজত। বাংলোৰ সন্মুখৰ শিল এটাৰ ওপৰত। দূৰৰ ঠায়ে ঠায়ে প্ৰজ্বলিত পাহাৰৰ ফালে মুখ কৰি বহি আছে অনুৰাধা। গোটেই পৰিবেশ-টোকে অৰুণাভৰ ৰহস্যময় যেন লাগিল।

ধীৰে-ধীৰে অৰুণাভ শিলটোৰ ওচৰ চাপিল। সেই আন্ধাৰতো অৰু-ণাভে অনুভৱ কৰিলে প্ৰাণচাঞ্চল্যৰে ভৰা সেই ছোৱালীজনীৰ দুচকুত চকু-লোৰে চিকমিক কৰিছে।

ৰাতিৰ নৈশব্দত অকণো ব্যাঘাত নজন্মোৱাকৈ অসম্ভৱ মৃদু আৰু গভীৰ স্বৰেৰে অৰুণাভে ধীৰে-ধীৰে ক'লে,— কাৰোবাৰ লগত শ্বেয়াৰ কৰিলে তোমাৰ কষ্ট যদি কিঞ্চিৎমানো লাঘৱ হ'ব বুলি ভাবা, তেনেহ'লে সেই শ্বেয়াৰ লোৱাৰ ভাৰ প্ৰথম মোকেই দিবা।

বুকুৰ গভীৰৰ পৰা হঠাতে উজাই আহিব খোজা কান্দোনৰ ধ্বনি এটা অসীম কষ্টেৰে চেপি ৰাখি অনুৰাধাই আন্ধাৰৰ মাজেৰেই অৰুণাভৰ মুখৰ ফালে চালে।

সেই দিন কেতিয়াও নাহে।— অনুৰাধাই ক'লে।

গভীৰ বিশ্বাস আৰু মমতাৰে অৰু-ণাভে ক'লে,— আহিবওতো পাৰে!

[আগলৈ]



## কবিতা

### জতুগৃহৰ এৰাতি

কবীন ফুকন

নিয়ঁতী চৰাই নিয়ঁতী চৰাই
নিওঁ নিওঁ নকৰিবি ভয়ানক ৰাতি
কণ্ঠ-গৰল ঢালি নিদিবি কুৰুলি তই কলিজা কঁপাই
নিয়ঁতী চৰাই তোক কেনেকৈ কোনে দিব কেতিয়া খুৱাই…
দেহি ঐ কোনে বাৰু ডাঠি ক'ব জতুগৃহত কোনো নাই?

জয়াৰ ৰাতিহে চকু মেল খায়,
চেতনাৰ গহন বনত
জিলিগুনি বেছি হ'লে দৃষ্টি হেৰায়—
'তাহে হামো হৰিণ বেৰায়'।

অতি পোহৰত তোমালোকে দেখা নাই
আন্ধাৰত চকু মেলি তোমালোকে চোৱা নাই
আছুতীয়া ক্ষণটিৰ ভৌতিক নিৰৱতাত তোমালোকে শুনা নাই
ধৰিত্ৰীৰ সূতিকা-ঘৰত মৃত্যুৰ আস্ফালন…
নিশ্চল আন্ধাৰত শুনা নাই তোমালোকে
উন্মাদ দুচকুৰে ফেৰ পতা বোন্দাৰ আৰাও…

মৃত্যু এক অৱিৰাম নিৰৱ উছৱ, নিতাল, নিমাওমাও;
জন্মতকৈও সুনিপুণ আৰণ্যক আয়োজন
ক্ষমতাৰ থাপনাত এটি তান্ত্ৰিক প্ৰয়োজন
অযোনিজ দানৱৰ স্বাভাৱিক প্ৰজনন।

দেখিছানে শুনিছানে
মাজনিশাৰ মুকলিত নাঙঠ তৰোৱালৰ তিৰবিৰ নাচ,
অপহৃতা-অসুৰৰ কিৰিলি ক'ৰাছ?
জিলিকে নিয়ঁতী ৰাতি
উন্মাদ স্বপ্নত প্ৰতিহত হেঁপাহেৰে অযোনিজা সতীৰ ধৰ্ষণ,
গাঁৱে-ভুঁয়ে দেশে দেশে মাতৃ হনন
ভীষ্মক সাক্ষী ৰাখি দ্ৰৌপদীৰ বস্ত্ৰহৰণ…

শুনা নাই কেতিয়াও কাঠফুলা মেঘৰ গৰ্জন?
সঁচাকৈয়ে দেখা নাই
উলংগ আকাশৰ পৃথিৱীৰ গৰ্ভলৈ বাৰুদ-বৰ্ষণ?
নিস্প্ৰভ দুচকুত জিলিকে যদিও নান্দনিক অসীম হেঁপাহ,
দেখা নাই তুমি ৰূপহী গালত আণৱিক জিঘাংসাৰ দাগ?
নাছিলনে নাগাছাকি মোহাচ্ছন্ন ইন্দ্ৰিয়ৰ অবাইচ বিলাস,
ছাঁয়ামায়া কামনাৰ হিৰোশ্বিমা প্ৰথম এভাগ?

আচম্বিতে বিজুলীৰ কাঁড়ে ভীতিগ্ৰস্ত আসাৰক বিন্ধে
এই লাগে জুই লাগে
জতুগৃহ ধোঁৱাই আবৰে…
পুত্ৰহাৰা হৰিণী উচুপে
"মৰগ উঠা বাঘিনীয়ে হাবিত গোঁজৰে…

দেশে দেশে মহাদেশে হাঁকাল-বিকাল
পথাৰ চিৰাল ফটা, জোনাক ফৰিং ফুটা, নিৰ্মেঘ, ফৰকাল
অতনু মনত সৰে চোপ লোৱা তেজৰ টোপাল
অনিদ্ৰাত দুপৰ নিশা জতুগৃহ লালকাল…

কুঞ্চচ কল্পনাত থৰ লাগে নীহাৰিকা,
বিজুলী বেগেৰে নাচে বিস্বাদ বিভীষিকা।
দেহি ঐ, জিলিগুনি বেছি হ'লে দৃষ্টি হেৰায়—
'তাহে হামো হৰিণ বেৰায়'।
নিয়ঁতী-চৰাই অ' নিয়ঁতী-চৰাই
নিদিবি কুৰুলি তই কলিজা কঁপাই
নিয়ঁতী চৰাই…
জতুগৃহত আজি নিশা সঁচা জানো কোনো নাই?

### অসহায়

ভূপেন দাস

তুমি বৰ নিৰ্দয়।

শিলতকৈয়ো কঠিন
হীৰাৰ দৰে।

চোৱাচোন চোৱা
মাত্ৰ এবাৰ
দুচকু মেলি চোৱা

মোৰ বুকুৰ ভিতৰৰ অৱস্থাটো

জ্বলফাই গছৰ
সেন্দুৰীয়া পাতবোৰৰ দৰে,
অহৰহ জ্বলি থাকে 'অসহায়' কলিজাটো।




OKDISCD

# নাট্যসংস্কৃতি ঃ ভাৰতীয় শৈলীৰ অন্বেষণ

ডঃ শৈলেন ভৰালী

নাটক আৰু অভিনয়ৰ ক্ষেত্ৰত যোৱা এশ বছৰে আমি বিদেশৰ সকলো উপকৰণ আমদানি কৰিলোঁ। বৃটেইন আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পৰা আৰম্ভ কৰি ফ্ৰান্স, ৰুছিয়া আৰু জাৰ্মেনিলৈকে আমাৰ আমদানিৰ থল বিস্তাৰিত হ'ল। বহুতো 'বাদ' চিন্তা, কৌশল চপাই আনি আমি আধুনিক নাট্যসম্পদ গঢ়ি তুলিলোঁ। সঁচা কথা, বৰ্তমান যুগত কোনো দেশেই আন্তৰ্জাতিক চিন্তা-চৰ্চাৰ পৰা বিচ্ছিন্ন হৈ থাকিব নোৱাৰে। এখন দেশৰ চিন্তাধাৰাই আন এখন দেশৰ ওপৰত প্ৰভাৱ পেলাবই। কিন্তু সেই প্ৰভাৱ স্বীকাৰ কৰি লোৱা মানেই এখন দেশৰ স্বকীয়তা নিশ্চিহ্ন কৰা নহয়। প্ৰভাৱৰ অৰ্থ অনুকৰণ নহয়, আনৰ ধ্যান-ধাৰণাক নিজস্ব বৈশিষ্ট্যৰ অংগীভূত কৰি লোৱাহে। বৃটেইনৰ দৰে বৌদ্ধিক দিশত উন্নত দেশেও নাটকৰ বাবে অন্যান্য দেশৰ পৰা, আৰু প্ৰধানকৈ মাৰ্কিন যুক্তৰাষ্ট্ৰ, ফ্ৰান্স আৰু জাৰ্মেনিৰপৰা ভালেমান সমল সংগ্ৰহ কৰিছে। কিন্তু বৃটেইনে সেই ঋণ পৰিশোধ কৰিছে ভাল-ভাল অভিনেতা আৰু পৰিচালকৰ জৰিয়তে সংগৃহীত সমল অভিনৱৰূপে প্ৰদৰ্শন কৰি। নতুন চিন্তাৰ বিনিময়ত সেইবোৰ দেশে বৃটেইনৰ পৰা পাইছে দক্ষ অভিনেতা আৰু পৰিচালক। বৃটেইনৰ পিটাৰ ব্ৰুকৰ নিচিনা পৰিচালকে সেইবোৰ দেশত নতুন, জটিল নাটকৰ পৰীক্ষা অধিক কৃতকাৰ্যতাৰে সম্পন্ন কৰি সকলোৰে মনোযোগ আকৰ্ষণ কৰিব পাৰিছে। কিন্তু আমাৰ গতি একমুখী হৈয়ে আছে। আমি মাথোন আন দেশলৈ হাত মেলিছোঁ; বিনিময়ত একো দিবলৈ চেষ্টা কৰা নাই। আমাৰো যে নিজস্ব পৰিচয় আছে, ঐতিহ্যপূৰ্ণ নাট্যসম্ভাৰ আছে সেই কথা পাহৰি পৰমুখাপেক্ষী হৈছোঁ; আনৰ ভাল বেয়া উভয়কে নিৰ্বিচাৰে লৈ পৰম সন্তুষ্টি লাভ কৰিছোঁ। আমাৰ অনুকৰণধৰ্মী নাট্যসৃষ্টিয়ে বিশ্বৰ দৰবাৰত কেনে মৰ্যাদা পাব পাৰে, সেই বিষয়েও আমি সম্পূৰ্ণ উদাসীন। প্ৰসংগক্ৰমে আমি কিছুদিনৰ আগতে শুনা এষাৰ কথা মনলৈ আহিছে। এগৰাকী বিশিষ্ট অধ্যাপকে তেওঁৰ প্ৰিয় ছাত্ৰৰ লেখা সম্পৰ্কে কোৱা কথা। ছাত্ৰজনে এটা প্ৰশ্নৰ উত্তৰ লিখি উলিয়াই অধ্যাপক গৰাকীক চাবলৈ দিছিল। চোৱাৰ অন্তত অধ্যাপক গৰাকীয়ে হেনো কৈছিল,— "কেইটামান ভুলৰ বাহিৰে ইয়াত তোমাৰ নিজা বুলিবলৈ একোৰেই নাই।" আমাৰ নতুন নাটকৰ সম্পৰ্কতো ইউৰোপীয় দৰ্শকে অনুৰূপ মন্তব্য দিব বুলিয়েই ধাৰণা হয়।



"বহুৰূপী"ৰ পৰিচালক শম্ভু মিত্ৰই ভাৰতীয় নাটকৰ উল্লিখিত বৈশিষ্ট্যৰ ওপৰতেই প্ৰধানকৈ গুৰুত্ব আৰোপ কৰি আহিছে।

ভাৰতীয় নাট্য সংস্কৃতিৰ অতি প্ৰাচীন আৰু সমৃদ্ধিশালী পৰম্পৰা আছে। সংস্কৃত নাটকৰ গৌৰৱময় ইতিহাস আছে। সংস্কৃত নাটকৰো আগৰেপৰা চলি অহা আৰু সৰ্বসাধাৰণৰ ধৰ্মীয় শিক্ষা আৰু অনাবিল আনন্দৰ মাধ্যমৰূপে স্বীকৃত লোকনাট্যানুষ্ঠানসমূহ আছে। ভাৰতৰ নাট্যপৰম্পৰাত অসমৰ এক বিশিষ্ট আসন আছে। ষোড়শ শতিকাৰ আৰম্ভণিতে শ্ৰীমন্ত শংকৰদেৱে উদ্ভাৱন কৰা অংকীয়া নাট-ভাওনাই অসমক নিজস্ব নাট্যসম্পদৰ অধিকাৰী কৰি থৈছে। শংকৰদেৱৰ জন্মৰ বহুকাল পূৰ্বৰেপৰা জনসমাজত সমাদৃত হৈ অহা ওজাপালি, ঢুলীয়া ভাওনা, পুতলা নাচ, কুশান গান আদিৰ লেখীয়া অৰ্ধনাটকীয় অনুষ্ঠানসমূহৰ পৰাই প্ৰেৰণা লৈ শংকৰদেৱে এই নাট্যসম্পদ গঢ়ি তুলিছিল। থলুৱা লোকসকলৰ উপকৰণৰ সৈতে সংস্কৃত নাট্যকলাৰ কোনো কোনো উপকৰণ সংযোগ কৰি অসমৰ বৈশিষ্ট্যপূৰ্ণ নাট্যশৈলী উদ্ভাৱন কৰিছিল। কিন্তু ইংৰাজসকলৰ আগমনৰ পাছতেই ইউৰোপীয় শিক্ষা আৰু সংস্কৃতিৰ সম্পৰ্কলৈ অহাৰ লগে-লগে আমি আমাৰ নাট্যপৰম্পৰাৰপৰা বিচ্ছিন্ন হৈ পৰিলোঁ। অতীতৰ সৈতে আমাৰ যোগসূত্ৰ হেৰাই গ'ল। পশ্চিমীয়া আহি আৰু আদৰ্শকে লৈ আমি আধুনিকতাৰ ভেটি স্থাপন কৰিলোঁ। দেশীয় ঐতিহ্যক সত্ত্বৰ চাৰিবেৰৰ ভিতৰত আৱদ্ধ কৰি থৈ বিদেশী আদৱ-কায়দাৰে নতুন পৰম্পৰা সৃষ্টি কৰিবলৈ বিচাৰিলোঁ। আধুনিক অসমীয়া নাটকৰ ইতিহাস এই চেষ্টাৰেই ফলশ্ৰুতি বুলি ক'ব পাৰি। আমাৰ এই চেষ্টাই কিমানদূৰ কৃতকাৰ্যতা লাভ কৰিলে অথবা এনে চেষ্টাই সুস্থ নাট্যসংস্কৃতিৰ সমৃদ্ধিত কিমানখিনি সহায় কৰিলে সেইটো বিচাৰ কৰি চোৱাৰো প্ৰয়োজন আমি বোধ নকৰিলোঁ। আমি মাথোন পশ্চিমলৈ মুখ কৰি থৈ থাকিলোঁ আৰু আধুনিকতাৰ নামত পশ্চিমীয়া ধৰণ-কৰণকেই একমাত্ৰ আদৰ্শৰূপে গ্ৰহণ কৰিলোঁ। উল্লিখিত সময়ছোৱাত আমাৰ নাট্যশিল্পই কি বিশিষ্ট চিন্তা প্ৰকাশ কৰিলে, দৰ্শকৰ হৃদয় আৰু মনক দোলা দি যাব পৰা কিমানখন নাটকৰ সৃষ্টি হ'ল, আমাৰ কিমানখন নাটকে বিশিষ্টতাৰ পৰিচয় দি ভাৰত আৰু বিশ্বৰ নাট্যমঞ্চত আমাক প্ৰতিষ্ঠা কৰিলে সেই বিষয়ে অনুধাৱন নকৰি পৰনিৰ্ভৰশীল হৈ মৌলিক চিন্তা আৰু জাতীয় সম্পদৰ বিকাশৰ পথত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিলোঁ।

সুখৰ কথা, আশীৰ দশকৰপৰা অসম তথা ভাৰতৰ নাট্যকলাত এক নতুন সৃষ্টিৰ পৰ্যায় আৰম্ভ হৈছে। থলুৱা মাটিৰ জীপ নথকা, দেশীয় ঐতিহ্যৰপৰা বিচ্ছিন্ন শিল্পকৰ্ম যে গভীৰ আৰু সংবেদনশীল হ'ব নোৱাৰে সেই কথা উপলব্ধি কৰি জাতীয় সংস্কৃতি আৰু জীৱনবোধৰ আধাৰত নাট্যশিল্পক প্ৰতিষ্ঠা কৰিবলৈ বিচৰা হৈছে। জাতীয় সত্তাৰ প্ৰতি সচেতন হৈ আধুনিক মনৰ উপযোগী ভাবধাৰা প্ৰকাশ কৰিবলৈ নতুন আৰু পুৰণিৰ মাজত সংযোগ-সেতু নিৰ্মাণ কৰিবলৈ চেষ্টা কৰা হৈছে। সেই উদ্দেশ্যে ভালেমান নাট্যসংস্থাই প্ৰাচীন ভাৰতীয় নাট্যৰূপৰ সহায় লৈ অথবা থলুৱা লোককলাৰ আহিৰে নাটকীয় বিষয়বস্তু পৰিবেশন কৰিবলৈ, আৰু ইয়াৰ জৰিয়তে এক স্বকীয় নাট্যসংস্কৃতি গঢ়ি তুলিবলৈ পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰিছে। এই নাট্যসংস্কৃতিয়ে এহাতে আধুনিক চিন্তাৰ ছাপ আৰু আনহাতে ভাৰতীয় মনৰ পৰিচয় বহন কৰিব লাগিব। অৰ্থাৎ ইয়াত থাকিব লাগিব আধুনিকতা আৰু লগতে ভাৰতীয়ত্ব। বংগদেশত "বহুৰূপী" নাট্যসংস্থাই এই কামত ইতিমধ্যে ভালেখিনি অগ্ৰগতি লাভ কৰিছে। "বহুৰূপী"ৰ পৰিচালক শম্ভু মিত্ৰই ভাৰতীয় নাটকৰ উল্লিখিত বৈশিষ্ট্যৰ ওপৰতেই প্ৰধানকৈ গুৰুত্ব আৰোপ কৰি আহিছে। সেই উদ্দেশ্যে তেওঁ পোনতে ৰবীন্দ্ৰনাথৰ নাটকৰ প্ৰতি মানুহৰ আগ্ৰহ বঢ়াবলৈ আৰু তাত থকা ভাৰতীয় সংস্কৃতিৰ গভীৰ ৰূপটো উদ্ধাৰ কৰিবলৈ আশাশুধীয়া চেষ্টা কৰিছে। কাৰণ, ৰবীন্দ্ৰনাথৰ নাটকত আধুনিক জীৱনৰ কাহিনী আছে; কিন্তু সেই কাহিনী ইউৰোপীয় ভংগীৰে নহয়, ভাৰতীয় ভংগীৰেহে দাঙি ধৰা হৈছে; —সেই কথা উপলব্ধি নকৰিলে ৰবীন্দ্ৰনাথৰো ওচৰ চাপিব নোৱাৰি আৰু ভাৰতীয় জাতীয় জীৱনৰ বিশিষ্টতাৰো পৰিচয় পাব নোৱাৰি। ৰবীন্দ্ৰনাথক নতুনকৈ প্ৰতিষ্ঠা কৰাত আৰু ৰবীন্দ্ৰ-নাটকৰ মৰ্মকথাৰ প্ৰতি দৰ্শকৰ সঁহাৰি আদায় কৰাত মিত্ৰৰ বৰঙণি সামান্য নহয়। সেইদৰে কেৰালাৰ থিৰুৱৰং নাট্যসংস্থাই বিদেশী নাট্যৰীতিৰ অক্ষম অনুকৰণৰ পৰিৱৰ্তে সংস্কৃত নাটক আৰু কেৰালাৰ লোকনাট্যৰ উপকৰণ সংগ্ৰহ কৰি ভাৰতীয় পৰম্পৰা আয়ত্ত কৰিবলৈ চেষ্টা কৰিছে। নাট্যকাৰ আৰু পৰিচালক নাৰায়ণ পন্নিকৰে দেশীয় পৰম্পৰাৰ আধাৰত স্বকীয়া নাট্যশৈলীৰ সন্ধান কৰিছে। তেওঁ পৰিচালনা কৰা কেইবাখনো নাটকত ভাৰতীয় নাট্যকলাৰ মূলনীতি অক্ষুণ্ণ ৰাখি আধুনিক বিষয়বস্তু আকৰ্ষণীয়ভাৱে পৰিৱেশন কৰা হৈছে।

অসমতো লোকনাট্য আৰু অংকীয়া নাটৰ ভেটিত আধুনিক নাট্যপৰম্পৰা গঢ়ি তোলাৰ চেষ্টাৰে নাটক ৰচনা আৰু অভিনয় কৰা হৈছে। সেই উদ্দেশ্যে কোনো কোনোৱে ওজাপালি আৰু অংকীয়া নাটৰ ৰীতি অথবা দুয়োবিধৰে সংমিশ্ৰিত ৰূপ নাটকত প্ৰয়োগ কৰিছে। কিন্তু মন কৰিব লাগিব যে পৰম্পৰাৰ প্ৰতি সচেতন হোৱা মানেই অতীতক যথাযথভাৱে অনুকৰণ কৰা নহয়। ওজাপালিৰ ওজা অথবা অংকীয়া নাটৰ সূত্ৰধাৰজনক উলিয়ালেই যিদৰে এই সচেতনতা প্ৰকাশ নাপায়, সেইদৰে ওজাপালি আৰু অংকীয়া নাটৰ পদ্ধতি য'তেত'তে প্ৰয়োগ কৰিলেও সেই সচেতনতাৰ সাৰ্থক প্ৰতিফলন নহয়। যি কোনো শিল্পকৰ্মৰে ভাব আৰু ৰূপৰ মাজত ঘনিষ্ঠ সম্পৰ্ক থাকে। সেই সম্পৰ্ক তেজ-মঙহৰ সম্পৰ্কৰ দৰে, অবিচ্ছিন্ন। শিল্পকৰ্মৰ ৰূপ বাহিৰৰপৰা আৰোপিত নহয়, সেই ৰূপ নিৰ্ণয় কৰে অন্তৰ্নিহিত ভাবে। গতিকে ওজাপালি আৰু অংকীয়া নাটৰ মূলকথাবোৰ ভালদৰে আয়ত্ত কৰি ল'ব নোৱাৰিলে আৰু প্ৰয়োজন অনুসৰি প্ৰাচীন পদ্ধতিৰ ইফাল-সিফাল কৰিব নাজানিলে ভাব আৰু ৰূপৰ সম্পৰ্ক ৰক্ষা নপৰে। আধুনিক যুগ-মানসৰ সৈতে সংগতি ৰক্ষা কৰিবলৈ চেষ্টা কৰোঁতে কোনো কোনো ক্ষেত্ৰত দেশীয় উপকৰণৰ লগতে আন সংস্কৃতিৰ উপকৰণো গ্ৰহণ কৰিবলগীয়া হ'ব পাৰে। আন কথাত ক'বলৈ হ'লে দেশী আৰু বিদেশীৰ সংমিশ্ৰিত ৰূপেও স্বকীয় নাট্যশৈলীৰ বিকাশত সহায় কৰিব পাৰে।

শৃংখল

ভবেন্দ্ৰনাথ শইকীয়া

মূল্য—বিশ টকা

লয়াৰ্ছ বুক ষ্টল

পানবজাৰ, গুৱাহাটী-১

# ৰিলায়েন্স কাপ–১৯৮৭ এটি পৰ্যালোচনা

ভাৰত আৰু পাকিস্তানৰ অগণন ক্ৰিকেট প্ৰেমীৰ বহুদিনৰ আশা-আকাংক্ষা মষিমুৰ কৰি আঠ নৱেম্বৰত কলিকাতাৰ ঐতিহাসিক ইডেন গাৰ্ডেনত প্ৰায় একলাখ দৰ্শকৰ আগত ৰিলায়েন্স কাপৰ খেলৰ সামৰণি পৰিল। এলেন বৰ্ডাৰৰ তাৰকাবিহীন অষ্ট্ৰেলিয়া দলে যোগ্যতৰ দল হিচাপেই পেশাদাৰী খেলৰ প্ৰতিমূৰ্তি ইংলণ্ড দলক সেই ফাইনেল খেলত সাত ৰানত পৰাস্ত কৰি এদিনীয়া খেলৰ বিশ্ব চেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰিলে অহা চাৰি বছৰৰ বাবে। অষ্ট্ৰেলিয়াদলৰ এই জয়লাভ যেন ১৯৮৩ চনৰ ফাইনেল খেলখনৰে পুনৰাবৃত্তি। ১৯৮৩ চনত যেতিয়া ভাৰতৰ জয়ী হোৱাৰ আশা বৰ ক্ষীণ বুলি ধৰি লোৱা হৈছিল, তেনেস্থলত প্ৰবল প্ৰতিদ্বন্দ্বিতা আৰু অসীম মনোবলেৰে অসম্ভৱকো সম্ভৱ কৰাৰ দৰে এইবাৰৰ খেলত অষ্ট্ৰেলিয়া দলেও কেতিয়াও হাৰ নমনা মনোবলেৰে জয়ধ্বজা উৰুৱালে। অৱশ্যে ১৯৭৫ আৰু ১৯৭৯ চনৰ প্ৰতিযোগিতাত সকলোৰে ভবামতে ৱেষ্ট ইণ্ডিজ দলেই বিজয়ী হোৱাৰ সন্মান লভিছিল। ৰিলায়েন্স কাপৰ সবিশেষ ক্ৰিকেটপ্ৰেমী সকলো পাঠকেই হয়তো টেলিভিশ্যন, অনাতাঁৰ-বিৱৰণী বা বাতৰি কাকতৰ যোগে পাইছে। এনে অৱস্থাত খেলবোৰৰ বিশদ বিৱৰণী অনাৱশ্যক। এই আলোচনা ৰিলায়েন্স কাপৰ খেলৰ আন কিছুমান দিশলৈ লক্ষ্য ৰাখিহে আগবঢ়োৱা হৈছে।

পোন প্ৰথমেই ৰিলায়েন্স কাপ ভাৰত আৰু পাকিস্তানলৈ অহাৰ প্ৰাৰম্ভিক ঘটনাৱলীত চকু ফুৰাওঁ। ১৯৮৩ চনৰ ইংলণ্ডৰ লৰ্ডছ খেলপথাৰত হোৱা ৱেষ্ট ইণ্ডিজ আৰু ভাৰতৰ ফাইনেল খেলৰ কাৰণে শ্ৰীছালভেই তেওঁৰ বন্ধুবৰ্গৰ কাৰণে চাৰিখন প্ৰৱেশপত্ৰ নোপোৱাৰ লগে-লগে এই ঘটনাৰ সূত্ৰপাত। শ্ৰীছালভেৰ নিজৰ বিৱৰণী মতেই তেওঁ তেতিয়াই ঠিক কৰিছিল যে এই প্ৰতিযোগিতা ইংলণ্ডৰপৰা আঁতৰোৱা হ'ব। নিজৰ দেশত সদায়েই নিশ্চিত প্ৰাপ্য বুলি ধৰি লোৱা সা-সুবিধাবোৰ অন্য এখন দেশত নাপাই শ্ৰীছালভেই মনত মৰ্মান্তিক বেজাৰ পাইছিল। তেওঁ কৈছিল যে ভাৰতত বিদেশী মাত্ৰেই সকলোকে বিশেষ সা-সুবিধা প্ৰদান কৰা হয়, কিন্তু তেওঁৰ ক্ষেত্ৰত ইংলণ্ডত তেনে কৰা নহ'ল। এইখিনিতে মন কৰিব লগীয়া যে শ্ৰী আৰু শ্ৰীমতী ছালভেই তেওঁলোকৰ প্ৰাপ্য প্ৰৱেশপত্ৰ পাইছিল আৰু সেই প্ৰৱেশপত্ৰ ব্যৱহাৰ কৰিয়েই খেলখন চাইছিল। গতিকে মনলৈ ভাব আহে, —ব্যক্তিগত ঘটনাৰ লগত তেওঁ দেশৰ গৌৰৱক কেনেকৈ সাঙুৰিলে? আমাৰ দেশৰ নিয়ম-কানুনবোৰ অন্য এখন দেশত প্ৰচলিত নহ'বও পাৰে। তেনেস্থলত প্ৰৱেশপত্ৰ নোপোৱাৰ অজুহাত নেদেখুৱাই তেওঁ যদি জোঁৰদি কলেহেঁতেন যে এই প্ৰতিযোগিতাৰ কাৰণে থকা ইংলণ্ডৰ সা-সুবিধাবোৰতকৈ ভাৰতত থকা সা-সুবিধাবোৰ কোনো গুণেই কম নহয়, বৰঞ্চ কিছুক্ষেত্ৰত হয়তো আৰু উন্নত ধৰণৰহে, আৰু লগতে যদি কলেহেঁতেন যে ভাৰতৰ এনে প্ৰতিযোগিতা পৰিচালনা কৰাৰ দক্ষতা আছে, তেনেহ'লে কথাবোৰ দেশৰ কাৰণে বেছি সন্মানজনক হ'লহেঁতেন। শ্ৰীছালভে যদি এটা বিশেষ দলৰ ক্ষমতাবান ব্যক্তি নহ'লহেঁতেন, বা তেখেতৰ যদি প্ৰধানমন্ত্ৰীৰ ওচৰলৈ অবাধ যাতায়াতৰ সুবিধা নাথাকিলহেঁতেন, তেনেহ'লে জানো দেশৰ বৰ্তমান সংকটৰ সময়ত ইমান টকা-পইচা আৰু ইমানবোৰ দুৰ্লভ বিদেশী মুদ্ৰা জড়িত আঁচনি এখন গ্ৰহণ কৰোৱাটো অন্য এজন ব্যক্তিৰ বাবে সম্ভৱ হ'লহেঁতেন? ৰিলায়েন্স কাপৰেই সামৰণিৰ জাকজমকতাৰ কাৰণে বা কলিকাতাতে হ'বলগীয়া SAF খেলবোৰৰ বাবে আৰ্থিক নাটনি হোৱা নাই জানো? ক্ৰিকেট, বিশেষকৈ এদিনীয়া খেলবোৰ, ভাৰতত নিশ্চয় অতি জনপ্ৰিয়, কিন্তু এইটোও মনকৰিব লগীয়া যে ক্ৰিকেট বিশ্বখেল নহয়, আৰু ভৱিষ্যতেও যে হ'ব তাৰো কোনো আশা নাই। বৰ্তমানৰ বিশেষ ক্ষিপ্ৰ গতিৰ পৃথিৱীত এখন খেলৰ বাবে পাঁচদিনতো দূৰৰ কথা, এটা পুৰাদিন খৰচ কৰাটোও লাহে-লাহে অবাঞ্ছনীয় হৈ পৰিব বুলিহে কেতিয়াবা ভাব হয়।

এইবাৰৰ ৰিলায়েন্স বিশ্বকাপৰ আন এটা মনকৰিব লগীয়া দিশ হ'ল নিৰপেক্ষ (neutral) আম্পায়াৰ নিযুক্তি কৰাটো। অগতে ইংলণ্ডত হৈ যোৱা তিনিখন প্ৰতিযোগিতাত কিন্তু এনে সিদ্ধান্ত প্ৰযোজ্য নাছিল। তিনিওবাৰেই ইংলণ্ডৰ আম্পায়াৰসকলেই খেলবোৰ পৰিচালনা কৰিছিল। নিৰপেক্ষ আম্পায়াৰৰ সিদ্ধান্ত এইবাৰ কিয় লোৱা হ'ল? লগতে দেখা যায় যে এই সিদ্ধান্ত অকল এইবাৰৰ প্ৰতিযোগিতাৰ বাবেহে। এনে কথা ভাৰত আৰু পাকিস্তানৰ আম্পায়াৰসকলক হেয় প্ৰতিপন্ন কৰাৰ আওপকীয়া প্ৰচেষ্টা যেনহে লাগে। ভাৰত আৰু পাকিস্তানৰ আম্পায়াৰসকল সক্ষম আৰু নিৰপেক্ষ নহয়নে কি? আৰু নিৰপেক্ষ হ'লেই যে সিদ্ধান্তবোৰ নিৰ্ভুল হ'ব তাৰতো কোনো নিশ্চয়তা নাই। যি কোনো খেলতে ৰেফাৰিয়েই হওক বা আম্পায়াৰেই হওক তেওঁলোকক সদায় নিৰপেক্ষ বুলিয়েই ধৰা হয়। এইবাৰৰ প্ৰতিযোগিতাত নিৰপেক্ষ আম্পায়াৰসকলৰ কিছু সিদ্ধান্ত নিৰ্ভুল নহয় বুলি তৰ্ক কৰিবৰ থল আছে; বিশেষকৈ ছেমিফাইনেল খেলদুখনত। অৱশ্যে এইটো সত্য বুলি মানিব লাগিব যে নিৰপেক্ষ আম্পায়াৰ হ'লে দলবোৰৰ আম্পায়াৰৰ সিদ্ধান্তবোৰ লৈ বিশেষ ওজৰ আপত্তি কৰিবৰ উপায় নাথাকে। আজিকালি প্ৰায়েই দেখা যায় যে ভ্ৰমণৰত দলবোৰে ঘৰুৱা আম্পায়াৰসকলক তীব্ৰ নিন্দা কৰে। কিন্তু কেৱল ১৯৮৭ চনৰ প্ৰতিযোগিতাখনৰ বাবে ইম্পিৰিয়েল ক্ৰিকেট কনফাৰেন্সে নিৰপেক্ষ আম্পায়াৰ সম্পৰ্কীয় নিৰ্দেশ ভাৰত-পাকিস্তানৰ যুটীয়া পৰিচালনা সমিতিৰ কাৰণে বৰ সন্মানজনক ন'হল যেনহে লাগে।

এতিয়া খেলবোৰ চোৱা শুনা বা পঢ়াৰ মাধ্যমবোৰলৈ (media) আহোঁ। দৈনিক কাকতবোৰত কেতিয়াবা বৰ আচৰিত ধৰণৰ বিৱৰণী দেখা যায়। ভাৰত জিম্বাবৱেৰ খেলৰ পাছদিনা ডাঙৰ ডাঙৰ শিৰোনামাৰে বাতৰি ওলাল: "Prabhakar Smashes through Zimbabwe." সকলোৰে জানে যে প্ৰভাকৰ এজন মধ্যম গতিৰ বলাৰ। তেওঁৰ তীব্ৰগতিয়ে বেটছমেনক পৰাভূত কৰাৰ প্ৰশ্নই নুঠে। ছুইং বলিঙৰ দ্বাৰাহে বেটছমেনসকলক পৰাভূত কৰিছিল। কিন্তু খেলৰ লগত ঘনিষ্টভাৱে পৰিচিত নোহোৱাসকলে ভাবিব, —বৰ সুখৰ বিষয়, ভাৰততো অতি তীব্ৰগতিৰ এজন বলাৰ ওলাল। তেনেকৈয়ে, বহু বিসদৃশ বৰ্ণনা পোৱা গ'ল বিশেষকৈ পিট্‌ছ সম্বন্ধে। যেতিয়া সাংবাদিকসকলে বিৱৰণী দাঙি ধৰে, তেতিয়া তেওঁলোকে কৰ্তব্যৰ কথা পাহৰা উচিত নহয়। সঠিক বিৱৰণী দিবলৈ খেলৰ technicalitiesবোৰ জনাৰ উপৰিও খেলখনৰ সকলো দিশত কিছু insight-অৰ দৰকাৰ। কেৱল ভাষাৰ জোৰৰ ওপৰতেই খেলৰ সঠিক বিৱৰণী দাঙি ধৰা সম্ভৱ নহয়। অনাতাঁৰৰ বিৱৰণীৰ বিশেষ আলোচনা কৰাৰ উপায় নাই, কাৰণ সেই বিৱৰণী বৰকৈ শুনা নাই। বাধ্যত পৰি যিখিনি শুনিলো, তাৰপৰা বিৱৰণী আগৰ কেইবাৰৰ দৰেই যেন লাগিল। আগতেই লিখিছোঁ যে এইবাৰ বৃটিছ টেলিভিশ্যন বিশেষজ্ঞ আনি ভাৰতত কৰ্মশালা পতা হৈছিল। ভাবিছিলো এইবাৰ হয়তো বিৱৰণী উন্নত হ'ব। কিন্তু আশা আশাৰেই থাকিল। বিৱৰণী শুনি কেতিয়াবা এনেহে ভাব হৈছিল যেন বিৱৰণী দিওঁতাসকলৰ মাজতো এখন প্ৰতিযোগিতা চলিছে, কোনে বেছি কথা ক'ব পাৰে সেই লৈ। বহুসংখ্যক কেমেৰা ব্যৱহাৰ কৰিও দূৰদৰ্শনে "follow the ball" কামটো কৰিব নোৱাৰিলে। হিন্দী বিৱৰণী দিওঁতাসকলৰ ভাষা কোনো "মুসায়েৰা"ৰ ভাষা যেনহে লাগিছিল। ইংৰাজী ভাষাৰ বৰ্ণনা অনুবাদ কৰিলেই বিৱৰণী নহয়। অৱশ্যে ফাইনেলত আৰু লগতে কিছু higlights আৰু replay-ৰ ক্ষেত্ৰত কিছু উন্নতি পৰিলক্ষিত হৈছিল। আমাৰ দেশত এতিয়াও সঠিক মুল্যাংকনৰ অভাৱ, —প্ৰায় সকলো ক্ষেত্ৰতে। নহ'লেনো টেলিভিশ্যনৰ বিৱৰণী দিওঁতা এজনেই দৈনিক কাকতত "In Doordarshan blood is thicker than talent" বুলি লিখিলে?

এইবাৰ দলবোৰলৈ আহোঁ। জিম্বাবৱে আৰু শ্ৰীলংকাৰ দল এতিয়াও বিশেষ শক্তিশালী হোৱা নাই। তেওঁলোকৰ খেল আশানুৰূপেই হৈছিল। হেডলি-বিহীন নিউজিলেণ্ড দলো আছিল তেনেই নিস্তেজ। দলটোত শ্ৰেষ্ঠ শ্ৰেণীৰ খেলুৱৈ আছিল কেৱল মাৰ্টিন ক্ৰ'। কিন্তু ভাগ্যৰ এনে পৰিহাস যে এইজন খেলুৱৈৰ অনিয়মানুবৰ্তী বেটিঙৰ কাৰণেই দলটো চণ্ডীগড়ত অষ্ট্ৰেলিয়াৰ লগত জিকা খেলখনতো হাৰিছিল আৰু লগে-লগে ছেমিফাইনেল খেলৰ যোগ্যতা অৰ্জন কৰাৰ ক্ষীণ আশাও নাইকিয়া হৈছিল। প্ৰাক্তন অধিনায়ক (বৰ্তমান যুগৰ সকলোতকৈ সফল অধিনায়ক) লয়ড, ৰবাৰ্টছ, হল্ডিং গাৰ্নাৰ, গ্ৰিনিজ আৰু মাৰ্শ্বাল নোহোৱা ৱেষ্ট ইণ্ডিজ দল বহু নিস্তেজ; দলৰ আগৰ সেই সংহাৰ মূৰ্তি যেন আৰু নাই। উদীয়মান খেলুৱৈৰে গঠিত/ এই দলটোৰ সম্ভাৱনা কিন্তু নুই কৰিবৰ উপায় নাছিল; কাৰণ দলৰ অধিনায়ক অতুলনীয় ভিভ ৰিচাৰ্ডছে অকলেই যি কোনো খেল জিকাব পাৰে। ভাবিলে আচৰিত হ'ব লাগে, —এই দলৰে এজন তৰুণ খেলুৱৈ কৰ্টনি ৱালছৰ প্ৰকৃত খেলুৱৈসুলভ মনোভাবে দলটোক ছেমিফাইনেল খেলৰ যোগ্যতা অৰ্জন কৰাৰ পৰা বঞ্চিত কৰিছিল। যদি ৱালছে পাকিস্তানৰ জাফৰক লাহোৰৰ খেলত শেষৰ বলটোত ৰান আউট কৰি দিলেহেঁতেন, তেনেহলে ৰানৰ গড়ৰ হিচাপত বিপুলত ৱেষ্টইণ্ডিজ প্ৰথম আৰু ইংলণ্ড দ্বিতীয় হ'লহেঁতেন। আজি কালিৰ যুদ্ধং দেহি মনোভাবৰ খেলত এনে খেলুৱৈস্থলভ মনোভাবৰ দৃষ্টান্ত অতি-প্ৰশংসনীয়। তাতে আকৌ ৱালছে এই দৃষ্টান্ত দাঙি ধৰিছিল এনে এটা দলৰ বিৰুদ্ধে যি দলৰ মেনেজাৰজনে "Cheating is a part of the one day game" বুলি মন্তব্য কৰিছিল। ৱালছে জাফৰক ৰান আউট কৰি দিয়াহেঁতেন, সেইটো ক্ৰিকেট খেলৰ প্ৰচলিত নিয়মৰ ভিতৰৰ কামেই হ'লহেঁতেন।


পাকিস্তান দলৰ এইবাৰ সম্ভাৱনা বৰ উজ্বল আছিল। তেওঁলোকৰ বেটিং অতি শক্তিশালী নহ'লেও বলিং ধৰণ আৰু চাতুৰ্যৰে ভৰপূৰ আৰু সকলো দলৰ ভিতৰতে বিশেষ শক্তিশালী আছিল। হেলাৰঙে ছেমিফাইনেলত প্ৰৱেশ কৰি অতি অপ্ৰত্যাশিতভাৱে ছেমিফাইনেলত দৃঢ় সংকল্পবদ্ধ অষ্ট্ৰেলিয়া দলৰ লগত পৰাজয় বৰণ কৰাৰ লগে-লগেই পাকিস্তানৰ লক্ষ-লক্ষ ক্ৰিকেট প্ৰেমী জঁয় পৰি গৈছিল। ইমৰান খানৰ farewell to cricket তেওঁ কৰি অহা আশাৰ অনুৰূপ নহ'ল। আগদিনা পাকিস্তান আৰু পাছদিনা "চেম্পিয়ন" ভাৰতে ইংলণ্ডৰ লগত পৰাজয় বৰণ কৰি দেশবাসীৰ আশা-আকাংক্ষা মষিমূৰ কৰিছিল। ঘৰুৱা-দলৰ পৰাজয়ৰ কাৰণ ফঁহিয়াই চালে দেখা যায় যে দলটোৱে pressure সহ্য কৰিব নোৱৰাটো এটা ঘাই কাৰণ। নহ'লে ভাবকচোন, চল্লিছ অ'ভাৰৰ পাছত ভাৰতৰ ৰান সংখ্যা পাঁচ উইকেটৰ বিনিময়ত দুশ ৰান।

OKDISCD

শেহৰ দহ অ'ভাৰত কেৱল পচপন্ন ৰানৰ দৰকাৰ; হাততো আছে পাঁচটা উইকেট, আৰু ভাৰতীয় দলৰ বেটিঙেই হৈছে সকলোতকৈ শক্তিশালী। অষ্ট্ৰেলিয়াৰ লগতো জিকা অৱস্থাৰপৰা ভাৰত মাত্ৰাজৰ খেলখনত পৰাজিত হৈছিল। বম্বেৰ ছেমিফাইনেলতো তাৰেই পুনৰাবৃত্তি। খেল দেখি এনে ভাব মনলৈ আহিছিল যেন দলটোৰ প্ৰাণ নাই; কিবা যেন সংগতি নাই। ইংলণ্ড দলটো এদিনীয়া ক্ৰিকেটত বিশেষভাৱে অভ্যস্ত। তাতে যোৱা বছৰ সেই দলে যি কেইখন প্ৰতিযোগিতা খেলিছে, এটাইকেইখনতে জিকিছে। সেই কাৰণে ফাইনেল খেলত তেওঁলোকৰ জয়ী হোৱাৰ সম্ভাৱনা প্ৰায় সকলোৱেই দেখি বুলি ধৰিলে। অষ্ট্ৰেলিয়াৰ অভিজ্ঞ দলটোৰ অদমনীয় মনোভাব আৰু নিজৰ দলৰ ওপৰত থকা আস্থাৰ আগত কিন্তু সকলো থানবান হৈ গ'ল। এলেন বৰ্ডাৰেই আছিল অষ্ট্ৰেলিয়া দলৰ একমাত্ৰ "বিশেষ শ্ৰেণীৰ" খেলুৱৈ। কিন্তু এইবাৰৰ প্ৰতিযোগিতাত বৰ্ডাৰৰ প্ৰত্যক্ষ বৰঙণি কম। তেনে অৱস্থাত অষ্ট্ৰেলিয়াদলৰ এই প্ৰতিযোগিতাৰ সফলতা দলীয় সংগতি আৰু ঐক্যৰ অবদান বুলি কৱ লাগিব।

আগৰ কেইবাৰৰ দৰেই এইবাৰৰ ফাইনেলতো প্ৰথমে বেট ধৰা দলটোৱেই জয়ী হৈছিল; কিন্তু এইবাৰৰ বিশেষত্ব হ'ল— আন কেইবাৰ টছত জিকা দলৰ অধিনায়কে বিপক্ষ দলক বেট ধৰিবলৈ দিছিল; এইবাৰ কিন্তু বৰ্ডাৰে টছত জিকি বেট ধৰিবলৈ সিদ্ধান্ত লৈছিল। এদিনীয়া ক্ৰিকেট খেল আৰম্ভৰ পৰা তীব্ৰগতি আৰু মধ্যম গতিৰ বলাৰসকলেই প্ৰাধান্য বিস্তাৰ কৰি আহিছিল; এইবাৰ কিন্তু স্পিনাৰসকলে প্ৰাধান্য বিস্তাৰ কৰিলে। অ'ভাৰে প্ৰতি চাৰি ৰানতকৈ কম ৰান দিয়া বলাৰ পাঁচজনৰ আটাইকেইজনেই স্পিনাৰ: হাৰপাৰ, কাদিৰ, এমবুৰি, ট্ৰাইকছ আৰু তৌছিফ। ভাৰত-পাকিস্তানৰ উইকেটৰ অৱস্থাই তেওঁলোকক এই ক্ষেত্ৰত সহায় কৰিছিল। বহু তাৰকাবিহীন এই প্ৰতিযোগিতাত কিছু সংখ্যক নতুন তাৰকাৰ উদয় হ'ব বুলি আশা কৰা হৈছিল; কিন্তু বাৰে বাৰে নতুন তাৰকা কেৱল দুজনহে ওলাল। কাৰণ মেকডৰমেট, ওৱ, আক্ৰাম আৰু ৱালছকে ধৰি আজি কেইবছৰমান খেলি থকা কেইজনক নতুন তাৰকা বুলি কব নোৱাৰি। নতুন তাৰকা দুজন হ'ল নিঃসন্দেহে ভাৰতৰ নবজিত সিদ্ধু আৰু ৱেষ্ট ইণ্ডিজৰ ছিমনছ। এওঁলোক দুয়োজনেই অত্যন্ত সম্ভাৱনা পূৰ্ণ খেলুৱৈ। বিশ্ব প্ৰতিযোগিতাৰ এটা নতুন কথা আছিল ড্ৰিংকছট্ৰলিৰ পৰিবৰ্তে ড্ৰিংকছ মটৰ গাড়ী ব্যৱহাৰ।

অভিলেখৰ দিশতো প্ৰতিযোগিতাখনৰ বৈশিষ্ট্য আছে। যাঠি অ'ভাৰৰ খেলতো এতিয়ালৈকে কৰিব নোৱৰা



কৰ্টনি ৱালছ

সংখ্যক ৰান এইবাৰ ৱেষ্ট ইণ্ডিজ দলে কৰিছিল পঞ্চাছ অ'ভাৰৰ খেলতে। কৰাচীত শ্ৰীলংকাৰ লগত হোৱা খেলখনত ৱেষ্ট ইণ্ডিজ দলে সংহাৰ মূৰ্তিৰে আটাইকেইজন খেলুৱৈ আউট নোহোৱাকৈয়ে তিনিশ যাঠি ৰান কৰিছিল আৰু লগতে ৰিচাৰ্ডছে ব্যক্তিগত এশ একাশী ৰান কৰি (কপিলদেৱৰ অভিলেখ অতিক্ৰম কৰি) ব্যক্তিগত ৰানৰ নতুন অভিলেখ স্থাপন কৰিছিল। ভাৰত-নিউজিলেণ্ডৰ নাগপুৰৰ খেলত চেতন শৰ্মাৰ হেটট্ৰিক বিশ্ব-প্ৰতিযোগিতাত প্ৰথম। সুনীল গাভাছকাৰৰ এদিনীয়া খেলৰ প্ৰথম চেঞ্চুৰিটো আছিল তীব্ৰ গতিৰ চেঞ্চুৰি,; পঁচাশীটা বলতে এশ ৰান কৰি তেওঁ এই প্ৰতিযোগিতাৰ দ্ৰুততম চেঞ্চুৰি কৰিছিল। ১৯৭৫ চনৰ ফাইনেল খেলত লয়ডে চেঞ্চুৰি কৰিছিল বিৰাশীটা বলত। প্ৰতিযোগিতাখনৰ আন এটা বিশেষ দিশ হ'ল বেছিভাগ খেলেই তুমুল প্ৰতিযোগিতামূলক হৈছিল, কেইবাখনো খেল শেষ অ'ভাৰলৈকে চলিছিল আৰু পাকিস্তান-ৱেষ্ট ইণ্ডিজৰ প্ৰথম খেলখন একেবাৰে শেষৰ বলটোতহে নিষ্পত্তি হৈছিল। এনে তীব্ৰ প্ৰতিযোগিতামূলক খেলবোৰত স্বাভাৱিকতে দৰ্শকো আন্তৰিকতাৰে জড়িত হৈ পৰিছিল।

প্ৰতিযোগিতাখনত যদি শ্ৰেষ্ঠ অধিনায়কৰ বটা থাকিলহেঁতেন, তেনেহ'লে সেই বঁটাৰ কাৰণে যোগ্যজন হ'লহেঁতেন এলেন বৰ্ডাৰ। বৰ্তমান যুগৰ ক্ৰিকেট খেলত ইমৰান খান বৰ নামী অধিনায়ক; কিন্তু এইবাৰৰ প্ৰতিযোগিতাত বৰ্ডাৰে সকলোকে অতিক্ৰম কৰি গৈছিল। ঘৰুৱা দলৰ অধিনায়ক কপিলদেৱৰ অধিনায়কত্বৰ বিষয়ে লিখিবলৈ গলে সপক্ষে লিখাতকৈ বিপক্ষে লিখাহে থল বেছি ওলাব। বাকীকেইজন অধিনায়কৰ ভিতৰত গেটিং আৰু ৰিচাৰ্ডছ গতানুগতিক; তেওঁলোক দলক অনুপ্ৰেৰণা যোগাব পৰা ধৰণৰ নাছিল। "leading by the front" বুলিলে তাকল নিজৰ খেল ঠিক ৰাখিলেই নহয়, —দলৰ সকলো খেলুৱৈৰে নিজ-নিজ সক্ষমতাৰ প্ৰকাশ ঘটাই দলৰ সংগতি বঢ়াব পৰাহে প্ৰকৃত অধিনায়কৰ কৃতিত্ব। তথাপি এইকথা মানিবই লাগিব যে ক্ৰিকেট দলীয় খেল হ'লেও নিজস্ব খেলৰ পাৰ্গতালিয়ে সদায় অগ্ৰাধিকাৰ পাই আহিছে আৰু পাই থাকিবও।

এনে এখন প্ৰতিযোগিতা সুস্থভাৱে পৰিচালনা ক'ৰি শেষ কৰিব পৰাটো



নিশ্চয় মুখৰ কথা নহয়। তাতে এইবাৰৰ প্ৰতিযোগিতা হৈছিল ভাৰত-পাকিস্তানৰ যুটীয়া প্ৰচেষ্টাত। তেনে অৱস্থাত 'one upmanships'-অৰ কিছু দৃষ্টান্ত নথকা নহয়। তথাপি সকলোপিনৰে পৰা চালি জাৰি চালে এইকথা সকলোৱে স্বীকাৰ কৰিব লাগিব যে প্ৰতিযোগিতাখন সৰ্বাংগ সুন্দৰভাৱে চলোৱা হৈছিল, আৰু আগৰ প্ৰতিযোগিতা কেইখনতকৈ কোনো কোনো দিশত ওপৰ শ্ৰেণীৰ হৈছিল। ইংলণ্ডদলৰ স্বাভাৱিক ওজৰ-আপত্তিটোৰ সত্ত্বেও, ভ্ৰমণৰত কেইবাজনো অধিনায়কে এইকথা সমজুৱাকৈয়ে স্বীকাৰ কৰি গৈছে। এতিয়া আশা কৰিব পাৰি যে সজাই-পৰাই ধুনীয়া কৰি তোলা ষ্টেডিয়ামবোৰ আৰু লগতে "lush green outfield" বোৰ তেনেকৈয়ে ৰখা হ'ব আৰু অদূৰ ভৱিষ্যতে আকৌ এবাৰ এই প্ৰতিযোগিতা ভাৰততে পতা হ'ব।

হৰ্ষতে বিষাদ: "Sweetest songs are those that tells us the saddest thoughts." আগলৈ যেতিয়া এই প্ৰতিযোগিতাখনৰ পয়োভৱ, জাকজমকতা, তীব্ৰ প্ৰতিদ্বন্দ্বিতাবোৰৰ কথা মনত পৰিব, তেতিয়া আনন্দৰ মাজতে মনলৈ বেজাৰৰ ভাবো আহিব,— কাৰণ এই প্ৰতিযোগিতাখনতেই এই উপমহাদেশখনৰ দুজন অসাধাৰণ প্ৰতিভাশালী খেলুৱৈ গাভাছকাৰ আৰু ইমৰানে ক্ৰিকেট খেলৰপৰা অৱসৰ গ্ৰহণ কৰিলে। প্ৰায় সোতৰ বছৰ প্ৰথম শ্ৰেণীৰ শিখৰত অৱস্থান কৰি খেলা এই দুয়োজন খেলুৱৈ আছিল "living legends", তেওঁলোকৰ খেলৰ কৃতিত্ব বৰ্ণনাৰ অতীত। তেওঁলোকৰ অৱসৰ গ্ৰহণে বাৰে-বাৰে এই কথাই মনলৈ আনে, তেওঁলোক এতিয়া "passed from sight into memory."

—অমূল্যহাস গোস্বামী

## মাষ্টাৰ্ছ টেনিছ

ডিছেম্বৰ মাহৰ ২ তাৰিখৰ পৰা নিউয়ৰ্কত আৰম্ভ হ'ব ৬৫ লাখ টকাৰ পুৰস্কাৰ জড়িত মাষ্টাৰ্ছ টেনিছ টুৰ্নামেণ্ট। বিশ্বৰ শ্ৰেষ্ঠ ৮ গৰাকী টেনিছ খেলুৱৈক ইয়াৰ বাবে মনোনীত কৰা হ'ব। ইভান লেণ্ডেল, ষ্টেফান এডবাৰ্গ, মেটছ ৱিলাণ্ডাৰ, মিলোস্লাভ মেছিৰ, বৰিছ বেকাৰ আৰু জিমি কনৰ্ছক ইতিমধ্যে মনোনীত কৰা হৈছে। আন দুজন ঠিক কৰা হ'ব পেট কেছ, টিম মেয়টে, ব্ৰেড গিলবাৰ্ট, আন্দ্ৰে গোমেজ আৰু এমিলিঅ' চানচেজৰ মাজৰ পৰা।

## কপিলৰ ক্ষোভ

সম্প্ৰতি এটা সাক্ষাৎকাৰত কপিলদেৱে এই বুলি অভিযোগ কৰিছে যে, ৰিলায়েন্স কাপত ভাৰতে ফাইনেল খেলাৰ যোগ্যতা লাভ নকৰা বাবে বম্বেৰ কিছু সাংবাদিকে তেওঁৰ বিৰুদ্ধে জঘন্য প্ৰচাৰ-অভিযান চলাইছে। তেওঁ এইটো বন্ধ কৰাৰ আবেদন জনায়। তেওঁ আৰু কয় যে, বম্বেৰ বাহিৰে দেশৰ আৰু কোনো ঠাইতে এনেধৰণৰ মানহানিকৰ প্ৰচাৰ তেওঁৰ বিৰুদ্ধে কৰা হোৱা নাই। ৰিলায়েন্স কাপৰ পাছৰে পৰা সমালোচনাৰ বানেৰে তেওঁক থকা-সৰকা কৰা হৈছে। ভাৰতীয় দল চূড়ান্ত বিজয়ী হোৱাহেঁতেন কোনো ত্ৰুটি নোলালহেঁতেন। পৰাজিত হোৱাবাবে প্ৰতিটো পদক্ষেপতে দোষ-ত্ৰুটি বিচাৰি উলিওৱা হৈছে আৰু সকলো দোষ অধিনায়কৰ ওপৰতে জাপি দিয়া হৈছে।

## ষ্টিভ ওৱৰ সাফল্য

"এতিয়াই মোক বিশ্বৰ এক নম্বৰ অলৰাউণ্ডাৰ ৰূপে অভিহিত কৰা উচিত নহয়;—কাৰণ এতিয়াও বথাম, কপিল আৰু হেডলিয়ে খেলি আছে। এদিন অৱশ্যে…।" —এই মন্তব্য কৰিছে বিশ্বকাপ জয়ী অষ্ট্ৰেলিয়া দলৰ খেলুৱৈ আৰু সাফল্যৰ অন্যতম নায়ক ষ্টিভ ওৱাই। বিশ্বকাপত ষ্টিভে খুব ভাল খেলিছে। তেওঁৰ বেটিঙৰ গড় ৫৫.৬৭ আৰু ২৬.১৮ ৰানৰ গড়ত ১১ টা উইকেট পাইছে। তেওঁ কেচ ধৰিছে ৩ টা। সৰহভাগ উইকেট সংগ্ৰহ কৰিছে মেচৰ শেষভাগত, অষ্ট্ৰেলিয়া দলে প্ৰচণ্ড হেঁচাৰ মাজত যুঁজিবলগীয়া অৱস্থাত। ষ্টিফ ওৱৰ বিশ্বকাপৰ খেলৰ সাফল্যই প্ৰখ্যাত ক্ৰিকেট সমালোচক অৰিলিক মুগ্ধ কৰিছে। তেওঁ কৈছে, "ষ্টিভ এতিয়া বিশ্বৰ শ্ৰেষ্ঠ অলৰাউণ্ডাৰ। ইমৰানৰ বিদায়ৰ লগে-লগে তেওঁৰ এতিয়া আৰু কোনো প্ৰতিদ্বন্দ্বী নাই।" ষ্টিভ এতিয়া বিশ্বকাপত অংশ গ্ৰহণ নকৰা হেডলি আৰু বথামৰ বিৰুদ্ধে মুখামুখী সংগ্ৰামত লিপ্ত হ'ব লাগিব।

## শ্ৰীলংকাৰ অধিনায়কৰ দায়িত্বত ৰঞ্জন মাদুগালে

শ্ৰীলংকাৰ অধিনায়ক দলীপ মেণ্ডিছ অধিনায়কৰ পদৰ পৰা আঁতৰি গ'ল। নতুন অধিনায়কৰ দায়িত্ব দিয়া হৈছে ৰঞ্জন মাদুগালেক। অষ্ট্ৰেলিয়া ভ্ৰমণ আৰু ঢাকাত অনুষ্ঠিত হ'বলগীয়া এছীয় কাপত মাদুগালেই শ্ৰীলংকাক নেতৃত্ব দিব। বিশ্বকাপৰ আটাইকেইখন খেলতে শ্ৰীলংকাৰ পৰাজয়ৰ বাবে মেণ্ডিছ কঠোৰ সমালোচনাৰ সন্মুখীন হয়। মেণ্ডিছে কৈছে, "যোৱা ১৫ বছৰ ধৰি ক্ৰিকেট খেলিছোঁ;— এতিয়া বিশ্ৰাম। এতিয়াৰ পৰা ব্যৱসায় আৰু সংসাৰলৈ মন দিম।"

## জৰিমনাৰ অৰ্থ খেলুৱৈয়ে দিব লাগিব

ব'ৰ্ডৰ লগত কৰা চুক্তি ভংগ কৰি ৰিলায়েন্স কাপৰ সময়ত প্ৰতীকৰ (logo) নিয়ম ভংগৰ কৰা অপৰাধত দোষী ভাৰতীয় ক্ৰিকেট খেলুৱৈসকলৰ পৰা ১০,০০০ পাউণ্ড জৰিমনা আদায় কৰিব কণ্ট্ৰোল ব'ৰ্ডে। মেনেজাৰ মান সিঙৰ ৰিপ'ৰ্ট এতিয়াও ব'ৰ্ডে পোৱা নাই; কিন্তু বিশেষ সূত্ৰৰ পৰা জনা গৈছে যে, গাভাছকাৰৰ বাহিৰে আন সকলো খেলুৱৈয়ে চুক্তি ভংগ কৰিছে।

—পুলক লাহিড়ী



OKDISCD

# সিপুৰীত ঘৰ-সংসাৰ

আমি কেতিয়াবা মানুহৰ মৃত্যুৰ লগত সম্বন্ধ থকা একোটা জটিল পৰিস্থিতিৰ সন্মুখীন হওঁ। এগৰাকী মহিলা;— বয়স নব্বৈ বছৰ পাৰ হৈ গৈছে; বেমাৰী; তিনিবছৰমান বিচনাতে পৰি আছে; খোৱা-বোৱা-শৌচ-প্ৰস্ৰাপ সকলো বিচনাতে; কংকালসাৰ দেহা; কেতিয়াবা কাৰোবাক চিনি পায়, বেছিভাগকে নাপায়; মন-মগজু ভ্ৰমৰ পৰ্যায়ত; তেখেত থকা কোঠালিটো এক অদ্ভুত ধৰণৰ গহ্বৰ বা বন্দীশালত পৰিণত হৈছে;— তাৰ গোন্ধ, পোহৰ, বতাহ সকলো বিচিত্ৰ হৈ পৰিছে। ঘৰখনৰ বাকীবোৰ কোঠালি তেখেতৰ পুতেক, বোৱাৰীয়েক, নাতি-নাতিনীয়ে মুখৰ কৰি ৰাখিছে। তেওঁলোকৰ ভিতৰত কাৰোবাৰ ওপৰত দায়িত্ব পৰিছে— এই-এই সময়ত বুঢ়ীৰ এই-এই কামকেইটা কৰি দিয়া। দিনৰ পাছত দিন মাহৰ পাছত মাহ, তাৰ পাছত এয়া বছৰৰ পাছত বছৰ হোৱাৰ উপক্ৰম,— তেনেকৈয়ে চলি আছে। মানুহঘৰৰ একালে যাওঁ বুলি যোৱাৰ উপায় নাই, কিবা এটা আনন্দ কৰোঁ বুলি কৰাৰ উপায় নাই। গোটেই সংসাৰে জানে বুঢ়ী সেই গহ্বৰৰপৰা সুস্থ হৈ ওলাই অহাৰ কোনো আশা নাই। আৰু প্ৰয়োজনো নাই। বুঢ়ীৰ নিজৰো জীৱন আৰু পৃথিৱী সম্পৰ্কে এতিয়া কোনো চেতনা নাই। তেখেতৰ আটাইতকৈ মাতৃভক্ত পুতেকজনেও এতিয়া আন্তৰিকতাৰে আশা কৰে-- বুঢ়ীৰ মৃত্যু'ৱে এই সংসাৰখনৰ আহ-পাহ মুকলি কৰি দিব। তেওঁৰ আশা যুক্তিযুক্ত। হঠাতে কেতিয়াবা বুঢ়ীৰ অৱস্থা বেয়া হৈ পৰে; সকলোৱে আশা কৰে, এইবাৰেই কিবা এটা হয় যদি হওক;— তথাপি ডাক্তৰক খবৰ দিয়া হয়। সুদীৰ্ঘকাল ধৰি অহা-যোৱা কৰি থকা ডাক্তৰজনে নিৰ্বিকাৰভাৱে কিবা এটা কৰে। বুঢ়ীৰ "আয়ুসৰ বল"তে হওক বা ডাক্তৰৰ ঔষধৰ বলতে হওক বুঢ়ী আকৌ আগৰ নিচিনা হয়;— ঘৰখনক আকৌ এক অব্যক্ত, অপ্ৰকাশ্য অশান্তিয়ে হেঁচা মাৰি ধৰে।

সকলোৱে যুক্তিযুক্তভাৱে এই বৃদ্ধাগৰাকীৰ মৃত্যু কামনা কৰে, কিন্তু কোনেও তেওঁক খোৱাবস্তুৰ/লগত অকণমান বিহ মিহলাই নিদিয়ে, ডাক্তৰে তেওঁৰ নীতিবিৰুদ্ধ কাম নকৰে।

মৃত্যু নিশ্চিত বুলি জানি, অসহ্য যন্ত্ৰণাত চটফটাই থকা, অথচ জ্ঞান থকা বহু ৰোগীয়ে কামনা কৰে— মোক কিবা এটা খুৱাই দিয়া, শান্তিৰে মৰোঁ, মোৰো যন্ত্ৰণাৰ শেষ হওক, লগতে শুশ্ৰূষা খোৱা এই পৰিচৰ্যাকাৰীসকলেও নিষ্কৃতি পাওক। এই মানুহজনক কিবা এটা খুৱাই "সহায়" কৰাটো উচিত নে অনুচিত, এই লৈ সমগ্ৰ পৃথিৱীতে বহুদিন ধৰি আলোচনা চলিছে, এতিয়াও সহায় কৰাৰ সপক্ষে সিদ্ধান্ত হোৱা নাই।

যিজনে যন্ত্ৰণাৰ পৰা ৰক্ষা পাবলৈ কাৰো ওপৰত ভাৰসা নকৰি আত্মহত্যা কৰে, তেওঁ অপৰাধমূলক কাম কৰিলে বুলিয়েই ধৰা হয়; আৰু আত্মহত্যাৰ চেষ্টা কৰি নমৰিলে তেওঁক অপৰাধী বুলিয়েই ধৰা হয়।


এইখিনি কথা মনত ৰাখি, সতীযোৱা প্ৰথা সম্পৰ্কে পুৰীৰ জগদগুৰু শংকৰাচাৰ্য শ্ৰীনিৰঞ্জন দেৱ তীৰ্থ স্বামীয়ে কোৱা কথা কেইষাৰমান বিচাৰ কৰি চাব লাগে। তেখেতে কৈছে— কোনোবাই এগৰাকী মহিলাক তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে জোৰকৈ সতী যাবলৈ বাধ্য কৰোৱাটো অপৰাধ। এনে অপৰাধকাৰীক আইনমতে বিচাৰ কৰি (হত্যাৰ অপৰাধত) দণ্ড বিহিব লাগে। এইটো দেখ-দেখ কথা। আচলতে এইটো দোহাৰিবলগীয়া কথাই নহয়। কিন্তু জগদগুৰু শংকৰাচাৰ্যগৰাকীয়ে লগতে কৈছে,— কোনো নাৰীয়ে যদি তেওঁৰ গিৰিয়েকৰ প্ৰতি থকা স্নেহৰ কাৰণে, মৃত্যুৰ পাছত আকৌ গিৰিয়েকৰ লগ হ'বৰ কাৰণে নিজ ইচ্ছাৰে "সতী যায়", তেনেহলে সেই কাম প্ৰশংসনীয়, সন্মানীয় আৰু পূজ্য।

জগদগুৰু শংকৰাচাৰ্যগৰাকীৰ কিমান অনুগামী বা শিষ্য আছে নাজানো, কিন্তু বৰ্তমানৰ ভাৰতত এখেতসকলৰ পৰা আৰম্ভ কৰি গোঁসানীলতা বন কৰা ছোৱালীলৈকে বহু লোকে লক্ষ-লক্ষ "ধাৰ্মিক" মানুহৰ ধ্যান-ধাৰণা, কাম-বন পৰিচালনা কৰি আছে। সেই কাৰণে শংকৰাচাৰ্যগৰাকীৰ কথাত গুৰুত্ব দিয়া হৈছে। প্ৰথমতে তেখেতে তেখেতৰ অনুগামীসকলক কব লাগিব, —এগৰাকী নাৰী সতীযোৱাৰ পাছত মৃত গিৰিয়েকৰ লগ লগাৰ কি প্ৰমাণ আজিলৈকে তেখেতে পাইছে। দ্বিতীয়তে তেখেতে বুজাব লাগিব,—এগৰাকী নাৰীয়ে গিৰিয়েকৰ চিতাতে মৃত্যুবৰণ নকৰি, সেইজন মানুহৰে ঔৰসত জন্ম দিয়া সন্তান কেইটাক অতি যত্নৰে, গিৰিয়েকৰ আদৰ্শৰে ডাঙৰ-দীঘল কৰি চল্লিছ বছৰমানৰ পাছত স্বাভাৱিকভাৱে মৃত্যু বৰণ কৰিলে কিয় গিৰিয়েকৰ লগ নালাগিবগৈ? গিৰিয়েকজন মৰিল মৰিল, তাৰ পাছত তেওঁৰ ঘৈণীয়েকজনীয়ে এই পৃথিৱীতে, স্বামীবিয়োগৰ দুখতে, সৎভাৱে থাকি, জ্ঞান অৰ্জন কৰি, সৎকাম কৰি শেষত কিজানি বিশ্বগুৰু মানৱাচাৰ্য হৈ যায়! এইটো ঘটনা সিপুৰীত থকা গিৰিয়েকে বেয়া পাবনে কি? যদি পায়, তেনেহ'লে সেইজন মানুহৰ লগ লগাৰ কি দৰকাৰ? তেওঁ স্বাৰ্থপৰ, নীচ মনোবৃত্তিৰ ভূত।

অসংখ্য নাৰী স্বামীৰ মৃত্যুত অধীৰ হৈ পৰে। সেই সময়ত বেদনাত, উত্তেজনাত তেওঁ মৰিবলৈও ওলাব পাৰে। তেওঁৰ পতিপ্ৰেম, পতিভক্তি আন্তৰিকতাপূৰ্ণ। তথাপি সেই সময়ত আমি তেওঁক বেৰি ধৰি বুজনি দিওঁ; এসময়ত শান্ত হৈ তেওঁ জীৱনলৈ উভতি আহে। সেই কাৰণেই আমি দেখা পাওঁ—এই পৃথিৱীত আজি বহুতো বিধৱা বহুতো সধৱাতকৈ উজ্জ্বল হৈ জীয়াই আছে।

এগৰাকী নাৰীৰ আত্মহত্যা কৰিব পৰাৰ জোখাৰে বহুত ধৰণৰ যন্ত্ৰণা থাকিব পাৰে। তাৰ ভিতৰত স্বামী-বিয়োগো এটা। কিন্তু বাকী সকলো যন্ত্ৰণাৰ কাৰণে নিজকে নিজে মাৰি পেলোৱাটো অপৰাধমূলক আত্মহত্যা, কেৱল স্বামীবিয়োগৰ যন্ত্ৰণাত নিজকে নিজে মাৰি পেলোৱাটোহে সন্মানীয়, পূজ্য কাম,—এইটো বৰ আচৰিত হ'বলগীয়া যুক্তি। এজনী গাভৰুৰ কাৰণে পৰীক্ষাত ফেল কৰাটো বিধৱা হোৱাৰ সমানে বেদনাময় ঘটনা হ'ব পাৰে। পৰীক্ষাত ফেল কৰা গাভৰুজনীয়ে চাদৰেৰে ডিঙিত ফাঁচ লগাই ওলমি চটফটাই থাকিলে কোনোবা জগদগুৰুৱে চাই থাকিব পাৰিবনে? যদি পাৰে, তেনেহ'লে সেইজন জগদগুৰুক গ্ৰেপ্তাৰ কৰা নহ'ব কিয়?

২৮।১১।৮৭





OKDISCD